# পৃথিৱীৰ প্ৰেম

ফণী তালুকদাৰ

...ATE OF LIBRARY SERVICES
ASSAM, GUWAHATI

চন্দ্ৰ প্ৰকাশ
টিহু : গুৱাহাটী

Prithibir Prem : A Novel in Assamese written by Sri Phani Talukdar and published by [redacted] Rajendra Mohan Sarma. M/s Chandra Prakash, Tihu, Guwahati Assam. Price Rs.—40.00

প্ৰকাশক

শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্ম্মা

চন্দ্ৰ প্ৰকাশ

তিহু : গুৱাহাটী

প্ৰথম প্ৰকাশ

১৯৭৯

দ্বিতীয় প্ৰকাশ

১৯৮৯

বেটুপাত

শ্ৰীত্ৰৈলোক্য দত্ত

মূল —[redacted]·০০ টকা

মুদ্ৰক—

চিনেতাৰিকা পাব্লিকেচন্চ

দিল্লী—১১০০৩৫

বাইণ্ডিং বয় ব্ৰাদাৰ্চ

গুৱাহাটী—৭৮১০০১

ডলীৰ হাতত

লেখক

চৰন্বৈ মধু বিন্দতি চৰণস্বাদুমুদুম্বৰম।
সুৰ্য্যস্য পশ্য শ্ৰেমাণং যৌন তন্দ্ৰয়তে
চৰংশ্চৰৈৰেতি।
—ঐতৰেয় ব্ৰাহ্মণম, ৩৩।৩

*গতিশীল জনেহে মধুলাভ কৰে*
*গৈ থাকিলেহে সুস্বাদুফল পায়।*
*চোৱা সূৰ্য্যৰ শ্ৰেষ্ঠত্ব, অতন্দ্ৰ অনলস*
*পৰিক্ৰমাত*
*সেয়ে ক্লান্তিকো নৰৈ গৈ থাকা........*

# মোৰ একাষাৰ

উপন্যাস লিখাৰ এয়া মোৰ প্ৰথম প্ৰয়াস। কবিতা আৰু নাটকতহে ছাত্ৰ অৱস্থাৰ পৰা মোৰ বিশেষ ধাপ। এতিয়া অৱশ্যে বাতৰিকাকতৰ লগত জড়িত হৈ প্ৰবন্ধ, সমালোচনা আদিও লিখোঁ। কিন্তু ছাত্ৰ অৱস্থাত আৰু পিছলৈ আকাশ-বাণীত সুদীৰ্ঘ ১৫ বছৰে নাটক-ৰূপক ৰচনা-প্ৰযোজনা আদিতে সৰহভাগ সময় লাগি থকা কাৰণে অনাৰ্তাঁৰ শৈলীৰ প্ৰভাৱ এৰাব পৰা নাই যেন অনুভৱ হয়। অসমত আধুনিক একাঙ্ক নাটৰ সংগঠিত আন্দোলনৰ লগতো আৰম্ভণিৰপৰা দহ বছৰ-মানলৈ ওতঃপ্ৰোতঃভাৱে লাগি থকাৰ পৰত তেনে আহিৰ নাটক কেইখনমানো লিখোঁ। মঞ্চৰ লগত ছাত্ৰ অৱস্থাৰপৰা জড়িত থকাৰ ফলত প্ৰথমতে অনুবাদ নাটক আৰু পিছলৈ কেবা-খনো মৌলিক নাটক লিখাৰ প্ৰচেষ্টাও কৰিছিলোঁ।

আকাশবাণীত থাকোতেই, ১৯৬২ চনৰ সীমান্ত সমৰৰ সময়ত বোমডিলা অঞ্চলত সুবিখ্যাত অনাৰ্তাঁৰ ৰূপক প্ৰযোজক মেলভিল দ্যা মেলোৰ লগত তেজপুৰ 'ইভাকুৱেশ্যন'ৰ সময়লৈ কাম কৰাৰ অভিজ্ঞতা আৰু তাৰ আগে-পিছেও আহত সৈন্য আৰু আশ্ৰয়প্ৰাৰ্থীৰ সাক্ষাৎকাৰ আদিৰ ভেটিত 'জুয়ে পোৰা সোণ' নামৰ পূৰ্ণাঙ্গ মঞ্চনাটখনি লিখিছিলোঁ। ১৯৬৩ চনত সেই নাটকখন অসমৰ বছা বছা শিল্পীৰ সমন্বয়ত আৰু বৰপেটাৰ মিলন মন্দিৰ প্ৰতিষ্ঠানৰ সৌজন্যত দিল্লীৰ সৰ্বভাৰতীয় সংস্কৃতিমূলক নাটকৰ সমাবোহত মঞ্চস্থ কৰা হয় আৰু সকলো ভাষাৰে নাটকৰ ভিতৰত শ্ৰেষ্ঠ পৰিগণিত হয়।

আনহাতে অনাৰ্তাঁৰৰ বাবে শতাধিক নাটক-ৰূপক-সঙ্গীতা-লেখ্য এতিয়ালৈ লিখিছোঁ। 'মোৰে মলুৱা' নামৰ অনাৰ্তাঁৰ নাটখনিৰ ভেটিত 'অপৰাজেয়' নামৰ এখন নৱতৰঙ্গৰ কথাছবিও নিৰ্মিত হৈছিল। এতিয়ালৈ কিতাপ আকাৰত আৰু আলোচনী

আদিত দহখনমান পূৰ্ণাঙ্গ আৰু একাঙ্ক নাট প্ৰকাশ হৈছে। গীত আৰু কবিতাও আলোচনী আদিতহে প্ৰকাশিত হৈছে বা অনাতাঁৰ যোগে প্ৰচাৰিত হৈছে।

বামহিৰ সীমান্ত সংঘৰ্ষৰ আধাৰতে ৰচিত শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাস 'শতঘ্নী'ৰ অনাতাঁৰ নিবেদন (আঠ খণ্ডত)' আকাশবাণীৰ নাট বিভাগৰ তেতিয়াৰ পৰিচালক বিষয়া হিচাপে প্ৰযোজনা কৰিছিলো আৰু প্ৰথম পুৰুষত লিখা উপন্যাসখনিৰ নায়ক বঙ্কুবামৰ চৰিত্ৰটি নিবেদন কৰিছিলো। সেই উপন্যাসখনি ৰেডিঅ'ত প্ৰচাৰৰ উপযোগীকৈ বিশেষভাৱে তেতিয়াৰ আকাশবাণীৰ ষ্টেশ্যন ডিৰেক্টৰ শ্ৰীগোপাল দাসে শ্ৰীভট্টাচাৰ্য্যৰ হতুৱাই লিখাইছিল। সেইখনৰ সফল অনাতাঁৰ ৰূপে উপন্যাসখনিকো জনপ্ৰিয় কৰাৰ কথা শ্ৰীভট্টাচাৰ্য্যই স্বীকাৰ কৰে। তেতিয়াৰপৰাই নিজেও এখন নাট্যৰূপত উপন্যাস ৰচনাৰ কথা মনতে ভাবি আছিলো।

আনহাতে এই উপন্যাসখনৰ(পৃথিৱীৰ প্ৰেম)অনাতাঁৰ নাট্যৰূপ যুগুত কৰাৰ সময়ত কথাছবিৰ চিত্ৰনাট্যৰ ৰচনাশৈলীক অকল সংলাপেৰে চিত্ৰধৰ্মীকৈ শুনোৱাৰ এটা পৰীক্ষামূলক প্ৰচেষ্টাও কৰিছিলো। সেয়ে হয়তো উপন্যাসখনৰ মাজতো চিত্ৰনাট্যৰ ৰচনাশৈলীয়ে ভুমুকি মাৰিছে। এই খিনিতে উনুকিয়াই থব খোজো। যে উপন্যাসখনৰ পটভূমি হিচাপে ডিব্ৰুগড জিলা অঞ্চলটো লোৱা হৈছে যদিও, উল্লিখিত বনাঞ্চল, চাহবাগিচা আৰু নামবোৰ প্ৰায়েই কাল্পনিক।

বৰ্তমান আকাশবাণী গুৱাহাটীৰ নাট-প্ৰযোজক শ্ৰীমহেন্দ্ৰ বৰঠাকুৰৰ উদগনিতে এই উপন্যাসখনৰ অনাতাঁৰ-নাট্যৰূপ-প্ৰযোজনাৰ সকলো পৰামৰ্শৰে সৈতে লিখি দিছিলো আৰু সেইখন ছটা খণ্ডত যোৱা বছৰ ৫ মাৰ্চৰ পৰা প্ৰতি দেওবাৰে প্ৰথমবাৰৰ বাবে প্ৰচাৰ কৰা হয়। এই নাট্যমালাৰ নিবেদনত থকা আকাশবাণীৰ একাধিক প্ৰযোজক, শব্দ-সংযোজকৰ ভিতৰত আছিল শ্ৰীদেবকুমাৰ নাথ, শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ, শ্ৰীমতী মীৰা

দাস, শ্ৰীমতী বীণা দাস মান্না আৰু শ্ৰীনীলু চক্ৰবৰ্তী। তেওঁ-লোকৰ যত্নত আৰু অভিনেতা-অভিনেত্ৰীসকলৰ নিখুত অভিনয়ৰ বাবে অনাতাঁৰ ৰূপত উপন্যাসখনি জনপ্ৰিয় হৈছিল। অভিনয় শিল্পীসকল আছিল : সৰ্বশ্ৰী দিলীপ বৰা (চন্দন), কণু দেৱী (মমতা), মোৱাজ্জিন আলি (বুধন), ইন্দিৰা দাস (উমা), নিত্যা দত্ত (মোহিত), বীণা প্ৰসাদ (চম্পা), আৰতি কলিতা (মিছেছ পলী সিং), অৰুণিমা বৰুৱা (ফুলমণি), দীনেশ দাস (লালু), জয়মঙ্গল ওজা (জগুৱা), সিদ্ধান্ত মঙ্গল কাশ্যপ (সৰু চন্দন) আৰু অন্যান্য ভাগত হৰি ডেকা, ধীৰু ভূঞা, উপেন্দ্ৰজিৎ শৰ্মা, ছবীন মেধি, জ্যোতিপ্ৰকাশ দাস, নীলু চক্ৰবৰ্তী, দেৱকুমাৰ নাথ আৰু মহেন্দ্ৰ বৰঠাকুৰ। এইসকল শিল্পী আৰু আকাশবাণীৰ কৰ্মকৰ্তাসকলৰ ওচৰত লেখক কৃতজ্ঞ। আৰু কৃতজ্ঞ অনাতাঁৰ শ্ৰোতাসকলৰ ওচৰত, যিসকলৰ উছাহ-উদগনিয়ে উপন্যাসখন ছপাই উলিওৱাৰ সাহস দিলে।

শেষত সাহিত্য-প্ৰকাশৰ কৰ্মকৰ্তাসকললৈ উপন্যাসখন প্ৰকাশৰ দিহা কৰি দিয়া বাবে কৃতজ্ঞতা আগবঢ়াইছোঁ।

শিলপুখুৰী
গুৱাহাটী—৩

ফণী তালুকদাৰ
১ ফেব্ৰুৱাৰী, ১৯৭৯ চন

# দ্বিতীয় তাঙৰণ সম্পৰ্কে

পৃথিৱীৰ প্ৰেম উপন্যাসখনিৰ প্ৰথম তাঙৰণ এবছৰমানৰ ভিতৰতে শেষ হৈছিল যদিও, নানাকাৰণত দ্বিতীয় তাঙৰণ প্ৰকাশ কৰিব পৰা হোৱা নাছিল। ইতিমধ্যে পাঠশালাৰ ভ্ৰাম্যমান নাট্যদল 'আৰাধনা'ৰ প্ৰযোজক শ্ৰীসদা লহকৰে উপন্যাসৰ নিবেদন শৈলী প্ৰায় একেৰাখি শ্ৰীসুজিৎসিংহৰ হতুৱাই মঞ্চৰূপ নিবেদন কৰায়। 'সৰ্বভাৰতীয় সমালোচক সংস্থাৰ দ্বাৰা, সেইবছৰ প্ৰযোজিত ভ্ৰাম্যমানদলৰ শ্ৰেষ্ঠ নাটকৰূপে পৃথিৱীৰ প্ৰেম পুৰস্কৃত হয়। আমাৰ উপন্যাসৰ কাহিনী এটি সৰ্বভাৰতীয় পটভূমিত দাঙি ধৰাৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ। তদুপৰি একে সময়তে প্ৰখ্যাত নাট্যকাৰ শ্ৰীঅৰুণ শৰ্মাৰ্য়ো এই উপন্যাসখনিৰ ভেটিত চিত্ৰনাট্যধৰ্মী অভিযোজনা এটি যুগুত কৰি আমাক দিছিল।

শেষত, এইবেলি চিহ্ন তথা গুৱাহাটীত প্ৰতিষ্ঠিত 'চন্দ্ৰ-প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মাদেৱে উপন্যাসখনিৰ দ্বিতীয় তাঙৰণ প্ৰকাশ কৰাত আমি অতিশয় উৎসাহিত হৈছো। তেখেতৰ আৰু আমাক যোগাযোগ কৰি দিয়া শ্ৰীদীনেশ চন্দ্ৰ গোস্বামীক আমি এইচেগতে ধন্যবাদ জনালো। লগতে উপন্যাসখনিৰ প্ৰথম তাঙৰণৰ প্ৰকাশক 'সাহিত্য-প্ৰকাশ'ৰ কৰ্মকৰ্তাসকললৈকো পুনৰ কৃতজ্ঞতা জ্ঞাপন কৰি সামৰিছো।

শিলপুখুৰী — ফনী তালুকদাৰ

গুৱাহাটী—৭৮১০০৩ — ২৪/১/৮৯

পৃথিৱী।

কিমান বৃহৎ! কিমান প্ৰাচীন। অথচ নিত্য নতুন।

নদ-নদী, সাগৰ-মহাসাগৰ, গিৰি-গুহা, পৰ্বত-কন্দৰ, সকলোকে সামৰি কালৰ প্ৰহৰী স্বৰূপ আমাৰ এই পৃথিৱী চিৰ-গতিশীল, চিৰ-ধাৱমান।

স্থিতি ক'ত এই পৃথিৱীৰ?

কণ কণ ধূলিকণা, বিন্দু বিন্দু জলৰাশি, অণু-পৰমাণু, গছ-বন, লতা-গুল্ম, জীৱাশ্ম-জীৱকোষ, কোটি কোটি প্ৰাণীৰ সমাবেশ—তাৰেই মাজতে পৃথিৱীৰ স্থিতি।

এয়া তেনে এটি বিন্দু তিনিটা পথৰ সংগম—যেন শান্তিৰ সোহনা। গৰুৰ খোজৰ পানীখিনিতে আকাশমণ্ডল দেখাৰ দৰে, এই বিন্দুতে আমি আমাৰ পৃথিৱীৰ এটি ৰেঙনি বিচাৰি পাব পাৰো।

তিনিটা পথ।

এটা—বিশাল ক'লা অজগৰ যেন, পিছলিয়া, মসৃণ, উত্তৰ—দক্ষিণ-মুৱা পথ। হঠাতে যেন বেঁকা হৈ গোজ লৈছে কিছুমানে, বাটছেটা

দিয়া শাখা প্ৰশাখাযুক্ত বুঢ়া আঁহতজোপাক নেওচি। দূৰত শুনা-নুশুনা সুৰধ্বনি—কোনোবা চঞ্চলা তটিনীৰ।—তাৰেই অনুসৰণত জানো এই গতি ?

আঁহতজোপাৰ দাঁতিৰে লগ লগা আন এটি পথ—আপেক্ষিকভাৱে কম প্ৰশস্ত। দুপিনৰ কৃষ্ণচূড়াৰ শাৰীৰ ছাঁ—পোহৰৰ মাজেৰে সেই পথ মিলি গৈছেগৈ—ওখ ওখ শিৰীষৰ শাৰী আৰু জানি মিছিগা সেউজীয়া জোপোহাৰ চাহগছৰ মাজে মাজে—দূৰ দিগন্তত। একোজোপা আঁহতৰ তলত জিৰণি লৈছেহি আন এটা ৰঙামাটিৰ সৰুপথ। দুৰণিৰ বনাঞ্চলৰ পৰা হোলোংগছ আৰু নাহৰৰ চিৰসেউজীয়া চন্দ্ৰতাপৰ মাজে মাজে ওখ টিলা অতিক্ৰম কৰি ধেনুভিৰীয়া খোজেৰে যেন আহি পাইছে ত্ৰিপথৰ সঙ্গম।

আঁহত জোপাৰ তল।

বহু যুগৰ ইতিহাস বুকুত সামৰি এই বিৰাট বৃক্ষ যেন আজি বৃদ্ধ অভিভাৱক,—যি আশ্ৰয় দিয়ে সকলোকে কিন্তু কাকো বাধা দি ৰাখিব নোৱাৰে। মানুহৰ জীৱন কত ঘটনা কাহিনী হ'ল, কত কাহিনী পাহৰণি হ'ল। নিৰৱ [illegible] যেন স্থিতপ্ৰজ্ঞ আঁহতজোপা [illegible] সাক্ষী হৈ ৰ'ল।

[illegible] মন লৈ, প্ৰতিটো পথেৰে যাত্ৰীসকলে তাত [illegible] কৰি দিওজাকৰ বলৰে সাৰ পাই [illegible] জিৰণিৰ শেষত, সিহঁতেও যাত্ৰা [illegible] পশ্চিম, ঈশান, নৈৰ্ঋত, অগ্নি, বায়ু দিশলৈ [illegible] পোহৰৰ আঁচলত ভেজা দি। উভতি আহে [illegible] আগে আগে পুনৰ আশ্ৰয়ৰ থলী আঁহতজোপাৰ তললৈ। [illegible] চৰাইখিনি আৰু [illegible] চৰাই পোৱালি-বোৰৰ [illegible] হৈ থকা। বৃদ্ধ 'আঁহতজোপাই' যেন দায়িত্ব পালনৰ জগতে অভিভাৱকৰ গৌৰৱো অনুভৱ কৰে।

উৰ্ধমুখে গতি কৰে বৃক্ষ আৰু জীৱনৰ প্ৰাণৰ কামনা,—যিতাতে আকাশখনকো মুঠিত বিষ্টৰৰ মনে। আৰু অধোমুখে নামি পৰে ঝুৰি

ক্ষান্ত, অৱসাদৰ মুহূৰ্তবোৰ,—পাহৰি যাই সবোৰা পক্ষাঘাতৰ দৰে। সূৰ্য্যক প্ৰদক্ষিণ কৰি থকা পৃথিৱী আৰু পৃথিৱীক পৰিক্ৰমা কৰি থকা অশেষ প্ৰাণীৰ যুগ-যুগান্তৰৰ কাহিনীয়েই পৃথিৱীৰ ইতিহাস। বনপথ-জনপথ-ৰাজপথ; স্থলপথ-জলপথ-বায়ুপথ;—পথ, পথ, পথ—মাথোঁ চিৰন্তন পথ পৰিক্ৰমা কৰা কোটি কোটি প্ৰাণীৰ এই গতিশীলতা কিন্তু একক নহয়। হ'বও নোৱাৰে। কোনো অকলে—চৰম গতিশীল নহয়, একান্ত স্থিতিশীলো নহয়। পৰস্পৰৰ আপেক্ষিক আকৰ্ষণ-বিকৰ্ষণৰ সম্বন্ধই সকলোকে গতি দিয়ে,—সৃষ্টিক আৰু স্ৰষ্টাক, প্ৰাণী আৰু পৃথিৱীক, দেহ আৰু মনক। মানুহৰ মনৰো গতিশীলতা নিৰ্ণয় কৰে পাৰস্পৰিক সম্বন্ধ আৰু সমন্বয়ে,—তাকে বোলা হয় সমাজ বন্ধন। আচলতে জানো এয়া বন্ধন? এয়া শৃংখলাহে আৰু এনে শৃংখলাবদ্ধ গতিৰ মাজত যতি নাই। কোন পৰিল,—পাছলৈ চাব পাৰি, কিন্তু ৰ'বৰ অৱসৰ নাই। তাৰ মাজতে দেহ আৰু মনৰ সমতা ৰক্ষা কৰি বন্ধুৰপথ অতিক্ৰম কৰাৰ দৰে মানৱৰ প্ৰচেষ্টা চলি থাকে। যিসকল পৰি গ'ল, তেওঁলোকো গতিশীল ধৰাৰ লগতে ঘূৰ্ণীয়মান, গতিশীল। লানি লগা কোটিজনৰ এই সমতা ৰক্ষা কৰি চলি থকা প্ৰচেষ্টা কিন্তু সদা-চলন্ত, সদা-জীৱন্ত। যেন জীৱন্ত এই আঁহত জোপাৰ তলৰ ত্ৰিপথ সঙ্গম।

●

তেতিয়া সন্ধিয়া লাগিছে।

পুৱা কলৰৱ কৰি উৰি যোৱা ঝাঁক ঝাঁক চৰাই বাঁহলৈ উভতিছে। আঁহত জুপিটো বিধে বিধে চৰাই ন'মিছে,—এটা, দুটা, বহুত, অশেষ। অপেক্ষাত থকা উমনিত পৰা আৰু পোৱালি চৰাইবোৰে অপেৰলি জনাই আনন্দৰ থলক তুলিছে। গৌৰৱৰ অভিমানেৰে ভৰি আহঁত জাকেও ধীৰাতে উজান দিছে। এটা সৰৱ, কোলাহল-মুখৰ অথচ মন-প্ৰাণ জুৰোৱা সমন্বয়ৰ মধু পৰিবেশ।

পছিমৰ আকাশৰ পৰা ধীৰ বৰ'হ'ত যেন কঁপি কঁপি সূৰুযৰ শেষ ৰশ্মিকণাবোৰে দূৰৰ হোলোং-নাহৰৰ কঁপকঁপাকৈ আহি শেষবাৰলৈ চোঁৱাই দিছে আঁহতজোপাৰ এটা কোণ। আৰু কিছো কালত সেই

বন্দিয়াক পৰা নাই, সেইদিনে অলপ আগতে বৃহত্তম পথটোৰে অহা এজন পাহৰৰ চফল ডেকাই আউজি ৰহিছে। কিছুদৰ আগতে এখন বৃহৎ ট্ৰাক দৈত্যৰ দৰে গৰজি সেই পথৰ দক্ষিণলৈ গতি কৰিছে। এহাল বনৰীয়া শিৰীষ গছেজোপা ভাঙনটো পথেৰে উত্তৰ মনোৰ [illegible] গৈছে। আৰু ৰঙা—ধেনুভিৰীয়া [illegible] পথটোৰে ভৰ দুপৰীয়া কৰিছে। গাৰ সেই কঁপি কঁপি থকা দোহৰৰ জাক জাক কপালৰ!

●

সেই ডেকাজন।

ওখ-পাখ, অপৰা চুলি, [illegible] দাড়ি-গোঁফ। এটা খাকী প্যাণ্ট, অলপ চুটি [illegible] চিলা। এটা [illegible] বঁকিয়ন। কান্ধত পেলাই লোৱা—ৰঙা দুভাঁজ, কল কল খেঁচনিৰে এখন চুটি দা। বহল চকু দুটা আকাশত থৈ [illegible] কি ভাবিছে? হয়তো ভাবিছে :

······আজিও পুৱাতে অলপ কিবা খাই, কাঠ গোটাই লৈ গৈছিলো—দহমাইল দূৰৈৰ দেওবৰীয়া হাটখনলৈ। যাতেই মোৰ গ্ৰাহক তাতেইতো হাট। কেতিয়াবা এই গছৰ তলৰ পৰাই নদী ভুঁইয়াৰ মোৰ কাঠখিনি কিনি নিয়ে। এবোজা কাঠ। এদিনৰ কাৰণে যথেষ্ট। মোকতো বেছি পইচা নালাগে। প্ৰকৃতিয়ে উজাৰি দিয়া বনাঞ্চলৰ শুকান ডাল, যিবোৰ গছ আদিয়েই মোক জীৱিকাৰ আহিলা যোগায়। পুৱা ওলাই গৈ কেতিয়াবা দুপৰীয়া ওভতো; কেতিয়াবা আবেলি। আজি অলপ পলম হ'ল। তথাপি ইয়াত বহিছো। এই আঁঠত জোপাৰ তলত খন্তেক বহি ভাল লাগে। ভাল লাগে এই বেক্তত মিলিত হোৱা ভিন্নমুখী তিনিটা পথক চাই। এটা বাটেৰে গ'লে তিব্ৰুগড়ৰ পথৰ ভাঙৰ আকাশী বন্দৰটো,—য'ৰ পৰা উৰা মাৰি পাৰ পাৰি একোখন মহানগৰ। আনটো বাটেৰে গ'লে—চাহ বাগিচাৰ মাজেৰে, য'ত হেজাৰ হেজাৰ মনুষ্য মুৰৰ ঘাম মাটিত পেলাই এমুঠি খোৰাক আহাৰ কৰাৰ সুযোগ দিয়ে।—আৰু সেই বঙা মাটিৰ বাটটো মোৰ বাট—অৰণ্যৰ অন্তৰালৰ গছৰ কেৰেঙনিত বাস্তিবাসৰ মোৰ আত্মকুটিৰৰ বাট।

ডেকাজন উঠিল।

লাহে লাহে আঁহতডালৰ ছাঁ ভাগৰপৰা ঘূৰি সুৰুযৰ শেষৰশ্মি নাচি থকা সৰু ৰঙা বাটটিৰ পিনে আহিল। এবাৰ থমকি ৰ'ল। চিন্তাৰ জাউৰি তেতিয়াও মাৰ যোৱা নাই ঃ

···· বাইশ বছৰ। সময়ৰ জোখেৰে জীৱনৰ এই বাইশটা বছৰত কিমান জানিলোঁ, বুজিলোঁৱেই বা কিমান? আজি দুবছৰে নগৰ-মহানগৰ জনপদৰ পৰা দূৰৈত আছোঁহি। অৰণ্যৰ জীৱ-জন্তুৰ মাজত মাথো এটা। অন্যথা মই সঙ্গীহীন একক। একোঁতা বেয়া নহয়। ---গছৰ কোঁৰেওনিত দিনবোৰ পাৰ হয়। দিনত কাঠ-বাঁহ বেহানৰীৰ সাও। সূৰ্য্যৰ চাৰিওপিনে পৃথিৱীৰ দৈনিক আৱৰ্তন। আৰু পৃথিৱীৰ বুকুত মোৰ এই দৈনিক বিচৰণ। ---কিন্তু মাজে মাজে মনটো কিয় ভাঙি পৰিব খোজে? কিয় পাহৰিব খুজিও পাহৰিব নোৱাৰা অতীতে আমনি কৰিব খোজে? আৰু ভৱিষ্যতৰ স্বপ্নয়ো !! ---কবিগুৰু ৰবীন্দ্ৰ নাথে কৈছিল---'ওভতাই দিয়া মোৰ অৰণ্য, লোৱা এই মহানগৰ।' কিন্তু মই জানো তেনে উপলব্ধিৰে অৰণ্যবাস কৰি আছোঁ? ---নে মই পলাতক? ---জীৱন যুদ্ধৰ ভীত-পৰাজিত সৈনিক? কিন্তু জীৱন যুদ্ধত নিজকে আঁতৰাই দি কি লাভ? লাভ কি পোৱা-নোপোৱাৰ হিচাপ কৰি, তাৰবাবে হাই কাজিয়া কৰি? কি লাভ তেনে শিক্ষা-দীক্ষাৰ, যি ব্যক্তিক মানসিক সমতাও নিদিয়ে আৰু সমাজৰ সৈতে তাৰ সামঞ্জস্যও গঢ়ি নিদিয়ে; ঠেলি দিয়ে মাথোঁ হতাশা—উচ্ছৃংখলতাৰ এন্ধাৰ গুহালৈ।

ডেকাটি লাহে লাহে খোজ লয়।

খোজ লয় ৰঙামাটিৰ পথটোৰে—যিপিনৰ পৰা বতাহত হালি-জালি বাট ভেটা দিয়া পলসবাজিৰ মাজেৰে সন্ধিয়াৰ সূৰ্য্যৰ ৰেঙনিৰ ফলাবোৰ তেতিয়াও আহি আছে।

ডেকাৰ মুখত ৰেঙনিবোৰ পৰি যেন নাচিছে। আগবাঢ়ি গৈ থকা ডেকাৰ মুখত যেন প্ৰত্যয়ৰ এটা আভাস; হয়তো এনে চিন্তাত ঃ

····নাই, মই ভুল কৰা নাই। ঠিকেই কৰিছোঁ। এই অৰণ্যৰ পথেই শ্ৰেষ্ঠ পথ। সৌ যাৰ মাৰ ধৰা বেলিৰ ৰাঙলী কিৰণে জিলি-

কাই তোমে মোৰ বৃক্ষ আবাস। মোৰ অপেক্ষাত কোনো দ্বিতীয় ব্যক্তি নাই আছে অগণিত বন্য জীৱ যিসকলক হিংস্র বুলি কোৱা হয়,—অথচ যিসকল নগৰ-মহানগৰৰ জনপদৰ ভণ্ডামিৰ মুখা পিন্ধা তথাকথিত সভ্য মানৱতকৈ বহু কম হিংস্র।

ঠেক ধেনুভিৰীয়া বঙা পথটিৰ সন্ধিয়াৰ সূৰ্যৰ কিৰণ ঠেলি ডেকাই ওখ টিলাটোৰ নামনিলৈ ক্ৰমে আঁতৰি গ'ল। এটা মানুহ ক্ৰমে বিন্দু এটাত পৰিণত হৈ অদৃশ্য হৈ গ'ল।

আঁহতজোপাৰ তলত তেতিয়াও বাঁহৰে ওভতা চৰাইবোৰৰ কলৰৱ।

আঁহতজোপাৰ তলত তিনিটা পথৰ সঙ্গমস্থল তেতিয়া নিৰ্জন।

৬

হঠাতে বন্দুকৰ শব্দ।

আকৌ!

দূৰৈত ভয় খোৱা চৰাই এজাক যেন ধেনুভিৰীয়া বঙা বাটৰ টিলাটোৰ ওপৰত হাঁহাকাৰ কৰি উৰিছে।। টিলাটোৰ সিপাৰলৈ ... ডেকাজনে দেখিলে এটা গছৰ আঁৰত এখন জীপ। সন্মুখৰ জোপোহা লৰাই লৰ মৰাৰ আভাস—হয়তো হৰিণাৰ।

এটা বন্দুকৰ নলীয়ে ইপিনৰ পৰা সিপিনলৈ লৰি থকা জোপোহাৰ গতি যেন অনুসৰণ কৰিছে।

এটা মুহূৰ্ত।

এটা নাহৰফুটুকীৰ গতিৰে ডেকাই ওখ ঠাই ডোখৰৰ পৰা জাপ মাৰি কোন মুহূৰ্তত বন্দুকটো খপিয়াই ললে, সেয়া যেন নিজেও গম নাপালে। লক্ষ্যভ্ৰষ্ট হ'লেও গুলী ফুটিল আকাশৰ পিনে।

ক্ষুব্ধ বন্দুকধাৰী সচকিত হ'ল; কিন্তু কৃত্ৰিম ক্ৰোধেৰে কৈ উঠিল: কোন তই? কিয় মোৰ বন্দুকটো খপিয়াই নিলি?
ডেকাই টপৰাই উত্তৰ দিলে:

—অৰণ্যৰ শান্তিভঙ্গ কৰিছে কিয়?

বন্দুকধাৰীৰ লগৰ দুজনৰ এজনে নিজৰ হাতৰ বাইফলটো মুঠি মাৰি, বিদ্ৰূপৰ হাঁহিৰে কৈ উঠিল। —কণ্বমুনিৰ আশ্ৰম নেকি ?

ডেকাই গহীনভাৱে কৈ উঠিল ঃ হয়, ইয়াৰ প্ৰশ্ন নুঠে। কালিদাসৰ জ্ঞান নেদেখুৱালেও হ'ব। ইয়াৰ পৰা আঁতৰি যাওক। এয়া বন্দুক।— উপেক্ষাৰে বন্দুকটো দলিয়াই দিলে তেওঁলোকৰ সন্মুখত।

মুহূৰ্ততে ঘটি যোৱা ঘটনাৰ উপলব্ধি কৰাৰ আগতে সপ্ৰতিভ বন্দুকধাৰীজনে কৈ উঠিল ঃ দলিয়াই দিলা যে ? আন এজনে ক'লে ঃ বন্দুকটো ভাঙিলে—

—নিৰীহ হৰিণাটো বাচিব। তৎপৰতাৰে উত্তৰ দি ডেকাই ক'লে ঃ তৰ্কৰ আৱশ্যক নাই। শান্তিত থকা জীৱ-জন্তুক আঘাত কৰিবলৈ এইদিনে আৰু নাহিব। ডেকাই অৱজ্ঞাৰ ভাৱেৰে চিকাৰী কেইজনৰ আগেৰে আঁতৰাই গৈ থাকিল।

অলপ সময় সকলো যেন থৰ হৈ ৰ'ল। এজনে ফুচফুচাই ক'লে, ঃ একেবাৰে গুণ্ডা যেন। আনজনে হয়ভৰ দি ক'লে, ঃ হ'ব ডকাইত চকাইত। বলক বৰুৱা, আঁতৰি যাওঁ।

হৰিণাটোলৈ লক্ষ্য কৰি হঠাতে ডেকাজনৰ দ্বাৰা বাধাপ্ৰাপ্ত হোৱা বৰুৱা এইদলৰ প্ৰধান। শ্ৰীউত্তম বৰুৱা। চাহ বাগিচাৰ মালিক। বয়স পঞ্চাশৰ ওপৰ, কিন্তু অতিশয় তৎপৰতাশীল। লগৰ দুজন তেওঁৰ বন্ধু, অৱশ্যে বয়সত দহ-বাৰ বছৰৰ সৰু। বৰুৱাই ডেকাজন গৈ থকাৰ পিনলৈ চাই আছিল। আহত অভিমানৰ [illegible] যেন তেওঁ নিৰ্বাক হৈ আছে; এনে অনুমান কৰি লগৰ দুজনে তেওঁক বুজাবলৈ চেষ্টা কৰিলে।

ঃ ইচ্ছা কৰিলে তাক এসেকা দিব পাৰি।

ঃ এইবোৰ সৰু মানুহৰ লগত লাগি কি লাভ। ব'লক, ব'লক, আৰু এতিয়া হাবিয়েই যাওঁ।

ঃ অ' অৰুণৰ অৰণ্যৰ দক্ষিণৰ পিনে ভাল হ'ব। [illegible] এটা [illegible] আছে। ৰাতি থাকি পুৱতি নিশা [illegible] [illegible] সুবিধা

তেতিয়াও বকৰা চেপিত। হঠাতে তেওঁ বন্দুকটো এজনৰ হাতত দি ক'লে : তোমালোকে জীপখনৰ দাতিতে থাকা। মই ডেকাজনৰ চিনাকী লৈ আহোঁগৈ।

: নাই, নাই, অকলে নাযাব।— দুয়ো বন্ধুৱে যেন একেলগে কৈ উঠিল।

: বৰাচোন, ভয় নকৰিবা। সি বহুদূৰ পালে। মই এতিয়াই আহিম।

: আনো এইখন কি কৰিব খুজিছে? এজনে হতাশাৰে ক'লে।

আনজনে ক'লে : বকৰা, চিকাৰ কৰিবলৈ আহি নিজেই চিকাৰ হব লগা গিলে—

কথাষাৰ শেষ নৌ হওঁতে বকৰাই জপৰপকৈ উলিয়াই বিভলভাৰটো দেখুৱাই ক'লে,—হেৰা চৌধুৰী, ইমান কেঁচা নহও বুজিছা? এইটো আছেই। কিবা দৰকাৰ হ'লে চিঞৰি মাতিম। মই আহোঁ।— বেগাবেগিকৈ বকৰাই ডেকা যোৱা একাবেঁকা বাটটো যিমান পাৰি সোনাই, বেগাই গ'ল।

চৌধুৰী আৰু আহমেদ দুয়ো বন্ধুৱে ইজনে সিজনলৈ চাই, মাত্র বিদেশী কায়দাৰে ঘাড় লৰালে। দুয়ো অলপ আঁতৰত থকা জীপ-খনৰ পিনে—খোজ ল'লে। এবাৰ-দুবাৰ উভতি বকৰা যোৱালৈ চালে। কিন্তু উখ চাপ এটাৰে তেৱোঁ যেন নেদেখা হৈ গ'ল।

●

: হেৰা ডেকাল'ৰা, বৰা, মৰো গৈছোঁ। বকৰাই কোবাকুবিকৈ সোন বাটেৰে গৈ ওখ টিপটোৰ ওপৰবপৰা হাত দাঙি, অলপ চিঞৰি কথাষাৰ কৈ নামি গৈছিল। টিপটোৰ নামনিত কিছুদূৰ সমতল। মিহি, সেউজীয়া ঘাঁহনি। বঙাবাটটি সেইপিনে গৈছে।

ডেকাজন গৈ আছিল। দুবাৰমান মাতি বিভিয়াই থকাত এঠাইত ৰ'ল। বকৰাই অলপ কোপাই কাষ চাপি আহিল। ডেকাৰ ওচৰ পোৱাৰ লগে লগে অভিযোগৰ সুৰেৰে ক'লে : তোমাক মাতি আছোঁ। শুনা নাই কিয়? এই বুঢ়া মানুহজনক মিছাকৈ দৌৰাই মাৰিলা?

ঃ কিয় ক'ব নোৱাৰি ? ডেকাজনে [illegible]। [illegible] হৈ, কেনে হৈ বকৰাই ক'লে ঃ তোমাক মোৰ ভাল লাগিল। কথাবোৰ শুনি ভাল লাগিল। নিশ্চয় পঢ়াশুনা কৰা নাই। মোৰো [illegible] হৈছে। [illegible]।

ডেকাজনে একো নকলে।

বকৰাই সুধিলে ঃ বাৰু ডেকাল'ৰা, তুমি ক'ত থাকা ?

ঃ এই অৰণ্যতে থাকোঁ। সৌ পাহাৰৰ সৰু টঙীঘৰটোত। ডেকাই আঙুলিয়াই দেখুৱালে।

সমতলভূমিৰ মাজেৰে যোৱা বঙামাটিৰ সৰু বাটটিৰ দাঁতিৰে এডাল ডাঙৰ গছৰ ডাল তিনিটাত ভেজা দিয়া এটা টঙীঘৰ। বকৰাই টঙীঘৰটোলৈ চাই থাকিয়েই সুধিলে ঃ ভয় নালাগেনে ? চাৰিওপিনে হাবি। বাঘ-ভালুক---

ঃ ভয় ? নাই, মইতো সিহঁতক হিংসা নকৰোঁ। মোক সিহঁতে ভয় নকৰে। মযো নকৰোঁ। ---কথা শুনি বকৰাই ডেকাৰ মুখলৈ চালে। ডেকাই প্ৰত্যুত্তৰে কৈ গ'ল ঃ আপোনালোকে সিহঁতক হিংসা কৰে। সিহঁতে ভয় কৰে। আৰু আঘাতো কৰে।

ঃ হব পাৰে। বকৰাই কথাৰ অন্ত সলাই ডেকাজনৰ বিষয়েহে জানিবলৈ চেষ্টা কৰিলে।

ঃ বাৰু তোমাৰ থকা ঘৰটো মোক দেখুৱাবানে ?

ডেকাই এবাৰ বকৰাৰ মুখলৈ চালে [illegible] হি নাবি ক'লে ঃ অন্য কথা নাভাবিবা। [illegible] তোমাৰ দেউ[illegible]ৰ বয়সৰ মানুহ। তোমাক দেখি বৰ ভাল [illegible]গিল। [illegible] উপলব্ধি হ'ল।

ডেকাজন যেন বকৰাৰ কথা-ব[illegible] আ[illegible]ল, [illegible] দেউতাকৰ বয়সৰ বুলি লোৱাত তাৰ [illegible] কোনো[illegible] এটা আত্মীয়তাৰ ভাব জাগি উঠিল।

ঃ বস্তীৰ অধমাৰে উঠিব প'ৰিব জানো ? সহানুভূতিৰ সুৰ ডেকাৰ কথাত ফুটি উঠিল।

DIRECTORATE OF LIBRARY SERVICES GUWAHATI

বকৰাই সেই কথা বুজি পাই উলাহেৰে ক'লে ঃ মোক ইমানেই বুঢ়া ভাবিছানে ? আহা—উঠিব পাৰোনে নোৱাৰো চাবা ।—ডেকাজনে.. বকৰাই টঙীঘৰ থকা গছডালৰ পিনে খোজ ললে। ডেকাই তেওঁক অনুসৰণ কৰি গৈ থাকিল।

বাঁহৰ টুকুৰা বছীৰে বান্ধি বান্ধি ওলোমাই থোৱা জখলা এখন প্ৰকাণ্ড গছডালৰ গাত মেৰ্বাই থোৱা আছে। ওখ মানুহ এজনে সুকি পোৱা ঠাই এডোখৰত লোৰ ডাঙৰ গজালত জখলাখনৰ মূৰটো মেৰাই থোৱা আছে। সিটো মূৰ মাটিৰ পৰা দহ-বাৰ ফুটমান ওখত থকা তিনিটা ডালৰ ওপৰত ভালদৰে বন্ধা। গছৰ তলত থিয় হৈ বকৰাই দেখিলে, টঙীঘৰটো সাধাৰণ পথাৰৰ ধান-মাহ ৰখীয়াইতৰ টঙীঘৰ যেন নহয়। দুৱাৰ-খিৰিকী থকা, আহল-বহল একোঠালিৰ এটা ঘৰহে। তল ডোখৰ কাঠ-বাঁহেৰে মজবুতকৈ সজা। ওপৰত টিনপাতৰ টুকুৰা। ইকৰাৰ বেৰত সৰু খিৰিকী এখন কটা; তেতিয়া জপাই থোৱা আছে।

সৰা পাতবোৰ সৰৰ কৰি বকৰা আৰু ডেকাজন গছডালৰ তলত ৰ'লহি। ডেকাই জখলাখন গজালৰ পৰা একৰাই আনিলে।

ঃ আহক ! মই ধৰি আছো। আপুনি উঠক। লাহে লাহে উঠিব।

ঃ তুমি উঠোতে, তলত কোনে ধৰি থাকিব ? বকৰাই সুধিলে।

ঃ মই এনেয়ে উঠিব পাৰিম। আপুনি নতুন কাৰণেহে।

বকৰাই বছীৰ জখলাডালৰ মাজে মাজে থকা গোটা বাঁহৰ টুকুৰাবোৰত ভৰি দি সন্তৰ্পণে উঠিবলৈ ধৰিলে। বছীৰ জখলা ইফাল সিফাল কৰে যদিও, তলত ডেকাই টানকৈ ধৰি থকাত বকৰা সিমান অসুবিধাত নপৰিল। বকৰা গৈ তিনিটা ডালৰ মূৰত থিয় হৈ ক'লে ঃ —এতিয়া ডেকা ল'ৰা, তুমি উঠা। আয়াসেৰে ডেকাই সমতা ৰক্ষা কৰি উঠি গ'ল। ডেকাই টঙীঘৰটোৰ দুৱাৰখনত লগাই থোৱা সৰু তলাটো খুলিলে। বাঁহৰ সৰু দুৱাৰখন ভিতৰলৈ ঠেলি খুলি দিয়াত, সন্ধিয়াৰ বেঙনিয়েহে গোনতে ঘৰটোৰ ভিতৰ সোমাল। তাৰ পিছত ডেকাজন। ডেকাই গৈ, সৰু খিৰিকীখনো বাঁহৰ ডেকা এডালেৰে মাৰি দিলে। ভিতৰখন পোহৰ হ'ল।

ঃ আহক, এই মুঢ়াটোতে বহক। ডেকাই বকৰাক ভিতৰলৈ মাতিলে। বকৰা সোমাই গ'ল। তেওঁ নবহাকৈয়ে ভিতৰৰ বস্তু-বস্তুবোৰৰ ওপৰত খৰতকীয়াকৈ এবাৰ চকু ফুৰাই ললে। ডেকাই ইতিমধ্যে কাঠবাঁহ বন্ধা বহা দুডাল আৰু কল্কালৰ খোচনিৰ দাখন থিত লগাই থলে। এটা হেৰিকেন লণ্ঠন লৈ, তেল আছেনে নাই—লৰাই চাই, আগৰ ঠাইত থলে। সেই চুকটোত এটা ষ্টোভ, সাধাৰণ কলাই কৰা থালবাতি, চচ্‌পেন, কেট্‌লী, মাটিৰ কলহ আদি বয়বস্তু। এটা দাঁতিত এখন সাধাৰণ বিচনা, বেডকভাৰ এখনেৰে ঢাকি থোৱা। মূৰ শিতানৰ পিনে খিৰিকীখন। কোঠাটোৰ বেৰত কাঠৰ ৰেক্ দুখন লগোৱা আছে। তাত কেইখনমান কিতাপ। ওপৰত দুখনমান সৰু অথচ কলা-সুলভ ছবি ফ্ৰেমত বন্ধোৱা। এদাঁতিত এখন ফটো। আনপিনে এখন কেলেণ্ডাৰ। দুটা চুকত ধুনীয়াকৈ কাটি সজাই থোৱা গছৰ শুকান ডাল। বকৰাৰ চকু থিৰ হৈ ৰ'ল—বিচনাত পৰি থকা এখন ভায়োলিন আৰু এখন শকত কিতাপত।

ঃ বহক! ডেকাই আকৌ ক'লে।

বকৰাই সচকিত হৈ, হাঁহি হাঁহি ক'লে—

ঃ বৰ পৰিপাটিকৈ ৰাখিছাতো। এইবোৰ ছবি, হাতৰ কাম, ক'ৰ পৰা গোটালাহে? আৰু এই শকত শকত কিতাপবোৰ! বিচনাৰ ওপৰত থকা কিতাপখন তুলি লৈ ক'লে ঃ এইখন 'Science and Humanity' সৌখন 'ভাৰতীয় দৰ্শন'। দৰ্শন, বুৰঞ্জী, বিজ্ঞানৰ কিতাপবোৰ। অথচ তুমি অৰণ্যৰ অন্তৰালত···· বৰ আচৰিত লাগিছেহে!

ডেকাই একো নক'লে।

ঃ তুমি কি কৰা? বকৰাই বহি লৈ সুধিলে।

ঃ কাঠ বাঁহ গোটাওঁ, হাটে বজাৰে বেচোঁ। ডেকা বিচনাখনৰ এটা চুকত বহিল।

বেছি কথা নোকোৱা ডেকাজনৰ বিষয়ে জানিবলৈ বকৰাৰ কৌতুহল বাঢ়িল। ধেমালিৰ ছলেৰে কথা উলিয়াবলৈ তেওঁ সুধিলে,

ঃ পিছে তোমাৰ ঘৰণীজনীক দেখা নাই?

: মই অকলে থাকোঁ।

: ও' হয় নেকি? তোমাৰ নামটো জানিব পাৰোনে?

: চন্দন।

: চন্দন কি? মানে উপাধি--

: অকল চন্দন বুলিলেই হ'ব। ডেকাজনৰ পৰা চুটি চুটি উত্তৰবোৰ পাই, বকৰাই তাতে আপাততঃ তুষ্টই থকাটোকে থিৰ কৰিলে। অলপ ৰৈ আকৌ তেওঁ সুধিলে:

: কিন্তু তুমি অকলে ইয়াত কিয় থাকা?

: মোৰ ভাল লাগে।

: খং কৰি, ঘৰ এৰি আহিছা চাগে।

: নহয়।

: তেনেহ'লে?

ডেকাই কিবা অলপ চিন্তা কৰি লাহে লাহে ক'লে: নগৰীয়া জীৱন অন্ধকাৰ, উশাহ বন্ধ হ'ব খোজে।

: তুমি নগৰত আছিলা নেকি? ক'ত? বকৰাই সোধে।

: বহুত বছৰ। কলিকতাত

বকৰাই কিতাপখন আগৰ ঠাইত থলেগৈ। থিয় হৈয়েই সুধিলে: তোমাৰ মা-দেউতা--

: নাই। চন্দনে বকৰা'ৰ প্ৰশ্ন শেষ নৌহওঁতেই তৎপৰভাৱে কৈ উঠিল। চন্দনক হঠাতে চঞ্চল হোৱা যেন দেখি বকৰাই বিষয়টো সলাই সুধিলে: তুমি ভায়োলিন বজোৱা। সৌখন--

: দেউতাৰ আছিল। কেতিয়াবা বজাওঁ।

কিতাপৰ ৰেকৰ ওচৰত ওলোমাই থোৱা ফটোখনৰ ওচৰ চাপি বকৰাই সুধিলে:

: সৌখন মা-দেউতাৰ ফটো নেকি?

: হয়।

: চাব পাৰোনে?

: ৰ'ব। মই দিছোঁ। আপুনি বহক। চন্দনে উঠি গৈ ফটোখন সযতনে গজালৰ পৰা উলিয়াই আনিলে। বকৰা পুনৰ মূঢ়াটোত

বহিলহি। চন্দনে বকুৰাৰ হাতত ফটোখন দিলে। বকুৰাই ফটোখনৰ কাঁচখন অলপ মচি, আচৰিত যেন হৈ অলপ পৰ চাই ৰ'ল। পিছত চকু তুলি চন্দনলৈ চাই সুধিলে—

: তোমাৰ দেউতা, এও ? এও মোহিত—মোহিত ইমাছ নহয়নে ?

চন্দনৰ কপাল কোঁচ খালে। আচৰিত হৈ সুধিলে,

: আপুনি চিনি পায় ?

চন্দনৰ এই প্ৰশ্নত, উল্লাসিত হৈ বকুৰাই কৈ গ'ল—

: ইচ্ তুমি মোহিতৰ ল'ৰা ! আৰে, মোহিত যোৰহাটত মোৰ সহপাঠী আছিল। মেট্ৰিকলৈ সি মোৰ বন্ধু আছিল। মেট্ৰিক পাছ কৰি সি গ'ল কলিকতালৈ, মই পালোগৈ গুৱাহাটী। তাৰ পিছত আৰু লগ পোৱা নাই।

বকুৰাৰ আত্মীয়তাৰ সুৰত চন্দনৰ জড়তা আঁতৰিল। সিও বকুৰাৰ কথাত যেন যোগ দি ক'লে—

: দেউতা যোৰহাটৰ মিছনত ডাঙৰ হৈছিল।

: জানো জানো। মিছনৰ পৰাই তাক কলিকতাত পঢ়িবলৈ পঠাইছিল। বকুৰাই ফটোখনলৈ চাই সুধিলে : আৰু তোমাৰ মা ?

হঠাতে পুনৰ বিমৰ্ষ হৈ চন্দনে কণ্ঠ-নকণ্ঠকৈ মাত্ৰ উচ্চাৰণ কৰিলে এটা শব্দ : নাই ····

বকুৰাই ভাবিলে মাকলৈ মনত পৰি চন্দনৰ বেয়া লাগিছে। তেওঁ পুনৰ বাল্যবন্ধু মোহিতৰ বিষয়ে জানিবলৈ আগ্ৰহ কৰি সুধিলে :

: মোহিতে বাৰু কি কৰিছিল ?

: কলিকতাৰ পৰা ডেৰাডুনতো তেওঁ শিক্ষা লৈছিল। তাৰ পিছত অসমৰ বন বিভাগত চাকৰি কৰিছিল।

বকুৰাই চন্দনক ফটোখন ওভতাই দিলে। চন্দনে সেইখন পুনৰ আগৰ ঠাইত ওলোমাই থয়। তাৰ পিছত খুলি দিয়া বাঁহৰ সৰু খিৰিকীখনৰ ওচৰ চাপি বাহিৰলৈ আঙুলিয়াই কৈ যায়—

: সৌ যে ওখ গছবোৰৰ মাজেৰে পাহাৰখন দেখা যায়, তাৰেই সিপাৰৰ নামনি অঞ্চলত দেউতাই দেশৰ দহ বছৰমান ফৰেষ্ট অফিচাৰ

হৈ আছিল। গোটেই বিজাৰ্ডখনেই যেন তেওঁৰ প্ৰাণ আছিল। তাৰেই ৰূপাই অৰণ্যত তেওঁৰ অফিচ আৰু থকা ঘৰটো। তাতেই মোৰ জন্ম। তাতেই মোৰ ল'ৰালি পাৰ হৈছিল। খন্তেকৰ বাবে আবেগত অভিভূত হৈ চন্দনে অভ্যাসতকৈ যেন অলপ বেছি কথা ক'লে। বাকীখিনি অনুভূতি শব্দেৰে প্ৰকাশ নহৈ এছাটি বিজুলীৰ দৰে মনতে এনেদৰে খেলি গ'ল: মোৰ জন্ম? কি লাভ হ'ল এই পৃথিৱীয়ে মোক জন্ম দি? কাৰ লাভ হ'ল? মই নুপজিলেই ভাল আছিল। দিনৌ লাখ লাখ কীট-পতঙ্গ, জীৱ-জন্তু উপজি আছে, লাখ লাখ মানুহো উপজি আছে। মৰিও আছে। কি লাভ? কি লাভ এই পৰিক্ৰমাৰ? এই আৱৰ্তনৰ? তথাপি, এয়া আমাৰ শক্তিৰ বাহিৰত। জন্ম আৰু মৃত্যু! আন লাখ লাখ জনৰ দৰে ময়ো এদিন উপজিলো, অৰণ্যৰ পৰিৱেশত ক্ৰমে ডাঙৰ হ'লো। ৰূপাইৰ হাবি-বন, ৰূপাইৰ নৈ-নিজৰা, ৰূপাইৰ চৰাই-চিৰিকতি, ৰূপাইৰ জীৱ-জন্তু, ৰূপাইৰ ফুল-পাত---কিমান ধুনীয়া পৰিৱেশ! আৰু ফৰেষ্ট বঙলাৰ পিয়ন, চকীদাৰ, গাৰ্ড ড্ৰাইভাৰ, মালী, মা-দেউতা---- ।

বৰুৱাৰ মৰমৰ হাত এখন কান্ধত অনুভৱ কৰি, চন্দনৰ চিন্তাত আউল লাগিল। কিছুপৰ বাহিৰ সৰু খিৰিকীখনত নিৰ্বাক হৈ থিয় হৈ থকা চন্দনৰ ওচৰলৈ বৰুৱা উঠি গৈছিল। মৰমেৰে কান্ধত হাত থৈ বৰুৱাই কৈ গ'ল: চন্দন, তুমি ডেকা ল'ৰা। মনটো পেলাই নিদিবা। আহা, কথা পাতো। মোক এগিলাচ পানী খুওৱাচোন।

চন্দনে সপ্ৰতিভ হৈ বৰুৱাক ক'লে: বৰ, আনিছো। —বৰুৱায়ো এবাৰ খিৰিকীখনেৰে দূৰ দিগন্তলৈ চাই ললে। ইতিমধ্যে চন্দনে চুকৰ মাটিৰ কলহৰ পৰা চালি এগিলাচ পানী এখন প্লেটৰ ওপৰত লৈ বৰুৱাক আগবঢ়াই দিলেহি। বৰুৱাই পানী গিলাচ লৈ পুনৰ মুঢ়াটোত বহিলগৈ।

বৰুৱাই ৰূপাই ফৰেষ্টত কামকৰা দেউতাকৰ বিষয়ে আৰু পিছত কেনেকৈ চন্দন কলিকতা পালে আৰু কিয়নো ৰূপাইৰ দাঁতিকাষৰীয়া এই অৰণ্যৰ অন্তৰালত তেওঁ এনেদৰে আছে, সেই কথাবোৰ সুধিলে। চন্দনেও দেউতাকৰ হায় অৱস্থাৰ অন্তৰঙ্গ বন্ধু শ্ৰীউত্তম বৰুৱাৰ আগত যেন বহুদিনৰ মনতে গুজৰি গুমৰি থকা সুখ-দুখৰ কথাবোৰ কৈ গ'ল। চমুৱাই কোৱা সেই কাহিনীৰ আঁত ধৰিবলৈ আমি যাব লাগিব ১৪ বছৰ আগলৈ—১৯৬০ চনলৈ। -----

# চৈধ্যবছৰ আগৰকথা

ৰূপাই ফৰেষ্ট।

ৰূপাই নৈৰ পাৰৰ চিৰসেউজ ওখ চাপৰ টিলা আৰু মাজে মাজে সমতল ভূমিৰে এই বনাঞ্চল।

সংৰক্ষিত বনাঞ্চলৰ প্ৰৱেশ পথতেই কাঠৰ চাংবঙলা এটাত ফৰেষ্ট অফিচাৰৰ অফিচ আৰু থকা ঘৰ। আহল-বহল কম্পাউণ্ডৰ এটা দাঁতিত দুটামান সৰু ঘৰ, পিয়ন, চকীদাৰ, মালীৰ।

অফিচ ঘৰৰ সন্মুখত বাগিচা এখন; ধুনীয়া বিবিধ ৰঙৰ পাত থকা সৰু সৰু গছ, ফুল। কম্পাউণ্ডৰ দাঁতিত ৰঙাজবা, শেৱালি, টগৰ।

চাংবঙলাটো এটা সৰু টিলাৰ ওপৰত। সন্মুখৰ খোলা অংশৰ ৰেলিঙত ধৰি চাই পঠিয়ালে অলপ দূৰৈৰে বৈ যোৱা ৰূপাই নৈখনৰ এটা ভাঁজ চকুত পৰে। বাৰিষা ওফন্দি পৰা পানীত উটি অহা কাঠৰ টুকুৰা আদিও দেখা যায়। খৰালি ভাজটোত পৰা বালিৰ চৰ অংশ এটা ৰ'দালিত ৰূপালী হৈ ৰূপাই নৈৰ নামৰ যেন সাৰ্থকতাকেহে আঙুলিয়ায়। জাক জাক চিনা নিচিনা চৰাই উৰি আহে, উৰি গুচি যায়। কেতিয়াবা পুৰা সক্ৰিয়া হৰিণা এটা দুটাই পানী খাই আঁতৰি যায়। পাটকাই পৰ্বতৰ জীয়ৰী ৰূপাই নৈৰ কুলুকুলু সুৰৰ মোহিনীয়ে সকলোকে আকুল কৰে।

আকুল কৰিছিল মোকো চমাহকো। আৰু কৰিছিল চমা চমাহক। লগতে ফৰেষ্টত কাম কৰা এমুঠি কৰ্মীক আৰু কেতিয়াবা ফুৰিবলৈ অহা ভ্ৰমণকাৰীসকলক।

ভৌগোলিক অৱস্থিতি, ওখ-চাপৰ টিলা আৰু সমতলভূমি, বৈবুৰুৰ অ চি [illegible] নৈ-নিজৰাই ভৰা অসমৰ হাবি-বননিত আছে বহু মূল্য

ৰঙ্গন কাঠ, চালে চকুৰোৱা ফুল-অঁকিত, বিবিধ ফলমূল, শাক-পাচলি বনৌষধি। উজনিৰ ডিব্ৰুগড়, লক্ষীমপুৰ, শিৱসাগৰ আৰু দৰঙৰো অঞ্চলবিশেষত বৰষুণ বেছি কাৰণেই বছৰটো সেউজীয়া পাতে ভৰা গছ-গছনি অধিক। নগাওঁ আৰু মধ্য অসমলৈ ক্ৰমে চিৰসেউজ হাবি-বননি কমি আহে। আৰু নামনি অসমৰ জাৰকালি পাত সৰি লেঠঙা হোৱা শাল, শিমলু, এনেকুৱা তাঁচিয়ে বছৰৰ এটা অংশ হাবি-বননিবোৰৰ সেউজী ৰূপ সলনি কৰে। কিন্তু ডিব্ৰুগড়, শিৱসাগৰ আদি অঞ্চলৰ হাবি-বননিৰ হোলোং, নাহৰ, আমাৰী আদি গছ আৰু বেত-বাঁহ-বিৰিণাৰ জোপোহে অঞ্চলটোক বছৰটোৰ সকলো সময়তে সেউজীয়া কৰি ৰাখে।

ডিব্ৰুগড় অঞ্চলৰ কপাই বনাঞ্চলো সেয়ে চিৰসেউজ হৈ থাকে। আৰু সেয়ে বোধকৰো ফাৰেণ্ট অফিচাৰ মোহিত উমাৰে প্ৰায়েই তেওঁৰ ভায়োলিনত সুৰ তোলে,—'সেউজী, সেউজী, সেউজী অ',—সেউজী ধৰণী ধুনীয়া'—জনপ্ৰিয় গীতটিৰে।

১ সিদিনা দেওবাৰৰ আগবেলাও, চাংঘৰটোৰ খোলা বাৰাণ্ডাখনৰ এচুকত বহি—কপাই নদীৰ পিনলৈ চাই মোহিতে বজাই আছিল, সেই সুৰটো। ওচৰতে টেবুলখনত দুখনমান কিতাপ, এছট্ৰেটো।

হঠাতে এটা হুলস্থুলীয়া পৰিবেশত, তেওঁ ভায়োলিন বজোৱা বন্ধ কৰি পাছলৈ ঘূৰি চালে। ঘৈণীয়েক উমাই আঠ বছৰীয়া ল'ৰা চন্দনক এহাতত ধৰি একপ্ৰকাৰ চোচোৰাই আনিছে। ল'ৰাটোৰ কোচত এটা শহা পোৱালি। লগে লগে উমাই বিৰক্তিৰে কৈ আহিছিল,

: মই আৰু নোৱাৰা হৈছো—তোমাৰ ল'ৰাৰ লগত। এই দেওবাৰটো, বোলো ঘৰ-দুৱাৰ চাফ কৰো। মই এপিনৰ পৰা চাফ কৰিম, আৰু এওঁ ফুৰিব লেতেৰা কৰি।

: কিনো হ'ল উমা?

: কি হব আৰু? তুমি বেহেলা বজাই থাকা। আৰু তোমাৰ নন্দন চন্দনে—

: চন্দন! মানে চানু।—বেহেলাখন টেবুলত থৈ উঠি মোহিতে সুধিলে : চাওঁ আহা চানু সোণটো।

ঃ ফৰেষ্টাৰৰ ল'ৰা। হৰ সিও জংঘলী—চন্দনক লাহেকৈ ঠেলি দি উচাৎ মাৰি ভিতৰলৈ খোজ দিয়ে।

ঃ আঃ উমা, পুৱাৰপৰাই তাৰ পাছত কিয় লাগিছা? সৰু ল'ৰা—

মোহিতৰ মন্তব্য শুনি, উমাই বৈ উভতি চাই খঙেৰে ক'লে,

ঃ হৈছে হৈছে। সাত বছৰ হৈ আঠত সোমাল। সৰু ল'ৰা! সেই লেতেৰা শহা পোৱালিটো লৈ যে—। খঙতে মুখাৰ দাঁত হেকৰাই আকৌ যেন জুকিয়াই কয় ঃ কি যে ক'ম? তুমি তাক ৰাখা। মোৰ বহুত কাম আছে।

উমা যোৱাৰ পিনে, মুখ ওফোন্দাই চন্দনে চকু ঘোপাকৈ চাই ৰ'ল। মোহিতে মৰমেৰে তাক চকীখনৰ ওচৰলৈ আনি কাষৰে মূঢ়াটোত বহুৱাই ক'লে,

ঃ চাওঁ চানু, তুমি বাৰু শহা পোৱালিটো ক'ত পালা? আকৌ এবাৰ মাক যোৱাৰ পিনে চাই, আশ্বস্ত হৈ দেউতাকক চানুৱে কৈ গ'ল ঃ দেউতা এই শহাটো মই ধৰিলো। চোৱা কিমান ধুনীয়া। নহয়নে দেউতা? মই তাক খুৱাই-বুৱাই মানুহ কৰিম।

মোহিতে ডাঙৰকৈ হাঁহি মাৰি ক'লে ঃ শহা পোৱালিটোক মানুহ কৰিবা?

ঃ কিয় দেউতা?—চন্দনে অপ্ৰস্তুত হৈ সুধিলে।

কথা সলাই মৰমেৰে দেউতাকে ক'লে ঃ নহয়, তুমি ঠিকেই কৈছা চানু। তাক আমি মানুহ কৰিম। পিছে তাক ধৰিলা কেনেকৈ?

দেউতাকৰ কথাত আশ্বাস পাই, আগ্ৰহেৰে সি কৈ গ'ল—

ঃ সৌ যে কম্পাউণ্ডৰ বাহিৰৰ হাবিতৰা। মালীকায়ে মোক ফুৰাবলৈ লৈ গৈছিল। মই দেখিলো। মালীকাইক ক'লো—ধৰা। ধৰিলে জাপ মাৰি। কিন্তু পলুকা মাৰিছিল। মইহে উবুৰি খাই সাবটি ধৰিলো।—এটা ডাঙৰ কাম কৰাৰ আনন্দেৰে হাঁহি মাৰি দেউতাকলৈ সঁহাৰি বিচাৰি চালে।

ঃ হয় নেকি? বঢ়িয়াতো। —দেউতাকে পিঠিত থপৰিয়াই ক'লে।

আনন্দত উতলা হৈ চানুৱে কৈ গ'ল ঃ বুজিছা দেউতা, মালীকায়ে কয় তাৰ বান্দৰটোহে বোলে বেছি ধুনীয়া। সেইটোও হব পাৰেনে ?

ঃ একো নাজানে সোণ ! বুধন্ মালীতো নিজেও এটা বান্দৰ। দেউতাকৰ কথাত চন্দনে খিলখিলাই হাঁহি দিলে। ঠিক তেনে সময়তে চাংঘৰটোৰ তলৰপৰা বুধন মালীৰ মাত শুনা গ'ল ঃ চানু বাবা, শহাটোৰ কাৰণে ঘাস্ আনিছু।

ঃ গৈছো মালীকাই ! —এখনতেকো নৰৈ শহাটোক সাবটি ধৰি চন্দন চিৰিৰ কাষ পালেগৈ। দেউতাকে ক'লে ঃ লাহে লাহে। চিৰিৰ লাহে লাহে নামিবা।

ঃ বাৰু দেউতা,—বুলি কৈ পাছলৈ নোচাৱাকৈয়ে চাংঘৰটোৰ চিৰিৰে চন্দন নামি গ'ল। দেউতাকে তালৈ চাই থাকি এটা আপ্যায়নৰ হাঁহিৰে চিগাৰেট এটা লৈ গুনগুণালে ঃ 'সেউজী সেউজী, সেউজী অ'—।' তাৰ পিছত চিগাৰেটটো মুখত লৈ, ভায়োলিনখন ধৰলৈ বাৰাণ্ডাৰ পৰা ঘৈণীয়েকক মাতি মাতি কোঠাত সোমাই গ'ল,

ঃ উমা—একাপ চাহ নোখোৱানে ?

●

ইপিনে চিৰিৰে সন্তৰ্পনে চন্দন চাংঘৰটোৰ তললৈ নামিব ধৰে। চিৰিৰ তলত বুধন মালী—হাতত এসোপা ঘাঁহ, আৰু এখন হাতেৰে শিকলি এডালত ধৰি আছে। শিকলিত বন্ধা এটা বান্দৰ পোৱালি। হঠাতে শেষ চিৰিটো নমাৰ আগতে চন্দনৰ হাতৰ পৰা শহাটো পিচলি যায়। বান্দৰটোৱে খিকখিকাই দাঁত নিকটাই খেদি আহে। চন্দনে জাপ মাৰি নামি তয়ত নিথৰ হোৱা শহা পোৱালিটো তুলি বুকুত সাবটি লয়, ঃ হেয় হেয় ! মালিকাই তোমাৰ বান্দৰটো ইমান দুষ্ট। মোৰ শহাটোৱে চক্ খালে।

বুধন মালীয়ে হাঁহি হাঁহি কয় ঃ হিঃ হিঃ হিঃ। চানু বাবা, তোমাৰ শহাটোৰ ইমান ডৰ, হেঃ হেঃ হেঃ !

মালীৰ কথালৈ কাণ নিদি, চন্দনে শহাটোক বুকুত সাবটি মৰম কৰি কয় ঃ ভয় নাই। আৰো মোৰ জানটো !

: জানটু ?---মালীয়ে ঠাট্টাৰ সুৰেৰে কয়।

: অ'তোন। মই নাম দিছো--জান, মোৰ জানটো—

: জানটুনে ফুচ্‌চু! খং তোলাবলৈ মালীয়ে কয়।

: ফুচ্‌চু কিয় হব? জানটো। তোমাৰ বান্দৰটোহে ফুচ্‌চু। চন্দনে কয়।

: নাই নাই, চানু বাবু! মোৰ বান্দৰৰ নাম লালু--মালীৰ কথাত চন্দনে কয়: ইচ্ এনে ভাল নাম? লালু—

হঠাতে বান্দৰটোৱে খিক্‌খিকাই উঠাত চন্দন অলপ আঁতৰ হৈ যায়। বুধন মালীয়ে হাঁহি হাঁহি কয়: দেখিছা লালুৰ গোস্সা হৈছে। চন্দনে যেন ভয় খাই সোধে: কিয় মালীকাই, কামুৰিব নেকি মোৰ জানটোক?

: নাই চানুবাবা, তাৰ দোচৰা কাৰণত গোস্সা হৈছে। তোমাৰ শহাৰ ঘাস্ দেখিছেতো! আৰু আজি ৰবিবাৰ। মই গাঁৱ বাৰাত দেৰী হৈছে। তাক গাঁৱত কল খিলায় যে---মালীয়ে বান্দৰটোক সামৰি লৈ কয়।

: কোনে কল খুৱায় মালীকাই? তুমিয়েচোন খুৱাব পাৰা। সদায় দেওবাৰে কিয় গাঁৱলৈ যাব লাগে?

: আমাৰ কাৰণে বৈ থাকে নহয়,—

হাঁহি মাৰি চন্দনে কয়: বুজিছো, বুজিছো—নবৌৱে

: ঠিক কৈছা চানুবাবা। পাছে নবৌ হোৱা নাই। হবহে—

: বৰ মজা হব। তুমি তেন্তে যোৱা। লালুক লৈ যোৱা। মোৰ জানটোৰ ঘাঁহখিনি দিয়া।

বুধনে ঘাঁহখিনি দি, চন্দনক কয়: ব'বুক কৰা হা, মই এতিয়াই যাম।

: দেউতাই জনেইচোন, তুমি দেওবাৰে দেওবাৰে যোৱা। বুধনে চন্দনক মৰম কৰি যায়গে।

চন্দনে শহাটোক লৈ, চাংৰঙলাৰ চিৰিৰ তলৈলৈ গৈ থাকে। মুখেৰে বিৰবিৰাই শহাটোক বুজায়: জানটু, আগে ঘাহখিনি খাবা

হয় ? তাৰ পিছত আমি পঢ়িম। এ-বি-চি-ডি, পঢ়িব লাগিব। আহ্, মোৰ জানটো নে সোণটো।

●

বাগাই ফৰেষ্টৰ কাঁতৰত—দুমাইলমান দূৰৈত এখন বস্তি। নানা ধৰণৰ মানুহৰ বসতি। গাঁৱৰ পুৰণিদিনীয়া মানুহৰ উপৰি, দুই এটা ঘৰত বিহাৰী মানুহো আছে। সৰুসুৰা দোকান পাতি আৰু হাটবোৰতো মণিহাৰী বয়বস্তু বেচে। গাঁৱৰপৰা গাখীৰ গোটাই, দৈ-মাখন কৰি হাট-বজাৰত বেচা নেপালী মানুহো প্ৰায় অঞ্চলটোৰে অ'ত ত'ত আছে। আৰু আছে হাট-বজাৰৰ দাঁতি-কাষৰত দুই-এটা চুলাই মদৰ ঘাটি।

সেই বস্তিটোৰে জুপুৰীবোৰৰপৰা সৰু জুৰিটিৰ পাৰলৈ পুৱা আবেলি পানী নিবলৈ অহা গাভৰুকেইজনীৰ মাজৰে এজনী চম্পা। বুধন মালীয়ে তালৈ আৰু বান্দৰটোলৈ দেওবাৰে দেওবাৰে বাট চাই থকা বুলি তাইৰ কথাকে কৈছিল। যিটো জুপুৰীৰপৰা চম্পা আহে, সেইটোত তাইৰ দেউতাক—হাতকটা চিপাহী বুলি জনাজাত—নৰ-বাহাদুৰ থাকে। যুদ্ধত সোঁহাত হেৰুওৱা চিপাহীৰ পুতেকে বিয়া কৰাই ওচি গ'ল, ঘৈণীয়েক কেতেকীও মৰিল, অকল গাভৰু জীয়েক চম্পাক পৰ দি থাকিবলগীয়া হ'ল।

জুপুৰীটোত আৰু দুই এজন মানুহ অহা-যোৱা কৰে। বুধন মালীও আহে। কাৰ কথা কোনে মন কৰে ? কিন্তু সেই জুপুৰীটোৰ আঁৰতো কিছুমান কাহিনী আছে। সেই কথা আমি পিছত জানিব পাৰিম। এতিয়া মাথো এইখিনিকে কওঁ যে, সিদিনা দেওবাৰেও আগবেলাতে বুধন মালীয়ে বস্তিটোৰ কাষত নৈখনৰ পাৰত চম্পাক দূৰৈৰ পৰাই দেখিছিল। ডমৰুটো বজাই বান্দৰটোক শুনোৱাৰ নাচতে তাৰ আগ-মনৰ জাননী সি দিছিল।

জুৰিৰ পাৰত পাধুই উঠি চম্পাই আধা তিতা কাপোৰেৰে কাষত কলহ লৈ সি অহাৰ পিনে চাই আছিল।

লগৰ আন এজনীয়ে হাঁহি মাৰি কৈছিল, 'চম্পা, তোৰ মনৰ মানুহ—' চম্পাই তাইক যেন খেদিহে দিছিল। আন দুজনীয়ে খিলখিলাই

হাঁহিছিল। আৰু আটাইকেইজনীৰ লগত চম্পায়ো বেগাবেগিকৈ ঘৰমুৱা হৈ খোজ দিছিল। ডমৰু বজাই আঁতৰে আঁতৰে বুধনেও খোজ লৈছিল একে পিনে।

●

বগাই ফবেণ্ট অফিচত দেওবৰীয়া নির্জন পৰিবেশ। পছ-বিৰিৰ, নৈ নিজৰাৰ কিন্তু দেওবাৰ নাই, ছুটীও নাই। একেদৰে ডাল-পাতত বতাহে আঙুলি বুলাই বিবিধ সুৰৰ সৃষ্টি কৰে, নৈ-নিজৰাত কুলুকুলু ধ্বনি অবিৰত উঠে আৰু পশু-পক্ষীৰ আৱাৰ শুনা যায়। নিতৌ, একেদৰে। সিদিনা আবেলি ফৰেণ্ট অফিচাৰ মোহিত উমাহে চাংবঙলাৰ ওপৰতে থকা অফিচৰ কোঠাত বহি কিবা 'টাইপ' কৰি আছে। একান্ত মনোযোগেৰে 'টাইপ' কৰি থকা বাবেই হয়তো, কোঠাটোলৈ শহা-পোৱালিটো লৈ সোমাই অহা চন্দনলৈ মন কৰা নাছিল।

চন্দন আহি দেউতাকৰ পাছফালে ৰ'লহি।

: জানটো নে সোণটো। চোৱা দেউতাই টপাটপ্ টাইপ্ কৰিছে। মই ডাঙৰ হ'লে ময়ো কৰিম। তোমাকো শিকাম। নহয়নে দেউতা?

: অ,' অ' শিকাবা। দেউতাকে চন্দনলৈ বিশেষ মন নিদি শলাগি থলে আৰু চিঠিখন টাইপ কৰি থাকিল।

চন্দনৰ হাতৰপৰা শহাপোৱালিটো পুনকি শুচি যাব খুজিছিল। সি ভালকৈ দাঙিলে, তাৰ আগঠেং এখনত ধৰি ক'লে: চাও জানটো, ঠেংখন দিয়া। এইটো ইংৰাজী আখৰ 'এ'। এইবুলি টাইপৰাইটাৰৰ আখৰটোত হেঁচুকি দিলে।

: আঃ চানু, কি কৰিছা?—বিৰক্তিৰে শহাটোক অলপ ঠেলি দি দেউতাকে বিঙিয়াই মাতিলে: উমা, চানুক নিয়াচো। এখন দৰ্কাৰী চিঠি টাইপ কৰিছো। —আহিলানে? আনটো কোঠাত মুৰ আঁচুৰি থকা উমাই ফণিখন টেবুলত থৈ মেলা চুলিৰেই বকি বকি সোমাল,

: এতিয়া পাইছানে গম? মোক হ'লে কব—অলপ কথাতে ল'ৰাটোক বকি থাকা। পিছে এতিয়া? চাও চানু, আহা। দেউতাৰাক কিয় আমনি কৰিছা? চানুক এহাতেৰে ধৰি উমাই কোঠাৰ বাহিৰলৈ লৈ আহে: ঘোৰা তলত খেলাগৈ।

: কাৰ লগত খেলিম? মালীকাই গাঁৱলৈ গৈছে।
—সি বিৰবিৰাই কয়।

: চকীদাৰে সৌৱা ফুলত পানী দি আছে। যোৱা তাতে খেলাগৈ। যোৱাচোন।

শহাটোক সাৱটি লৈ, আমনজিমনকৈ চন্দন চাংৰঙলাৰ বাৰাণ্ডাৰ চিৰিখনেৰে নামি গ'ল। মাকে তালৈ অলপ পৰ চাই থাকি, পুনৰ গিৰীয়েকে টাইপ কৰি থকা কোঠাটোৰ দুৱাৰমুখ পালেহি।

: চানুক বাৰু পঠিয়ালো। কিন্তু তুমি দেওবাৰেও এই গধূলিলৈকে অফিচৰ কামকে কৰি থাকিবানে? উমাৰ কথাত মোহিতে যেন আচৰিত হৈহে সুধিলে,

:-সন্ধিয়া লাগিলেইনে?

: খিৰিকীখনেৰে বাহিৰলৈ এবাৰ মূৰ তুলি চোৱাঁ। এন্ধাৰ হবই এতিয়া।

ধেমালিৰে মোহিতে ক'লে: তুমি থাকিলে মোৰ এন্ধাৰ হব পাৰেনে?

: হৈছে হৈছে নালাগে লেবেলা সাদৰ দেখুৱাবলৈ। —ওচৰ চাপি মোহিতৰ হাতখনত ধৰি ক'লে,

: এতিয়া থোৱা। অলপ ফুৰি আহোঁগৈ, ব'লা।

: বাৰু থলো। তোমাৰ আদেশ যেতিয়া। কানিজটো আনাচোন। ব'বা, ভায়োলিনখনো লওঁ। মোহিত চকীৰপৰা উঠিল। এটা গীতৰ কলি গুণগুণাই আনটো কোঠালৈ গ'ল।

তৃপ্তিৰ অনুভূতি এটা লৈ উমায়ো পাছ ল'লে।

●

চাংৰঙলাৰ সন্মুখৰ ধুনীয়াকৈ ৰখা লনখনত নানান ফুল ফুলি আছে। কাষে কাষে কেতবোৰ অকিড টাব আৰু কাঠ-বাঁহৰ চাঙত ওলমি আছে। দেওবাৰে মালী গাঁৱলৈ যায় কাৰণে, চকীদাৰেই আবেলি পানী দিয়ে।

চন্দনে শহাটো সাৱটি ফুলনিত পানী দি থকা চকীদাৰৰ কাষ পালেহি।

: চকীদাৰ ককাই, ফুল দিয়াচোন। এটা মোক, আৰু এটা মোৰ জানটোক।

চকীদাৰে চন্দনলৈ চাই হাঁহিলে, আৰু দুটা ফুল আনি দিলে।

চন্দনে শহাটোলৈ ফুল আগবঢ়াই দিলে। শহাটোৱে পুলুকা মৰাৰ চেষ্টাহে কৰিলে।

: বুজিছো জানটো, তোমাক ফুল নালাগে। তোমাৰ ভোকহে লাগিছে। ঘাঁহ লাগে। ৰ'বা, ঘাঁহ দিম। এনেতে দেউতাক-মাক ফুৰিবলৈ বুলি চাংবঙলাৰপৰা নামি সেইখিনি পাইছিল।

: চানু, ফুৰিবলৈ যাবা নেকি?

দেউতাকৰ কথা শুনি চানুৱে মাথোন ক'লে,

: মোৰ জানটোৰ ভোক লাগিছে। তাক খুৱাব লাগে। মই কেনেকৈ যাম?

: হয়তোন আকৌ। দেউতাকে হাঁহি কয়।

মাকে চকীদাৰক কয়: চকীদাৰ চানুক চাবা। আমি অলপ পিছতে আহিম।

: চানু বাবা, টা টা। দেউতাকে কয়।

: টা-টা। চন্দনে হাত জোকাৰি মাক-দেউতাকক বিদায় দিলে। তাৰ পিছত চকীদাৰক কয়: আহাচোন ককাই, চিৰিৰ তলতে ঘাঁহ আছে। তুমি ধৰি থাকিবা। মই খুৱাম। আহা!

●

আন দেওবাৰটো সন্ধিয়াৰ দৰেই, সেইটো সন্ধিয়া।

মৃদু বতাহে গছ-বিৰিখক দোলনি দিছে। বৈ থকা কপাইৰ পানীত উৰি যোৱা জাক জাক চৰাইৰ প্ৰতিবিম্ব পৰিছে। অথচ আনবাৰৰ সন্ধিয়াৰ তুলনাত, সেই দেওবাৰৰ সন্ধিয়াটোৰ কিমান প্ৰভেদ আছিল! কিমান বেদনাৰ অথচ আশা-নিৰাশা, ভয়-উৎকণ্ঠাৰে মিহলি হৈ সন্ধিয়াটো আহিছিল—মোহিতৰ বাবে, উমাৰ বাবে, চন্দনৰ বাবে!!

বেলি মাৰ যাওঁ যাওঁ। কপাইৰ পাৰৰ, কহুৱাৰ ডাঁৰৰ এজাক গঁড়ে ভেজাদি অসীম থিয়াই বৈ থকা নৈ আৰু উৰি যোৱা চৰাই চাই চাই

তন্ময় হৈ মোহিতে ভায়োলিনত সুৰৰ লহৰ তুলিছে। দাঁতিতে বহি আছে উমা।

কিছুপৰৰ পিছত উমাই ক'লে : চাও, থোৱা ভায়োলিনখন। ব'লা নৈখনৰ দাঁতিলৈ যাও। চোৱাচোন, আকাশত কিমান ৰং, নৈৰ পানীতো জিলিকি উঠিছে।

: অপূৰ্ব দৃশ্য। সুন্দৰ। —মোহিতে বজাবলৈ এৰি কয়।

: আৰু তুমি টাইপ ৰ'ইটাৰটো লৈ বহি থাকাগৈ।

মোহিতে উমাৰ অভিমান সনা কথাৰ সঁহাৰি দি সাবটি ধৰি কয়,

: আহ্, মোৰ উমানে কোন ?

: এই চাও। এৰাচোন। উমাই কয়।

: ৰবাচোন। সেউজী ঘাহনি ডবাতে শোও। চাও, তোমাৰ কোলাত মূৰ থৈ—

: এই নতুৰা স্বভাৱৰেই শিয়ালদহৰ ৰিফিউজী কেম্পৰপৰা জংঘল পোৱালাহিতো !

: নহ'লে, এই অপূৰ্ব প্ৰকৃতিৰ শোভা দেখিলাহেঁতেন নে ?

: ইহ্ হৈছে হৈছে। আমাৰ পূববঙ্গৰ গাঁও কিমান ধুনীয়া। বহাগ মাহত আম গছৰ তলে তলে, বতাহ-ববষুণৰ মাজে মাজে কিমান দৌৰি ফুৰিছিলোঁ। মাই ইমান বকিছিল। বাবায়ো। সেই যে দিনবোৰ। অলপ অভিভূত হৈ উমাৰ কথাবোৰ যেন স্মৃতিৰ মণিকোঠাৰপৰা নিগৰি পৰিল।

কথা পাতলাবলৈ মোহিতে দুষ্টামিৰে ক'লে : তেন্তে গোৱা— 'সেই যে আমাৰ, নানা ৰঙেৰে দিনগুলি,—ৰইলো না—ৰইলো না—।' উমাই যেন তাৰেই ৰেখা টানি কৈ গ'ল : এৰা, সকলো হেৰাই গ'ল। ঘৰবাৰী, গাঁও, মাটি, মা-বাবা। সম্বন্ধীয় হাৰাণ দাদা মাথোঁ ৰ'ল--- আৰু মই----- ।

: আৰু এটা অচিন মিছনৰ ল'ৰাই বোকাৰপৰা বুটলি আনিলে এপাহ পদুম। মোহিতে উমাক বুকুৰ মাজলৈ টানি আনিব খুজিলে।

: ইচ্ লমৰো কিয় ? ল'ৰাৰ বাপেকী হৈও—লাজ চৰম যদি

আছে। থোৱা এতিয়া আৰু তোমাৰ সেই প্ৰেমৰ ইতিহাস মেলিব নালাগে। —উমাই হাত একৰাই উঠিল।

মোহিতে উঠি উঠি কৈ গ'ল ঃ পাহৰিব পাৰি জানো উমা। 'ভুলে থাকা নয় সেতো ভোলা, বিস্মৃতিৰ মৰ্মে বাস, বক্ষে মোৰ দিয়াছে যে দোলা।'

হঠাতে বন্দুকৰ গুলীৰ শব্দ এটা শুনা গ'ল। মোহিত-উমা উৎকণ্ঠিত হ'ল। দুজনে দুয়োৰে মুখলৈ চাই কিবা কোৱাৰ আগতে আৰু এটা গুলীৰ শব্দ।

ঃ নিশ্চয় চোৰাং চিকাৰী। মোহিতৰ মুখত উত্তেজনাৰ ভাব ফুটি উঠিল।

ঃ ইমান হিংসুক ইহঁত!

ঃ উমা, তুমি যোৱা। চকীদাৰক এটা বন্দুক দি পঠিয়াবা। মই বাধা দিওগৈ।

ঃ কিন্তু তুমি অকলে—

ঃ ভয় নাই। ফৰেষ্ট গাৰ্ড নিশ্চয় আছে। শব্দ শুনিছে যেতিয়া আহিবই। তুমি যোৱা। ভায়োলিনখন লোৱা। সৌ কেঁকুৰীটোৰে সেইপিনেই যোৱা। নিৰ পূবৰ মোণ্ডটোলৈ চকীদাৰক যাবলৈ কবা। বন্দুক লৈ। যোৱা, তুৰন্তে। —এই বুলি কৈয়ে মোহিতে শব্দ অহা পিনলৈ বেগাই খোজ ললে। উমায়ো তৎপৰতাৰে তেওঁলোকৰ বঙলাৰ পিনে প্ৰায় দৌৰি গ'ল।

•

তেতিয়াও আকাশত নানান বঙৰ লুকাভাকু চলি আছে। তেতিয়াও ওপৰেৰে উৰি যোৱা চৰাইৰ ছাঁবোৰে পানীত আঁচ টানিছে। মাত্ৰ বতাহজাক অলপ জোৰেৰে বলিছে। মাত্ৰ বন্দুকৰ শব্দত এজাক চৰাইৰ কলৰব উঠিছে।

•

চাংবঙলাৰ গেট খুলি, বন্ধ নকৰাকৈয়ে উমাই চকীদাৰক মাতি মাতি উৰ্দ্ধশ্বাসে সোমাই গ'ল। চকীদাৰ কাষ পালে. লগতে উমলি থকা চন্দনো। চকীদাৰক তুৰন্তে বন্দুক লৈ মোহিতে কোৱা পিনে

গাৰ্ডক নিৰ্দেশ দিলে। চকীদাৰে খন্তেকো পলম নকৰি তাৰ থকা-ঘৰটোৰ দৌৰি গ'ল, আৰু পলকতে বন্দুক এটা লৈ ঘূৰি থকা সেইখনোৰ দৌৰি ওলাই গ'ল।

উমাই সেইদিনে কিছুপৰ উদ্বিগ্নভাৱে চাই ৰ'ল। চন্দনৰ মাতটোৱে চমক ভাঙিল ঃ মা দেউতা কিয় নাহিল?

ঃ আহিব। উমাই চন্দনক এহাতেৰে ধৰি, সেইখন জপাই দিলে।

ঃ মই জানিছো। কোনোবাই পহু মাৰিব আহিছে। সিহঁত ইমান দুষ্ট।

ঃ এনে নক'ব! উমাই মৰমেৰে চন্দনক [illegible] নাহে চাং-ঘৰৰ ওপৰ পালেগৈ। আৰু ছিৰিৰে উঠি বাৰাণ্ডাৰ বেলিঙত ধৰি চকীদাৰৰ সেইফালে চাই ৰ'ল। চন্দন মাকৰ পিনে আগুৰি গ'ল

কাপাইৰ ওপৰৰ সেই ভাৰ [illegible] সময়ত তেতিয়া দুই একজনৰ কণ্ঠস্বৰ শুনা গৈছিল।

ঃ কোন ভাত? [illegible] নাম দিবি। ---মাহুতে চিঞৰি কৈছিল।

ঃ চাহাব! ---চকীদাৰৰ দুৰ্বলপৰা মাতিছিল।

ঃ হুছিয়াৰ! ---এজনী মাহুতৰ কণ্ঠস্বৰ।

ঃ চা-হা-ব---মাথোঁ উচ্চস্বৰে চকীদাৰে বিঙিয়াইছিল।

জোপোহাৰ মাজেদি দৌৰাৰ শব্দ।

দবৰা-দৰৰি লগা শব্দ।

দৌৰি যোৱা ভৰি কিছুমান।

দূৰৈত এটা বাঘৰ গোজৰণি।

বন্দুকৰ শব্দ দুটামান।

তাৰ পিছত চৰাই-চিৰিকতিৰ চিঞৰ-বাখৰ।

শব্দ। সৰু, বৰ, সাধাৰণ, অসাধাৰণ শব্দৰ টুকুৰা। ধ্বনি-প্ৰতিধ্বনিবোৰ ওখ ওখ গছৰ ডাল-পাত কঁপোৱা বতাহৰ বুকুত লীন হৈ গ'ল। ৰৈ থকা কাপাইৰ পানীৰ বিন্দুবোৰৰ লগতে সোঁতত উটি উটি গ'ল।

আৰু মুহূৰ্তৰ পিছত মুহূৰ্তবোৰ যেন খেলি থকা শিশুৰ হাতৰ আঙুলিৰ ফাঁকেৰে নিগৰি পৰা বালিৰ দৰে গৈ থাকিল।

ইপিনে উমাৰ চকুৰ আগতে সন্ধিয়াৰ ৰং বিবৰ্ণ আকাশখন ক্ৰমে অস্পষ্ট হৈ আহিল। গছ-গছনি, বননি-ফুলনি ক্ৰমে ক্ৰমে যেন দূৰৈৰপৰা অহা এখন অচিন হাতে সামৰি আনিলে। আনহাতে আকাশৰ বুকুত দেখ-নেদেখকৈ তৰা দুই এটাই ভুমুকিয়ালে। সন্ধিয়া আগি ভাগি যোৱা পৰৰ মৃদু বতাহজাকেও যেন উমাৰ গাত কাঁইটবোৰহে বিন্ধিলে।

ঃ না, আহা! এন্ধাৰ হ'ল। দেউতাৰ টাইপৰাইটাৰটো সুমুৱাই থোৱা'হি। —অফিচ কোঠালীৰপৰা চন্দনে মাতিলে।

ঃ চানু, টাইপৰাইটাৰটো থুইছ নেকি? জৰুৰী চিঠিখন আধাতে আছে। উমা সেইপিনে গ'ল।

ঃ মা, টাইপটো আলমাৰীতে ভৰাই থৈছো। দেউতা নাহে।

ঃ চুপ্, কি অমঙ্গলীয়া কথা কৱ? হঠাতে সৰি দি হেঙা লাগি চন্দনক দাঙি লৈ ক'লে ঃ আহ চানু, মিছাকৈ বকিছা। উমাৰ কথা-বোৰ অজান বিপদৰ আশঙ্কাত যেন ভঙা-ভঙা হৈ ওলাল।

ঃ মা, তুমি এনেখন কৰিছা কিয়?

ঃ চানু! উমাই ততাতৈয়াকৈ নিজকে সামৰি ললে।

ঃ আহা, কিবা খাবা। উমাই সন্তৰ্পণে চন্দনক নমাই দি আঁচলেৰে চকু মচি ললে।

●

দিনৰ পিছত নিশা আহে। নিশাৰ পিছত দিন। কাৰো বেদনাৰ হেঙাৰে কৰ্মমুখৰ পৃথিৱীৰ ৰথচক্ৰক ভেটা দি ৰাখিব নোৱাৰে। সিদিনাৰ গধূলিটোও উমাৰ বিনিদ্ৰ চকুৰ আগেৰে নিশাত পৰিণত হৈ পুনৰ পিছদিনা পুৱাই ৰূপান্তৰিত হ'ল। সকলো একেদৰে গতানুগতিক নিয়মত চলি থাকিল। মাত্ৰ মোহিত উমাহ উভতি নাহিল। তেওঁক বিচাৰি পোৱা নগ'ল। চকীদাৰে কোৱা মতে দৰমা-চৰকি

কৰা যেন এঠাইত এসোঁতা তেজ দেখা গৈছিল। বাঘৰ গোজৰণিও ওচৰতে শুনা গৈছিল। পিছদিনা আবেলিহে বুধন মালী গাঁৱৰপৰা উভতিছিল। আনকালে সি দেওবাৰে আগবেলাতে গৈ নিশাৰ আগে আগে একেদিনাই উভতি আহে। বুধন মালীয়ে আহি ঘটনাৰ গম পাই হুৱাওবাৱে কান্দিছিল।

পিছদিনা ঘটনাটো জনাজাত হৈ পৰিল। বহু মানুহ আহিল খবৰ লবলৈ। পুলিচ-দাৰোগাও আহিল। বনৰক্ষকৰ দল, বিভাগীয় আমোলা বিষয়াও ক্ৰমে ক্ৰমে আহিল। মাত্ৰ উভতি নাহিল মোহিত টমাছ, কপাইৰ কৰ্তব্যপৰায়ণ ফৰেষ্ট অফিচাৰ। এদিন দুদিনকৈ আশাৰ প্ৰতীক্ষাৰ দিনবোৰ বাগৰি বাগৰি গৈ, ক্ৰমে নিৰাশাৰ আৰু বেদনাৰ নিশাবোৰে উমাৰ মনৰ আকাশ এন্ধাৰ কৰি পেলালে।

চাওতে চাওতে এমাহ পাৰ হ'ল। মোহিতৰ ঠাইত অস্থায়ীভাৱে কাম চলাই থকা তৃতীয়া কৰ্মচাৰীজনৰ ঠাইত আন এজন ফৰেষ্টৰ অফিচাৰে আহি কপাই ফৰেষ্টৰ দায়িত্ব বুজি ললে। ইতিমধ্যে কলিকতাত সাধাৰণভাৱে কোম্পানীৰ অফিচ এটাত পিয়নৰ চাকৰি কৰি থকা উমাৰ সম্বন্ধীয় ককায়েক হাৰাণ দেক খৰচ পঠিয়াই মতাই অনা হ'ল। উমাক আশ্বাস দিয়া হ'ল যে মোহিত টমাছৰ সন্ধান পালেই কলিকতালৈ খবৰ পঠিয়াব। নিৰুপায় অৱস্থাত এদিন উমাই হাৰাণৰ লগত, চন্দনক বুকুত বান্ধি অনিশ্চিত ভৱিষ্যতৰ বুকুত খোজ পেলাবলৈ সাজু হ'ল।

যোৱাৰ আগমুহূৰ্ত্তটো ফৰেষ্ট অফিচাৰৰ চাংবঙলাৰ সন্মুখভাগৰ খোলা বাৰাণ্ডাৰ ৰেলিংখনত আউজি উমাই চাই আছিল দূৰৰ কপাইৰ ভাঁজটোলৈ। সেই নৈখন, আৰু তাৰ সেই চালে চকুবোৰা ভাঁজটো। খৰালি এপাঁতিত বালি পৰি ব'দত তিৰবিৰাই উঠে। জাক জাক চৰাই তাত পৰে জিৰণি লয়, উৰি গুছি যায়। এটা দুটা হৰিণা আহে, পানী খায়, সচকিত নয়নেৰে ইফালে-সিফালে চাই আঁতৰি যায়। সেইখিনিলৈ কতদিন মোহিত আৰু উমাও গৈছিল। মোহিতে ভায়োলিনত সুৰ তুলিছিল। নদীৰ কুলু কুলু সোঁতেৰে সৈতে ভায়োলিনৰ মিঠা সুৰবোৰো ভাহি গৈছিল। নদীৰ সোঁতটো বৈ নাথাকে। সময়ো।---

ঃ মাইজী। বুধন মালীৰ বেদনাভৰা কণ্ঠস্বৰত উমাৰ চমক ভাঙে। ঘূৰি চাই দেখে বুধন আৰু চকীদাৰ।

ঃ যাবৰ সময় হ'ল নহয়? বাকচ-তাকচ জীপত উঠোৱা হ'ল নে? —উমাই আত্মসম্বৰণ কৰি সোধে।

ঃ উঠালো মাইজী। হাৰাণ বাবু তাতে আছে। নতুন চাহাবো আছে।—চকীদাৰে কয়।

চন্দনে শহাপোৱালিটো লৈ কোঠাৰপৰা ওলাই কয়ঃ মা ব'লা। মই সাজু।

ঃ ব'লা চানু। চন্দনক এহাতেৰে ধৰি লাহে লাহে চিৰিৰে চাংবঙলাৰ তলিলৈ উমা নামি যায়। পাছে পাছে চকীদাৰ আৰু বুধন মালী।

কম্পাউণ্ডৰ গেটৰ ওচৰতে জীপ এখনত বয়বস্তু তুলি দিয়া হৈছে। পিছফালে হাৰাণ দে বহিছে। জীপৰ ওচৰত নতুন ফৰেষ্ট অফিচাৰ, তেওঁৰ সহকৰ্মী দুজনমান আৰু ফৰেষ্ট গাৰ্ড দুজনমান। উমা আৰু চন্দনক আগুৱাই আনি নতুন অফিচাৰজনে ক'লে,

ঃ আজি এমাহে পুলিচ-চোৰাংচোৱাই কোনো সন্ধেদ পোৱা নাই। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰে জোৰ অনুসন্ধান চলাই থাকিব। কিবা খবৰ পালেই আপোনালোকক জনাম।

ঃ জনাব দেই। দেউতাক পালে কব, চানুৱে বেয়া পাইছে। নোকোৱা-নিমিলাকৈ ইমানদিন—

চানুৰ কথা শেষ নৌ হওতেই মাকে তাক ধমকিব সুবেৰে মাতে, ঃ আহাঁ চানু, জীপত উঠা। মাকৰ কথাত অলপ আঁতৰত থকা চন্দনে লৰা-ধপৰাকৈ জীপৰ ওচৰলৈ আহোঁতে কোঁচৰ শহাটো পিচলি পৰিল। শহাটোৱে জোপোহা এটালৈ লৰ মাৰিলে।

ঃ এঃ মোৰ জানটো পলকি গ'ল। মালীকাই, সেইটো জোপোহাত সোমাইছে। —চন্দনৰ কথাত মালী আৰু চকীদাৰে সেইপিনে যাবলৈ ওলাওঁতেই উমাই বাধা দি ক'লে ঃ নালাগে ধৰিব। যাব দিয়া সোণ। বনৰ জীৱ বনলৈ যাওক। সকলো গ'লেই যেতিয়া—। থোকাথুকি হৈ উমাৰ মাত লাগি গ'ল।—কিন্তু ততা-

নিজকে নিজকে সামৰি তেওঁ চানুক দাঙি লৈ জীপৰ আগৰ ছিটত ড্ৰাইভাৰৰ কাষত বহুৱাই দিলে।

: মা, তুমিও বহা আকৌ। মালীকাই, নাকান্দিবা, আমি আকৌ আহিম নহয়। দেউতা আহিলেই—

: চানুবাবা! মালীয়ে কান্দোন চেপি ৰাখিব নোৱাৰিলে। চন্দনে যেন তাক বুজাইহে ক'লে: অতোন মালীকাই! আকৌ আহিম। মা নাহিলেও, মই আহিম। চকীদাৰকাই, চকুপানী মচা'চোন। সৰু ল'ৰাইহে কান্দে! হাঁহা—

: আঃ চানু কি হৈছে! মনে মনে থাকা। মাকে দবিয়ালে।

ইতিমধ্যে ফৰেষ্ট অফিচাৰলৈ ড্ৰাইভাৰে চোৱাত, তেওঁ চকুৰেই জীপ চলাবলৈ নিৰ্দেশ দিলে। লগতে আন এজন কৰ্মচাৰীকো জীপৰ পিছপিনে উঠি যাবলৈ ক'লে।

এটা অস্বাভাৱিক জোকাৰণি মাৰি জীপ চলিল।

: নমস্কাৰ! অফিচাৰজনে ক'লে।

: চালাম মাইজী! বুলি মালী, চকীদাৰহঁতে হাতযোৰ কৰি ফেকুৰি উঠিল।

উমাই হাতযোৰ কৰি নিৰৱে প্ৰত্যুত্তৰ দিলে। দুগালেৰে ধাৰাষাৰ অশ্ৰু বৈ গ'ল।

চন্দনে থিয় দি পাছলৈ চাই হাত জোকাৰি থাকিল।

●

তিনিচুকীয়াত জীপ ৰ'ল।—

ট্ৰেইন চলিল লামডিং হৈ পাণ্ডু অভিমুখে। তেতিয়াও ব্ৰহ্মপুত্ৰৰ ওপৰেদি শৰাইঘাট দলংখন সম্পূৰ্ণভাৱে কাৰ্য্যকৰী হোৱা নাই। দলংখন সজা হ'ল যদিও, দুপাৰৰ সংযোগ-পথ সম্পূৰ্ণ নোহোৱাৰ বাবে পাণ্ডু-আমিনগাঁৱৰ মাজত যাত্ৰীসকলে ফেৰীৰেই অহা-যোৱা কৰি আছিল। এসময়ৰ ব্যস্ত আমিনগাঁও ষ্টেচনে আৰু দক্ষিণপাৰৰ পাণ্ডু ষ্টেচনে পূৰ্বৰ যেন দায়িত্ব পালন কৰি আছে। কিছুদিন পিছত যেতিয়া দুপাৰৰ সংযোগ-পথ সম্পূৰ্ণ হৈ উঠিব, তেতিয়া সিহঁতক

কোনে উন্নতি চাব ? পৰিত্যক্ত আমিনগাঁও-পাণ্ডুৰ অৱস্থা—পৰিয়ালৰ আৱশ্যকতাহীন হোৱা বৃদ্ধ অভিভাৱকৰ দৰেই হব। এদিন এই দুই কৰ্মমুখৰ, প্ৰাণচঞ্চল ৰেল ষ্টেচনৰ হেজাৰ হেজাৰ মনুৱা-কৰ্মচাৰী যাত্ৰীৰ কলৰৱ হেৰাই যাব। নিমাওমাও হৈ পৰি ৰব একোটা স্মৃতি হৈ। ৰব ৰেছি, শৰাইঘাট দলঙৰ দুখলপেদি গৈ থকা ৰেল আৰু মটৰ-বাহৰ যাত্ৰীসকলৰ পুনৌসনা মন্তব্য শুনা যাব। তাকো কিমান দিনলৈ ?

উমা, চন্দন আৰু হাৰাণ—পাণ্ডুৰপৰা আমিনগাঁৱলৈ বুলি ফেৰীত উঠিল। সন্মুখত বিশাল ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰৰ বুকুত যদিও উত্তাল তৰঙ্গ নাই, তলৰ সোঁত অতি প্ৰচণ্ড। উমাৰ মনৰ ভিতৰতো তেনে এটি প্ৰচণ্ড সোঁতে তল-ওপৰ লগাইছে। এই বিৰাট নদীখনে ভেঁক আঙুৰি লৈ আহিল দক্ষিণপাৰৰ—সেই শুকনি কপালী বালিৰে ভৰা কুলকুলু সুৰৰ কপাইৰ পাৰৰ পৰা। কিন্তু কপাইৰ সোঁতডোখৰো বুঢ়ী দিহিঙত পৰি ব্ৰহ্মপুত্ৰৰ মাজতে মিলি গৈছে। আৰু এই ব্ৰহ্মপুত্ৰইতো তাহানিৰ উমাৰ ল'ৰালিকালৰ পৰবঙ্গৰ মাজেৰে বৈ গৈ মেঘনা হৈ সাগৰত পৰিছেগৈ।

পানী কাটি কাটি আমিনগাঁও পালে ফেৰীখন। ব্যস্ততাৰ মাজেৰে বহু যাত্ৰীৰ লগতে নামিল উমা, চন্দন, হাৰাণ। আমিনগাঁৱত থকা চাহ-ভাতৰ হোটেল কোলাহলমুখৰ হৈ উঠিল।

তাৰ পিছত আকৌ যাত্ৰা—ৰেলৰ। দিননিশা পাৰ কৰি গুজৰি চলি থকা কয়লাৰ ইঞ্জিনৰ ধোৱাঁই ফৰকাল আকাশতো কালিমাৰ লেপ সানি যেন অন্তৰৰ ক্ষোভ প্ৰকাশ কৰি গৈ থাকে। কিন্তু এই ক্ষোভৰ মূল্য কিমান ? কাৰ ওপৰতেই বা ক্ষোভ ?

উমাৰ অন্তৰতো কি তুই জ্বলিছে তাৰেইবা হিচাপ ৰাখে কোনে ?

কোঁচত নিৰ্ভৰতাৰে শুই থকা আঠ বছৰীয়া চন্দনৰ ভৱিষ্যতৰ কথাই বা ভাবে কোনে ? এচুকত হাৰাণ [illegible] কি কৰিব পাৰে ?

সময় কিন্তু চলে। আৰু চলি থাকে ৰেলখন, মহানগৰ [illegible] চলাটোকেই সি জানে, আৰু আন কথা তাৰ জনাৰ আৱশ্যকতা নাই।

মহানগৰ। কলিকতা। এটা সাত-আঠ বছৰীয়া ল'ৰাৰ বাবে কিমান উত্তেজনা! অৰণ্যৰ অন্তৰালত এমুঠি মানুহ আৰু বনৰীয়া জীৱ-জন্তু, চৰাই-চিৰিকতিৰ বাহিৰে কোনো অভিজ্ঞতা নথকা, চন্দনৰ বাবে সেই উত্তেজনা আৰু কিমান অধিক হব পাৰে, সেয়া সহজেই অনুমান কৰিব পাৰি। এতিয়াও সি মাথোঁ লগ পাই আহিছে মাক, দেউতাক, চকীদাৰ, মালী, দুই চাৰিজন চাকৰিয়াল। মালীৰ বান্দৰটো, তাৰ শহা পোৱালিটো আৰু দেউতাকৰ ভায়োলিনৰ উকঙা উকঙা সুৰবোৰ এতিয়াও সি পাহৰা নাই। কপাই নৈৰ দাঁতিৰ হাবিৰিয়নিৰ পৰা জীপেৰে, ফেৰীৰে, পুনৰ ৰেলেৰে এক দীঘলীয়া যাত্ৰাৰ অন্তত সি ক্লান্ত হৈ পৰিল। যি যোৱা ৰেলখনে তাক মাকৰ সৈতে এক বিশৃংখল ভয়াবহ, জিৰণিহীন জীৱন পথত ঠেলি পেলাই দিলে। ...কলিকতা মহানগৰ। কি তীব্ৰ গতিৰ জীৱন যাত্ৰা! মানুহ নে ঘোঁৰা? ৰেচৰ ঘোঁৰা নে পগলা ঘোঁৰা? পগলা ঘোঁৰা নে প্ৰাণহীন অথচ গতিময় আৰু আৰু 'ৰবট'!! কলৈ যায় ইহঁত? ক'ৰ পৰা আহে? দিন নাই ৰাতি নাই মাত্ৰ চলমান যান-বাহন, যাত্ৰী-অভিযাত্ৰী দল! সিদিনা জনাকীৰ্ণ বিৰাট ৰেল ষ্টেচনৰ পৰা ওলাই, ট্ৰাম বাছ বগাই, মহা-নগৰৰ উপকণ্ঠৰ এটা গলিয়েদি মানুহ টনা ৰিক্সা দুখনেৰে চন্দন, মাক আৰু হাৰাণ গৈ আছিল। সমুখেৰে পাৰ হৈ যোৱা এটা মিছিলক বাট এৰি দি ৰিক্সাখন দুটা গলিৰ মুখত ৰৈছিল। বিক্ষুব্ধ সেই মিছিলৰ কণ্ঠত ধ্বনি উঠিছিল বিপ্লৱৰ, ইনক্লাবৰ। আৰু হঠাতে আন এটা গলিৰে এজন ডেকা দৌৰি আহিছিল প্ৰাণৰ ভয়ত—'বাচাও বাচাও' বুলি। কি আচৰিত, মিছিলৰ কোনেও তাক বচাবলৈ আগবাঢ়ি নগ'ল। আৰু পাছে পাছে খেদি অহা দুজন শকত-আৱত মানুহে 'চালা বেইমান! কাহা ভাগেগা?' বুলি তাক ধৰিলেহি। এজনে 'লে ইনাম্' বুলি চোকা অস্ত্ৰেৰে পৰি যোৱা ডেকাজনক আঘাত কৰি, অহাবাটেৰে দৌৰি পলাল।

আৰু সেই ডেকাজন তেজৰ ডোঙাত লুটুৰি-পুটুৰি হৈ পৰি ৰ'ল। মিছিলটো গৈ থাকিল বিপ্লৱ ...ৰ ছন্দত। আৰু ৰিক্সাৰ ওপৰত—'মা' বুলি চন্দনে উমাক জোৰেৰে সাৱটি ধৰিলে।

চৈধ্য বছৰ আগৰ সেই দিনবোৰৰ কথা চন্দনৰ চকুৰ আগেৰে যেন বিজুলীয়াই গুচি গ'ল। শব্দতকৈও অধিক গতিৰ যান-বাহনে আজি আৱিষ্কৃত হৈছে। মনৰ গতি যে পোহৰতকৈও অধিক গতিশীল! সেয়ে শ্ৰীউত্তম বৰুৱাক চমুৱাই চৈধ্যবছৰৰ আগৰ কথাবোৰ কওঁতে, মুখেৰে প্ৰকাশ কৰিব পৰা শব্দ সম্ভাৰতকৈ বহু বেছি কাহিনী ক্ৰম চন্দনৰ মনৰ মাজত উজলি উঠি উঠি জীণ গৈ আছিল। কোৱা কথাখিনিৰ কিছুমান সৰুকালিৰ চাক্ষুষ অভিজ্ঞতাৰ মনত পৰা, কিছুমান পিছলৈ মাকে তাক কোৱা বা আনক কওঁতে শুনা। কলিকতা মহানগৰত প্ৰথম দিনাই মৰ্মান্তিক আঘাত পোৱা কথা কৈ চন্দন কিছুপৰ থমকি ৰ'ল।

বৰুৱায়ো কথাবোৰ শুনি অভিভূত হৈ নিৰৱ হৈ আছিল। হঠাতে কিছুপৰৰ নিৰৱতাই তেওঁৰ চমক ভাঙিলে। দেখিলে চন্দনে খোলা খিৰিকীখনত ভেজা দি এখন হাতেৰে চকু দুটা টিপি ধৰি ৰৈ আছে।

ঃ চন্দন! —বৰুৱাৰ মুখেৰে কথাষাৰ ওলোৱাৰ লগে লগে চন্দনে ঘূৰি লৈ কৈ গ'ল—

ঃ মই হেনো অজ্ঞান হৈ পৰিছিলো। হেনো আৰ কথাই। মোৰ এটা শহা পোৱালিলৈ, মাৰীকাইৰ এটা বান্দৰলৈ ইমান মৰম, অথচ মানুহে মানুহক এনেদৰে মাৰিব পাৰে,—এই কথা আঠবছৰ বয়সত মই সহ্য কৰো কেনেকৈ? —লাহে লাহে হাবাথুৰি খুৱাৰ পাৰ চলাইল কোঠাটিৰ দৰে পুৰণি দুমহলা, ভঙা ঘৰৰ আজি পৰ্যন্ত একমাত্ৰ

শিৱিৰবাসীসকলৰ নেফ্ৰেণ্ড ধৰি চাই থাকো। তেনেতে আৱৰ্জনাৰ দ'ম। এক একৰাজ্যাকৰ লগৰ আধা'পেটি মানুহৰ ভাক। খঙাল চেমনীয়া মাণ ডেকাবোৰ। সিহঁতে মাৰে। মৰেও। আচৰিত, তাৰ মাজতেৰে ঘেঁনাকৈ হে বাৰ বছৰ পাৰ হৈ গ'ল।

বন্ধুবৰে এটা হুমুনিয়াহ কাঢ়ি ক'লে: চন্দন, মোৰ বাল্যবন্ধু তেন্তে উন্নয়নৰ লগৰ' তুমি। মোৰেই ল'বাৰ দাবী। সঁচাকৈ তোমাৰ জীৱনৰ সংঘাতিত এনে দুৰ্যোগ নামি অহাটো দুখৰ কথা। কিন্তু ... নাই।

: উপায় নাই। উপায় নাই। যদি সেয়ে হয়, কি লাভ ক্ষুধাৰ্ত কুকুৰবোৰৰ দৰে সেৱা কাকুতি কৰি? শান্তি ক'তো আছে তথা-কথিত জীৱন সংগ্ৰামত? বাৰ বছৰে তো সংগ্ৰামেই কৰিলো। মাথো শিকিলো। হাবাৰ ঘূৰ'ৰ সহায়ত মাই সৰু কোম্পানী এটাৰ অফিচত কাম পালো। লোক খটালো। কিন্তু লোক জানো পতিৰ দিলে?— —উত্তেজিত হৈ চন্দন হৈ গ'ল।

বন্ধুবৰে কথা উলিয়াবলৈ সুধিলে: কিয়, কি হ'ল?

: মই ন-কেইটা'ৰ কথাকে ভাবি, অতি কষ্টেৰে পঢ়ি ভালদৰে পাছ কৰি কলেজত ডিগ্ৰী পৰীক্ষা দিবলৈ সাজু হৈছিলো। পৰীক্ষা দিবলৈ গৈছিলোও—দুবছৰ আগতে। ভাৰতীয় দৰ্শনৰ সৌখন পুথিকে হাতত লৈ আওবাই আওবাই পৰীক্ষা হলৰ ওচৰ পাইছিলো। ১৯৭২ চনৰ সেই দিনটো···· কিন্তু দেৱালত লিখা আছে: Boycott Examination 'পৰীক্ষা বৰ্জন',—'প্ৰথমে দাবী পূৰণ'—ইত্যাদি। এজুম ডেকাৰ কণ্ঠত ইনকিলাবৰ জয়ধ্বনি। কি কৰো, কি নকৰো ভাবি থাকোতেই ওচৰতে এটা বোমা ফাটিল, দুইবৰপৰা ল'ৰা কেইজনমান দৌৰি আহিল—'পুলিচ', 'পুলিচ'। এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হ'ল।···· পৰীক্ষা হলৰ বাৰাণ্ডাৰ মুখত থিয়হৈ মোৰ হাতৰপৰা সৰি পৰা 'ভাৰতীয় দৰ্শন' পুথিখন গছকি গছকি ছাত্ৰৰ দলটো দৌৰি গৈছিল—মই নিৰ্বাক হৈ ৰৈ আছিলো। ভৰি কটা সেইখন পুথি, সৌৱা এতিয়াও মোৰ ওচৰত—ভাৰতীয় দৰ্শন। সঁচাকৈয়ে বাৰু ভাৰতীয় দৰ্শন আজি ভৰিৰে গছকি দলিওৱাৰ কাম নেকি?

····আৰু আমাৰ দাবী? কি সেই দাবী? এই দাবীৰ অন্ত ক'ত? পাশ্চাত্য সমাজৰ হতাশ' জৰ্জৰিত যান্ত্ৰিক অস্থিৰতাই জানো ভাৰতৰ বাবে, বিশ্বৰ বাবে, আজিৰ আদৰ্শ? এয়ে জানো জ্ঞান বিজ্ঞানৰ জয়-যাত্ৰা—মানৱৰ জয়যাত্ৰা?

চন্দন যেন ক্লান্ত হৈ বৈ গ'ল, আৰু বিচনাখনত বহি পৰিল। বৰুৱাই ধীৰে ধীৰে কৈ গ'ল,

: ভাবিবলগীয়া কথা ঠিকেই। কিন্তু চন্দন, মানুহৰ যাত্ৰাপথত বহু বাধা বিঘিনি থাকে। তাৰ মাজতে খাপ খাই লব লাগিব। সমাজে তোমাক, মোক প্ৰতিজনকে বিচাৰে। সমাজে বিচাৰে,—প্ৰতিজনকে সন্নিৱিষ্টভাৱে থিয় হৈ বিৰুদ্ধ শক্তিৰ লগত যুঁজিবলৈ,—যুঁজি আন দহজনক প্ৰেৰণা যোগাবলৈ। এই আহ্বান নেওচি পলাই সৰাৰ কোনো পথ নাই।

: মই বিৰক্ত হৈছো। আজিৰ সমাজ, আজিৰ বিজ্ঞান সকলোৱে যেন ধ্বংসৰ পাখাৰেহে চাপনি মেলিছে,—অমানৱতাৰ পথেৰে।

চন্দনৰ ওচৰতে বৰুৱাই বহি ললে, তাক মৰমেৰে কৈ গ'ল,

: চন্দন শুনা। আধুনিক জগতৰ ধ্বংসৰ কাৰণটোলৈহে মন কৰিলেতো নহব। প্ৰকৃতি বিজ্ঞানে মানুহক চন্দ্ৰলোকলৈও নিব পৰা কৰিছে। বৈজ্ঞানিকে জীৱকোষ সৃষ্টি কৰিবও ওলাইছে। You youngman, তোমালোক হতাশ হ'লে নহব। যুগৰ লগত খোজ পেলাব লাগিব। আৰু তোমালোকৰ দৰে চিন্তাশীল ডেকাসকলেহে সমাজৰ বেয়াখিনি আঁতৰাই প্ৰগতিৰ গতিপথ নিকা কৰিব পাৰিবা।

: কিন্তু মই ভাবো আনদৰে—

পৰিস্থিতিটো সহজ কৰাৰ মানসে ... বৰাই, চন্দনৰ কথাৰ মাজতে কথা সলাই কৈ উঠিল,

: খোৱা বাৰু সেইবোৰ। ... পিছে আসন্দী নোসোধা নেকি?

: আপুনি বহক। ... আনো।

: নাই, নাই ... ৰ কৈছো। আমি অলপ আগতে কিবা-কিবি বহুত খাইছো ... আৰু এগিলাচ পানীকে দিয়া। মাটিৰ কলহত খোৱা পানীখিনি বৰ ভাল লাগিছে। চন্দনে পানী আনি সাৰাৰেৰে

আগবঢ়ালে। পানীগিলাচ একেচোকে খাই গিলাচটো ওভতাই দিলে। চন্দনে গিলাচটো আগৰ ঠাইত থবলৈ গ'ল। বকৰাই কনাল উলিয়াই মুখখন মচি আকৌ কথাৰ পাতনি মেলিলে।

: বৰ ভাল লাগিল, এনেদৰে তোমাৰ লগত পৰিচয় হৈ। মোহিত মোৰ অন্তৰংগ বন্ধু আছিল। মোহিতৰ ল'ৰা যেতিয়া, মোৰ ল'ৰাৰ দৰেই। সেয়ে মোৰ বিবেক-বুদ্ধিৰে তোমাক দুই-এষাৰ উপদেশ দিলো। বেয়া নাপাবা।

: বেয়া পাম কেলেই? আপুনি ভাল ভাবিয়েইতো কৈছে।

: এটা কথা কওঁ চন্দন, শুনিবানে?

: কওক চোন।

: ডেকা ল'ৰা, তোমাৰ শিক্ষা আছে। দেহত কাম কৰাৰ শক্তি আছে। যদি বেয়া নোপোৱা, তুমি মোৰ চাহ বাগিচালৈ আহিব পাৰা। তাত থাকি কামকাজ শিকিবও পাৰিবা।

: ইয়াতো মই কাম কৰি আছো।

: চন্দন, তুমি হয়তো প্ৰকৃতিৰ বুকুত থাকি ভালপোৱা। পাবৰ কথাই। পিহ চাহ বাগিচাতো তুমি প্ৰকৃতিৰ [illegible] ৰূপ দেখিবা, লগতে পাবা এখন সৰু সমাজ। সেইখন সৰু সমাজত দেশৰ ভিন ভিন জাতিৰ মানুহ লগ পাবা। আৰু তুমিতো ভাৰতীয় দৰ্শনৰ ছাত্ৰ। তোমাক নকলেও হব যে, এই পৃথিৱীত মানুহতকৈ শ্ৰেষ্ঠ আৰু একো নাই। লোকোত্তৰ ভগবান ঊৰ্দ্ধলোকত থাকিব পাৰে, কিন্তু সৰ্বব্যাপী ভগবান মানুহৰ মাজতে। গতিকে মানৱ সমাজৰ এজন হৈ, মানৱ কল্যাণৰ ক্ষেত্ৰত অলিহণা যোগোৱাটো প্ৰত্যেকৰে কৰ্তব্য; —বিশেষকৈ তোমাৰ দৰে শিক্ষিত, বুদ্ধিদীপ্ত, চিন্তাশীল লোকে।

অলপ বৈ, চন্দনক অলপ ভবা যেন দেখি, পুনৰ বকৰাই ক'লে,—

: চাহবাগিচাৰ মাজত ব্যস্ত নগৰৰ ভিৰো নাই।

: কিন্তু—

: "শুনা চন্দন, ইয়াত অকল কিতাপহে পঢ়িছা। তাত তুমি বাস্তৱ জীৱন অধ্যয়ন কৰাৰ সুবিধাও পাবা। সেই জীৱন অৰণ্যৰ সজীহীন

পলাতক জীৱনো নহয়, আৰু নগৰৰ মানুহৰ পগলা দৌৰাৰ দৰে তীব্ৰ গতিৰ জীৱনো তাত অচল।

অলপ বৈ চন্দনে আগৰ মতকে, অলপ কোমল সুৰত দোহাৰিলে,

ঃ ক্ষমা কৰিব, মই ইয়াত শান্তিত আছো।

ঃ ভালকৈ ভাবি চাবা চন্দন। মই তোমাৰ দেউতাৰ দৰে। তোমাৰ মঙ্গল মোৰো কামনা। মোৰ নিজৰ ল'ৰা দুটা বিদেশত। সিহঁতৰ মাকো ঢুকাল। মোৰ ঘৰতে থাকি তুমি বাগিচা চলোৱাৰ কাম শিকিব পাৰিবা। মোৰ ডাঙৰ লাইব্ৰেৰীটোত পঢ়িবও পাৰিবা। বাগিচাৰ ডাক্তৰ গগৈৰ ছোৱালী মমতাই পূব ভাৰতৰ মূতি শিল্পৰ ভেটিত সমাজ বিজ্ঞানৰ গৱেষণা কৰি আছে, তায়ো মোৰ লাইব্ৰেৰীতে অধ্যয়ন কৰে।

এনেতে জীপৰ দীঘলীয়া কেবাটাও হৰ্ণ কাণত পৰিল। বকৰাই বুজিলে যে নগৰ চিকাৰী বন্ধু দুজন উদ্বিগ্ন হৈছে। ঘড়ীটোলৈ চালে, দেখিলে এঘণ্টামান হ'বই। বাহিৰত ক্ৰমে আন্ধাৰ হৈ আহিছে। ততা-তৈয়াকৈ উঠি তেওঁ ক'লে ঃ বহুত পলম হ'ল। এতিয়া যাওঁ।

ঃ ভাল। মই তললৈ গৈ জখলাডালত ধৰোগৈ। চন্দনে ততা-তৈয়াকৈ বাহিৰ ওলাই, বহিৰ জখলাৰে নামি, তলৰপৰা জখলাখন টানকৈ ধৰি থাকিল। বকৰাই সাৱধানেৰে এখোজ এখোজকৈ নামি আহি, বিদায় লোৱাৰ পৰত ক'লে,

ঃ পিছে চন্দন, মই আকৌ আহিম।

ঃ আপোনাক আগবঢ়াই দিও বৰ।

ঃ নালাগে চন্দন। মই পাৰিম।

বকৰাই নালাগে বুলি কোৱা সত্ত্বেও, চন্দনে টিলাটোৰ ওখখিনিলৈ বকৰাৰ লগতে আহি থাকিল।

ঃ পিছৰ দেওবাৰে সোনকালে আহিম।

ঃ আহিব। মই থাকিম।

ঃ সাজু হৈ থাকিবা। মোৰ বাগিচালৈ যাব লাগিব। এতিয়া তুমি উভতি যোৱা। সৌৱা জীপখন দেখিছো। আহিছোঁদেই।

ঃ ভাল, নমস্কাৰ।

তলৈ হাত জোকাৰি জোকাৰি, বকৰাই সমতলৰ বঙা আলিটোৰ দাঁতিত ৰৈ থকা জীপখনলৈ বেগাই নামি গ'ল। তল পাই এবাৰ উভতি চাই, ৰৈ থকা চন্দনলৈ লক্ষ্য কৰি হাত জোকাৰিলে।

চন্দনেও হাত জোকাৰিলে।

অলপ পিছতেই জীপত বহি থকা চিকাৰী দুজনৰ সৈতে বকৰা বেঁকা সৰু আলিটোৰে অদৃশ্য হৈ গ'ল।

চন্দন উভতিল।

প্ৰতিটো খোজ যেন মন্থৰ। কিন্তু মনত প্ৰশ্নৰ সি জাউৰি উঠিল—স্ৰোতৰ গতি অতি দ্ৰুত।

ঃ যাম? কিয় যাম? ক'লৈ যাম? কাৰ বাবে যাম? মোৰ কোন আছে?..এই অৰণ্য। শান্তিৰ পৰিৱেশ। কিন্তু জন-অৰণ্যত কি পাম? ধ্বংস, হিংসা। দৈহিক আঘাতেই নহয়, মানসিকো। মানসিক মৃত্যু। সেয়া আৰু মাৰাত্মক পৰিৱেশ। যিখন সমাজত ঠাই থাকিবলৈ মানুহে মানুহক [illegible], মানুহৰ হাতত মানুহ মৰিবলগীয়া হয়, আৰু যিখন সমাজত দুৰ্নীতিৰ বিপৰীতে থিয় হ'বলৈ গলেই—পদে পদে পাব লাগে আঘাত—অপমান; য'ত স্বামীৰ বাবে স্ত্ৰীয়ে—পুত্ৰৰ বাবে মাতৃয়ে তিলাঞ্জলি দিব লাগে মান-মৰ্য্যাদা; —নাই, নাই নই সেইখন সমাজলৈ উভতি যাব নোৱাৰো, নই নাযাও। কিয় যাম? কিয় যাম? কাৰ বাবে? কাৰ বাবে?

—চিন্তাৰ ঢৌৰ উথল-মাথলৰ মাজত কেতিয়া যে যন্ত্ৰ চালিতৰ দৰে চন্দনে উভতি আহি বহিৰ চ'খলা'ৰে বগাই, মেলি থৈ যোৱা দুৱাৰেৰে কক্ষ আবাসত সোমাই পৰিল, গমেই নাপালে। হাত ভৰি সকলো অৱশ যেন লাগিল। কাপোৰকানি নসলোৱাকৈয়ে বিচনাখনত দীঘল দি পৰিল।

খোলা দুৱাৰ আৰু খিৰিকীৰে সোমাই অহা এন্ধাৰবোৰ ক্ৰমে ক্ৰমে উটি অহা শুক্লপক্ষৰ জোনৰ পোহৰে কিছু পৰিমাণে আঁতৰাই দিলে। বেৰৰ ছিকনাৰ ফাঁকেৰে অহা সেই স্নিগ্ধ পোহৰে তাৰ দেহত আঁকি দিলেহি চৰাইৰ সঁজাৰ লোহাৰ কাঠিবোৰৰ দৰে কেইডালমান ৰেখা।

আৰু সুমুৰি দি ধৰিলে তাৰ মনক এটা যুগৰ আগৰ ঘটনা কিছুমানৰ টুকুৰা-টুকুৰ ছবিয়ে। যিবোৰ কথা তাৰ ল'ৰালিৰ স্মৃতিৰূপে এতিয়াও মনত আছে; যিবোৰ কথা মাকে তাক কোৱা বা আনক কোৱা সি শুনিছিল; পিছত কুৰি বছৰীয়া ডেকা হৈ পুনৰ কপাই ফৰেষ্টলৈ উভতি আহোঁতেও যিবোৰ কথা শুনিছিল;—সকলোবোৰ চলচ্চিত্ৰৰ টুকুৰ'বদাৰে তাৰ মনৰ চকুত যেন আকৌ উজ্বলি উঠিল। অৱশ্যে আগতে তাৰ চমু আভাস সি বকুল'ক দিছে। কিন্তু আন বহু কথাইতো সি কোৱা নাই। কব নোৱাৰে। সঙ্কোচ হয়। সেয়া তাৰ নিজৰ কথা। গোপন কথা। অথচ সত্য।

সত্য, যেনে খিৰিকীৰে দেখি থকা আকাশৰ এটুকৰ কালপুৰুষৰ দৰে পুৰুষ সত্য। সেইটোকে সকলোৱে কৈছিল, তেওঁ বিশ্ববিখ্যাত সমাজ সেৱক আৰু স্কাউট আন্দোলনৰ জনক বেডেন পাৱেলৰ লেখা নাখন পুথিত পাইছিল যে—সমুদ্ৰত দিশহাৰা নাবিকে আকাশৰ এই 'অৰিঅ'ন' (orion) তাৰকাপুঞ্জ চাই উত্তৰ-দক্ষিণ দিশৰ উদ্দিশ উলিয়াইছিল। সেই যে তৰাবোৰ, কাল্পনিক ৰেখা এডালেৰে সংযোগ কৰি দিলে এটা কিম্ভুত কিমাকাৰ যোদ্ধাৰ ৰূপ হয়।—মূৰৰ তৰাটোৰ পৰা কঁকালত ওলমি পৰা দীঘলীয়া তৰোৱালখনৰ অগ্ৰভাগ নিম্না তৰাটোলৈ এডাল কাল্পনিক ৰেখা অনুমান কৰি লালেই উত্তৰ দক্ষিণ ওলাই পৰে। ফলত আন দিশবোৰো জনা যায়।

দিশৰ সন্ধান। পথৰ সন্ধান।

আৰু আকাশৰ কালপুৰুষ!

লগতে কল্পনা।

পৃথিৱীৰ বুকুৰে সাগৰত দিশহাৰা নাবিকৰ পুৰণিকলীয়া পথৰ সন্ধান দিয়া কালপুৰুষ। কিন্তু আজি চন্দনৰ দিশহাৰা জীৱনত জানো এনে কোনোবা ওলাব যি কালৰ সঙ্কেত ৰূপে প্ৰকৃত পথেৰে তাক আগুৱাই লৈ যাব পাৰিব!

····বহুত চিন্তা।

····আৰু বহুত স্মৃতি।

১৯৭৪ চনৰ এই এটা নিশাৰ মাজত বাগাইৰ নৰ্দ্দালিৰ ১৯৬০, কলিকতা মহানগৰীৰ ১৯৬০ৰ পৰা ১৯৭২লৈ সুদীৰ্ঘ কালছোৱা নিহঙ্গি হৈ পৰিল তাৰ মুৰ শিতানত। চন্দনৰ দেহৰ ওপৰত চৰাইৰ সঁজাৰ লোহাৰ ছিকৰ দৰে পৰি থকা জোনাকৰ ৰেখাবোৰ; আৰু শিতানত ভেজা দিয়া মূৰৰ ভিতৰত সেই বিক্ষিপ্ত দিনৰ টুকুৰাবোৰ —চলচ্চিত্ৰৰ ফ্ৰেমৰ পিছত ফ্ৰেমৰ দ্ৰুতগতিৰে ভাঁহি উঠিল।....

এইখন খিৰিকীয়ে আন এখন খিৰিকীমুখলৈ তাক ওভতাই লৈ যায়।

*. এইখন খিৰিকীৰে সোমায় অজস্ৰ পোহৰ।

সেইখন খিৰিকীৰে অজস্ৰ বিভীষিকা।

এইখন খিৰিকীৰে দেখা যায়—অন্তহীন মুকলি সেউজৰ তৰঙ্গ। দিগন্ত বিয়পা আকাশৰ নীলা আৰু হেজাৰ তৰালিৰ লুকাভাকু।

সেইখন খিৰিকীৰে ভগা-আধাভগা আৰু ভাঙিবলৈ অপেক্ষাত থকা ইটা-বালিৰ দেৱাল মাথোঁ চকুত পৰে। আকাশৰ টুকুৰাকণ অতি কষ্টেৰেহে বেঙা মেলি চাব পাৰি।

১৯৬০ চনত প্ৰথম যিদিনা সেইখন খিৰিকীৰ দাঁতিতে চৈতন্য ওভতাই পাই চন্দনে চকু মেলিছিল,—দেখিছিল তাৰ দৃষ্টি বন্দী—কেইগজমানৰ ভিতৰতে। মাকে তাক বিচি আছিল। চকুৰে-মুখে পানী দিছিল। সি চকু মেলা দেখি ব্যস্তভাৱে মাকে মুখৰ ওচৰলৈ মুখ নি মাতিছিল।

: চানু..!

: মা, পানী খাম।

সি লাহে লাহে উঠি বহিছিল। মাকে আনি দিয়া চেচা পানী খাই ইফালে-সিফালে চকু ফুৰাইছিল। এটা সাধাৰণ, লেতেৰা কোঠালি। এখন আধা ফটা আহল-বহল পৰ্দাৰে এটা চুক আৱৰি থোৱা আছে। তাত ৰন্ধা-বঢ়া কৰা হয়। তাৰপৰাই মাকে এটমান পানী গিলাচ আনি দিলে।

সি মিজৰাতে শুই আছিল। অলপ আঁতৰত আৰু এখন বিচনা। এখন সৰু আলনা দুইখন বিচনাৰ মাজত। আলনাত কাপোৰ কেই-খনমানহে। কোঠাটোৰ ইটা-বালিৰ দেৱালত দুটামান সৰু খলপ। তাৰে এটাত কালী গোসাঁনীৰ বক্সোৱা ফটো এখন। সমুখত সৰু ধূপদানীটো। বেৰত নতুন পুৰণি কেইখনমান সাধাৰণ কেলেণ্ডাৰ।

তল মহলাত সৰু সৰু দোকানবোৰ। ওপৰ মহলাতো একে ধৰণৰ কোঠা কিছুমান। কিমান দিন আগতে সেই ঘৰৰ কোঠাবোৰত বা বাহিৰৰ দেৱালত চূণ বালিৰ লেপ পৰিছিল, তাক মাজে মাজে এৰাই পৰা প্লাষ্টাৰৰ বিচিত্ৰ চিত্ৰয়ো বুজাব নোৱাৰে। ইটাবোৰে ধৰি থকা, আৰু কাঠৰ চিৰিৰে উঠানমা কৰা সেই দালানঘৰৰ মাজৰ মহলাৰ এশ বিশ বৰ্গফুটৰ কোঠালিটোৱেই হাৰাণ পিয়নৰ ভাৰাঘৰ। ভাৰা একুৰি টকা, এইবাৰ হেনো দুটকা বাঢ়িব। এতিয়া আকৌ অকলশৰীয়া হাৰাণৰ আলহী দুজন হ'ল—উমা আৰু চন্দন।

প্ৰথম দৰ্শনতে আঠবছৰীয়া চন্দনৰ উকমুকনি অনুভৱ হ'ল। ৰূপাইৰ আহল-বহল কোঠাবোৰ, সমুখৰ ৰেলিংলগোৱা বাৰাণ্ডা, চাং-ঘৰৰ তলৰ খেলৰ ঠাই, সমুখৰ ফুলনি, যিপিনেই ইচ্ছা লৰি ধাপৰি ফুৰিব পৰা বিশাল পথাৰ আৰু খিৰিকী মেলিলেই দেখা অনন্ত আকাশ অসীম সেউজ,—তাৰ মনত পৰিল।

সি থিয় হৈ খিৰিকীখনৰ ওচৰলৈ গৈ লোহাৰ ৰেলিঙত ধৰি তললৈ চালে। সমুখলৈ চালে। একে ধৰণৰ বহু খিৰিকী। কোনো-খন বন্ধ, কোনোখন খোলা। কোনোখনত ফটা ছিটা হ'লেও পৰ্দা, কোনোখনত নাই। তাৰ মনত পৰিল ৰূপাইৰ চকীদাৰৰ পাৰ বাহ-টোৰ সৰু কোঠাকেইটালৈ। কাঠেৰে সজা পাৰ বাঁহটোত দুখলপ কৰি দুটা সৰু খোটালিত—চাবিজোৰ পাৰচৰাই চকীদাৰে পুহিছিল। ৰাতি দুৱাৰবোৰ জপাই থয়, পুৱা খুলি দিয়ে। কেতিয়াবা দুপৰীয়া কোনোটো খলপৰ কোঠাৰ মুখত একোটা পাৰ বৈ থাকে। চন্দনৰ সমুখৰ বন্ধ, খোলা, টকা, নটকা খিৰিকীবোৰেও তাক পাৰচৰাই বাঁহত থকাৰ অনুভূতি দিলে। সি আকৌ ঘূৰি চালে।

মাকে তাক বুকুত সাবটি লৈ মজিয়াত পাৰি থোৱা বিচনাখনত

বহিল। মুখেৰে কাৰো একো কথা নোলাল। দুখন বেদনাহত হিয়াই পৰস্পৰৰ বেদনা অনুভৱ কৰিলে।

চন্দনে গম পালে, আঁচোতে গলিৰ সন্মুখত বিভৎস মাৰপিট দেখি সি অজ্ঞান হৈ পৰিছিল। এতিয়া তাৰ জ্ঞান আহিছে। আৰু এতিয়া সি বিচাৰকেই বা নিবিচাৰক—এই কোঠাটোৰ পাপময়া পৰিবেশত মাকৰ লগত কিছুদিনৰ হ'লেও কটাব লাগিব।····

দিনবোৰ যায়। নিশাবোৰো। প্ৰায় আধাকোটি মানুহৰ জনঅৰণ্যৰ মাজত, হাৰাণ-উমা-চন্দন যেন মুকলি অৰণ্যৰ ডাঙৰ গছ-গছনিৰ মাজৰ এচুকত লেৰেলি থকা শেতাপৰা অনাগতিয়াল হাবি-বন। আৰু লক্ষ লক্ষ তেনে প্ৰাণী সেইখন মহানগৰীত তেনেদৰে থাকে। আছে।

"এটা কোঠা। কেইবাটা কোঠাৰ পাছে সমূহীয়া একোটা লেতেৰা পায়খানা। আলিবাটৰ মূৰৰ এটা পানীকল। আৰু প্ৰায় চাৰিটামান একে ধৰণৰ পুৰণি ভঙা-আধাভঙা দুই তিনি মহলাৰ ঘৰৰ এশটামান কোঠাত হাঁহ-পাৰ-কুকুৰ'ৰ গড়ালত থকা দৰে এজাক মানুহ। পুৰুষ, তিৰোতা, ডেকা, গাভৰু, চেংনীয়া, শিশু। আৰু বহু অনাগত শিশুৰ সম্ভাৱনাও বৰ্তমান। কলিকতা মহানগৰৰ উপকণ্ঠৰ এওঁলোক বিশিষ্ট নাগৰিক। এওঁলোকৰে প্ৰতিনিধিসকলৰ ভোটাধিকাৰ আছে। এওঁলোকেই মহানগৰৰ পৌৰসভাৰ কৰ্তাসকলৰ ভাগ্য নিৰ্ণয় কৰে; এওঁলোকেই সময়ে সময়ে সমষ্টিৰ তথা দেশৰ ভাগ্যনিয়ন্তা-সকলৰো ভাগ্য নিয়ন্ত্ৰণ কৰাৰ গৌৰৱৰ ভাগ পায়। অকল সেই-খিনিয়েই। তেওঁলোকৰ জীৱন-যাত্ৰা কিন্তু চলে সেই পাৰ বাহৰ দৰে এলোটা কোঠাত ৰাত্ৰিবাসেৰে, পুৱাৰ আজান বা ফেক্টৰীৰ হুইচেলৰ শব্দ শুনাৰ আগৰেপৰা ৰাতিনিশাৰ যান-বাহনৰ শেষ ঘৰ্ঘৰণিৰ পৰলৈ অস্থিৰ পৰিক্ৰমাৰে, এসাজ আহাৰ সন্মুখত লৈ আন সাজ পাবৰ বাবে যি কোনো মূল্যত যি কোনো কাম কৰাৰ উগ্ৰ সঙ্কল্পেৰে। ইহঁতো মানুহ। আৰু 'সবাৰ উপৰি মানুষ সত্য'। যাতে ইচ্ছা তাতে বাট—মহাজনৰ বচন। আৰু জীৱনটো যেনো এখন ফুলনি, ইচ্ছাশক্তি তাৰ মালী। কিন্তু ইহঁতো সকলোৰে থাকে—জ্ঞান: জীয়াই থকাৰ। মালীয়ে ফুলনি সজাই ৰখাৰ দৰে, নিজকে

আৰু কোনোৱে সমাজখনক দুনীয়াকৈ সজাবলৈ মানুহে শক্তি ক'তো আছে? এইবোৰ বহুত কথা, কিতাপ-পুথিত পোৱা কথা; বাস্তৱ জীৱনতো দৃষ্টান্ত পোৱা কথা, কিন্তু এয়া নিয়ম নে ব্যতিক্ৰম? ব্যতিক্ৰমবিলাকক আঙুলিয়াই মহাজনী—বচন আওৰাই জ্ঞানো লাভ আছে? আনহাতে এনে ব্যতিক্ৰমবোৰক নিয়মত পৰিণত কৰিব নোৱাৰিলে মানৱশক্তি অপৰাজেয় বুলি চেঁচিয়াই কব পৰা যাব। অকল নেতিবাচক 'অপৰাজেয়' হ'লেওতো নহব, সৃষ্টি-সূচক চিৰজয়ী চিৰন্তন সত্তাওতো হব লাগিব। তেহে কব পৰা যাব—সবাৰে ওপৰত মানুহ সত্য!

---এদিন দুদিনকৈ মাহ আৰু মাহৰ পিছত বছৰবোৰ পাৰ হৈ গল।---

কেৰাণীটোৰ ভৱিষ্যতৰ ওপৰত সম্পূৰ্ণ ভৰসা কৰি মমতা আৰু চন্দনে দিন নিয়াইছে। উমাৰ হাতত [illegible] টকা-পইচাবোৰেই [illegible] সংসাৰ চলে। [illegible]।---

কিন্তু চন্দনৰ ভৱিষ্যতৰ চিন্তাই [illegible] অস্থিৰ কৰে। বহু কষ্ট কৰি, হাবাথুৰি [illegible] ইমান সকলৰ [illegible] বুলি বুলি [illegible] শিক্ষানুষ্ঠানৰ [illegible] বিদ্যালয় এখনত [illegible]। কিন্তু তাৰ বাবে বহুতো টকা দিব লগা হ'ল! শিক্ষাৰ সুবিধাৰ ক্ষেত্ৰতো দুৰ্নীতি! আৰু কি শিক্ষাইবা দান কৰা হয়? ভেজাল বস্তু, ভেজাল ঔষধৰ ব্যৱসায় চলাৰ দৰে, এনে বহু বিদ্যালয়ত বিদ্যা বেচা হয়—বিদ্যা মানে পৰীক্ষা পাছৰ প্ৰমাণ পত্ৰ।---আৰু পিছত, ক্ৰমে উচ্চতৰ বিদ্যালয়তো প্ৰমাণ পত্ৰ, ডিগ্ৰী আদিৰ লেন-দেন।---তাৰ পিছত? এটা অনিশ্চিত ভৱিষ্যত, অন্ততঃ [illegible] ভাবিব। কিন্তু তথাপি উপায় নাই, [illegible] আছে পাৰে পিতৃ-মাতৃ-অভিভাৱকৰ দায়িত্ব। আৰু কেঁচুৱা শিশুহঁততো বুজি নোপায় এইবোৰ ৰহস্য আৰু অনাগত দিনৰ সমস্যাৰ কথা। সিহঁতে [illegible] পাই, কল্পনাৰ জগত এখনত বস্তুৰ মেলা চাই আপোন পাহৰি থাকে।---

চন্দনেও তেনেদৰে স্কুলত লগ-সঙ্গ পালে। কিন্তু সততে তাৰ মনত মৰমীয়াল দেউতাকৰ আৰু বিষণ্ণ মাকৰ মুখখন মনত পৰি থাকে, সেয়ে স্কুল ছুটীৰ লগে লগে—মাকৰ কাষ পায়হি। হাৰাণ খুড়াৰ সেই কোঠাটো, সেই খিৰিকীখন, ভলোমাই খোৱা দেউতাকৰ ডায়াৰিনখন। মাকৰ তাক আবৰি ৰখাৰ আকুতিৰ মাজত সি তাৰ দায়িত্ব বুজি পায়। সি খুব মনোযোগেৰে পঢ়িব, পঢ়ি ডাঙৰ মানুহ হ'ব, মাকক আকৌ সুখেৰে ৰাখিব।---

হাৰাণ খুড়ালৈ তাৰ পুতৌ হয়। মাকৰ কথাও শুনিছে সি। এদিন পূববঙ্গৰ সকলো সা-সম্পত্তি এৰি থৈ—আপোনজন সকলোকে হেৰুৱাই—যেতিয়া শিয়ালদহত আশ্রয় লৈছিল—তেতিয়া গাভৰু বয়সৰ উমাক হাৰাণ খুড়াকেইতো আবৰি ৰাখিছিল। কিমান বেদনা পিতৃভিতা এৰিবলগীয়া হোৱা এই 'ৰিফিউজী', শৰণাৰ্থীসকলৰ। কোনো দোষ বা অপৰাধ নকৰা হেজাৰ হেজাৰ পুৰুষ-তিৰোতা, শিশু-বৃদ্ধ, ৰুগ্ন পঙ্গু লোকক প্ৰাণৰ মমতাই আলিবাটত তুলি দিয়ে,—এক নিৰুদ্দেশৰ যাত্ৰালৈ। —মানুহৰ ভয়ত, মানুহৰ অত্যাচাৰত: মানুহৰ দুৰ্দশা! অথচ এইসকল মানুহৰো এখন নিজৰ দেশ আছে,—কিন্তু সেই দেশলৈ তেওঁলোক যাব নোৱাৰে; একোটা ঘৰ আছে অথচ সেই ঘৰত সোমাব নোৱাৰে। আপোন ঘৰ, আপোন ঠাই, আপোনজন—সকলোৰে পৰা আজুৰি আনি অন্তহীন পথত পেলাই দিলে। পৰিস্থিতিৰ দাস মানুহৰ তেনেহ'লে গৌৰৱৰ ঠাই ক'ত? প্ৰকৃতিৰ ৰোষৰ বিপৰীতে, বিজ্ঞানে জয়যাত্ৰাৰ পাতনি মেলিছে; অথচ মানুহৰ ৰোষৰ বিপৰীতে ব্যৱস্থা ক'ত? ---

এবছৰ, দুবছৰকৈ বছৰবোৰ গৈ থাকে। মোহিতৰ কোনো সন্ধান ওলোৱা নাই বুলিয়েই খবৰ লৈ গম পায়। ইফালে উমাৰ হাতত থকা টকা-পইচা শেষ হ'ল; হাতৰ ডিঙিৰ আ-অলঙ্কাৰত হাত দিবলগীয়া অৱস্থা হ'ল। ----

আনহাতে চন্দনক কোনো অভাৱৰ অনুভূতি নিদিয়াটোৱেই হ'ল উমাৰ লক্ষ্য। শেষত চন্দনক নজনোৱাকৈ হাৰাণৰ অফিচৰ 'বৰবাবু'ক ধৰি মেলি, তেওঁৰে চিনাকি আন এটা কোম্পানীৰ অফিচ ছুপাৰিন্টেণ্ডেণ্ট বিজয় পাণ্ডেৰ ওচৰ পালেগৈ।---

এদিন চন্দনে জানিলে মাকে এটা কোম্পানীৰ অফিচত সাধাৰণ চাকৰি এটাত সোমাল। সি প্ৰবেশিকা পৰীক্ষা দিবলৈ আৰু এবছৰ বাকী। প্ৰথমে চন্দনে আপত্তি কৰিছিল। কিন্তু মাকে তাক বুজালে—যে হাৰাণ খুড়াকৰো বয়স হৈ আহিছে, দুবছৰ পিছতে অৱসৰ লব লাগিব। আনহাতে চন্দনে অন্ততঃ বি. এ. পাছ নকৰালৈ, কোনোমতে চলিবতো লাগিব। যিদিনাই চন্দনে বি. এ. পৰীক্ষা দি কামত সোমাব, সংসাৰৰ দায়িত্ব তাকেই দিব। মাকে আৰু চাকৰি নকৰে। চন্দন মান্তি হ'ল। তাৰ মনত আৰু দুগুণে এটা কৰ্তব্যৰ আহ্বানে সহাঁৰি দিলে। সি ভালকৈ পাছ কৰিব লাগিব, প্ৰবেশিকাৰ পৰা বি. এ. মহললৈ। তেহে সি ভাল চাকৰি পাব। তেহে মাকক জিৰণি দিব পাৰিব। তেহে হাৰাণ খুড়াককো বুঢ়া বয়সত প্ৰতিপাল কৰিব পাৰিব।---

সেই খিৰিকীখনৰ কাষত বহি পঢ়ে—চন্দনে। ওচৰৰ টেবুলখনত ক্ৰমে সকৰপৰা ডাঙৰ, সাধাৰণ ভূগোল বিজ্ঞানৰপৰা গভীৰ তত্ত্বতথ্যৰ দৰ্শন-সাহিত্যৰ পুথিবোৰ থুপ খায়। স্কুল এৰি, কলেজ পায়। ঘৰত কিতাপ-পত্ৰ পঢ়াৰ উপৰি পুথিভঁৰালত আৰু সীমিত দুই-এজন অধ্যয়নশীল বন্ধুৰ কিতাপ-পত্ৰ আনি নোট টুকি টুকি মাজ নিশা পাৰ কৰি দিয়ে চন্দনে। সি প্ৰবেশিকা পৰীক্ষাত প্ৰথম বিভাগত উচ্চস্থান পাই প্ৰতিযোগিতামূলক বৃত্তি পাইছিল। এনে উৎসাহেৰে সি কলেজতো পঢ়ি অধ্যাপকসকলৰ প্ৰিয়পাত্ৰ হব পাৰিছিল।

দৰ্শনৰ 'অনাৰ্ছ'ৰ মাজত বুৰ গৈ থকা চন্দনে কলিকতাত ক্ৰমে গঢ়ি উঠা ছাত্ৰ-আন্দোলন, জনতা-বিক্ষোভৰ প্ৰতি উদাসীন হৈ থাকে। সি জানে শতকৰা আশী-নব্বৈভাগ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশুনা কৰি, ডিগ্ৰীলৈ একো নহব। তাৰো গভীৰ অধ্যয়ন কৰা বিষয়বোৰ হয়তো জীৱনযাত্ৰাত একো কামত নালাগিব। তথাপি সি খুব ভালদৰে পাছ কৰিব লাগিব; হয়তো অনাৰ্ছত ভাল কৰিলে-হে তাক পঢ়িব। কাৰণ তাৰ ওপৰত নিৰ্ভৰ কৰিছে নিৰুদ্দিষ্ট দেউতাকৰ মান-সম্মান, দুৰ্ভগীয়া মাক আৰু হাৰাণৰ ভৱিষ্যৎ।---

১৯৬০ চনৰ সেই দিনটো। সিদিনা সি বি. এ. অনাৰ্ছৰ-পৰীক্ষা দিবলৈ ওলাইছে। মাকে ঘৰৰ দুৱাৰৰ একাষে চাৰি তাক দি ৰৈছে,

ঃ আজি অফিচত মোৰ অলপ পলম হব পাৰে। তুমি বাহিৰতে চাহ খাই আহিবা। টকাখিনি লৈছ নহয়, তোমাৰ নতুন পেণ্ট-চাৰ্টযোৰ আহোঁতে লৈ, আহিবা।

চন্দনে মাকৰ ভৰি ছুই প্ৰণাম কৰিলে।

মাকে মূৰত হাত ফুৰাই আশীৰ্বাদ দিলে।

পৰীক্ষা দিয়াৰ আত্মপ্ৰত্যয়েৰে ভৰা পুতেকৰ, মাকে সেই একমাত্ৰ খিৰিকীখনেৰে চাই থাকিল। বাছ ষ্টপেজলৈ খোজ কাঢ়ি যোৱা চন্দন আলিবাটৰ জনতাৰ মাজত নিলীন হ'ল।----

আৰু সেইদিনাই চন্দনৰ জীৱনৰ গুৰুত্বপূৰ্ণ ঘটনাটো ঘটি গ'ল। পৰীক্ষা হলৰ গেট বন্ধ। অ'ত-ত'ত ছাত্ৰ আৰু অভিভাৱকৰ ভিৰ। সম্পূৰ্ণ সেণ্টাৰৰ পৰীক্ষা বন্ধ হব লাগে বুলি, দাবী পূৰণ হব লাগে বুলি। অদূৰত 'শ্লোগান' দিয়া এজাক ছাত্ৰ-ছাত্ৰী; পাছে পাছে পুলিচ। হঠাতে বোমাৰ শব্দ; হৰমূৰকৈ সকলো ছিন্ন-ভিন্ন হৈ দৌৰা ভৰিবোৰ; খুন্দাত উফৰি পৰা চন্দনৰ 'ভাৰতীয় দৰ্শন'ৰ ওপৰেদি মাৰি গ'ল এখন, দুখন, বহুখন ভাৰতীয়ৰ ভৰি!----

এখন উত্তেজনাপূৰ্ণ নাটক নে কি? বিপ্লৱৰ শ্লোগান লিখা পোষ্টাৰ কিছুমান মাটিত বাগৰি আছে; 'ভাৰতীয় দৰ্শন'খনৰ কাষতে; নিৰ্বাক দৰ্শক পুলিচ; খুন্দাখুন্দিৰ মাজত থিয় হৈ আছে। কিমান পৰ গ'ল, সি কব নোৱাৰে। কব নোৱাৰাকৈয়ে সি বুটলি লয় কিতাপখন আৰু এটা সমস্ত পৰীক্ষাহলৰ বন্ধ দুৱাৰখনলৈ এবাৰ চাই, উভতি খোজ ল'লে। নতুন পদক্ষেপ!---

কিছুদূৰ খোজ কাঢ়ি আহি এখন পাৰ্কৰ বেঞ্চত বহে। দুপৰীয়াৰ পাৰ্ক, বৰ বেছি মানুহ নাই। তথাপি হয়তো তাৰ দৰেই আহত মনৰ কিছুমান আছে,—অ'ত-ত'ত। কিছুমানে বেঞ্চত বা ঘাঁহনিত শুইছে। পাৰ্কৰ পৰাই দূৰৰ আলিবাটৰ জন মিছিলৰ সোঁত চকুত পৰে। নিয়াৰিকৈ সজাই থোৱা ডাঙৰ ডাঙৰ দোকান-পোহাৰ, হোটেল-ৰেষ্টোৰাঁবোৰ। ইমান নিয়াৰি সেইবোৰ, অথচ যাৰ বাবে এইবোৰ সজোৱা হৈছে—সেই মানুহবোৰ ইমান উচ্ছৃংখল, ইমান অনিয়মীয়া।

চন্দন লাহে লাহে প্ৰকৃতিস্থ হয়। শ্বাসত বহে। সি ভাবি যায়,-- আৰু এবছৰলৈ মাকে তাৰ কাৰণে কাম কৰিব লাগিব। ইমান কষ্টৰ কাম। ঘৰৰ বন্ধা-বঢ়া, তাৰ আলপৈচান ধৰা, ছোৱালীৰ অসুখ-বিসুখত পৰ দিয়া, তাৰ উপৰি—অফিচৰ চাকৰি। পাকমো কেইটা টকা! ছুপাৰিণ্টেণ্ডেণ্টজনো বোলে ভাল নহয়।---নহলে এই বছৰটো বহি থকাতকৈ সিও কামত সোমাব। ৰাতি পঢ়িব।--- কিন্তু চাকৰি ক'ত পাব? ইমান নিৰনুৱাৰে ভৰা এই মহানগৰ। তথাপি সি মাকক সহায় কৰিব লাগিব। দেউতাকে মাকক কিমান মৰমেৰে ৰাখিছিল; তাক মাকে কিমান যত্নেৰে ইমান ডাঙৰ কৰিলে। তাৰ মাক, মাকতো নহয় ত্যাগৰ প্ৰতিমূৰ্তি।

চিন্তাৰ আঁহ কাটি কাটি, ট্ৰামৰ টাইমিংক নাচি, ৰূপ উঠিল। চিনেমা হলৰ দাঁতিৰ ফুটপাথত নামিল। তাৰপৰা সি খোজ কাঢ়িহে যায়--একফাৰ্লংমান।

চিনেমাহলৰ পিনে চকু পৰাত দেখিলে মাকক এখন টেক্সীৰপৰা নামি গেটলৈ আগবাঢ়িছে, আৰু এজন লোক টেক্সীৱালাক ভাড়া দিব ধৰিছে। কোন এইজন মানুহ? ছুপাৰিণ্টেণ্ডেণ্ট জানইছেন! ---

চন্দনে ১২ বছৰ পিছত আপাই ক্ৰেৱেণ্টলৈ আহি কি পালে? পুৰণি দিনীয়া মাত্ৰ চকীদাৰজন। বুঢ়া হৈছে। তাৰ ল'ৰাই কাম কৰে, সি লগত থাকে। বুঢ়াৰ মুখত সি শুনিলে, দেউতাকৰ কোনো সন্ধান পোৱা নাই। অৱশ্যে সন্দেহ কৰি কেইজনমানক ধৰিছিল। বিশেষ একো শুংসূত্ৰ নোলাল। বুধনৰ চাকৰি গ'ল। সিদিনা ৰাতি সি উভতি নহা কাৰণে।

নতুন ক্ৰেৱেণ্ট অফিচাৰে চন্দনক কেইদিনমান ৰাখিলে। ক্ৰেৱেণ্ট অফিচাৰৰ পত্নী মাকৰ ঘৰলৈ গৈছিল। কেইদিনমান থকাৰ পিছত ক্ৰেৱেণ্ট অফিচাৰৰ ঘৈণীয়েক অহাৰ আগদিনা সি আপাই এৰি গ'ল পৰিয়ালৰ আৰেণ্টনীৰ কথা সি যেন আৰু ভাবিবই নোৱাৰে।....

কিতাপ কাপোৰৰ এটা ছুটকেছ, এটা কাগজত ওলোমাই লোৱা বেগ আৰু দেউতাকৰ ভায়োলিনখন। সেয়েই তাৰ সম্পত্তি। চকীদাৰৰ পৰা বিদায় লৈ সি ওচৰৰ চাহ বাগিচাৰ দাঁতিৰ হাট এখনৰ লগত থকা দোকান ঘৰৰ চালি এডুখৰিতে আশ্ৰয় ললে। সেই চালিখনত নানান ধৰণৰ মনোহাৰী বস্তু বেচা ইচমাইলে তাক থাকিবলৈ দিলে। হাটলৈ কাঠখৰি বেচিবলৈ অহা দুই এজন লোকেও তাত জিৰণি লয়। ওচৰৰ চালিখনত এখন সাধাৰণ চাহ-বিস্কুটৰ দোকান····।

চন্দনে ভবে, সি যাব কলৈ? উন্নতি যোৱাৰ পথটো সিয়েই ৰুদ্ধ কৰি আহিছে। সিদিনা মাকক বা হাৰাণক মাত এষাৰ দিবলৈও সি নবল। সক কোঠাটো খুলি, কিতাপকেইখন আৰু ভায়োলিনটো লৈ—সি ওলাই আহিছিল মহানগৰৰ উপকণ্ঠৰ সেই খিৰিকীখনৰ বাৰবছৰীয়া মোহ এৰি। সেইখন খিৰিকীৰে দেখা গলিটোৰ সিপাৰৰ খিৰিকীৰ ছোৱালীজনীৰ মুখো আৰু সি নেদেখিব। ছোৱালীজনীয়ে তালৈ মাজে মাজে চাইছিল, চিনাকিৰ দৰে হাঁহিছিলো। সিও চাইছিল। কিন্তু সঁহাৰি দিয়া নাছিল। তথাপি সি যেতিয়া ভায়োলিন বজায়, তেতিয়া যেন সেইখন খিৰিকীলৈ মন নকৰিয়েই সি কব পাৰে ছোৱালীজনীয়ে তালৈ চাই আছে।

হঠাতে যে এইদৰে মহানগৰৰ সেই পৰিবেশটো সি এৰি যাব, সেয়াতো সি ভবাই নাছিল। মনৰ বহুত কল্পনা সি অকল নিৰুদ্দিষ্ট দেউতাক, বিমৰ্ষ মাক আৰু ক্লান্ত খুড়াকৰ চিন্তাৰে সামৰি থৈছিল। হয়তো, সময় হব—যেতিয়া তাৰ অৱসৰ হব কুৰিবছৰীয়া জীৱনৰ ৰঙীন কল্পনাবোৰ লুটিয়াই বগৰাই চাবলৈ, সামৰি-সুতৰি লবলৈ। কিন্তু হঠাতে যে সকলোৰে ইতি পৰিল।

খিৰিকীখন জপোৱাই আছিল। এবাৰ খোলাৰ লোভ সামৰিব নোৱাৰিলে। খুলিলে। গলিৰ সিপাৰৰ খিৰিকীখনত সেইযুৰি চকু, সেই মেলা চুলিকোছাৰে গাভৰুজনীৰ মুখত এটা মৃদু হাঁহি। নহয়, তাৰ সংকল্পৰ আগত এই দুৰ্বলতাই শোভা নাপায়। সি খিৰিকীখন জপালে। ভায়োলিনখন ললে, মাক-দেউতাকৰ ফটোখনো। আৰু কিতাপবোৰ। ----

দুয়োৰে খনত তলা লগাই মুহূৰ্ততে জন মিছিলত মিলি গ'ল। এবাৰো মুখ তুলি, গলিৰ সিপাৰৰ সেই নাম নজনা গাভৰুজনীৰ উৎকণ্ঠিত দৃষ্টিৰ পিনে চোৱাৰ সাহস তাৰ নহ'ল।......

ভৱিষ্যতৰ কথা আৰু নুঠে। চন্দনে ভাবে, যি অৰণ্যৰ মোহে— অৰণ্যবাসী প্ৰাণীৰ চেনেহে এদিন দেউতাকক সামৰি ললে,—সেই অৰণ্যৰ মাজতে সি বৈ যাব। এজন মানুহ। জীৱন ধাৰণৰ লাগতিয়াল কিখিনিবেই বা আৱশ্যক কি? প্ৰকৃতিয়ে বুকু উজাৰি দিয়া, শুকান কাঠ-বাঁহ আদি বেচি, সি হাটত লগ পোৱা ধনবাহাদুৰ, বীৰবলইতৰ দৰেই পেটৰ ভাতমুঠিৰ যোগাৰ হব। লাহে লাহে সি এটা পঁজাঘৰ সাজি লব পাৰিব। এই কল্পনাক বাস্তৱত ৰূপ দি চন্দনে নিয়মীয়াভাৱে শুকান গছৰ কাঠ, বাঁহ-বেত আদি হাট বজাৰে বেচিবলৈ ললে। পাছলৈ হাট বজাৰৰ মাজৰপৰা আঁতৰি অলপ নিৰিবিলিকৈ ধনবাহাদুৰ আৰু বীৰবলৰ সহায়তে সাজি ললে তাৰ বৃক্ষ-নিবাস।

কিন্তু আজি হঠাতে তাৰ গতানুগতিক জীৱন যাত্ৰাত বহুতো পাহৰি থকা টুকুৰা কথাবোৰ সজীৱ কৰি দি গ'ল—পিতৃবন্ধু শ্ৰীউত্তম বৰুৱাই। এই আচম্বিত মিলনত জানো কোনোবা নেদেখাজনৰ হাত আছে?...... তাৰ মনৰ পৰ্দাত চলচ্চিত্ৰত দেখাৰ দৰে অচল ছবিবোৰো সচল যেন লাগিল। ছেকেণ্ডত ২৪টা 'ফ্ৰেম' বা স্থিৰ চিত্ৰ প্ৰজেক্টৰৰ সহায়ত চলাই দিলে, অচল ছবিবোৰে যেন সচল হৈ দৰ্শকৰ মনোজগত ভৰাই তোলে। অথচ সেই ২৪টা ফ্ৰেমৰ মাজে মাজে সমসংখ্যক আন্ধাৰৰ টুকুৰাও থাকে, কিন্তু প্ৰজেক্টৰত চলাই থকা পোহৰৰ সম্পন্ন ২৪টা ফ্ৰেম বা স্থিৰ চিত্ৰৰ উজ্জ্বলতাই ব্যৱধানৰ আন্ধাৰবোৰ অনুমান কৰাৰ মানসিকতা দৰ্শকক নিদিয়েই। অথচ সমুজ্জ্বল স্থিৰ চিত্ৰবোৰৰ দৰে, পোহৰক বাধা দিয়া অন্ধকাৰখিনিওতো বাস্তৱ। চন্দনেও তাৰ বৃক্ষ আবাসৰ বিচনাত দীঘল দি চলচ্চিত্ৰৰ গতিতকৈও অধিক গতিশীলতাৰে এৰি অহা অতীতৰ স্থিৰচিত্ৰৰ উজ্জ্বল হৈ উঠা বহু টুকুৰা-টুকুৰ চিত্ৰক্ৰমৰ মাজত বিচৰণ কৰি কেতিয়া যে নিদ্ৰাদেৱীৰ কোলাত চেতন-মন সমৰ্পণ কৰিলে,—গমকে নাপালে।

খোলা দুৱাৰ-খিৰিকীৰে চেচা বতাহ একোছাটি নদুভাৰে আহি থাকিল। ইকৰা-বাঁহৰ বেৰৰ ফাঁকেৰে অহা পোহৰৰ ৰেখাবোৰ ক্ৰমে উৰলি গ'ল।…… আকাশত তেতিয়াও কালপুৰুষৰ তৰোৱালৰ ৰেখা টনা তৰাকেইটা চিক্‌মিকাই থাকিল।

চৰাইৰ কলৰবত যেতিয়া প্ৰভাতী সূৰ্য্যৰ কিৰণ গছৰ লৰি থকা পাতৰ মাজে মাজে নাচিবাগি চন্দনৰ বৃক্ষবাসৰ ওপৰতো পৰিছিল, তেতিয়া উচপ্‌খাই সাৰ পোৱা চন্দনে গম পালে যে আজি তাৰ উঠাত পলম হ'ল। নিশা একো নোখোৱাত পেটে কলমলাই উঠিল। সি দুৱাৰৰ ওচৰলৈ গৈ এবাৰ আগফালে সন্ধিয়া বৰুৱা উভতি যোৱা টিলাটোৰ সিপাৰলৈ চাই পঠিয়ালে। মনত পৰিল বৰুৱাই তেওঁৰ বাগিচালৈ নিব খোজাৰ কথা।

আৰু এবাৰ তাৰ প্ৰশ্ন জাগিল—সি কিয় হব? কাৰ বাবে।……

মোৰ বাবে—তুমি আহিবা

মোৰ বাবে—

তোমাক ভাল পাবা

তুমি আহিবা----

····অৰ্গেনত আঙুলি বুলাই গীতৰ কলিটি আওৰাই থকা এগৰাকী গাভৰুৰ ছাঁ কাঁচৰ ডাঙৰ খিৰিকীখনত দেখা গৈছে। খিৰিকীৰ বাহিৰপিনে চুপেচাপে আন এজনী ছোৱালীয়ে এইমাত্ৰ বাগিচাৰপৰা তুলি অনা এথোপা ফুল হাতত লৈ গীত শুনিবলৈহে যেন বৈ আছে। মুখত এটা চঞ্চল হাঁহি। প্ৰকাণ্ড চাংবঙলাটোৰ সেই কোঠাটোৰ খিৰিকীখনৰ নামনিত থোপাথোপে ফুলি থকা বিবিধ গছ-লতা। বঙলাৰ সমুখত প্ৰকাণ্ড লনখনত মালীয়ে কাম কৰি আছে। গেটৰ ওচৰত চকীদাৰ বৈ আছে। মনজুলি বাগিচাৰ মালিক শ্ৰীউত্তম বৰুৱাৰ বৃহৎ বঙলাটোৰ দাঁতিতে মালী, বেহেৰা, চকীদাৰ থকা সৰু সৰু ঘৰ কেইটানানৰপৰা ৰান্ধনিঘৰৰ ধোঁৱা ওলাই আছে।

শ্ৰীবৰুৱাৰ চাংবঙলাটো প্ৰায়েই খালি থাকে। মাজে সময়ে কিছুকেইদিন তেওঁ বঙলাত থাকেহি, তাৰ ভিতৰতো বেছি দিন বন্ধু বান্ধৱৰ লগত চিকাৰ বা ফুৰা-চকা কৰিয়েই সময় কটায়। দুটা ল'ৰা,—বিদেশত থাকে। ঘৈণীয়েক ঢুকোৱাৰ পৰা, তেওঁ ঘূৰি ফুৰিহে যেন নিজকে কৰ্মঠ কৰি ৰাখিব পাৰে। আৰু সঁচাকৈ ইমান বয়সলৈ তৰুণ হৈ থাকিব পৰাৰ মূলতে হ'ল, জীৱনক যেনেদৰে পায় তেনেদৰে গ্ৰহণ কৰিব পৰা তেওঁৰ মানসিক প্ৰস্তুতি।

মনজুলি আৰু ওচৰৰ আন দুখন বাগিচা তেওঁ কিনি লৈছে চাহাব কোম্পানীৰ পৰা। ক্ৰমে দেশজুৰি গঢ়ি উঠা স্বাধীনতা আন্দোলনৰ মাজত দুই চাৰিখনকৈ কম আয়ৰ চাহবাগিচা চাহাব কোম্পানীয়ে বেচিবলৈ লোৱা সময়ত, শ্ৰীবৰুৱাই অতি সাহসেৰে প্ৰথমে এই মনজুলি বাগিচাখন কিনি লৈছিল। নিজেও স্বাধীনতা আন্দোলনৰ প্ৰতি আকৃষ্ট হৈছিল,--বিশেষকৈ উচ্চ শিক্ষিত পত্নীৰ উদগনিত। শ্ৰীমতী বৰুৱাৰ পঢ়াশুনাৰ প্ৰতি বিশেষ ৰাপ আছিল। তেতিয়াৰ দিনতে ডিব্ৰুগড় অঞ্চলৰ পৰা কলিকতালৈ গৈ বি-এ পাছ কৰা শ্ৰীমতী বৰুৱাই বাগিচাত থকা দিনবোৰো অধ্যয়নৰ মাজেৰে কটাইছিল। আনহাতে ইউৰোপীয় বাগিচাবোৰত মেনেজাৰ, সহকাৰী মেনেজাৰ, বা কেৰাণী আদিৰ মাজত গঢ়ি তোলা সামাজিক মিলামিছাৰ ক্ষেত্ৰৰ বাধা-নিষেধবোৰো কেনেকৈ আঁতৰাব পাৰি, সেইবিষয়ে চিন্তা কৰিছিল। বৰুৱাই অৱশ্যে এই ক্ষেত্ৰত অতি সাৱধানতাৰেহে আগবঢ়াৰ যুক্তি দাঙি ধৰিছিল। প্ৰথম কথা, অকল তেওঁৰ সৰু বাগিচা দুখনত কিবা নতুন ব্যৱস্থা ললে, আন বাগিচাৰ কৰ্তৃপক্ষ আৰু তেতিয়াৰ চৰকাৰৰ তিক্ততাৰ সন্মুখীন হবলগীয়া হব। আনহাতে বাগিচাৰ কামৰ শৃংখলা অটুট ৰখাত এনে ব্যৱস্থাই যথেষ্ট সহায় কৰি আহিছে বুলি তেওঁ ভাবে।

শ্ৰীমতী বৰুৱাৰ উদগনিতে ল'ৰা দুজনক উচ্চশিক্ষাৰ্থে বিদেশলৈ পঠিওৱা হৈছিল। কিন্তু আকস্মিকভাৱে এই গৰাকী বিদুষী মহিলাৰ মৃত্যু ঘটাত, অকল শ্ৰীবৰুৱাৰ মনতেই নহয় সমগ্ৰ বাগিচাখনতেই এটা বিষাদৰ ছাঁ বিয়পি পৰিছিল। বাগিচাৰ ডাক্তৰ শ্ৰীবিপুল গগৈ, তেওঁৰ পত্নী শ্ৰীমতী গগৈ আৰু তেওঁলোকৰ একমাত্ৰ কন্যা মমতাই দিনে-নিশাই শ্ৰীমতী বৰুৱাৰ পৰিচৰ্য্যা কৰিছিল। কিন্তু ডিব্ৰুগড়ৰ পৰা, কলিকতাৰ পৰা বিশেষজ্ঞ আনিও—শ্ৰীমতী বৰুৱাৰ জীৱন ৰক্ষা কৰিব পৰা নহ'ল। সেয়া তিনিবছৰ আগৰ কথা।

তেতিয়াৰে পৰা চেনেহৰ পত্নীয়ে শেষ নিশ্বাস ত্যাগ কৰা এই বঙলাটোৰ পৰা শ্ৰীবৰুৱা প্ৰায়েই আঁতৰি থাকে। যিগৰাকীয়ে গঢ়ি তোলা প্ৰকাণ্ড লাইব্ৰেৰীটো, অৰ্গেন-পিয়ানো আদিৰে সুসজ্জিত কোঠাটো আগৰ দৰেই ধুনীয়াকৈ সজাই ৰখাৰ দায়িত্ব দিছে বঙলাৰ মালী

মংৰাৰ গাভৰু ছোৱালী ফুলমণিক। ডাক্তৰ গগৈৰ ছোৱালী মমতা কলেজত পঢ়ে, সমাজ বিজ্ঞানৰ প্ৰতি তেওঁৰ বিশেষ ৰাপ। শ্ৰীমতী বৰুৱাৰ সান্নিধ্যত থাকি, মমতাৰ এই বিষয়টোলৈ আগ্ৰহ বাঢ়িছিল। এইবাৰ ভালদৰে সাজু হব নোৱাৰা কাৰণে ফাইনেল পৰীক্ষা নিদিলে। বিভিন্ন পৰিৱেশত মানুহৰ মন আৰু প্ৰকাশভঙ্গী সম্পৰ্কে গৱেষণা কৰাৰ ইচ্ছা লৈ, মমতাই ভাৰতৰ উত্তৰ পূব-অঞ্চলৰ আদি যুগৰ মানুহৰ কলা-শিল্প-ভাস্কৰ্য্যৰ মাজত তেনে মনৰ প্ৰকাশৰ বিষয়ে অধ্যয়ন কৰিবলৈ লৈছে।

মনজুলি বাগিচাতে মমতাৰ শৈশৱ পাৰ হৈছে। তদুপৰি একমাত্ৰ ছোৱালী হিচাপে, তাই মাক-দেউতাকৰ অতি মৰমৰ। স্কুলীয়া শিক্ষাৰ কাৰণে আঁতৰি থাকিলেও, সুবিধা পালেই মমতা গুচি আহে মাক-দেউতাকৰ ওচৰলৈ। দেউতাকৰ বন্ধু, মনজুলি বাগিচাৰ মালিক শ্ৰীবৰুৱাক ৰবাদেউতা আৰু শ্ৰীমতী বৰুৱাক ৰবমা বুলি মমতাই মাতিছিল। তেওঁলোকৰ ল'ৰা দুটি বিদেশলৈ যোৱাৰ পিছৰে পৰা, মমতা যেন সেইখন ঘৰৰো একমাত্ৰ জীয়ৰী। শ্ৰীমতী বৰুৱাৰ অধ্যয়নশীল মনৰ অতি মৰমৰ লাইব্ৰেৰীটোলৈ মমতাৰ অবাধ গতি। শ্ৰীমতী বৰুৱা ঢুকোৱাৰ পিছতো, মমতাই একেদৰে সেই লাইব্ৰেৰীলৈ আহে, পঢ়ে। বঙলাৰ মালী, চকীদাৰ, বেহেৰা সকলোৰে মৰমৰ মমতাৰ লগৰী হ'ল মংৰা মালীৰ গাভৰু জীয়েক ফুলমণি।

সমবয়সীয়া দুগৰাকী উঠন গাভৰুৰ মনৰ কোনোবাখিনিত হ'লেও নিশ্চয় মিল থাকে। ফুলমণি প্ৰকৃতিৰ জীয়ৰী, লেখাপঢ়া নাই যদিও, এটা শিক্ষিত পৰিয়ালৰ লগত সততে থকাত তেনে পৰিৱেশৰ মাজত নিজকে তাই খাপখুৱাই লৈছে। আনহাতে মমতাৰ মৰম-চেনেহে তাইক তেনেই আপোন কৰি লৈছে।

আৰু মমতাৰ মন? বয়ঃসন্ধি আৰু যুগসন্ধিৰ প্ৰভাৱে মমতাক মাজে মাজে চঞ্চল পৰি তোলে। মমতাই একোটা মুহূৰ্তত অনুভৱ কৰে, অকল অধ্যয়নেই শান্তি দিব নোৱাৰে। মানুহক মানুহৰ সান্নিধ্যৰ প্ৰয়োজন, সহানুভূতিৰ প্ৰয়োজন, আৰু প্ৰয়োজন সমাজত নিজকে বিলাই দি মানৱমনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সন্ধানৰ।—মানসৰ বাবে,

সমাজৰ বাবে, পৰিয়ালৰ বাবে আৰু নিজৰ বাবেও নিজকে প্ৰয়োজনীয় বুলি ভবাৰ যুক্তি আৰু অৱসৰ নহ'লে মানসিক শান্তি পাব নোৱাৰি। নিজক আন কোনোবাৰ, আন বহুতৰ বাবে আদৰণীয় কৰি তোলাৰ মানসিকতা সকলোৰে থাকে—সকলো বয়সতে। কিন্তু, বয়ঃসন্ধিৰ এটা সময়ত নিতান্ত একান্তভাৱে কাৰোবাক মনৰ কথা ক'বলৈ, কাৰোবাৰ একান্ত আকৰ্ষণ পাবলৈওতো মন যায়।

মমতাই ভাবে, প্ৰকাণ্ড হলঘৰটোত এনেয়ে পৰি থকা অৰ্গেন, পিয়ানো, চেতাৰ, গীটাৰ আদি বাদ্যযন্ত্ৰবোৰ সুৰসৃষ্টিৰ সম্ভাৱনাৰে পূৰ্ণ। অথচ সেই সম্ভাৱনাক জীৱন্ত কৰিবলৈ স্পৰ্শৰ প্ৰয়োজন—কাৰোবাৰ আঙুলিৰ। প্ৰয়োজন—অনুভূতিৰে ভৰা মনৰ। নহ'লে সুৰসৃষ্টি হ'ব নোৱাৰে,—সম্ভাৱনাৰ কল্পনাও ক্ষণে ক্ষণে পাখি মেলি উৰি যায় নিৰৱচ্ছিন্ন গতিৰ সময় পখিলাৰ দৰে।

আৰু সময়? জীৱনৰ কুৰিটা বসন্ত পাৰ কৰা মৰ্ত যৌৱনৰ সৃষ্টিৰ সম্ভাৱনালৈ কল্পনাৰ স্বপ্নজালৰ মাজত মমতাই আৰু কিমান ক্ষণ লেখিব? সুৰ উথলি থকা জীৱনত জানো সৃষ্টিৰ শিহৰণ লৈ কোনো নাহিব? নিশ্চয়, আহিব কোনোবা দিনা, কোনোবা জন——। অৱচেতন মনৰ সেই কামনাই কণ্ঠত ধৰা দিয়ে সুৰলা সুৰৰ এটি গীতৰ দৰে। আৰু অৰ্গেনত চঞ্চল আঙুলি বুলাই থকা মমতাৰ মনৰ গহনৰ পৰা গোট গোট মুকুতামণিৰ দৰে সৰি পৰে কথাবোৰ গীত হৈ—অনুভূতিবোৰ সুৰ হৈ——

——মোৰ বাবে—
মোৰ বাবে তুমি আহিবা—
আহিবা,—তুমি আহিবা———

: কোন আহিবৰে দিদি?—খিলখিলাই উচ্ছল হাঁহিৰে খিৰিকীৰে মুখ দেখুৱাই ফুলমণিয়ে মমতাক খন্তেকতে যেন তুলি লৈ আহে মনৰ গহনৰ পৰা। আৰু তৎপৰতাৰে মমতায়ো ফুলমণিৰ সৰল হাঁহিৰ সঁহাৰি দি মুৰ নোতোলাকৈয়ে কৈ উঠে : কিয়? তই?

: উহু! দোচোৰা কোনোবা!—হাঁহি হাঁহি খিৰিকীৰ পৰা আঁতৰি দুৱাৰ ঠেলি সোমাই আহে ফুলমণি। ইমান হাঁহিব পাৰে এই

পোৱাৰীজনীয়ে। ষোড়শী হিয়াত থূপ খাই থকা ইমান আনন্দ। মনৰ চৰাইৰ দৰেই জীৱন আৰু জগতক ভাল পোৱা সহজ, সৰল মন। তাই কৈ যায়: দিদিৰ মনৰ মানুহ আহিব, হঁা—মই ঠিক জানিছু—মনৰ মানুহ—

: তোমাৰো মনৰ মানুহ আহিব। সেইযে ৰভন।—মমতাই দৰ্পণৰ পৰা উঠি কয়। ফুলদানি এটাত ফুলথোপা সজাই, ফুলমণিয়ে কৈ যায়: ইচ্ হয় হয়।

: মই শুনিছো নহয়, মালিক চাহাবক ডাক্তৰ বাবুৱে কৈছিল—তোমাৰ চাদীৰ কথা।

: তোমাৰো মন গৈছে নহয় চাদী হবলৈ? সেই কাৰণে—

উচ্ছল হাঁহিৰে মমতাৰ কথাৰ ওপৰত ফুলমণিয়ে কৈ থাকে,

: দিদিৰ চাদী হ'লে মই খুব ফুৰ্তি কৰিম।—কৰ ছিলি তাই গায়।

: চাও এইছুৱালীক হাঁহি হাঁহি কৰিছা হব এতিয়া। মমতাই তাইৰ পিনে চোৱা নয়।

: নহ'লে কিয় এইৰকম গান গাই মন নাচি আছিলি যে দিদি?

----বুজি ফুলমণি লাজ পাই দুৱাৰখন ঠেলি কোঠাৰ বাহিৰ ওলায়। ঠিক এনেতে গেটৰ ওচৰত জীপৰ হৰ্ণ শুনা গ'ল। ফুলমণিয়ে খিৰিকীৰে মমতাক চিঞৰি কয়—

: এই দিদি! মালিক চিকাৰৰ পৰা আহিল। মই যাও, কি চিকাৰ আনিছে চাও।—চঞ্চলা হৰিণীৰ গতিৰে ফুলমণি দৌৰি গ'ল চাংবঙলাৰ চিৰিৰে..।

মমতায়ো বৰুৱাক আগবঢ়াই আনিবলৈ লাহে ধীৰে ছলঘৰৰপৰা ওলাই মুকলি বাৰাণ্ডালৈ ওলাই আহিল...।

●

জীপ এখন চাংবঙলাৰ তলত গাড়ী ৰাখাওঁতে ৰ'লহি। গাড়ী ৰখায়ে ড্ৰাইভাৰ নামিল। ইতিমধ্যে বেহেৰাই চালাম দি জীপৰ ওচৰ পালেহি। বৰুৱা নামিল। চিৰিৰ মূৰত বৈ থকা ফুলমণিক দেখি

বকৰাই ক'লে : ফুলমণি অকলেচোন ? তোৰ মমতা দিদি অহা নাই ?

কথাষাৰ কৈয়ে বকৰাই চিৰিত উৰি দিলে।

: আহিছে দেউতা ।—ফুলমণি পাছে পাছ গৈ থাকিল ।

: অহিলে বৰদেউতা ?—চিৰিৰ ওপৰৰখৰা মমতাই মাত লগালে। আজিচোন চিকাৰৰপৰা অহাত পলম কৰিলে ?

: ডাঙৰ চিকাৰৰ বাবে সময় লাগেতো। বকৰাৰ কথাষাৰ শুনি মমতাই হাঁহি হাঁহি ক'লে : বুজিছো, বৰদেউতাই আজি চিকাৰত কিবা পাইছে ।

: হৰিণ কিজানি । ফুলমণিয়ে কৈ উঠিল ।

বকৰাই চাংঘৰৰ ওপৰ পাই ফুলমণিৰ কথাৰ ওপৰতে ধমকিৰ সুৰেৰে ক'লে : দূৎ। তাতোকৈ ডাঙৰ চিকাৰ, হেঃ হেঃ হেঃ..

: তেন্তে বাঘ হবেক ।

: ৰ ফুলমণি, হৰিণ বাঘ পিছত জানিবি। তই যাচো । তোৰ বাবাক পঠিয়াই দে, ডাক্তৰ গগৈক মাতি আনক ।

: কিয় বৰদেউতা, আপোনাৰ কিবা অসুখ,—মমতাৰ কথাষাৰ আধা কোৱা হৈ গ'ল ।

হোঃ হোঃ কৈ বকৰাই হাঁহি, মমতাক পিঠিত থপৰিয়াই ক'লে,

: দেখিছো ছোৱালীৰ বৰদেউতাকলৈ বৰ মৰম। অসুখ-বিসুখ নহয় । কিবা এটা জৰুৰী কথাৰ কাৰণেহে ।—ফুলমণি কি চাই বলি, যা।

: যাও দেউতা । লৰিধাপৰি ফুলমণি চিৰিৰে নামি গ'ল ।

: মমতা, তুমি বহা মই হাতমুখ ধুই আহো।

: কিনো ডাঙৰ চিকাৰ, নকলেচোন বৰদেউতা ?

: তোমাৰ গৱেষণাৰ আহিলা। ৰ'বা, মই আহিছো। বকৰা ভিতৰ সোমাই গ'ল ।

মমতাই এবাৰ সেইপিনলৈ চাই, খিৰিকীৰ কাষলৈ গৈ আকাশত থুপখোৱা ডকুলা মেঘৰ চপৰাবোৰলৈ নিৰীক্ষণ কৰিলে। লাহে লাহে পুনৰ অৰ্জেনটোৰ কাষতে বহি, হাত বুলাই যেন অলপ আগতে পাই থকা জীৱৰ সুৰটো তুলিবলৈ চেষ্টা কৰিলে । ----

ঃ বাৰু মমতা, তুমিতো সমাজ বিজ্ঞানৰ ছাত্ৰী। কোৱাচোন, শিক্ষিত সুঠাম ডেকা একোজনেও কিয় নিঃসঙ্গ হৈ থাকিব খোজে। বৰুৱাৰ মাত শুনি অৰ্গেনৰপৰা হাত তুলি মমতাই বৰদেউতাকলৈ চাই ক'লে।

বৰুৱাই চকী এখনত আউজি লৈ ক'বলৈ ধৰিলে ঃ মই হ'লে কোনো যুক্তি বিচাৰি নাপাওঁ।

ঃ কিয় সুধিলে বৰদেউতা ?—মমতা বৰুৱাৰ ওচৰলৈ উঠি আহিল।

ঃ অথনিয়েই ক'লো, চিকাৰৰ কথা। আচৰিত ধৰণে স্বেচ্ছায় বনবাস খটা ডেকা একজনক পালো। ভাবিছিলো, সাধাৰণ খাটি খোৱা মানুহ। কিন্তু গছৰ ফেৰেঙনিত লেও সাজি লোৱা কেঁচাটোত দেখিলো ভাৰতীয় দৰ্শনৰ কিতাপবোৰ। আৰু এখন ভায়োলিন। কথাপাতি গম পালো তেওঁ মোৰেই ছাত্ৰ অৱস্থাৰ আন্তৰিক বন্ধু একজনৰ ল'ৰা।—বৰুৱাই একে উশাহে কথাষাৰ কৈ গ'ল।

ঃ অ' সেইকাৰণে মোৰ গৱেষণাৰ আহিলা বুলি কৈছে নহয় বৰদেউতা ? আচলতে কিবা হয়তো কাৰণ আছে। কিন্তু সমাজৰপৰা আঁতৰি থকাটো এটা নেতিবাচক জীৱনবোধ। সাধাৰণতে মানুহ সমাজপ্ৰিয়, মানুহক সঙ্গী লাগে, সমাজ লাগে। আৰু একোজন মানুহৰ ব্যক্তিত্বও সমাজৰ পটভূমিতহে গঢ় লব পাৰে।—মমতাই কয়।

ঃ একজ্যাক্‌ট্‌লি সো। মায়ো তাকেই কৈছিলো।

ঃ তেওঁ কি কয় ?

ঃ ইমান সহজে মাত্তি হবনে? আজি দুবছৰে হাবিবনৰ মাজতে আছে। অথচ তাৰ আগতে বাৰ বছৰ কলিকতাত থাকি পঢ়া-শুনা কৰিছিল। —বৰুৱাই চমুৱাই মমতাক চন্দনৰ মুখৰপৰা শুনা কথাখিনিৰ আভাস দিলে। মমতাই অতি মনোযোগেৰে কথাবোৰ শুনি গ'ল।

মৌন মুহূৰ্ত কেইটামান বাগৰি গ'ল। বৰুৱা আৰু মমতা—দুয়োৰো মনত এজন অচিনাকি ডেকাৰ অতীত, বৰ্ত্তমান আৰু

ভৱিষ্যাই তোমপাৰ লগোৱাৰ যুক্তি কিমান, সেই প্ৰশ্ন ইয়াত নোহোৱাই ভাল। অকল যুক্তি আৰু স্বাৰ্থই জীৱন আৰু জগতক নিয়ন্ত্ৰণ নকৰে। অনুভূতি, আৱেগ, মানৱতাৰ আকৰ্ষণৰ বাবেই মানুহ আন প্ৰাণীতকৈ বেলেগ।

: কি আহিছো, দকৈ ভাবি চাবলৈ। তোমাৰ দেউতাৰাক নৈ দেওবাৰে আকৌ যাম। সেইবুলি নাহিলে, তেওঁ থাকিব বুলি ভাবিছো। এটা সত্তৰ প্ৰতিভাৰ অপচয় হবলৈ দিয়াটো অন্যায় হব। তাতে মোৰ বন্ধুবৰ্গ যাব। —বকৰাই আপোনমনে কৈ গ'ল। মনতাই আৰু এখন চকীত বহি নিৰিবিলিমনে কাণ পাতি শুনি থ'ল।----

: দেউতা।

: অ' ফুলমনি?

: দেউতা, বাবাই ডাক্তৰৰ বুক মাৰি আহিছে। এতিয়াই চ হিব

২ নম্বৰ লাইনত গৈছিল। ... চাকৰিটো ইছিলাতো। —ফুলমনিৰ কথা শুনি বাগৰাবৰ বকৰাই সোধে: কিহৰ হ'ল...?

মনতাই কয়: হয় বৰদেউতা, সেই লাল্লু গুণ্ডাৰ চোৰ্ং কানি কাৱৰাৰীৰ দলে কালি ৰাতিও কাজিয়া লগাইছিল।

: হয় দেউতা, ভীষণ কাণ্ড। লখীমাৰ মাথা ফাটিছে। ফুল-মণিয়ে লগতে কয়।

: ইমানপৰে কোৱা নাছিলা কিয়?—বকৰাই সোধে।

: আপুনি ভাগৰে-জুগৰে আহিছে কাৰণে, বৰদেউতা।

বকৰা চকীৰপৰা উঠিল।

: এঃ, ডাক্তৰ আহিলে, মযো যাব লাগিব। পুলিচত খবৰ দিলেনে নাই? মেনেজাৰ মিষ্টাৰ জনে বা কি কৰিছে? এই গুণ্ডা—বদমাইচবোৰৰ কাৰণে শান্তি নোহোৱা হ'ল।

●

মনজুলি বুলিয়েই নহয়, প্ৰায়বোৰ বাগিচাতে সহজ সৰল দুখীয়া চাহবনুৱাসকলক অসৎ লোক কিছুমানে অন্যায় অত্যাচাৰ কৰি

আহিছে। গুণ্ডা প্ৰকৃতিৰ লোকৰ হতুৱাই ধনী মহাজন দুই-চাৰিয়েও টকা পইচা, আফিং মদৰ যোগান ধৰি চোৰাং কাৰবাৰ চলাই আছে। হুণ্ডীৰ ব্যৱসায় কৰা কিছু সংখ্যক মানুহে বনুৱাইতক মদ-আফিং খোৱাত উদগনি দিয়াবলৈ টকা-সিকা ধাৰেও দিয়ে, আৰু ক্ৰমে সিহঁতৰ পা-পইচাৰ উপৰি আ-অলঙ্কাৰ, বাচন-বৰ্তন যি দুই-এডুখৰি থাকে তাকো ছলেবলে লৈ যায়। বৃটিছৰ শাসন কালছোৱা বিদেশী পৰিচালকসকলে চাহ বনুৱাসকলক ভুকলা অৱস্থাত মানসিকভাৱে অৱশ কৰি ৰখাটোকে বিচাৰিছিল।

প্ৰকৃততে অসমৰ চাহবনুৱাসকলৰ ওপৰত চাহ উদ্যোগৰ পাতনিৰে পৰা, এশ বছৰৰো অধিক কাল নানাধৰণৰ জোৰ-জুলুম, প্ৰৱঞ্চনা-শোষণ চলি আহিছে। পৃথিৱীত উৎপন্ন হোৱা প্ৰায় দেড়শ কোটি কেজি চাহপাতৰ প্ৰায় ৫০ কোটি কেজি ভাৰতত হয় আৰু সেই পৰিমাণৰ শতকৰা ৫০ ভাগৰো অধিক চাহপাত হয় অসমত। ভাৰতত দৈনিক গড়ে যিমান বনুৱাই চাহ খেতিত কাম কৰে তাৰ আধাৰো বেছিয়ে অসমৰ চাহবাগিচাত কাম কৰে। চাহৰ চাৰিলাখৰো অধিক, বনুৱাৰ দৈনিক হাড়ক মাটি, তেজক পানী কৰা শ্ৰমৰ ভেটিত অসমৰ চাহবাগিচাবোৰ সেউজীয়া হৈ থাকে। এয়া যেন সেউজীয়া তেজ। অসমৰ— বিশেষকৈ উজনি অঞ্চলৰ বছৰটো সেউজীয়া হৈ থকা অৰণ্যানিৰ লগত মিলি থকা প্ৰায় একলাখ বিঘা মাটিৰ চাহ খেতিৰ নহপহীয়া এটি কলি দুটি পাত'ৰ আঁৰত লাখ লাখ বনুৱাৰ পুৰুষানুক্ৰমে আগবঢ়োৱা দুখ-বেদনা, শ্ৰম-কষ্টৰ কাহিনীৰ কথা ভাবিবলৈকে ভয় লাগে।

আমাৰ কাহিনীৰ কেন্দ্ৰ ডিব্ৰুগড় জিলাৰ জয়পুৰ-চাবুৱা-তিনি-চুকীয়া-ডিব্ৰুগড় আদি অঞ্চলতে অসমৰ চাহখেতিৰ ভেটি স্থাপন হৈাৱা বুলি কব পাৰি। অতীজৰেপৰা চিংফৌ আদি জনজাতীয় লোকে চাহৰ ব্যৱহাৰ জানিলেও, আৰু মণিৰাম দেৱানৰ দৰে বিচক্ষণ ৰাজনীতিজ্ঞই চাহ গছক 'সোণৰ গছ' বুলি বুজিলেও, প্ৰকৃততে বিদেশী বৃটিছ শাসকসকলেহে এই খেতিৰ বিস্তৃতি ঘটাই অসমৰপৰা-বহু কোটি টকা লাভ কৰিলে। আৰু অসমীয়া বনুৱাৰ

অভাৰত, নানা ছলচাতুৰী কৰি বঙ্গদেশ আৰু পিছলৈ—ছোটনাগপুৰ, ৰাঁচী, উৰিষ্যা, টেলেঙ্গনা আদিৰপৰা বনুৱাৰ পৰিয়াল আৰু ডেকা, গাভৰু, বিবাহিতা-নাৰী আদি ফুচুলাই আনিছিল। বনুৱা সংগ্ৰহ কৰি, ডিপু বা কেন্দ্ৰবোৰত জোৰকৈ বিয়া পাতি হ'লেও মতা বনুৱাক প্ৰলোভন দি আনিছিল। এনেধৰণৰ বিয়া-বাৰুক 'ডিপু চাদী' বুলি কোৱা হৈছিল।

অসমৰ চাহবাগিচাত সোণ ফলে বুলি কৈ দালালসকলে হেজাৰ হেজাৰ বনুৱা আনিছিল। সোণ নিশ্চয় ফলে, কিন্তু সেই সোণ এচাম বাগিচাকে নেদেখা—দূৰ-সুদূৰত থকা মালিকৰ বাবেহে। বনুৱাসকলৰ বাবে মাত্ৰ----

"ছৰ্দাৰ বলে 'কাম কাম,'
বাবু বলে 'ধৰে আন'
চাহাব বলে 'লিবো পিঠেৰ চাম।'"

এই নিলকণ অৱস্থাত পৰা হতভগীয়াসকলে দুখবেদনা পাহৰি-বলৈকে নিচা খায়, তিলতিলকৈ নিজক আৰু পৰিয়ালক মৃত্যুৰ মুখলৈ আগবঢ়াই নিয়ে'। তাৰ মাজতে কোনোবাই বিননিৰ সুৰেৰে 'ঝুমুৰ' গাই নিজৰ ভাগ্যকে দুষে বা ছলাহী কৰি অনা দালালসকলক অভিশাপ দিয়ে। দুই এক উচ্ছৃংখল মেনেজাৰ বাবুৰ কামনাৰ বলিও হবলগীয়া হয় তেওঁলোকৰ বোৱাৰী-জীয়ৰী। তাৰ উপৰিও উতনুৱা দালালৰ সহায়েৰে, এচামৰ অমানবীয় অত্যাচাৰ আছেই। চাহবাগিচাবোৰৰ দাঁতিয়ে-কাষৰে মদ-আফিং তিৰোতাৰ অসৎ ব্যৱসায় চলোৱা এই গুণ্ডাৰ দলে সততে এইবোৰ ঠাইত আতঙ্কৰ সৃষ্টি কৰে। ইপিনে কম মজুৰী পোৱা আৰু নিচাৰ মাজত বুৰ গৈ থকা হতাশাগ্ৰস্ত বনুৱাৰ বহুতেই ল'ৰা-তিৰোতাক মাৰপিট কৰে, হাটবজাৰত মাতলামি কৰি হাই-কাজিয়া কৰে। হাড়ভঙা খাটনিৰ অন্তত খন্তেকলৈ পৰিয়ালৰ মাজৰ শান্তিকণো তেওঁলোকৰ বেছি-ভাগৰে ভাগ্যত নুজুটে।

মনজুলি বাগিচা যেতিয়া চাহাব কোম্পানীৰ আছিল, তেতিয়া বাগিচাৰ ভিতৰত বৰকৈ হাই-কাজিয়া হোৱা নাছিল। অৱশ্যে

শেষৰ পিনে তেতিয়াৰ মেনেজাৰ মিঃ জন নিজেই ভাঙি পৰাত, দুৰন্ত দলে শনিবাৰৰ হপ্তাৰ সময়ত বাগিচাত সোমাই—বমুৱা-লাইন আদিত পিয়াপি দিয়াৰ চেনু উলিয়াই লৈছিল। তদুপৰি লাইনৰ মাজত দুই-এটা উত্তনুৱা মদাহীক দালাল হিচাপে লৈ বাগিচত্তৰ ছুক্‌ৰী ফুচুলোৱাৰ চেষ্টাও কৰিছিল। গুণ্ডাইতে ছুক্‌ৰী ফুচুলাই, ওচৰৰ চহৰ-নগৰলৈ চিনেমা চাৰ্কাচ দেখুৱাবলৈ নিয়ে আৰু হোটেল আদিত যোগান ধৰি পইচা সংগ্ৰহ কৰে।

যোৱা মহাসমৰৰ পিছত আটলাণ্টিক মহাসাগৰৰ বহু ঠাইত যুদ্ধৰ সময়ত পোতা মাইন আদিয়ে জাহাজ দুই এখন ধ্বংস কৰিছিল। দুৰ্ভাগ্যবশতঃ মনজুৰি বাগিচাৰ মেনেজাৰৰ পৰিয়ালটো যোৱা জ হাজখনো এটা সক্ৰিয়া তেনে বিপদত পৰে আৰু এটা আঘাততে মিঃ জনৰ সংসাৰ শেষ হৈ যায়। মিঃছুহু জনৰ মৰমৰ কুকুৰটো মাত্ৰ পৰিয়ালৰ স্মৃতিৰূপে বাগিচাত ৰৈ যায়। মিঃ জনে তেতিয়াৰ-পৰা মানসিক ভাৰসাম্য ঠিক কৰিব পৰা নাই। বাহিৰত স্থিৰভাৱে থাকিলেও আৰু দিনৰ দিনটো নিষ্ঠাৰে কাম কৰিলেও, সক্ৰিয়া হ'লেই তেওঁ অৱশ হৈ পৰে। মিছুহু জনৰ প্ৰিয় কুকুৰটো—টমক ওচৰত লৈ, মদ খাই মাজ নিশালৈ অকলে মন মাৰি থাকে। টোপনি আহিলেও সাগৰৰ ঘোৰ উত্তাল গৰ্জনে যেন অৱচেতন মনটো খুন্দিয়াই মোহাৰি পেলায়।

বাগিচাখন শ্ৰীউত্তম বৰুৱাই কিনাৰ পিছতো আন বহুতো ইউৰোপীয়ান মেনেজাৰৰ দৰে মিঃ জন গুচি যাবলৈ ইচ্ছা নকৰিলে। যাবই বা কলৈ? ইংলেণ্ডলৈয়ে হওক বা আফ্ৰিকাৰ বাগিচালৈয়ে হওক—গৈ কি কৰিব? পৰিয়ালৰ কেউ-কিছু নোহোৱা, অকলশৰীয়া জীৱনটো অসমৰ মাটিত কটাই দিয়াৰ ইচ্ছা—তেওঁ শ্ৰীবৰুৱাক কৈছিল। বৰুৱায়ো এজন নিষ্ঠাবান, অভিজ্ঞ মেনেজাৰৰ হাতত নতুনকৈ কিনা বাগিচাখনৰ দায়িত্ব এৰি দিবলৈ পাই ভালেই পাইছিল।

আজিলৈকে যাঠিবছৰীয়া মিঃ জনে মনজুৰিৰ ফেক্টৰী, চাহখেতি সকলো নিজ নিয়াৰিকৈ পৰিচালনা কৰি আহিছে। মাত্ৰ সন্ধিয়াৰ পিছত গুৰে নিশা—তেওঁ নিজকে লৈ অস্বাভাৱিক মানসিক অৱস্থা

এটাত সময় কটায়। আৰু সেই দুৰ্বলতাৰ সুবিধা লৈয়েই, চোৰাং কাৰবাৰী, দালাল, গুণ্ডাইঁতে—শ্ৰীবৰুৱা বাগিচাত নথকাৰ উমান লৈ নিশা বনুৱা লাইনত হাই কাজিয়াৰ সৃষ্টি কৰে।

সেই নিশাও লখীয়াইঁতক মাৰধৰ কৰা লাহু গুণ্ডাইঁতে শ্ৰীবৰুৱা নথকা গম পাই—বাগিচাত সোমাইছিলহি। ৭ নম্বৰ লাইনৰ লখীয়াৰ গাভৰু ঘৈণীয়েকক জোৰকৈ ধৰি নিবলৈ চেষ্টা কৰিছিল। লখীয়া মদখাই বেহুচ আছিল যদিও, কিন্তু এটা মুহূৰ্তত সি গম পাই 'হাল্লা' লগালে। লাইনৰ মানুহ আহিল। দালাল আৰু গুণ্ডাইঁতে লখীয়াইহে মদ খাই ঘৈণীয়েকক মাৰি পেলাব খোজা বুলি কৈ, তাক মাৰধৰ কৰি পলাই গ'ল। বাতিয়েই ডাক্তৰ গগৈয়ে লখীয়াৰ মূৰত বেণ্ডেজ বান্ধি দি আহিছিল। এতিয়া তৈ খা-খবৰ কৰি শ্ৰীবৰুৱাৰ তালৈ আহিছে।

●

শ্ৰীবৰুৱাই অলপ কিন্তু যাই নেলি ডাক্তৰ গগৈৰ লগত মেনেজাৰক ফোন ধৰি থানাত খবৰ দিবলৈ ওলাই গ'ল। মমতা লাইব্ৰেৰীত বহি গ'ল। ফুলমণিয়ে চুচুকচামাককৈ মমতাৰ কাষ চাপিল।

ফুলমণিলে মমতাই চাই আৰু সুধিলে,

ঃ কি হ'ল ?

ঃ দিদি, মালিক কৈছে নাকি ?

ঃ কি ?

ঃ সেইযে চিকাৰৰ কথা। হৰিণ না মানুহটো

ঃ দুৎ, এইজনী !—মমতাই অৰ্গেনত প্ৰেমেৰে গীত বজায়।

ঃ মই শুনি আছিলু না ? জোৱান একটাৰ কথা কৰিছে। তাকে আনাৰ কথা—

ঃ হয় নেকি ?—আনমনাভাৱে অৰ্গেনত হাত বুলাই বুলাই মমতাই সঁহাৰি জনায়।

ঃ তাৰ মানে দিদিৰ মনৰ মানুহ—তেতিয়াও মমতাই ফুলমণিৰ কথালৈ কাণ দিয়া নাছিল। ফুলমণিয়ে ঝুমুৰৰ গীত এটি জুৰিলে—

'শিশিৰেকি ফুটে ফুল
বিনা বৰিষণে
বচনে কি মানে মন
বিনা দৰিশনে ?'

এইবাৰ মমতাই অৰ্গেন এৰি থিয় দিলে, ক'লে : আচ্ছা; তাৰ-পাছে ফুলমণি—তোৰ চাদীৰ ইচ্ছা হৈছে। ঠিক আছে, মই মালী-ক'ইক ক'ম—।

: মোৰ নহয় দিদিৰ—দিদিৰ—হিঃ হিঃ হিঃ—হাঁহি হাঁহি দূৰলৈ আঁতৰি গৈ দুৱাৰমুখৰপৰা আকৌ সুৰ ধৰি গালে :

'ছুটে মটে নদীয়া
ধীৰে বহে পানীয়া
সখিৰে তেমন নয়না
বহে নহৰে।

কবে দেখা পাব শ্যামেৰে
দশা মোৰ কে বুঝিবে।'—

গীত গাই তাই গুচি গ'ল। মমতাক পঢ়াৰ সমস্ত তাই আৰু আমনি দিব নুখুজিলে। প্ৰাণ-চঞ্চল ফুলমণি পোৱালি হৰিণা এটাৰ দৰে ফুলনিৰ মাজে মাজে লৰিধ'পৰি সিফালে থকা সৰু ঘৰটোলৈ গ'ল। মমতাই তাই যোৱাৰ পিনে চাই থাকি, শেষত এটা তৃপ্তিৰ মিচিকিয়া হাঁহিৰে আকৌ অৰ্গেনটোতে বহিল। দ্ৰুত গতিৰে অৰ্গেনৰ বীডত আঙুলি বুলাই গীত এটি জুৰিলে :

সুৰলা সুৰৰ এটি গীতৰ দৰে
সুবাস ভৰা এটি ফুলৰ দৰে
এটি এটি ক্ষণ তোমাৰে মোৰে ॥

ফুলে ফুলে ভোমোৰাৰ
হেজাৰ নিশাৰ —
সাধ শেষ হোৱা নাই
নীড়মুখী পখী ডাকে—
নীলিমাৰ আঁচলত
বুটা বাছি বাছি যায়।

এটি মধুৰ সংগান হৈ
এটি গোপন হেপাহ লৈ
আশাৰ পখিলাজাক
মন ফুলনিত উৰে উৰে
এটি এটি ক্ষণ তোমাৰে মোৰে ।

●

: তোমা চন্দন, তুমি যদি বেয়া পোৱা—আকৌ উভতি আহিবা । চাহবাগিচাৰ সৰু সংজখনৰ পৰিবেশত মহানগৰৰ উত্তেজনা অন্ততঃ নোপোৱা। তদুপৰি মোৰ লাইব্ৰেৰীটোত তোমাৰ মনৰ খোৰাক কিছু হ'লেও পাবা ।

: যান্ত্ৰিক সভ্যতাৰ ফলত যি বিভিষীকাৰ সৃষ্টি হৈছে, তাৰ মাজত পঢ়া-শুনা, সাহিত্য-সংস্কৃতি—চন্দনৰ কথাষাৰ শেষ নৌহওঁতেই, বৰুৱাই পুনৰ কৈ গ'ল : ভুল কৰিছা চন্দন। সভ্যতা আৰু সংস্কৃতি স্থবিৰ জলাশয়ৰ দৰেও হব নোৱাৰে। বিজ্ঞানৰ প্ৰগতিৰ লগে লগে সাংস্কৃতিক মূল্যবোধ সলনি হৈ থকা পৰিস্থিতিৰ লগত খাপ খাই পৰে ।

: ঠিকেই, যান্ত্ৰিক সভ্যতাই, নতুন নতুন আৱিষ্কাৰে সংস্কৃতিৰ গতি ৰোধ নকৰে, শক্তিশালীহে কৰে ।—ডাক্তৰ গগৈয়ে বৰুৱাৰ কথাতে সহাৰি দিলে ।

এনেদৰে বহুপৰলৈ শ্ৰীউত্তম বৰুৱা আৰু ডাক্তৰ গগৈয়ে চন্দনক বুজালে । আগৰ এটা দেওবাৰেও কৈ থোৱামতেই শ্ৰীবৰুৱাই—চন্দনৰ বৃক্ষ-আবাসলৈ পুনৰ গৈছিল আৰু চন্দনক চাহবাগিচালৈ আহিবলৈ বুজনি দিছিল ।

দীঘলীয়া আলোচনাত নানাধৰণৰ যুক্তিতৰ্কৰ অৱতাৰণা হৈছিল । বিজ্ঞানৰ অৱদান আৰু সেই অৱদানৰ প্ৰয়োগৰ কথাৰ লগতে মানুহৰ চিন্তাধাৰাৰ আউল লগাৰ প্ৰশ্নও উঠিছিল । প্ৰতিটো আৱিষ্কাৰে সমাজৰ পুৰণি গাঁথনিত জোকাৰণি তোলে সঁচা । কিন্তু বিজ্ঞানেই হওক, সাহিত্যই হওক, ধৰ্মগ্ৰন্থই হওক, সকলোৰে ওপৰত

সেইবোৰৰ স্ৰষ্টা,—মানুহ। মানুহৰ সবল মনে এইবোৰক আয়ত্তলৈ আনি, নিয়ন্ত্ৰণ কৰি,—কল্যাণ কৰ্মত কিয় প্ৰয়োগ কৰিব নোৱাৰিব ? তাৰবাবে লাগে মনৰ শৃঙ্খলা,—ব্যক্তিগত জীৱনত—সমাজৰ জীৱনত।

কথাপ্ৰসঙ্গত এবাৰ চন্দনে কৈছিল যে প্ৰাচীনকালত নৰবলি দিয়া তাম্ৰেশ্বৰীৰ ভগ্নাৱশেষৰ মাজত অকলে ঘূৰি-পকিও তেওঁৰ ভয় নালাগে ; অথচ আজিৰ নগৰ-সভ্যতাৰ জনাৰণ্যৰ উত্তেজনাই তেওঁক বিচলিত কৰে—সন্ত্ৰস্ত কৰে। যুক্তি দি চাপে চন্দনে কৈছিল,

: কেচাইখাঁইতীলৈ বলি যাবলৈ আনন্দে তেতিয়াৰ ডেকাই এটা ধৰ্মীয় উদ্দেশ্যত জানি-শুনি আত্মাহুতি দিবলৈ সাজু হৈছিল। তেনে আত্মনিবেদনৰ কথা সুকীয়া। কিন্তু আজিৰ দৰে উদ্দেশ্যহীনভাৱে কব নোৱাৰাকৈ আত্মঘাতী হোৱাটোহে মই মানি লব পৰা নাই। তাকে আকৌ এচামে 'যুগধৰ্ম' বুলি চলাই দিব খোজে।

চন্দনৰ কথা মনোযোগেৰে শুনি থকা ডাক্তৰ গগৈয়ে বুজনি দি কৈছিল যে ধৰ্ম হ'ল শৃঙ্খলা আৰু মানৱীয় নীতিৰ বাহক। মানুহৰ কামনাৰ মাধ্যম হ'ল—অৰ্থ, সা-সম্পদ-স্বাচ্ছন্দ্য। নৈতিক শৃঙ্খলাৰ সৈতে খাপ খুৱাই ব্যক্তিয়ে সমাজত নিজ নিজ কৰ্তব্য কৰা উচিত। কৰ্মতহে মানুহৰ অধিকাৰ, ফলাফলত নহয়,—এই কথা স্পষ্ট-ভাৱে গীতাত উল্লেখ থকাৰ কথাও ডাক্তৰ গগৈয়ে সকিয়াই দিছিল।

: আনহাতে অকল কৰ্মশক্তিয়েই সকলো হব নোৱাৰে। জুই-শলাৰে জুই জলাবলৈ হ'লেও এখন হাতৰ আৰু এডাল কাঠিৰ আৱশ্যক। তোমাৰ ব্যক্তিসত্তাৰ স্ফুৰণৰ বাবেও তোমাৰ মাজৰ সম্ভাৱনাখিনিক বিকশিত কৰাৰ বাবে লাগিব—এহাতে তোমাৰ নিজৰ গতিশীলতা আৰু আগবঢ়াৰ সাহস ; আনহাতে সমাজখনৰ পট-ভূমি আৰু সমাজৰ দহজনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সহায়। —বৰুৱাই সেইখিনিতে কৈছিল।

আহত পক্ষীৰ দুৰ্বল কণ্ঠস্বৰৰ দৰে চন্দনৰ মুখত ফুটি উঠিছিল, অসহায়ভাৱে এষাৰ কথা : মই নহ'লেও পৃথিৱীৰ একো ক্ষতি নহয়। নহ'লে হয়তো ইমানদিনে মোৰ সন্ধান লবলৈ মা—

: মা নাই বুলি কৈছা নহয় ?

ঃ নহয় মানে আন কোনোবা—

ঃ কিয় ? আমি আছিছো। আজি তৃতীয়বাৰলৈ মই আহিছো। ডাক্তৰ গগৈ আহিছে। মমতাই বাৰে বাৰে তোমাক লৈ যোৱাৰ কথা কৈছে।—চোৱা চন্দন, তোমাৰ বাইশ বছৰীয়া জীৱনবগৰা আমি বহুতো আশা কৰো ; সমাজে বহুতো পাব পাৰে। তুমি আৰু আমাক বিমুখ নকৰিবা।

বৰুৱাৰ অনুনয়ৰ সুৰৰ কথাবাৰত চন্দনে কি কওঁ—নকওঁকৈ মাত্ৰ উচ্চাৰণ কৰিলে ঃ

ঃ মানে আজি দুবছৰে—

ঃ ঠিকেই দুবছৰে এই অৰণ্যজীৱনৰ অভিজ্ঞতা পালা। মই কৈছোৱেই নহয়—কিছুদিন চাবা। বেয়া পালে আকৌ ইয়ালৈ গুচি আহিবা। এতিয়া উঠা। ব'লা। অনুনয়-বিনয়ৰ ঠাইত বৰুৱাৰ কণ্ঠৰ মাজত যেন চন্দনে সেই সময়ত তাহানিৰ শিশু-কালৰ দেউতাকৰ মৰমমিহলি আদেশ শুনিলে।

এক্কো নকৈ, চন্দন উঠিল। এটা ছুটকেছত কিতাপ কিছুমান, কাপোৰ, মাক-দেউতাকৰ ফটো আদি ভৰালে। ডাক্তৰ গগৈ আৰু বৰুৱাই সহায় কৰি দিলে।

---আৰু এটা সময়ত বৃক্ষ-আবাসৰ দুৱাৰত এটা সাধাৰণ তলা লগাই, নামি আহিল তললৈ—তলৰ পৃথিৱীখনলৈ—চন্দন।

জীপ গৰজি উঠিল। বহুপৰলৈ কোনেও একো নোকোৱা অৱস্থাত ড্ৰাইভাৰে জীপ চলালে একা-বেঁকা, ওখ-চাপৰ বাটেৰে—নৈৰ পাৰেৰে, হাবিৰ মাজেৰে, শিৰীষ-পলাশৰ তলেৰে চাহ বাগিচাখনলৈ।

সোণাৰুৰ কেচাসোণ বৰণীয়া ফুলবোৰ। সোণ নে পৃথিৱীক আবৰিব খোজা হীনধীয়া বিতচকু বাৰু ?---

পলাশৰ ডালে ডালে থোপাথোপে ৰঙা ৰঙা ৰঙ। এয়া নিস্পেষণত নিগৰি পৰা তেজৰ বৰ্মি নে আহত-নিহত হৈও বিজয়ৰ যাত্ৰাপথ লোৱা সেনাদলৰ বাবে ৰক্তভিলক ?---

জীপ চলে।

মন লৈ, মন বিচাৰি—জীপ চলে।

মানুহক লৈ মানুহৰ মাজলৈ—যাত্ৰা আৰম্ভ হয়।

●

সন্ধিয়া নামিছে। সোণাৰু-পলাশৰ ডাল বাগৰি সূৰুযৰ শেষ ৰেঙনিবোৰে এন্ধাৰৰ আঁৰত লুকাব ধৰিছে। বনুৱা লাইনবোৰত ক'ৰবাত মাদল বাজিছে, ক'ৰবাত অসংযত কথাৰ টুকুৰাবোৰ, ক'ৰবাত আকৌ ঝুমুৰৰ গীতৰ টুকুৰা। শৃংখলা আৰু বিশৃংখলা; এন্ধাৰ পোহৰ মিলি সজাই তোলা সন্ধিয়াৰ দৰেই—এই হাঁহি-কান্দোন, মিঠা-কেঁহাৰ মিশ্ৰিত পৰিবেশ। চলি থকা জীপৰ আৰোহী-সকলৰ স্থবিৰ দেহৰ মাজত জীপখনৰ গতিতকৈ অধিক গতিশীল মনবোৰ উৰি যায় দূৰ দূৰলৈ।

এয়ে গতি। ইয়াৰ গতি জানো আছে? থাকিব জানো পাৰে?

●

: চন্দন, এয়া আমাৰ মনজুলি বাগিচা। সেয়া মেনেজাৰৰ জ'নৰ বাংলো। বেচেৰাই যোৱা মহাযুদ্ধৰ পিছত পৰিয়ালৰ সকলোকে সাগৰৰ 'মাইন্' দুৰ্ঘটনাত হেৰুৱালে। সেয়ে নিজ দেশলৈ নগৈ, ইয়াতে বৈ গ'ল। বৰ ভাল মানুহ। অসমীয়া সুন্দৰকৈ ক'ব পাৰে। তোমাৰ ভাল লাগিব।—বৰুৱাই নিৰৱতা ভাঙি কৈ যায়।

: ডাক্তৰ গগৈৰ ঘৰ সেয়া। ড্ৰাইভাৰ, গাড়ী ৰখোৱা। ডাক্তৰ, আপুনি তেন্তে নামক। কাইলৈ পুৱা আহিবচোন। মমতাকো আনিব।

বৰুৱাৰ কথা শেষ নৌহওঁতেই, ডাক্তৰে সমুখলৈ আঙুলিয়াই ক'লে: সেয়া মিঃ বৰুৱা, নাম লওঁতেই পালেহিয়েই।

: অ' হয়তো। মমতা! বেডমিণ্টন ৰেকেট লৈ ক'ৰ পৰা?

: খেলি আহিলো বৰদেউতা।

: জিকিলা নে হাৰিলা?

: জিকিলো। দুই গেম্।

: হেঃ হেঃ হেঃ তুমি হাৰিবানে? জিকিবাই। অ' ৰ'বা, চন্দন, এয়া ডাক্তৰ গগৈৰ ছোৱালী—মমতা।

: নমস্কাৰ। চন্দনে ভদ্ৰমুখেৰে হাতযোৰ কৰি ক'লে।

ঃ নমস্কাৰ ! মমতাই উত্তৰত ক'লে ।

ঃ চন্দন, মমতা তোমাৰ দৰেই কিতাপ বুলিলে পগলা। খেল-ধেমালিতো পাকৈত । গান-বাজনাতো—

ঃ আঃ বৰদেউতা, আপুনি সদায় মোৰ কথা বঢ়াই কয় ।

ঃ বাৰু বাৰু চন্দনে নিজেই গম পাব। হাঁহি হাঁহি ক'লে।

ঃ দিয়া আহক আকৌ আমাৰ ঘৰলৈ ।

ঃ নহয় মমতা । এতিয়া নহয়। গধূলি হ'ল । এওঁ প্ৰথম আহিছেহে ।

ঃ তেন্তে আহক । মমতাই হেঁহো-নেহোকৈ ক'লে ।

ঃ আহিব । কাইলৈৰপৰা আহি থাকিব । পিছে নতুন আলহীক পোনতে তুমিহে সোধাপোছ কৰিব লাগিব । কাইলৈ দেউতাৰাৰ লগত পুৱা আহিবাচোন। হেৰা নাপাবা দেই মমতা । ডাক্তৰ আহিলো। এন্ধাৰ হৈ আহিছে ।—বৰুৱাই ড্ৰাইভাৰক ক'লে,

ঃ ড্ৰাইভাৰ ব'লা ।

ঃ ডাক্তৰে ক'লে চন্দন, যাবো দেই। পুৱা লগ পাম ।

ঃ ভাল ।

ঃ নমস্কাৰ । কাইলৈ কিন্তু বৰদেউতা আহিব লাগিব, আমাৰ ঘৰলৈ ।

ঃ আহিম মমতা ! পিছে, অকল নহয় নে---?

ঃ দুয়ো ।—

ঃ বাৰু বাৰু । বৰুৱাৰ উচ্ছল হাঁহিৰ লগতে জীপৰ ষ্টাৰ্টৰ শব্দ মিহলি হৈ গ'ল । চন্দনে এবাৰ মুখ তুলি উভতি চালে। তেওঁলৈ চাই থকা মমতাৰ চকুজুৰিত চকু পৰিল । এপলক । মুহূৰ্ততে জীপৰ গতিয়ে আঁতৰাই নিলে দৃষ্টি-বিনিময়ৰ মুহূৰ্তটো ।

চন্দন যেন চমকি উঠিল । এইযুৰি চকু । মাক উমাৰ চকু-যুৰি আৰু কলিকতাত এৰি অহা গলিৰ সমুখৰ ছোৱালীজনীৰ চকুযুৰি !--- এয়া মমতা । মমতাৰ মাজতে জানো লুকাই থাকিব নোৱাৰে এগৰাকী মাতৃৰ স্নেহ, এজনী গলিৰ সিপাৰৰ অচিনাকি নাৰীৰ মোহনীয় আকৰ্ষণ ? নিশ্চয় পাৰে ।--- কিন্তু মমতাৰ

চকুজুৰিতো মাকৰ স্নেহসিক্ত ককণ চকুজুৰিৰ দৰে নহয়!---
---মমতাৰ চকুজুৰিয়েতো কলিকতাৰ গলিৰ সিপাৰৰ ছোৱালীজনীৰ চকুজুৰিত থকা লালসাৰ ইংগিত দিয়া ধৰণৰো নহয়! --- অথচ এইজুৰি চকুত—এটা মোহনময় স্বপ্ন, এটা স্নেহময় আকৰ্ষণ আছে। সে এইজুৰি চকুৰ মাজতে মাক উনা, অচিনা গলিৰ সিপাৰৰ গাভৰু আৰু অবিকৃত পৃথিৱীৰ মোহৰ আহ্বান জনোৱা নাৰীৰ অন্তৰৰ প্ৰকাশ একেলগে বিচাৰি পাব নোৱাৰি ??

কিমান নাৰীৰ সান্নিধ্যই বা পাইছে চন্দনে,—এই বাইশটা বছৰত? মাক, মাকৰ বান্ধৱী দুই এগৰাকী, কলেজৰ সহপাঠিনী দুই চাৰিগৰাকী, অৰণ্যবাসৰ পৰা জীৱিকাৰ সন্ধানত ফুৰোতে লগ পোৱা কামকৰি খোৱা বিভিন্ন বয়সৰ তিৰোতা কিছুমান। আৰু অৱশেষত অপাৰ সম্ভাৱনা লৈ আজি ওচৰ চাপি আহিছে এজনী অচিনাকী ছোৱালী,—মমতা যাৰ নাম। মমতা। মুমতা। নামটোৱে যেন চন্দনৰ কাণত ধ্বনিত হৈ উঠিল।

এটা জোকাৰণিৰে বৈ যোৱা জীপখন তেতিয়া বাগিচাৰ মালিক শ্ৰীউত্তম বৰুৱাৰ বিৰাট বাংলোৰ গাড়ী-বাৰাণ্ডাত ব'লহি।

●

এদিন দুদিনকৈ এসপ্তাহ পাৰ হ'ল। চন্দনৰ থকা-মিলা, পঢ়া-শুনা, পিন্ধা-উৰা, ফুৰা-চকা—সকলো বিষয়তে বৰুৱাই নিজে চকু দিলে। বাগানলৈ অহাৰ পিছদিনা পুৱাই ডাক্তৰ গগৈ আৰু মমতা আহিছিল। ডাক্তৰ গগৈ নিতৌ পুৱা আহে, চন্দনৰ লগত কথা পাতে, তাৰ পিছতহে হস্পিতেললৈ যায়। এদিন চন্দনকো লৈ গৈ তেওঁ হস্পিতেলখন দেখুৱালে। আনহাতে মমতাই আবেলি পঢ়িবলৈ আহে, চন্দনৰ লগত দুই এখন কিতাপৰ বিষয়ে আলোচনা কৰে। বৰুৱাই চন্দনক ডাক্তৰ গগৈৰ ঘৰলৈকো পঠিয়াইছিল। মমতাৰ মাকে মৰম-চেনেহ কৰিছিল; কিন্তু চন্দনে তেওঁৰ লগত বিশেষ কথা-বতৰা পতা নাছিল। কিবা সুধিলে, উত্তৰহে দি গৈছিল।

লাহে লাহে মমতাৰ লগত চন্দন সহজ হৈ আহিল। মমতাই বৰুৱাৰ নিৰ্দেশমতে মনজুলি বাগিচাৰ বনুৱা লাইন আৰু ওচৰৰ

ৰাতিবোৰ চন্দনক দেখুৱালে। বাগানৰ ওচৰৰ সৰু-বৰ টিলাবোৰ, খৰস্ৰোতা জান-জুৰিবোৰ আৰু সপ্তাহৰ মূৰে মূৰে বহা হাট-বজাৰবোৰ চাই ফুৰিছিল তেওঁলোকে। লগত থাকে ফুলমণি, মমতাৰ লগৰী, বৰুৱাৰ বাংলোৰ মংৰা মালীৰ বাংচোমী ছোৱালীজনী। মমতাতকৈ বয়সত সৰু, গাভৰু ফুলমণিৰ উচ্ছল প্ৰাণ, আৰু হাঁহি-ভৰা মুখে—সকলো সময়তে পৰিবেশ সৰস কৰি তোলে। গহীন লাজুক ডেকা চন্দন, মৃদু হাঁহিৰে মোহময়ী মমতা আৰু চঞ্চলা-চপলা ফুলমণি। মনজুলি বাগিচাৰ মে' মাহৰ সজীৱ পাতৰ থোপাৰে ভৰা শাৰী শাৰী চাহ'গছ, তাৰ মাজে মাজে ছাঁ দি থকা শিৰীষৰ জানি, মেচিনৰ দৰে 'এটি কলি দুটি পাত' বুটলি থকা বনুৱা তিৰোতাজাক, কোৰ মাৰি ঘাঁহনিজাংনি ভাগৰি নপৰা বনুৱাৰ দল, কেন্টৰীৰ বৈ বৈ বাজি উঠা হুইচ মাত, আৰু এজাৰ ফালি নিগৰি অহা কৰ্মক্লান্ত অথচ চিৰ-উচ্ছল কণ্ঠৰ গীতৰ টুকুৰাবোৰ। এনে এটা মধুৰ-গধুৰ পৰিবেশৰ মাজত লাইব্ৰেৰীৰ কিতাপৰ আলোচনা, দুটি এটি গীতৰ মূৰ্ছনা। মনজুলি বাগিচাত মন যোগাবলৈ ইয়াতকৈ বেছি হয়তো নাই। বেছি হয়তো নালাগেও। যাক লাগে, তেওঁ এই পৰিবেশলৈ নাহে—বা আহিলেও আঁতৰি যায়। যি এনে পৰিবেশ ভাল পায় বা জীৱিকাৰ তাড়ণাত মানি লব লগা হয়, তেওঁ আদৰি লয়।

কিন্তু মনজুলি আৰু মনজুলিৰ দৰে শ শ চাহ বাগিচাৰ মাজত জীৱন কটোৱা সকলো মানুহৰে বাবে দিনবোৰ, ৰাতিবোৰ একে নহয়। বনুৱাৰ লাইনত, বাবুসকলৰ চুবুৰীত, মেনেজাৰ, সহকাৰী মেনেজাৰৰ বাংলোত, মালিকৰ মহলত—ভিন ভিন ধৰণে দিনবোৰ পাৰ হয়, নিশাবোৰ পাৰ হয়। ৰাতিৰ তপস্যাই দিন অনাৰ আশা লৈ প্ৰত্যেকেই নিজৰ নিজৰ বৃত্তত বিচৰণ কৰে, আশাৰ ভেটকাত্ বহণ হুটিয়ায় আৰু পোৱা-নোপোৱাৰ হাঁহি-তামচাৰ, সুখ-বেদনাৰ হিচাপ-নিকাচ কৰে বা নকৰে। এয়ে জীৱন। বিভিন্ন পৰিবেশত, পৃথিৱীৰ বিভিন্ন জনৰ বাবেও এনে এৰেকোটা বৃত্তৰ পৰিধিয়েইতো জীৱনক ঘেৰি ৰাখে। বন্দীত্ব নহয় এয়া, অথচ নিৰুপায় পৰিক্ৰমা।

চন্দনো ক্ৰমে এনে এটা নতুন আবেষ্টনীত সোমাই পৰিল। বৰুৱাৰ পিতৃসুলভ ব্যৱহাৰ, ডাক্তৰ গগৈৰ উপদেশ, মেনেজাৰ জ'নৰ উৎসাহ-উদ্দীপনা, মমতাৰ সাহচৰ্য্য আৰু মালী, চকীদাৰ, বেয়াৰা ফুলমণিহঁতৰ সাদৰ যত্নৰ মাজত চন্দনৰ মন সাময়িকভাৱে হ'লেও যেন মনজুলিয়ে জয় কৰিলে।

●

এসপ্তাহ পিছত

মনজুলি বাগিচাৰ মালিক শ্ৰীউত্তম বৰুৱা 'টি ব'ৰ্ডৰ মিটিংত যোগ দিবলৈ কলিকতালৈ যাবলৈ ওলাইছে। মেনেজাৰ মিঃ জ'নক মাতি আনি বৰুৱাই কথা পাতিছে,—বিশেষকৈ বনুৱা কল্যাণৰ কথা, লালু ওভাৰ দলে চলাই থকা উৎপাতৰ কথা আৰু চন্দনক বাগিছাৰ কামত লগোৱাৰ কথা। মিঃ জনে কৈছিল যে চন্দনে ইতিমধ্যে ফেক্টৰীৰ কামত মনোযোগ দিছে।

: মমতাই চন্দনক বনুৱা বস্তি, হাট-বজাৰ আৰু আগৰ বনুৱা কল্যাণৰ কামবোৰৰ লগতো চিনাকি কৰি দিছে।

বৰুৱাৰ কথাত সঁহাৰি জনাই মিঃ জনে কৈছিল : She is very smart মমতাই কি কয় জানে—Mr. Barua You have bagged the greatest 'Shiker' of your life.

: হোঃ হোঃ হোঃ Is it so ? বৰুৱাই উচ্চস্বৰে হাঁহিলে।—ব'বা চন্দনক মাতো,

ফুলমণিক অলপ দূৰত দেখি, বৰুৱাই ক'লে : ফুলমণি, নতুন চাহাবক মতা বুলি ক। মিঃ জ'ন—কলিকতাত মই কিছুদিন থাকিব লাগিব। গুৱাহাটীতো কাম আছে। আপুনি চন্দনক ফেক্টৰীৰ কাম-কাজ ভালদৰে শিকাব।

এনেতে চন্দন কাষ চাপি আহিল। সৌজন্য বিনিময়ৰ অন্তত মিঃ জ'নে ক'লেঃ হেল্লো ইয়ংমেন, আপোনাৰ ভাল লাগিছেনে ইয়াত ?

চন্দনে হেহো-নেহোকৈ কিবা কোৱাৰ আগতে মিঃ জ'নে আকৌ কৈ গ'ল,

: লাহে লাহে আৰু ভাল লাগিব।

বৰুৱাই কথাৰ আঁত সলনি কৰি চন্দনক ক'লে ঃ মই কিছুদিন বাহিৰত থাকিম। তুমি মিঃ জনৰ লগত বাগিচাৰ কাম চাবা। কিবা অসুবিধা পালে কবা। ডাক্তৰ গগৈও আছে। মমতাকো কৈছো। বেয়াৰা, মংৰা মালী, ফুলমণিহঁত থাকিবই। মোৰ জীপখন তুমি ব্যৱহাৰ কৰিবা; ড্ৰাইভাৰক ক'লেই হব।

মিঃ জ'ন আৰু চন্দনে বৰুৱাক এৰোড্ৰ'মত থৈ গ'লহি। এঃৰোপ্লেন উৰিল গুৱাহাটী হৈ কলিকতা অভিমুখে। চন্দনৰ মনৰ কোনোবাখিনি কিয় জানো খন্তেকলৈ হাহাকাৰ কৰি উঠিল। পিছ মুহূৰ্ততে মিঃ জ'নৰ মাতত আত্মপ্ৰতিস্থ হৈ জীপত উঠি মনজুলি বাগিচালৈ উভতি আহিল। চন্দনৰ দেহ আৰু মনৰ গতি ধাবমান হ'ল দুটা বিপৰীত পথত;—আকাশমাৰ্গেৰে মন উৰি গ'ল দুবছৰ আগতে এৰি অহা এটা পৰিবেশলৈ আৰু ধূলিধূসৰিত পথেৰে দেহটো যেন চোচোৰাই লৈ আহিল জীপখনে আন এটা পৰিস্থিতিলৈ। দুয়োটা সত্য, দুয়োটা বাস্তৱ, অথচ কিমান বিপৰীত!

●

মমতাক মাকে চন্দনৰ কথা প্ৰায়েই সোধে। সিদিনাও আবেলি বৰুৱাৰ লাইব্ৰেৰীলৈ যোৱাৰ আগতে মাকে সুধিছিল ঃ চন্দনৰ মন বহিছেনে ইয়াত?

ঃ মা, চন্দন লাহে লাহে সমাজমুখী হৈছে। মিঃ জনে বাগিচাৰ কামত মন বহুৱাব পাৰিছে। ৰাতিপুৱাৰ পৰাই ষাঠি বছৰীয়া মিঃ জনে যি নিষ্ঠাৰে কাম কৰে, সেয়া দেখি তেওঁ হেনো অভিভূত হৈছে। মোক কৈছে যে মানুহজনে কাম কৰিহে আনন্দ পায়। ব্যস্ততাৰ মাজত যেন দুগুণে উৎসাহিত হৈ পৰে।

ঃ সেইটোতো হয়েই। অকল ৰাতি হ'লেহে, অকলশৰে মদ খাই কটায়, টোপনি নাহে বুলিবই পাৰি। দেউতাৰাই কৈছে,—আজি কিছুদিনৰ পৰা হেনো একেবাৰে শুব পৰা নাই। মাকে হুমুনিয়াহ পেলাই কয়।

মাকৰ পৰা বিদায় লৈ মমতা বৰুৱাৰ বাংলোলৈ যায়। মমতালৈ আপেক্ষা কৰি থকা ফুলমণিয়ে দৌৰি আহি গেটখন খুলি দিয়ে।

ঃ দিদি, আজি দেৰী হ'ল নেকি ?

ঃ নাই, মাৰ লগত কথা পাতোঁতে অলপ পলম হ'ল। কিন্তু কোনোবাই খবৰ কৰিছিলনেকি ?

ঃ হিঃ হিঃ হিঃ দিদি, কোনোবাতো একটাই। —বুলি কৈ খিল-খিলাই হাঁহি তাই দৌৰি বাংলাত উঠিলগৈ।

ঃ দেখিছ, এইজনীক ? কথাই কথ'ই ঠাট্টা। ৰ'চোন, মাজী-কাইক কৈ তোৰ শাদী ঠিক কৰি দিম।

ঃ আগতে দিদিৰ। হিঃ হিঃ হিঃ !

মমতাই কৃত্রিম ক্রোধেৰে যেন ফুলমণিক খেদি গ'ল। ইতিমধ্যে ফুলমণিয়ে বাবাণ্ডা পাই পাছফালেদি ভিৰাই লৰ মাৰিলে। মমতাই মুখত এটা মৃদু হাঁহি লৈ লাইব্রেৰী কোঠাটোলৈ সোমাল।

কিছুপৰ পিছত দৌৰি ফোপাই আহি ফুলমণিয়ে লাইব্রেৰী কোঠাত সোমাই কৰ্বুলৈ ধৰিলে ঃ মমতা দিদি। মই খবৰ ললো। মেনেজাৰ জ'ন চাহাবে নাকি নয়া চ'হাবক নিজৰ বাংলাত লৈ গৈছে। সেই কাৰণ দেৰী হৈছে। —হিঃ হিঃ হিঃ আজি বেড়াব যাবি কি ৰকম ? ওহ হোহো বৰ দুখ লাগে না। ঠাট্টাৰ সুৰেৰে তাই কৈ যায়।

ঃ কি কয় অ' এইজনীয়ে ?

ঃ ঠিকেই কৈছো দিদি। তোমাৰ দিলৰ কথা।

ঃ তইহে দিনে ৰাতি লাগি থাক---

ঃ ছিঃ ছিঃ বামণ হৈ কি চাঁদ ছোওৱা যায় ?—জিভাত কামুৰি ফুলমণিয়ে কয়।

ঃ বাওনা হৈ চন্দ্ৰক চুব নোৱাৰিলেও, চোৱাতো যায়। —মমতাই কয়।

ঃ আচ্ছা, তাৰমানে তোমাৰ হিংসা হৈছে ?—যেন মুখ ওফোন্দাই অভিমানহে কৰে ফুলমণিয়ে।

মমতাই হাঁহি মাৰি, কিতাপখন জপাই থৈ, ফুলমণিক বেণীত ধৰি লাহেকৈ জোকাৰি দি কয় ঃ দুৎ ফুলমণি, ধেমালিহে কৰিছো। ৰচোন ৰাক, তোৰ নতুন চাহাবে পধুলি ফুৰিচাকি আহি,—মই খোৱাৰ খিছত কি কৰে ?

: মই কি ৰকম জানিছ ? গফুৰ বেছেৰাই কৈছে বহুত ৰাতিলৈ কিতাপ পঢ়ি থাকে। মাজে মাজে আকাশ দেখি ভাবি থাকে । আচ্ছা দিদি, সুধিবাচোন তেওঁৰ সিনত কিবা চোট্ আছে নাকি ?

ফুলমণিৰ সৰল কথাষাৰিৰ উত্তৰত মমতাই তপৰাই মাত লগায় : মোৰ কি দৰ্কাৰ ? মন গৈছে,—তই সুধিবি।

: বাপৰে, কি কৈছা দিদি।

এনেতে জীপৰ হৰ্ণ শুনা যায়। অ' নতুন চাহাব আহিল। মই যাওঁ। ফুলমণিয়ে কয়।

: তই কিয় যাব ? বহচোন। মমতাই কয়।

: নাই, নাই, মোৰ কাম আছে। চাহাব অহা খবৰ দিম গফুৰ ককাক।—চকু টিপিয়াই দুষ্টামিৰ হাঁহিৰে তাই ওলাই যায়।

এখন কিতাপ টানিলৈ মমতা যেন ব্যস্ত হৈ পৰে।

: 'বিয়েলী ছবী' মমতা, পলম হৈ গ'ল। মিঃ জনে লৈ গ'ল। চন্দনে সোমাই চকী এখনত ভাগৰি পৰাৰদৰে বহি ক'লে,—তুমি নিশ্চয় 'বোৰ' হৈছা ?

: নাই হোৱা। গান্ধীজীৰ প্ৰবন্ধ এটা পঢ়ি ভাল লাগিছে। কৰ্ম-যোগৰ বিষয়ে।

: কথা হ'ল কি জানা মমতা ? মিঃ জনে ভালদৰেই কথা পাতি আছিল। মোক কফিও খুৱালে। বাগিচাৰ কেনেকৈ উন্নতি কৰিব পাৰি, বুজালে। তেওঁ অৱশ্যে ইতিমধ্যে কেইপেগমান হুইস্কি শেষ কৰিছিল। হঠাতে কিয় জানো উত্তেজিত হৈ উঠিল। গোটেই মানুহটো ঘামি-জামি অস্থিৰ হৈ পৰিল।—চন্দন থিয় হ'ল।

: তেনেকুৱাই হয়। চন্দন তুমি হাতমুখ ধুই কিবা খাই লোৱাচোন। মমতাই ক'লে।

: খাবলৈ ইচ্ছা যোৱা নাই মমতা। শুনাচোন। মিঃ জনে দুৱাৰ খিৰিকীলৈ আঙুলিয়াই চিঞৰি উঠিল—'ইয়ংমেন, ছাট্ দ্যা

জোৰ। দৰ্জা-খিৰিকী বন্ধ কৰা। মই কি কৰো-নকৰোকৈ সুধিলো—তেওঁৰ ঠাণ্ডা লাগিছেনেকি? আৰু বেছি উত্তেজিত হৈ তেওঁ কৈছিল—'নো নো, ঠাণ্ডা লগা নাই। শুনা নাই বাহিৰত 'শব্দ'?' তেওঁৰ কথাত মই আচৰিত হ'লো। তেতিয়াতো বাহিৰত জিলিৰ মাতৰ বাহিৰে একো শব্দ হোৱা নাছিল। মোৰ মুখেৰে ওলাল,—শব্দ? ক'তা? ---

তেওঁ নিজে উঠিগৈ খিৰিকী জপাবলৈ চেষ্টা কৰিলে। ময়ো তেওঁক সহায় কৰিবলৈ উঠি গ'লো। 'সেয়া,—চাইৰেণ বাজিছে। বোম পৰিছে' বুলি তেওঁ কৈ থাকিল।

মই বুজিলো, মিঃ জনৰ মগজুৰ বিকাৰ ঘটিছে। নিৰুপায় হৈ দুৱাৰখনৰ ওচৰলৈ আহি 'বেহৰাক মাতিব খুজিলো। লগে লগে তেওঁ দুগুণ জোৰেৰে চিঞৰি উঠিল—'আই ছে, ছাট্ দ্যা ডোৰ্'। মই দুৱাৰখন জপাই, ওচৰতে থিয় হৈ ৰ'লো। প্ৰতি মুহূৰ্ততে কিবা বিপদৰ আশঙ্কাই মোক অস্থিৰ কৰি তুলিলে।---

মমতাই উঠিগৈ চন্দনক হাতত ধৰি বহিবলৈ ক'লে,

: এনেকৈ মাজে সময়ে নিশা মিঃ জনে মদ খাই আন এখন মহাযুদ্ধৰ সন্ত্ৰাসৰ হাহাকাৰ কৰা কথা আমি জানো। বেহৰা—মালীহঁত অভ্যস্ত কাৰণে, চাহাবে চিঞৰ-বাখৰ কৰিলেও সাধাৰণতে হুলস্থূল নলগায়। তোমাকতো কৈছোৱেই চন্দন, যোৱা মহাসমৰৰ পিছত সাগৰত পুতি থোৱা মাইনত লাগি ধ্বংস হোৱা জাহাজৰ লগতে তেওঁৰ পৰিয়ালটো নিশ্চিহ্ন হ'ল। সেয়ে মিঃ জনে যুদ্ধৰ আতঙ্কত তেনেখন কৰে।

মমতাৰ কথাত সঁহাৰি দি চন্দনে কৈ গ'ল: ঠিকেই কৈছা। যেতিয়া দুৱাৰখনত ভেজা দি মই থিয় হলো, ক্লান্তভাৱে মিঃ জন এখন ছোফাত বহি পৰিল আৰু বিৰবিৰাই বহু কথা কৈ গ'ল। এবাৰ মোলৈ চাই ক'লে—ইয়ংমেন, মানুহে মানুহক মাৰিবলৈ কিমান অস্ত্ৰ সাজিছে জানা? শেষত জীয়াই থাকিব মাত্ৰ কিছুমান 'কেভমেন'—গুহাবাসী। অন্য চব মৰিব। চব নগৰ-চহৰ ধ্বংস হ'ব। বিজ্ঞান? বিজ্ঞানীৰ দলে মানৱ জাতিক পঙ্গু কৰিব, আৰু

কৰিব, হত্যা কৰিব। যদি এটম্ বোম্, নাইট্ৰোজেন বোম্, হাইড্ৰোজেন বোম্‌বোৰ একেলগে ফাটে, যদি ৰকেট-টৰ্পেড়ো আৰু মাইন্—'

বুজিছা মমতা 'মাইন' শব্দটো কৈয়েই মিঃ জনে কপালত হাত থৈ হোফাখনত মুৰটো লগাই উচুপি উঠিল।

ঃ নিশ্চয় মাইনত পৰিয়ালটো ধ্বংস হোৱাৰ কথা মনত পৰিছিল। মাত্ৰ মিছেছ জনৰ নৰমৰ কুকুৰটো টম্ থাকি গ'ল। আৰু টমক লৈয়েই মিঃ জন জীয়াই আছে।

ঃ হয় মমতা অলপ সময় উচুপি থকাৰ পিছতে মিঃ জনে চিঞৰি কৈছিল 'ওহ্ নো, হোৱেৰ ইজ্ মাই টম্? মোৰ টম্ ক'ত? টম্, টম্।'—মই ভেজা দি ধৰা দুৱাৰখন হেচুকি টম্ সোমাই আহিল। টমক বুকুত সাবটি লৈ মানুহজন উদাস হৈ পৰিল। অস্থিৰ মানুহজনে টমক সাবটি অৱশ হৈ ছোফাত পৰি ৰ'ল। টমে হাত জৰি চেলেকি থকাৰ পৰতে, বেয়াৰাই মোক বাহিৰলৈ মাতি নি ক'লে যে, চাহাবৰ মাজে মাজে এনেকুৱা হয়, অলপ পিছতে সুস্থ হব।

তথাপি বেয়ৰা আৰু মালীক সাবধানে থাকিবলৈ কৈ, মই সেই চেগতে ওলাই আহিলো।—কথাখিনি কৈ চন্দনেও যেন ভীষণভাৱে ক্লান্তি অনুভৱ কৰি চকীখনত আওজি বহিলে।

মমতাই ধীৰে ধীৰে কৈ গ'ল—

ঃ এই মানুহজন। কাইলৈ পুনৰ দেখিবা—আকৌ সুস্থভাৱে কাম-জ বিলৈ যাব, ফেক্টৰীত, লাইনত—মানুহৰ মাজত আপোন পাহৰি থাকিব। নিঠাৰে কাম কৰি যাব। অথচ নিশা কৰ্মহীন অৱস্থাত, অকলশৰীয়া পৰত মদ খাই, নিদ্ৰাহীন হৈ, যেন এটা হাঁহাকাৰৰ মাজত অস্থিৰ হৈ পৰে। আচলতে চন্দন, অকলশৰীয়া মন বা পৰিবেশ মানুহক অস্থিৰ কৰি তুলিব পাৰে। সমাজ জীৱনত—মানুহৰ মাজত আৰু কৰ্মৰত অৱস্থাতহে মানুহ সুখী হব পাৰে। তুমি অহাৰ আগতে মই পঢ়ি থকা গান্ধীজীৰ কৰ্মযোগৰ প্ৰবন্ধটোতো তাকেই লিখিছে।—মমতাই ক'লে।

ঃ হয়নেকি?—অলপ উদাসভাৱেই চন্দনৰ মুখৰপৰা ওলাল।

আনহাতে উৎসাহেৰে যেন মমতাই চন্দনৰ মন জীপাল কৰি তুলিবলৈ কৈ গ'ল—

: গান্ধীজীয়ে কৈছে—God is the strength of the weak. তেওঁ অকল দৈহিক বা মানসিক দিশৰ দুৰ্বলতাৰ কথাকে কোৱা নাই,—লগতে Weak in means and materialsৰ কথাও বুজাইছে। অন্তাৰ-জনাটনৰ বাবে দুৰ্বল হোৱা দুখীয়া শ্ৰেণীৰ কথা কৈছে। এইযে তুমি নই পাৰ হ'ল কমীবোৰে বনুৱা বস্তিবোৰ চাই ফুৰো,——বনুৱা-বোৰক দেখিছা নহয়,—ইমান কৰ্মী অথচ ইমান দৰিদ্ৰ! সিহঁতৰ জীৱনত দাৰিদ্ৰৰ সংঘাত ইমান, বৈচিত্ৰ্যও সিমানেই। এইসকল নিৰ্বলীৰ সহায় ঈশ্বৰ।——মমতাৰ কথাৰ মাজতে চন্দনে প্ৰশ্ন তোলে,

: সিহঁত সকল ঈশ্বৰক ধিয়াই থাকিলেইতো নহয়। নিজেও চেষ্টা কৰিব লাগিব।

: Exactly, সেয়ে কথা। আনহাতে যিসকলে সমাজৰ সুবিধা ভোগ কৰি আছে, তেওঁলোকেও পিছপৰাসকলৰ কল্যাণৰ কাম কৰিব লাগিব। ত্যাগৰ আনন্দ তাতেই। অৱশ্যে অতিৰিক্ত-খিনি ত্যাগ কৰাৰ উপৰি, নিজৰ আৱশ্যকখিনিৰ অংশও এৰি আনৰ উপকাৰ কৰাৰ মানসিকতা লাগে। ——মমতাই কয়।

: মাদাৰ টেৰেছাৰ ত্যাগৰ আদৰ্শৰ কথাকে নিশ্চয় উনুকিয়াব খুজিছা?

: ঠিকেই চন্দন। অলপ মৰম আৰু অলপ হাঁহিমুখৰ সম্ভাষণ পালেই মুমূৰ্ষজনেও শান্তিৰে মৃত্যুবৰণ কৰিব পাৰে। আমাৰ বস্তিৰ বনুৱাবোৰ, ওচৰৰ পথাৰৰ খেতিয়কবোৰ—এইবোৰৰ মাজত কাম কৰি তুমি এইসকলক ভাল পাব পাৰিবা। তেতিয়া নিজকো ভাল পাবা আৰু মানুহৰ সমাজখনকো।

: মিঃ জনেও দিনৰ কৰ্মব্যস্ততাত এই ভালপোৱাৰ সোৱাদ পায় নিশ্চয়।

: কিন্তু তেওঁ মানসিক ভাৰসাম্য হেৰুৱায় নিশাৰ নিৰ্জনতাত। একেবাৰে অৰণ্যত নিঃসঙ্গ হৈ মানুহক আৰু জগতে নিজকো ভাল পাব নোৱাৰি। মানুহৰ মাজতহে সুখ-শান্তি বিচাৰি পোৱা যায়।

: মমতা, তুমি নিশ্চয় মোৰ অৰণ্যবাসৰ কথাকে কৈছা——

: ঠিক তেনে নহয়——

: কিন্তু ব্যক্তিগত কাৰণত বহুসময়ত অস্বাভাৱিক জীৱনৰ প্ৰতি স্পৃহা হব পাৰে,—যেনে মিঃ জনৰ পৰিয়ালৰ শোকাবহ মৃত্যু। মমতাই বুজি পালে যে নিজৰ অৰণ্যবাসৰ মাজতো কিবা ব্যক্তিগত কাৰণ থকাৰ কথাকে চন্দনে কব খুজিছে। আৰু কিবা কম-নেকি ভাবি কিছুপৰ নিমাত হৈ ৰ'ল মমতা।

কিন্তু চন্দনো নিৰৱে ৰ'ল।--- বালক্লকটোত তেতিয়া নিশা ন বজাৰ সঙ্কেত ধ্বনি হ'ল। দুয়োৰো চকু ঘড়ীটোলৈ গ'ল। ইমান নিশা হোৱাৰ কথা চাগে তেওঁলোকৰ মনত খেলোৱাই নাছিল।

: বহুত ৰাতি হ'ল।—মমতাৰ মুখৰপৰা ওলাল

: ব'লা তোমাক থৈ আহোঁ।—চন্দন উঠিল।

: ইমান জোনাক; ৰাতি নে দিন ধৰিবই নোৱাৰি।

— মমতা আগবাঢ়িল। বওলাৰ চিৰিয়েদি দুয়ো নমাৰ পৰতে গেটৰ ওচৰত জীপৰ হৰ্ণ শুনি, দুয়ো থমকি ৰ'ল।

: পলম হোৱা বাবে, দেউতাই মোক নিবলৈ আহিল চাগে! মাই কিজানি হুলস্থুল লগাইছে, সেয়ে----

: তোমালৈ মাৰ খুব মৰম নহয়নে ?

: চন্দন, তুমি যে কি কোৱা ? মাকৰ মৰমৰ জোখ লব পাৰিনে ? হাঁহি হাঁহি মমতাই কোৱা কথাখিনিয়ে চন্দনৰ মুখত কেনে প্ৰতিক্ৰিয়া কৰিলে,—দেখা নগ'ল।

ইতিমধ্যে জীপ আহি গাড়ী বাৰাণ্ডা পালে। হয়, ডাক্তৰ গৈগে। মমতাই 'দেউতা—মই যাবলৈ ওলাইছিলোৱেই—' বুলি আৰু কিবা কব খোজাৰ আগতে ডাক্তৰে এক্কে উশাহে কৈ গ'ল,

: মই চন্দনকহে বিচাৰি আহিলোঁ।

: কিয় দেউতা কিবা ?—মমতাই সোধে।

হঠাতে মিঃ জন বেছিকৈ অসুস্থ হৈ পৰিছে—বেহাৰাই খবৰ দি গ'ল। অলপ আগতে হেনো চন্দন তাৰ পৰা আহিছিল। মই চন্দনকো লৈ যাবলৈ আহিলো। মিঃ জনে চন্দনৰ কথা শুনেতো। মমতা, তোমাক ঘৰত থৈ যাম ব'লা,—ৰাতি হ'ব পাৰে।

সেউতাকৰ কথাৰ ওপৰতে মমতাই ক'লে ঃ নহয় সেউতা, মৰো যাম। তেওঁ আজি বোলে বৰ অসুস্থ হৈ আছিল। চন্দনকো বখাই থৈছিল। কিবা হব লাগিলে—

ঃ বলা তেন্তে শুণা-গথাৰ সময় নাই। চন্দন আহা।—ডাক্তৰ নবালৰিকৈ গাড়ীত উঠিল। চন্দন আৰু মমতাও উঠিল।

খুলি থোৱা গেটখনেৰেই পুনৰ দ্ৰুতবেগেৰে জীপ ওলাই গ'ল। চকীদাৰে গেট বন্ধ কৰি দিলে। ফৰিংফুটা পূৰ্ণিমাৰ জোনাকৰ সেতু' পোহৰৰ মাজেৰে দকুৰ আঁৰ হৈ যোৱা জীপখন ক্ৰমে এটা অসীম বিলীয়মান শব্দৰ মাজত যেন হেৰাই গ'ল।

●

আৰু মেনেজাৰৰ বাংলাত ঃ

তাতো ফৰিংফুটা জোনাক।

অথচ আৰ্ত হাহাকাৰ। অস্থিৰ মানুহ কেইজনমানৰ মনৰ মাজত বলিয়া ধুমুহাই তোলা শঙ্কাৰ পোহাৰ! বন্ধ দুৱাৰৰ বাহিৰত বেহাৰা, মালী, চকীদাৰ। ভিতৰত দুৱাৰত চকিয়াই আৰ্তনাদ কৰি থকা মিঃ জনৰ কণ্ঠস্বৰ।—

ঃ বেয়াৰা, মালী, চকীদাৰ—খোলো দৰৱাজা ক্যু বন্ধ কিয়া? —চব, চবকো হাম মাৰেগা, ক্যয়সে ক্যোয়্যসো মেৰা টম মৰা? বোলো—চবকো হম গুলী কৰকে মাৰুঙ্গা—

ডাক্তৰৰ জীপ কম্পাউণ্ডত সোমাল। লগে লগে, চকীদাৰহঁত দৌৰি গ'ল। কাৰো মুখত কথা নাই, কিন্তু নিবৰ চকু-মুখত আতঙ্কৰ চিন।

ডাক্তৰে পোনতে নামি, বাংলোৰ বন্ধ কৰি থোৱা দুৱাৰখনৰ কাষ পালেগৈ ঃ মিঃ জন, আই এম ডাক্তৰ পগৈ।

ভিতৰৰ পৰা মিঃ জনে চিঞৰি ক'লে,

ঃ ডক্তৰ, প্লিজ, ওপন্ দ্যা ডোৰ এণ্ড হি মাই টম্—

ডাক্তৰে দুৱাৰখন খুলি সোমাইগৈ দেখিলে—মৃত টমক সাৱটি মাটিতে লেটি লৈ দুৱাৰৰ দাঁতিত মিঃ জনে ফেকুৰি আছে।

: ডক্তৰ, মাই টম্ ইজ নো মোৰ। হঠাতে বেয়াৰাক দেখি— এয়া বেয়াৰাকে' বাচ্চা, ক্যোয়সে টম্ মৰা ?

: আংকল!—মৰমেৰে মমতাই মিঃ জনৰ ওচৰ পালে।

: ওহ মাই ডিয়েৰ মমতা! ছো'ৱা' এমিলিয়াৰ মৰমৰ টমেও মোক এৰি গ'ল।

: প্লিজ, হেভ্ পেচেঞ্চ।—চন্দনে বুজাই ক'লে।

: চন্দন, দেখিছা—কিমান ক্ৰুৱেল এই পৃথিৱী। কি নিৰ্মম!— চকুপানী মচি অসহায় প্ৰকৃতিস্থ হৈ বিৰবিৰাই মিঃ জনে কৈ গ'ল, এতিয়া আৰু একো নাই, মোৰ একো নাই। ---উঠি গৈ বটলৰেই এঢোক মদ খাই মিঃ জনে ক'লে: অল্ ইজ ওভাৰ--- ডাক্তৰ গগৈয়ে তেওঁক গাত ধৰি চোফাখনত বহুৱাই দিলে। নিজেও কাষতে বহিল।

মমতা আৰু চন্দনক মিঃ জনে বহিবলৈ ইংগিত দিলে। বেয়াৰা দুৱাৰৰ আৰ লৈ থিয় হৈ থাকিল।

ৱালক্লকৰ শব্দ।

সকলো নিৰৱ।

কোনে কি কৰ ?

মিঃ জনে চকু মুদি যেন কিবা ভাবি আছে।

চেকেণ্ডবোৰ পাৰ হৈছে।

অসহনীয় এই মুহূৰ্তবোৰ।

- - - - - - - - -

- - - - - - - - -

নিজৰ নিজৰ ঠাইত অলৰ অচৰ হৈ থকা মমতা, চন্দন, ডাক্তৰ, বেয়াৰা--ভাটায়ে কি কৰো কি নকৰো ভাবেৰে ইজনে সিজনৰ চকুলৈ চালে। আকৌ চকু নমালে। সকলোৰে দৃষ্টি--অৱশ হৈ পৰি থকা মিঃ জনলৈ আৰু চোফাত পৰি থকা টমৰ মৃতদেহলৈ। প্ৰতিটো মুহূৰ্ত যেন এটা যুগ।--- ডাক্তৰে মমতাক হাতেৰে দুই বাহিৰলৈ যাবলৈ ইংগিত দিলে। হাতত সাৰে ভৰিত সাৰে ডাক্তৰ গগৈ আৰু মমতা দুৱাৰৰ কাষ পালে। চন্দনে মুখ তুলি চোৱাত তেওঁকো ওলাই আহিবলৈ ইংগিত দিলে।

বাহিৰলৈ আহি ডাক্তৰে ক'লে : মমতা তুমি ঘৰলৈ যোৱা। মাৰাই চিন্তা কৰিব। ভাইভাক থৈ আহিব। আমি অলপ বাট চাওঁ। পিছত চন্দনক থৈ আহিম। মমতাই একো নকৰ, নিদি জীপখনলৈ আগবাঢ়িল।

জীপ গ'ল। ডাক্তৰে চন্দনক ক'লে : হয়তো টোপনি হওঁৱৰ পিছত মিঃ জন শান্ত অনুভূতিলৈ ঘূৰি আহিব। তথাপি মই থাকিব লাগিব। তুমি অলপ পিছত যাবা। চন্দনে ক'লে : নহয়, ময়ো থাকিম। আজিৰ নিশাটো বৰ সাৱধানে থাকিব লাগিব। টাৰই আছিল তেওঁৰ হেৰোৱা অতীতৰ একমাত্ৰ স্মৃতি। —সেয়াও হেৰুৱা শেষ হ'ল, মিঃ জনৰ উত্তেজনাৰ মুহূৰ্তত যি কোনো অঘটন ঘটাব পাৰে।

হঠাতে বেয়াৰা দৌৰি আহিল : ডাক্তৰ বাবু, চাহাব কিবকম কৰিছে ?

ততাতৈয়াকৈ ডাক্তৰ আৰু চন্দন কোঠাটোত সোমালগৈ। মিঃ জনে কুকুৰটোক সাবটি ধৰি টোপনিতে কিবা যেন বিৰবিৰাই আছে।

: মিঃ জন,—ডাক্তৰে কাষ চাপি মাতিলে।

অলপ চকু মেলি জনে ক'লে, : ডক্টৰ।

: বেয়া লাগিছেনেকি আপোনাৰ ? হাতৰ নাড়ী চাই ডাক্তৰে সোধে।

চকু মুদিয়েই জনে কৈ যায়—মেতেওঁ ভাল আছে। সকলো যেন ভচি যায়, তেওঁ মৰমৰ টমক [illegible] বুকুত লৈ জিৰণি লব খুজিছে।

ছোফাখনতে মিঃ জনে ভাল[illegible]। ডাক্তৰ আৰু চন্দন অলপ সময় বৈ থাকিল। [illegible]মুখৰ পৰা চাই ৰ'ল।

: Good night [illegible] ood night Chandan. Let me take rest—

চন্দন আৰু ডাক্তৰ ওলাই আহিল। লগতে বেয়াৰা। বেয়াৰাক ডাক্তৰে বুজাই ক'লে—

ঃ চাহাবক আমনি নকৰিবি। পুৱালৈ সকলো ঠিক হৈ যাব। চন্দন, ব'লা তোমাক থৈ—মই ঘৰলৈ যাম।

ঃ কিন্তু, নিশাটো মই থাকি যাওঁ নেকি ?

ঃ নালাগে চন্দন, আগতেও এনে হয়। পুৱা দেখিবা কামজাৰিলৈ আগৰদৰেই যাব। নহয়নে বেয়াৰা ?

ঃ জী হা।—থতমত খাই অন্যমনস্ক হৈ থকা বেয়াৰাই ক'লে। এই সমৰ্থনৰ মাজতো যেন আজি সি অলপ আন কালতকৈ ব্যতি-ক্ৰমৰ সন্দেহ কৰিছে। ইতিমধ্যে ডাক্তৰ গৈ জীপত উঠিলগৈ; চন্দনো গ'ল। জীপ ষ্টাৰ্ট হোৱাত চন্দনে বেয়াৰাক কৈ গ'ল ,

ঃ মই চাহাব কামজাৰিলৈ যোৱাৰ আগতে আহিম।—

চন্দনক বাংলোত নমাই ডাক্তৰ গুচি গ'ল। কিন্তু কিয় জানো ও:ৰ নিশা চন্দনে শুব নোৱাৰিলে। কোঠাৰ মাজতে ঘূৰাপকা কৰি থাকোতে নিশা শেষ হও হও যেন হ'ল। শেষ নিশা বিচনাত আউজি অলপ তন্দ্ৰা আহিছিল। পুনৰ উচপ খাই উঠিল এটা দুস্বপ্ন দেখি; —মৰমৰ ভায়োলিনখনৰ তাঁৰবোৰ সশব্দে ছিগি যোৱাৰ সপোন।

খিৰিকীৰে তেতিয়াও শেষ নিশাৰ শেতা জোনৰ পোহৰে মন সেমেকাই তোলা পৰিবেশ এটা ৰচনা কৰি আছে। ভায়োলিনখন ঠিক আগৰ দৰেই ওলমি আছে এটা স্মৃতি হৈ। লাহে লাহে চন্দন বাহিৰলৈ ওলাল।

এখুজি দুখুজিকৈ গেটৰ ওচৰ পালে। বন্ধ গেটৰ দাঁতিৰ এজন মানুহ ওলাব সোমাব পৰা লোৰ সৰু দুৱাৰখনেৰে চন্দন ওলাল। তাৰ পিছত কিবা ভাবি বেগাবেগিকৈ খোজ ললে মিঃ জনৰ বাংলোৰ পিনে।-----

আকাশত শেতা জোনৰ ম্লান পোহৰ আৰু অদূৰত নৈখনৰ অস্পষ্ট কলৰৱ। তেতিয়াও পক্ষীৰ কণ্ঠ নীৰৱ; বতাহ স্তব্ধ। অথচ মনৰ মাজত কি হাঁহাকাৰ, তীব্ৰ চমকনি আৰু কোলাহল ! চন্দনৰ মনত আৰু নিশ্চয় মিঃ জনৰ মনত। চন্দনৰ ভায়োলিন আৰু জনৰ টম। জনৰ টম আৰু চন্দনৰ ভায়োলিন ॥

----হঠাতে চকুৰ আগেৰে কোন সেয়া নৈখনৰ গড়াৰ পিনে গৈ আছে। চন্দনে চিঞৰি সুধিলে ঃ কোন সেয়া? মাত শুনি যেন ছাঁয়ামূতিটোৱে এবাৰ ঘূৰি চাই দুগুণ বেগেৰে আঁতৰি গ'ল। খন্তেকলৈ চন্দনৰ মনত খেলাই গ'ল,—কোন সেয়া, ভূত নে ভ্ৰম?—তেওঁ মিঃ জনৰ বাংলোৰ পিনে উৰ্দ্ধশ্বাসে বেগাই গ'ল। -----

মি. জনৰ বাংলোৰ গেটৰ ওচৰ পাই দেখিলে গেটখনৰ এটা পটা খোল... চিঞৰি মাতিলে ঃ চকীদাৰ, বেয়াৰা।

এটা সময়ত সকলো গোট খালে। মিঃ জনৰ কোঠালী শূন্য। মিঃ জন নাই, উমৰ মৃতদেহো নাই। বুজিবলৈ বাকী নৰল যে অলপ আগতে চন্দনৰ চকুত পৰা অপসৃয়মান ছাঁয়ামূতি ভূত নহয়— ভ্ৰমো নহয়।---সকলোৱে উৰ্দ্ধশ্বাসে চন্দনে দেখুৱাই যোৱা বাটেৰে লৰ ধৰিলে। পুঁৱতিৰ পোহৰে ক্ৰমে পৰিষ্কাৰ কৰি অনা নৈৰ গড়াৰে যোৱা পথটি চন্দন, বেয়াৰা, মালী, চকীদাৰৰ অস্থিৰ পদক্ষেপত সচকিত হৈ উঠিল। কোনোবাই চিঞৰিলে—চাহাব! চন্দনে মাত্ৰ এঠাইত ভাগি পৰা গড়াৰ দাঁতিত অস্পষ্ট কণ্ঠেৰে শেহাই উঠিল—মিঃ জন!

--- বহু তলৰ এঠাইত দৃষ্টি নিক্ষেপ কৰি চন্দনে দেখিলে এখন কাপোৰ---আৰু মানুহৰ ভৰিৰ খোজ কিছুমান। মূৰ আচন্দ্ৰাই কৰিলে। তেনেহ'লে? তেনেহ'লে সাগৰত মাইন ফুটি নিঃশেষ হোৱা প্ৰিয় পৰিজনৰ দৰে মিঃ জন আৰু প্ৰিয় পত্নী এমিলিয়াৰ শেষ স্মৃতি বহন কৰা উমৰো সলিল সমাধি হ'

এয়া স্বপ্ন?

নে নাটক??

জীৱনত বহু ঘটনা ...কও অস্বাভাৱিক, নাটকতকৈও চাঞ্চল্যক...

ঃ চন্দন!

ডাক্তৰ পথে ...ক মমতাৰ মাতত সজাগ হৈ চন্দনে উভতি খোজ ললে বাংলোলৈ। মন্থৰ পদক্ষেপ। উভতি আহিল মমতা,

ডাক্তৰ গৰে। দিনটো নৈৰ পাৰে পাৰে আৰু পানীত বিচাৰি ফুৰিব---অসফল হৈ উভতিল বাগিচাৰ বনুৱা একাংশ।

উভতি নাহিল মিঃ জন।

মাত্ৰ মানুহৰ মুখে মুখে ৰৈ গ'ল এটা কাহিনীৰ টুকুৰা টুকুৰা অংশ, মনে মনে গভীৰ অনুভূতিৰ স্মৃতি। বুঢ়াচামৰ বিশ্বাস, ডেকাচামৰ সন্দেহ আৰু শিশুচামৰ সাধুৰ সমল হৈ এনে ক'ত কাহিনী ৰূপকথা হয়; ক'ত ৰূপকথা কালৰ বুকুত লীন যায়---ঠিক ৰৈ থকা নৈখনৰ ব'দ আৰু জোনাকত পিচলি পিচলি আঁতৰি যোৱা প্ৰতিটো ঢৌৰ দৰে, প্ৰতিটো কলৰৱৰ দৰে।

এদিন এই কাহিনীও নাইকীয়া হব। কিন্তু তথাপি চন্দনে চকুৰ আগতে মৃত্যুৰ বিভীষিকা দেখি কেবা নিশাও শুব নোৱাৰিলে। মিঃ জন তাৰ কোনো নহয়, কিন্তু জনৰ মনৰ অনুভূতিতো তাৰো নিজৰ অনুভূতি! অনুভূতিক উলাই কৰিব পৰা মন নহয় কাৰণেইতো আজি তাৰ যাযাবৰী জীৱনত ইমান প্ৰশ্ন, ইমান কৌতুহল, ইমান অনিশ্চয়তা।

এবাৰ ভায়োলিনখন তুলি লৈ সি কব নোৱাৰাকৈয়ে বজাই গ'ল। সেই সুৰ---সেই স্মৃতি---"সেউজী, সেউজী, সেউজী—অ'---"

তেতিয়া সন্ধিয়া লাগিছিল।

সেই সন্ধিয়া আৰম্ভ কৰা ভায়োলিনৰ সুৰ যেন শেষ হব খোজা নাছিল। কিমান পৰলৈ ভায়োলিন বজাই, এসময়ত ভায়োলিনখনকে বুকুত লৈ তন্দ্ৰামগ্ন হৈছিল—চন্দনে গম নাপালে। ৰাতিপুৱা পলমকৈ উঠা চন্দনৰ স্বভাৱ নহয়। কিন্তু সেইদিনা পুৱা বহুপৰলৈ সাৰ পোৱা নাছিল; মালী আৰু ফুলমণিয়েও জগাবলৈ সাহ কৰা নাছিল।---

: ফুলমণি, ছোটা চাহাব গ'ল নেকি?

: নাই মমতা দিদি। ৰাতি বহুত দেৰী নাকি বেহেলা বজাই—আছিল। তাতে ঘুম আহিল। বাবাই মাতি দিয়া নাই, মোকো মানা

কৰিছে। জন চেম্বাৰৰ চিন্তাতে হে.টি. চাহাব হব মুখ কৰি থাকে।

এনেতে চন্দন অহা শুনি গম পাই কুন্দমণি চুপ হ'ল। চুচুক-চামাক কৰি আঁতৰি গ'ল।

মমতাই মাত লগালে: চন্দন, গাটো ভাল পাইছানে? বৰকৈ ভলা হবলা?

: এৰা, মনটো থিৰ কৰিবই পৰা নাই।

: দেখিলা প্ৰকৃতিয়েও মানুহক সহানুভূতি নেদেখুৱায়। নৈখন ইমান ধুনীয়া, অথচ সেই নদীয়েই সামৰি ললে মিঃ জনৰ দৰে এজন অসহায় সাধুমনৰ লোকক।

চন্দনে হুমুনিয়াহ পেলালে।

: বহা মমতা। অলপ বৈ ক'লে। নিজেও এখন চকীত বহিল। কোঠাৰ বাহিৰৰ কুঞ্জলতিকাই আবৰি থোৱা বাৰাণ্ডাখনত ৰ'দ একাজলি পৰিছেহি।

অলপ পিছতে বেয়াৰাই চাহ লৈ আহিল। টেবুলত থোৱা টি-পটৰ পৰা মমতায়ে চাহ বাকিবলৈ ধৰিলে। বেয়াৰা গ'ল।

দুৰৈৰপৰা এটা ডম্বৰুৰ শব্দ ভাহি আহিল।

: সেয়া বোধকৰো তুমিয়ে কৈছিলা—সেই বান্দৰ নচুওৱা মানুহটো।

মমতাই ক'লে: এৰা চন্দন, পুৱাৰ লগে লগে তাৰো জীৱন-সংগ্ৰাম আৰম্ভ হ'ল।

: দণ্ডিতহে বান্দৰ নাচে।

: ঠিকেই মানুহটোৰ ডম্বৰুৰ শব্দই বান্দৰটোৰ হৃৎকম্পৰ সৃষ্টি কৰে।

: আমাক—মানুহক বাৰু নচুৱায় কোনে?

চন্দনৰ প্ৰশ্নত ক্ষন্তেকলৈ মূৰ তুলি মমতাই চালে। পিছ মুহূৰ্তত পুনৰ চাহ বনোৱাত মনোযোগ দিলে।

দুৰৈৰ ডম্বৰুৰ শব্দ ক্ৰমে আঁতৰি গ'ল।

মিঃ জন অন্তৰ্দ্ধান হোৱাৰ বতৰা কলিকতাত থকা শ্ৰীউত্তম বৰুৱাক তত্‌তালিকে জনোৱা হৈছিল। বৰুৱাৰ নিৰ্দ্দেশমতেই ফেক্টৰী

মেনেজাৰে মিঃ জনৰ কামো অস্থায়ীভাৱে চলাইছিল। তেওঁক সহায় কৰিবলৈ দহ মাইলমান আঁতৰত থকা বৰুৱাৰ আন এখন বাগিচা সোণাজুলিৰ এছিষ্টেণ্ট মেনেজাৰ মিঃ ঠাকুৰো ৰবাও আহিছে। নতুন মেনেজাৰ নহালৈকে এই ব্যৱস্থা চলিব। আনহাতে ডাক্তৰ গগৈলৈ তাঁৰযোগে বৰুৱাই জনাইছিল যাতে চন্দনক সম্পূৰ্ণ জিৰণি লবলৈ দিয়া হয়। বাগানৰ কামৰ পৰা আঁতৰাই, দাতি-কাষৰৰ বনুৱা বস্তি আৰু গাওঁ-ভূইত মমতা আৰু ফুলমণিৰ লগত ফুৰাচকাতে চন্দনক ব্যস্ত ৰাখিবলৈ তেওঁ কৈছিল। শ্ৰীবৰুৱাই জানে যে চন্দনৰ কোমল মনে মিঃ জনৰ সংস্পৰ্শৰ যি কোনো পৰিবেশৰ মাজত বিষণ্ণ হৈ পৰিব; তাৰ প্ৰতিক্ৰিয়াই পুনৰ চন্দনক সমাজ-বিৰাগী কৰিবও পাৰে।

ডাক্তৰ গগৈয়েও তেনেদৰে ভাবিছিল। সেয়ে মমতাক দুইবেলা চন্দনৰ ওচৰলৈ পঠিয়াইছিল। অৱশ্যে দুৰ্ঘটনাৰ পিছৰ তিনি দিনলৈ বাংলোৰ বাহিৰলৈ ওলোৱা নাছিল। পুৱা আৰু আবেলি মমতাই গৈ নানান কথা পাতে,—বিশেষকৈ চাহ বনুৱাসকলৰ কল্যাণৰ বাবে কি কৰিব পৰা যায় সেই বিষয়ে।

চতুৰ্থ দিনা পুৱাৰ ভাগতো মমতা গৈছিল আৰু পলমকৈ উঠা চন্দনৰ লগত বহি চাহ খাই ইটো-সিটো কথা পাতিছিল। কথাৰ মাজতে মমতাই চন্দনক সুধিছিল আগৰ নিশা ভায়োলিন বজাই বহুপৰলৈ উজাগৰে থকাৰ কথা।

: কেনেকৈ জানিলা?—চন্দনে উদগ্ৰীৱ হৈ কৈছিল।

: জানিলো আৰু। পিছে মোক হ'লে শুনোৱা নাই কোনোদিনে।

: তেনেকৈ বজাব নোৱাৰো। দেউতাইহে ভালদৰে বজাইছিল।

কথাৰ আঁত ধৰি মমতাই সুধিলে : তুমিতো তেতিয়া সৰু ল'ৰা। মনত আছেনে?

: মনত অলপ পৰে। আৰু মাই কৈছিল—চন্দন কৈ যায়।

: তোমাৰ মালৈ মনত পৰি থাকে নহয়?

—হঠাতে চন্দন উঠিল। কথা সলাই ক'লে : মমতা, আজি সন্ধিয়া বনুৱা বস্তিলৈ যাবা নে?

: নিশ্চয় । আজি তিনিদিনে ৯ নম্বৰ বস্তিৰ কেবাজনো বনুৱাই তোমাৰ খবৰ লৈ আহেহি । সিইঁতৰ যে ঘৰবোৰ মেৰামতি কৰাৰ কথা কৈছিলা, মোক সুধিছিল । বীৰবলৰ ল'ৰাটোৰ বোলে খুব জ্বৰ, দেউতাক মাতি গৈছে । তাৰো খবৰ কৰিম । মই তেন্তে ওলাই আহিম । —মমতাই ক'লে ।

: নালাগে, ময়ে তোমাক ঘৰৰ পৰা লৈ যাম ।—চন্দনৰ কথাত মমতায়ো হয়ভৰ দি ক'লে : আহিবা, মাই তোমাক দেখিলে ভাল পাব । সদায় তোমাৰ কথা সুধি আছে । এতিয়া মই যাও । তুমি গা-পা ধুই, অলপ জিৰাই লোৱা । ফুলমণিৰ দেউতাকে কৈছে নহয়, তুমি বহু নিশালৈ সাৰে আছিলা ! দুপৰীয়া অলপ শুই লবা ।

মমতা ওলাই আহিল । চন্দনে বাৰাণ্ডাৰ চিৰিলৈ আগুৱাই দিলে । দূৰৈত বৈ থকা ফুলমণিক মমতাই মাতিলে : ফুলমণি আহচোন, তোৰ লগত কথা আছে । মমতাই হাত জোকাৰি চন্দনৰ পৰা বিদায় ললে । ফুলমণি লাহে লাহে কাষ চাপি আহিল । মমতা আৰু ফুলমণি গেটৰ ওচৰলৈ গৈ থাকিল ।

: ফুলমণি, আজি আবেলি তোৰ ছোটা চাহাব বস্তিলৈ যাব বুলি কৈছে । তই ওলাই থাকিবি । মানী ককাইক কবি, বুজিছ ।

ফুলমণিয়ে উভতি চাই ললে ; দেখিলে চন্দন কোঠাৰ ভিতৰলৈ সোমাই গৈছে । তেতিয়া দুষ্টামিৰ হাঁহি মাৰি মমতাক ক'লে,

: মই সাথত থাকিলে মনৰ কথা বলিবি কি ৰকম ?

: ধেৎ, কি কয় অ' এইজনীয়ে ? ও, মই নাথাকিলে তই দিলৰ কথা কৰ—হয়নে ?

: বাপ্‌ৰে, তবেতো মমতা দিদি মোৰ গলা কাটিব ।

হাঁহি ধেমালীৰে দুয়ো গেট বন্ধ কৰি ওলাই গ'ল ।

দূৰত ফেক্টৰীৰ হুটাৰৰ শব্দ শুনা গ'ল । শুকুলা আকাশৰ দেহত ক'লা বহল ৰেখা টানি ধোৱা এলানি উৰি আছে । সদায়ে থাকে ।

●

সিদিনা সন্ধিয়া চন্দন, মমতা, ফুলমণি আৰু ভাইজাৰ—ন নম্বৰ বস্তিলৈ গৈছিল । বীৰবলৰ পুতেকৰ খবৰ লোৱা, মুন্নীৰ মাকক

দখৰ খুওৱা, বস্তিৰ বনুৱাৰ ভুওা ঘৰ মেৰামত কৰা, মদাহী হাকহাক সাৱধান কৰি দিয়া—আদি নানান কামৰ মাজত চন্দনে যেন সকাহ পাইছিল। উভতি আহোঁতে আকাশত তৰা ওলাইছিল।———

আজি এসপ্তাহে নিতৌ এনেদৰে মমতাই চন্দনক লৈ যায়, বস্তিৰ পিছত বস্তিলৈ; পতিত মাটিত খেতি কৰি জীয়াই থকা পুৰণি বনুৱা-বোৰৰ ঘৰলৈ। এওঁলোকে কেনেকৈ যে দিন নিয়ায়! অশিক্ষা, কুশিক্ষা, অন্ধবিশ্বাস, কুসংস্কাৰ; তাৰ উপৰি অভাৱ, অনাটন, জগতে চোৰাং মদ আৰু দেহৰ ব্যৱসায়ীৰ চক্ৰান্ত। নিতৌ তাত জন্ম হয় বহু শিশুৰ; ফুলৰ দৰে কোমল, নিষ্পাপ। অথচ এটা বিপৰীত পৰিবেশত, অন্ধ যুগৰ এই শিশুদল ক্ৰমে হৈ পৰে অনাদৃত, অনাহুত, ক্ষুদ্ৰ কুকুৰনেচীয়া কাকৰ দৰে। কোমলতাক কাঠোৰতাই গ্ৰাস কৰে, পাপৰ কলঙ্ক কালিমাই সিহঁতকো বিভৎস কৰি তোলে। পিতৃ-পিতামহৰ নিষ্ফল আক্ৰোশৰ মাজত গঢ় লোৱা এই নতুন পুৰুষৰ মাজত যি ভয়ঙ্কৰ ৰক্তবীজৰ সৃষ্টি হয়,—সেয়ে অকল সিহঁতৰ পৰিবেশকেই নহয়—সমগ্ৰ মানৱ সমাজকে কৰি তোলে ভয়াবহ। তথাকথিত ওপৰ মহলাৰ, নাক কোচাই ঘিণ কৰা সকলো সাৰি নাযায়। সাৰি যাব নোৱাৰে। বোকাৰ সৃষ্টি কৰা সমাজে— নিজৰ মুখতো বোকা নলগাকৈ থাকিব কেনেকৈ?

●

অসমৰ শ শ বাগিচাৰ সেউজীয়া, লহপহীয়া শাৰী পাতি নাচি-বাগি থকা চাহ গছবোৰ, খৰতকীয়া আঙুলিৰে 'এটি কলি দুটি পাত' বুটলি থকা জাক জাক বনুৱা গাভৰু, কঁলা ইস্পাতৰ দৰে সুঠাম দেহৰ আধাপেটী বনুৱাবোৰ। এয়াতো আজিৰ কথা নহয়। এশ বছৰৰো আগতে আৰম্ভ হ'ল এই লানি নিছিগা কাহিনী ক্ৰম। অসম আৰু কাষৰীয়া অঞ্চলৰ বনজ সম্পদ, চাহ সম্পদ কঢ়িয়াই নিয়াৰ দৃষ্টিৰে ব্ৰহ্মপুত্ৰত জাহাজ চলিল, পাছে পাছে ৰেল চলিল। অথচ যিকন ঠায়ে বুকু উজাৰি এইবোৰ সম্পদৰ যোগান ধৰিলে, সেইখন ৰাজ্যৰ অধিবাসীবোৰৰ কথা ভাবিলে কিমানে? আজিও সেই প্ৰশ্নৰ সমাধান হোৱা নাই। যুগে যুগে নতুন নতুন কপত চলিছে শোষণ

আৰু লুণ্ঠন। বিদেশী শাসকৰ অন্ধ অনুকৰণত দেশী চাকৰিয়াল প্ৰচাৰেও প্ৰকৃত উৎপাদনকাৰীসকলৰ ওপৰত চলাই আছিছে নিষ্পেষণ। কৃত্ৰিম মৰ্য্যাদাৰ শ্ৰেণী বিভাগেৰে তেল কাৰখানাৰ ক্ষেত্ৰতে হওক, চাহ বাগিচাতে হওক, অফিচাৰ-বাবু-বনুৱাৰ শ্ৰেণী বিভাগ কৰা হৈছে। ইটো শ্ৰেণীৰ লোকৰ আনটো শ্ৰেণীৰ লগত আহ-যাহ নিষিদ্ধ, মিলা-মিছা কৰাতো দূৰৰ কথা। বৃটিশ শাসনৰ পিছতো, দেশী মালিক প্ৰচাৰে একেদৰে চলি থকাটো বিচাৰে। ব্যতিক্ৰম দুই এজনেহে, পৰিবৰ্ত্তিত যুগৰ উচিত মানি, মানুহ আৰু মানুহৰ মাজৰ কৃত্ৰিম দেওবাৰোৰ আঁতৰোৱাত আপত্তি কৰা নাই।

শ্ৰীউত্তম বৰুৱা শেষৰ বিধৰ এগৰাকী উদাৰ মনৰ মালিক। সেয়ে তেওঁ মনতাৰকো বাড্ৰম পৰ্য্যায়ৰ কৰ্মচাৰীৰ মাজত থকা কৃত্ৰিম ভেদাভেদৰ ওপৰত গৱেষণা কৰাত উৎসাহ যোগাইছে; চন্দনকো বনুৱা-কল্যাণৰ কামত মন দিবলৈ উদগনি দিছে।

●

সেইদিন পিছত এটি সন্ধিয়া। শনিবাৰৰ 'হপ্তা' পাই চাহবনুৱা-সকলে বাগিচাৰ দাঁতিৰ সৰু হাটখনৰ পৰা ইটো-সিটো কিনিছে। সপ্তাহজুৰি বাকী লোৱা বেছিভাগৰে হাতত সিদিনাই প্ৰায় সুদা হয়। যিখিনি থাকে শনিবাৰৰ নিশা মদ খাই উৰাই দিয়াও প্ৰায়ে দেখা যায়। হাটৰ দাঁতিত সৰুসুৰা মেজিক, সাপ-বান্দৰৰ খেল আদিও দেখা যায়। মনজুলি বাগিচাৰ দাঁতিয়েদি সিদিনাও চন্দন, মনতা, কুলমণিয়ে জীপ এখনেৰে বস্তিৰ পিনে গৈ আছিল। অলপ দূৰৰ পৰা এজন বান্দৰ নচুওৱা লোকৰ ডহকৰ শব্দ আৰু কথা-বতৰা ওচৰ চাপি আহিছিল। জীপখন সেইখিনিতে মনতাই ৰখালে। আলিবাটৰ পৰা অলপ নামিলৈ খোলা ঠাই এডোখৰত বান্দৰ নচুৱাই থকা মানুহজনে নিজেও এটা বান্দৰৰ মুখা পিন্ধি বিবিধ অঙ্গীভঙ্গীৰে গীত গাই আছে। গীতৰ টুকুৰাবোৰ আৰু ভাব মাজে মাজে সৰু ল'ৰা-ছোৱালীৰ হাঁহি ভাহি আহিছে। কুলমণিয়ে ক'লে, তাই ওচৰলৈ গৈ চাই আহিব। কোনেও চকুৰ চৰালৈ তাইক ৰাখি গৈ নাচ চাই থকা ভুমটোৰ মাজত মিলি গ'ল।

ঠাইডোখৰ বাগিচাৰ সীমাৰ বাহিৰত। চাহ-বনুৱা কিছুমানে বয়স হ'লে বা কিবা কাৰণত কাম কৰিব নোৱাৰা হ'লে, ওচৰৰ পতিত মাটিত খেতি-বাতি কৰি থাকে। ক্ৰমে ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা অহা বহু বনুৱা এনেদৰে ওচৰৰ গাওঁ-ভুঁইৰ থলুৱা লোকৰ লগত সাঙোৰ খাই, অসমতে থিতাপি লৈছে। বহুতে বিয়া-বাৰুৰ সম্বন্ধও পাতিছে। থলুৱা ভাষা-সংস্কৃতিৰ লগত এইসকল বনুৱাৰ পুৰণি ভাষা-সংস্কৃতিৰ অপূৰ্ব সমন্বয় মন কৰিবলগীয়া। এইসকল লোক আজি খিলঞ্জীয়া অসমীয়া হৈ গৈছে; তেওঁলোক আমাৰ আপোনজন।

দূৰৰ পৰা ভাহি অহা গীতৰ টুকুৰাবোৰে চন্দন আৰু মমতাক আমোদ দিছে। জীপৰ ড্ৰাইভাৰেও অলপ ওচৰ চাপি নাচ চাবলৈ আগবাঢ়িছে। লাহে লাহে এটা সময়ত মমতা আৰু চন্দনেও সেই জুমৰ পিনে খোজ পেলাইছে।

এটা গিৰ্জনি মৰা হাঁহিৰ মাজত বান্দৰ নচুওৱা মানুহজনে গাই গৈছে ঃ

(আবৃত্তিৰ দৰে) আও আও, ভাইচব ইকথা হো জাও

নৰ্-বানৰকা খেলমেঁ হাসো ঔৰ হসাও। (ডম্বৰু বজায়)

(সুৰেৰে) দুগ্ দুগ্ দুগ্ ডম্বৰু বাজে

মেৰা বান্দৰ নাচে—

নাচেৰে নাচে—দুগ্ দুগ্ দুগ্।

(কথা কোৱাৰ দৰে) হা মেৰে লাল, হাঁ হাঁ বেটা

দিখাও আদ্মী ক্যেয়সে মাতাল হোতা।

(বান্দৰটোৱে মাতালৰ ভাঁও কৰে)

(সুৰেৰে)—হাঃ হাঃ হাঃ

সাৰে দুনিয়া মাতাল হ্যায়

সব আদ্মী কোতল্ যায়

বান্দৰ মেৰা নাচে—নাচে

ডম্বৰু বাজে—দুগ দুগ দুগ।

(কথা কোৱাৰ দৰে) বজাও, সব আদ্মী তালি বজাও

নৰ-বানৰকা খেলমেঁ হাসো ঔৰ হসাও।

হাত চাপৰিৰ মাজত মানুহজনে বান্দৰটোক এইবাৰ কইনা সজাই গায় ঃ

আঃ অব্ ক্যা সাজা ?—দুল্‌হন্ ?
কিতনী মজা
দিখাও ক্যেয়সে ঔৰত সৰম দিখাতী
লেকিন দোপাট্টাকে নীচে সাপ খিলতী
(সুৰেৰে) হাঃ হাঃ হাঃ
নজৰসে নজৰ লগাকে
হাজাৰকো উজাৰ লেতে
ধোখা দেতী ক্যেয়সে
ঔৰত দুল্‌হন বন্‌কে
নাচে মেৰা বান্দৰ নাচে।
(কথাৰে) বজাও সব আদমী তালি বজাও—

এইবাৰ হাত চাপৰিৰ মাজত মানুহজনে বান্দৰৰ সাজ সলায়। ফুলমণিয়ে দৌৰি গৈ মমতাক হাতত ধৰি কয় ঃ বঢ়িয়া খেল দিদি, জলদি আওনা। একপ্ৰকাৰ চোঁচোৰাই নিয়ে মমতাক। মমতাই চন্দনলৈ চাই সেইপিনে যায়। গীত [illegible]

বেটা—অভি দিখাও
ক্যেয়সে নেতা বনতা—
পিছে ভাগ্‌তা—সাৰে জনতা
(সুৰেৰে) হাঃ হাঃ হাঃ
মেৰে বান্দৰ—বনা লিডাৰ্
মুঁহমে হাসি—দিলমে পথৰ্
বনা লিডাৰ।
(কথাৰ ছন্দত) আৰে ভাই দুনিয়া চলতী এয়সে
ধোখাবাজী—হাথমে চাকু—
মুঁহমে ৰাম নাম্—

(সুৰেৰে) ৰঘুপতি ৰাঘৱ ৰাজা ৰাম
জয় সিয়াৰাম, জয় 'জীয়া'ৰাম।—

চন্দনেও লাহে লাহে জুমৰ ওচৰ চাপে। ফুলমণিয়েতো 'ৰঘুপতি ৰাঘৱ' গীত ছোৱাৰ লগতে গাবই ধৰে

(আবৃত্তিৰ দৰে) হাঃ হাঃ হাঃ
ম্যয় নচাউ বান্দৰ তুঝে
মুঝে নচায় কৌন ?
নৰ্-বানৰ্কে খেলমেঁ
ইনসানীয়ৎ খুন।----

মমতাই চন্দনক কয় : তোমাৰ প্ৰশ্নই ভুলিছে চন্দন। মানুহক কোনে নচুৱায়। চন্দনে মিচিকিয়াই হাঁহে।

(সুৰেৰে) হাঃ হাঃ হাঃ
ইহ দুনিয়া হ্যায় বাজৰখান
এক হাসেতো দুস্ৰা ফাসে
এক গিৰেতো দুস্ৰা বাচে
(ডম্বৰু বজাই)
বান্দৰ নাচে নাচে
সাথ্মে আদমী নাচে
দুগ্ দুগ্ দুগ্ ডম্বৰু বাজে
মেৰা বান্দৰ নাচে ॥

এইখিনিতে মুখা পিন্ধা মানুহজনে বান্দৰটোক জুমৰ চাৰিওপিনে থিয় হৈ থকাসকলৰ ওচৰলৈ লৈ যায়। এহাতত বজাই থকা ডম্বৰু আন হাতত এটা পাত্ৰ। বান্দৰ নচুওৱা মানুহজনে বিবিধ ভঙ্গীৰে কৈ যায়, : আও ভাই, বহিনো,—মেৰা লালকো খিলানেকে লিয়ে দো-চাৰ পয়সা দো। আও লাল, চালাম দো। মাঙ্গো।—মেৰে প্যাৰে বাচ্চো—বহন্—ভাইচব—বাবু—ঔৰ চাহাবলোগ—'

ফুলমণিয়ে কঁকালৰ খোচনিৰ পৰা উলিয়াই পাঁচ পইচা ৰাখি কয় : হে লৰচা।

: আৰে ফুলমণি বহিন ।—বান্দৰবালাই ফুলমণিক বহবাৰ পাইছে, চিনি পায় ।

ফুলমণিয়ে হাঁহি হাঁহি কয় : আজি বান্দৰৰ মুখা পিন্ধিছা কিয় ?

: আৰে বহিন্, হম সবকো বান্দৰ হ্যায় । সবকো মুখ এক, দিল এক । পইচা লৈ সি আগবাঢ়ে আন এজনৰ সন্মুখলৈ ।

: ইণ্টাৰেষ্টিং, নহয়নে চন্দন ?—মমতাই চন্দনৰ মুখলৈ চায় ।

: সেউতাৰ মালী এজনৰ কথা মনত পৰিছে । তাৰো এটা পোহালি বান্দৰ আছিল । মোৰ আছিল এটা শহা ।—চন্দনে কয় ।

তেনেতে বান্দৰ নচুওৱা মানুহজনে ডুগ এৰি অলপ আঁতৰত থকা মমতা আৰু চন্দনৰ ওচৰ পায় । ডমৰু বজাই মমতাক কয়,

: কুছ দিজীয়ে চাহাব ।

মমতাই কয় : ব'বা চন্দন,—মই দিছু—

বান্দৰবালাই মুখৰ ভিতৰতে যেন হঠাতে বিৰবিৰাই উঠে,

: চন্দন—

এনেতে ফুলমণি ছপলিয়াই সেইখিনি পায় । একে উশাহে কৈ যায়—বান্দৰবালা, এয়া আমাৰ ছোট্টা চাহাব, বহুত পয়চা দিবেকাৰে । তোমাৰ মুখা খোলা !—কথা কৈয়েই টান মাৰি তাৰ মুখাটো আঁতৰাই দিলে ।

: হা, হা, বহিন কিউ খোলা ? বুলি মুখাটো খোজে ।

ফুলমণিয়ে খিলখিলাই হাঁহি কয়, : আৰে তুমিতো বান্দৰ নহয়, মানুহ । ফুলমণি দৌৰি গৈ চন্দনৰ পাছফাল পায়গৈ । বান্দৰবালাই মুখাটো বিচাৰি চন্দনৰ সমুখতে পৰিলহি । অস্বস্তিৰে হাতজোৰ কৰি চন্দনক ক'লে : মাফ কৰিব চাহাব, ফুলমণিক কওকনা মোৰ মুখাটো দিব ।

চন্দনে তীক্ষ্ণদৃষ্টিৰে তালৈ চালে । এইখন-মুখ,—ক'ৰবাত যেন দেখিছিল—কিন্তু ক'ত ?

চন্দনৰ তীব্ৰ চাহনিত বান্দৰবালা সন্ত্ৰস্ত হ'ল । মমতাই আগবঢ়াই দিয়া এটকীয়া নোটখন লবলৈও যেন তাৰ হাতখন আগবঢ়া নাই । মমতাই তেনে এটা অৱস্থা দেখি, চন্দনলৈ চালে । চন্দনৰ

চকু তেতিয়াও বান্দৰৱালাৰ ওপৰত স্থিৰ হৈ আছে। বান্দৰৱালাই মুৰ তল কৰি আছে। এনেতে বান্দৰটোৱে খিচখিচাই উঠিল।

: চন্দন ? মানুহজনক তুমি চিনি পোৱানেকি ?

মমতাৰ প্ৰশ্নত চন্দনে মাথোঁ সহাৰি দি ক'লে : কৰবাত— কেতিয়াবা। ফুলমণিয়ে মুখাটো আনি বান্দৰৱালাক দি ক'লে

: লে লে পিন্ধ তোৰ মুখা। মই কি কৰিম।

বান্দৰৱালাই মুখাটো লৈ, আঁতৰি যাব খোজোতে মমতাই ক'লে,

: ল আৰো টকাটো। তে'ৰ লাগক খুৱাবি কিবা।

এটা গহীন পৰিস্থিতিত বান্দৰৱালাই টকাটো লৈ যাব খোজোতেই চন্দনে সুধিলে : ৰবা, তোমাক মই কৰবাত দেখিছো যেন লাগিছে।

: হব পাৰে। মইতো হাটে-বাজাৰে ঘুৰো। বান্দৰৱালা— বুধন।

: বুধন ?—তাৰ কথাৰ মাজতে চন্দনে স্পষ্টভাৱে কৈ উঠিল,

: বুধন, বুধন মালী নহয়নে ?

বান্দৰৱালাই এইবাৰ আচৰিত হৈ সাহেবে চন্দনৰ মুখলৈ চাই ক'লে : মাফ কৰিব চাহাব, আপুনি কি বাপাই ফৰেষ্টত----

: মো'ৰ দেউতা আছিল। ফৰেষ্ট অফিচাৰ মোহিত টমাছ।

: চানুবাবা। আবেগত চকুলোৰে বুধনে চিঞৰি উঠিল,

: চানুবাবা! হা মই বুধন, তোমাৰ বাবাৰ মালী আছিলো। মোক মাফ কৰক চাহাব। হঠাতে চন্দনৰ ভৰিত ধৰি হুৰাওবাৰে সি কান্দি উঠিল। চন্দনে অস্বস্তিৰে ভৰি দুখন আঁতৰাই থিয় দি ৰ'ল।

বুধনে কৈ গ'ল : চানুবাবা, কিমান ছোটা আছিলা। সাত-আঠ বৰষ। আৰু মোৰ এই বান্দৰটোও বাচ্চা আছিল।

মমতাই একো বুজিব নোৱাৰি মনে মনে ৰ'ল। এটা নিস্তব্ধতা এটা স্থবিৰ মুহূর্ত। কথাছবিৰ পৰ্দাত এনে এটা মুহূর্ত বুজাবলৈ সকলো চৰিত্ৰ, সকলো দৃশ্য স্থবিৰ কৰি দিয়াৰ দৰে ; এটা অভাৱনীয় মুহূর্তই সকলোকে যেন স্থবিৰ কৰি দিলে—চন্দনক, মমতাক, ফুলমণিক, বুধনক আনকি বান্দৰটোকো। কিন্তু সচল পৃথিৱীত অচল মুহূর্ত উপলব্ধিতহে সম্ভৱ, বাস্তৱত নহয়। সময়ৰ ঘড়ীৰ কাটাৰ বিৰাম

নাই, নদীৰ চলমান সোঁতৰ ছিৰিঙি নাই, আৰু সেই ছবিৰ সদৃশ নিৰ্বাক মুহূৰ্ততো, প্ৰতিটো চৰিত্ৰৰ মনৰ মাজত এক বিৰাট চাঞ্চল্যকৰ আলোড়ণ চলি আছিল।

চন্দনেই সেই নিবৰ মুহূৰ্তৰ মায়জাল আঁতৰাই মমতাৰ জিজ্ঞাসু দৃষ্টিৰ ওপৰত চকু থৈ ক'লে : মোৰ দেউতাৰ মালী আছিল। পিছ মুহূৰ্ততে বুধনক গাত ধৰি উঠাই ক'লে : উঠা বুধন ককাই, কিয় মাফ খুজিছা ?

: চানুবাবা। নহয়, আগে কওক মোক মাফ কৰিব। বুধনৰ আকুল কণ্ঠস্বৰৰ ওপৰতে চন্দনে কৈ গ'ল,

: আঃ কিয় তেনে কৰিছা ? আহাচোন—জীপখনলৈ। তাতে কথা পাতিম। তোমাক ঘৰত থৈও আহিম। —আহা। —ফুলমণি, ল'ৰা-ছোৱালীবোৰক যাবলৈ কোৱা।

ইতিমধ্যে জুমটোৰ মানুহবোৰ ইফালে-সিফালে আঁতৰি গৈছিল যদিও, বস্তিৰ সৰু ল'ৰা-ছোৱালী কিছুমানে তেওঁলোকক আবৰি ধৰিছিলহি।

ফুলমণিয়ে সিহঁতক উদ্দেশ্য কৰি চিঞৰি চিঞৰি ক'লে : এই ছোকৰা ছুকৰীহঁত, তহঁত যা। বান্দৰ নাচ অভি খতম হৱা। যা আভি আওৰ খেল নাই হবেক ৰে। যা যা—

: আহা, বুধন ককাই। কান্ধত হাত থৈ চন্দনে বুধনক জীপৰ ওচৰলৈ লৈ গ'ল। হাতৰ শিকলিদালত বান্ধ খাই থকা বান্দৰ-টোৱেও যেন পৰিস্থিতিৰ উমান পাই শান্ত গতিৰে পাছ ললে। মমতা, ফুলমণিও আহি থাকিল।

ড্ৰাইভাৰে জীপ চলাই নোযোৱালৈ বস্তিৰ ল'ৰা-ছোৱালীবোৰে অ'ত ত'ত থিয় দি চাই থাকিল।

এসময়ত এমুঠি ধূলি উৰুৱাই জীপখনে গতি কৰিলে।

●

জীপৰ সমুখত ড্ৰাইভাৰ, মমতা আৰু চন্দন; ভিতৰৰ ছিটত এপিনে ফুলমণি আনপিনে বুধনে কোচত বান্দৰটো লৈ বহিছে। বিৰবিৰাই আপোন মনে বুধনে নিজকে কৈ গৈছে কথাবোৰ—

ঃ ফৰেষ্টাৰ বাবু কিমান আচ্ছা আসমী আছিল। মাইজীয়ে কিমান মৰম কৰিছিল। আৰু মই এক লড়কীৰ ধান্দাত বিশ্বাসঘাত কৰিলু! ফয়দা কি হ'ল? প'পৰ কাৰণ জেল খাটিলু। আৰু সেই লড়কীও দুচৰাৰ সাথত থাকিল। মনত আছে চানুবাবা, আপনাৰ উমৰ আঠ-ন হব। মোৰ এই বান্দৰ আৰু আপনাৰ শঢাটো!

হঠাতে চন্দনেও যেন অভিভূত হৈ কৈ উঠিল ঃ মনত পৰে। তুমি প্ৰতি দেওবাৰে গাঁৱলৈ গৈছিলা। কৈছিলা কোনোবাই বাট চাই থাকে তোমালৈ আৰু বান্দৰটোলৈ।

অলপ উত্তেজনাৰে বুধনে কৈ উঠে ঃ হা হা চানুবাবা, ওহি লড়কী চম্পা। জাৰ্মান ধাৱাত এটা হাত কটা চিপাহী নৱবাহাদুৰ, তাৰ জোৱান বেটি। নৱবাহাদুৰ দেশী চাৰাপ বনায়, হাড়িয়া। আৰু তাৰ ঘৰত আড্ডা মাৰে বদমাইচ লাল্লুৱে। মোক ফুচলাই, চম্পাক চাদী দিব বুলি কৈছিল। ফৰেষ্টত হৰিণ, গড় মাৰাৰ মতলব।---সিদিনা ৰবিবাৰে মোৰ পৰাই খবৰ পায় কপাই ফৰেষ্টত গাৰ্ড কম আছিল বুলি। আৰু মোক চম্পাৰ লগত একলা ৰাখি--- নৱবাহাদুৰকো সিহঁতে লৈ গৈছিল। মইতো চম্পাক একলা পাই চব ভুলি, ৰাতি পাৰ কৰি দিছিলো!

জীপৰ হৰ্ণ। সমুখেৰে দৌৰ মাৰি যোৱা কুকুৰ এটা কোনোমতে বচাই ড্ৰাইভাৰে জীপখন আগুৱাই নিয়ে। চন্দনে কয় ঃ সেইদিনাই দেউতাই চোৱাং চিকাৰীৰ পাছ লৈ আৰু ঘুৰি নাহিল। কেৱে কোনো খবৰেই নাপালে।

বুধনে কৈ গ'ল ঃ ক'ত খবৰ পাব চানুবাবা। লাল্লুৰ দল সাংঘাতিক। ফৰেষ্টৰ নদী পাৰ হৈ ভাগি আহিল। ৰাতিপুৱা নৱবাহাদুৰে চম্পাক জগাই দিছিল। মই শুচি আহিছিলো।---- অলপ বৈ বুধনে কন্দনামুৱা হৈ কৈ উঠিল ঃ নাই চানুবাবা, মোৰ ভীষণ পাপ হৈছে। মই চম্পাৰ খাতিৰত, তাৰ বাবাক বচাবৰ কাৰণে পুলিচক একো নক'লো। নৱবাহাদুৰৰ জেল হ'লে, চম্পাক কোনে চাব? মোক পুলিচে ধৰি নিলে। সি বৈ গ'ল।

চন্দনে অলপ পিছত লাহে লাহে ক'লে : এইবাৰ ফৰেষ্টলৈ যাওঁতে গম পাইছিলো, তুমি পুলিচৰ ওচৰত ঠিক জবাব দিব পৰা নাছিলা। মাত্ৰ কৈছিলা, কোনোবা চোৰাং চিকাৰীক টকা লৈ খবৰ দিছিলা। কিন্তু সিহঁতক চিনি নোপোৱা।

: হয় চানুবাবা, চম্পাৰ কাৰণে মই জুঠ বলিছিলো। চম্পাৰ কাৰণে মই অন্ধ হৈছিলো, পাগল হৈছিলো। চম্পাক মই বৰ ভাল পাইছিলো। তাই ভাল আছিল। মই জেলত যাবৰ সময়ত তাই খুব কান্দিছিল। মোৰ এই বান্দৰটো তাই ৰাখিছিল। কৈছিল, তাই মোৰ কাৰণে বাট চাব -----।

অলপ নিস্তব্ধতাৰ পিছত পুনৰ বুধনে কৈ গ'ল : চম্পা খাৰাপ নাছিল চানুবাবা। তাই সেইদিনা ৰাতি মোক কিমান কথা কৈছিল, কিমান মৰম কৰিছিল। পুৰা জগাই দি জলদি জলদি পঠাই দিছিল। নৰবাহাদুৰে খালি কৈছিল—সাবধানে থাকিবি। ....চানুবাবা—মইতো ভাবা নাছিলো—ইমান সাংঘাতিক কাণ্ড হব। ইমান ভাল মানুহ ফৰেষ্টাৰ বাবু আৰু মাইজী---- চানুবাবা। থোকাথুকি হৈ মাত বন্ধ হৈ যায়। হাতেৰে চকু ঢাকি সি ফেকুৰি উঠে।

জীপখন এটা কেকুৰীত তীব্ৰ গতিৰে ঘূৰে; হয়তো এই কাহিনী শুনি ড্ৰাইভাৰো অন্তৰ হাহাকাৰ কৰি উঠিছিল।

মমতাই ক'লে : কি কৰিবা বুধন ককাই, অদৃষ্টৰ কথা।

: হয় দিদি, মোৰেই নচিব খাৰাপ। ছ মাহিনা জেল খাটিলো। তাৰ পিছত আহি দেখিলো—নৰবাহাদুৰ মৰিল। আৰ পেটৰ দায়ত চম্পা লালুৰ ওঁৰত হ'ল।

: কিয়?—প্ৰতিবাদৰ কণ্ঠেৰেহে যেন মমতাই প্ৰশ্ন কৰিলে।

বুধনে ক'লে : কি কৰিব বেচেৰীয়ে? জীয়াইতো থাকিব লাগিব। তাই বান্দৰটো ৰাখি থৈছিল। মোক দি কৈছিল : লৈ। যা, যা, তুৰন্ত মোৰ চামনৰ পৰা চলি যা। লালু দেখিলে খতম কৰিব।—

অলপ বৈ আকৌ বুধনে কৈ গ'ল। আজি যেন তাৰ সকলো কথা উজাৰি দিব; বুকুত খুপ খাই থকা কিমান দুখৰ কথা সেইবোৰ।

ঃ চম্পাই সিদিনা খুব চাবাপ খাইছিল। আগতে তাই একদম চাবাপ নাখাইছিল। মোক কৈছিল, — বুধন, মাফ কৰিবি। পেটৰ ভোকে প্ৰেম-মহব্বৎ নামানে ----চানুবাবা, চম্পা সঁচাই ভাল আছিল। লালু গুণ্ডাই তাইক জোৰ জবৰদস্তি ৰাখিলে।—মই কিন্তু কৈছিলো— মোৰ লগত গুচি আহিবলৈ। কৈছিলো—তাইক মই তথাপি চাদী কৰিম। এই কথা শুনি চম্পাই খুব হাঁহিছিল। তাৰ পাছত মোক ধাক্কা দি বাহিৰলৈ পঠিয়াই দৰজা বন্ধ কৰি দিছিল। আৰু খুব কান্দিছিল।

ঃ তাই নাহিল কিয়, যদিহে ভালেই—

ঃ নাই নাই, মোৰ বিপদ হব জানি নাহিল। তাই ভাবিছিল,— লালুৱে মোৰ জান লব। অথচ, মই তাইৰ বাপক জেলবপৰা বচালো, তাইৰ কাৰণে জেল খাটিলো। ---মই গুচি আহিলো। বান্দৰটো— এই মোৰ লালক লৈ গুচি আহিলো।---ইয়েই মোৰ সাথী। বুঢ়া হৈ আহিছে, তথাপি মোৰ কাৰণে নাচি আছে; আৰু ময়ো পেটৰ খাতিৰত ঘূৰি ঘূৰি এই মনজুলি বাগিচাৰ কিনাৰৰ বস্তিত পৰি আছো।

হঠাতে মমতাই প্ৰশ্ন কৰিলে,

ঃ তুমি মনজুলি বাগিচাখন বাছি ল'লা কিয়?

উত্তেজিত হৈ বুধনে কৈ উঠিল ঃ বহিন্, মইভীতো ইন্চান। মোৰ দিলত যি চোট আছে, তাৰ বদ্লা মই লম। এই বস্তিৰ মূৰত সেই পাহাৰটোৰ কিনাৰৰ এটা ঘৰত চম্পা থাকে। তাতে লালুৰ দলৰ আড্ডা।

চন্দনে সপ্ৰতিভ হৈ তালৈ চায়।

ঃ সেই গুণ্ডা লালুক জব্দ কৰিলেহে বদ্লা লোৱা হব। জানা চানুবাবা, এই লালু গুণ্ডা—বয়স হোৱাত হৰিণ-গড় মাৰা ধান্দা ছাৰি দিছে। এতিয়া চাহবাগানত আফিং বেচে আৰু বস্তিৰ ছুকৰী ভাগাই টাউনৰ হোটেলত চালান দি পয়সা কামায়। এইৰকম জানোৱাৰে কিয় শাস্তি নাপাব? চানুবাবা, আপনি তাক ঠাণ্ডা কৰক, অন্ততঃ আপনাৰ দেউতাৰ খাতিৰত—

ঃ বুধন ৰুকাই। ধমকি মাৰি চন্দনে বুধনৰ আধাকোৱা কথা বন্ধ কৰি দিলে। দুৰৰপৰা তেতিয়া বস্তিৰ মাদলৰ শব্দ স্পষ্ট হৈ

আহি আছিহে। পৰিস্থিতিটো সহজ কৰাৰ উদ্দেশ্যে মমতাই কৈ উঠিল,

ঃ চন্দন, আমি মনজুৰি বাগিচা কেতিয়াবাই পাব হৈ আহিলো। পাঁও পাইছো।

চন্দনে নিজকে চম্ভালি মমতাৰ কথাৰ উত্তৰত ক'লে ঃ ওহ্ হয় নেকি ?—পুনৰ বুধনলৈ চাই ক'লে ঃ বুধন ককাই, বেয়া নাপাবা। সেউতালৈ মনত পৰি বেয়া লাগিছিল। তুমি বাক কোনখিনিত থাকা ?

বুধনে হ'লতৰে ওচৰৰ ঠাই এখনলৈ দেখুৱাই ক'লে ঃ সৌ পিপলু গাছৰ কিনাৰৰ জুপুৰীটোত।

ঃ আৰু চম্পা-লাছু ?

ঃ ঝৰণাটোৰ সিটো পাৰত পাহাৰৰ তলত।

ঃ জীপ বাৰুনে ?—চন্দনৰ এই প্ৰশ্নত সচকিত হৈ মমতাই টপৰাই কৈ উঠিল, ঃ চন্দন খধুলি হৈছে। এতিয়া যাব লাগিছে।

ঃ এতিয়া নহয়, কেতিয়াবা আহিব।—দৃঢ় কণ্ঠেৰে চন্দনে ক'লে। এতাৰ পহৰ ওচৰত জীপ বাখিবলৈ দিলে চন্দনে।

ঃ বুধন ককাই, তুমি তেতে ইয়াতে নামা। আমি উভতি যাও। বুধনে বান্দৰটো বুকুত সাবটি লৈ জীপৰ পৰা নামিল।

ঃ চালাম চানুবাবা, চালাম মাইজী।—বুধনে হাতজোৰ কৰি সেৱা জনায়।

ঃ বুধন ককাই, মোৰ বংলোলৈ আহিবা। মই চকীদাৰক কৈ থম।—চন্দনে কয়।

ঃ আহিলো—বুধন ককাই।—মমতাই মাত দিয়ে। জীপখন আঁতৰি আহে। চকুৰ আঁৰ নোহোৱালৈ বুধনে চাই থকা দেখা যায়।

অলপ পৰ পিছত, ঠিক বাগানত সোমোৱাৰ সময় ফুলমণিয়ে কয় ঃ মমতাদিদি, সেই মানুহ দলবে লগত, মংলাই যে মাথা কাটাইছিল।

ঃ হয় নেকি।—অন্যমনস্কভাবে মমতাই মাত্ৰ সঁহাৰি দিয়ে। কিন্তু ফুলমণিয়ে তাবে মমতাই কথাবাৰত গুৰুত্ব দিছে। সেয়ে ত'

কৈ গ'ল : সেইয়ে আমি আহোঁ বাটত ইমলি গছ দুটা আছে। তাৰ দাঁহিনে এটা ভাটিখানা আছে। তাতে নাকি জগুৱা মংলাইহঁত আৰু এক ওৰাঁৱে শনিবাৰ হপ্তাৰ দিনত আড্ডা মাৰে। মোক বাবাই সাবধান কৰি দিছে—সেইপিনে যাব মানা কৰি দিছে।

চন্দনে কথাষাৰ শুনি কৈ উঠিল : আজিতো শনিবাৰ। হপ্তাৰ দিন। ঘাটিটো চাই যাব পাৰোঁচোন।

মনতাই বাধা দি ক'লে : নালাগে। এই সময়ত যোৱা ঠিক নহব। আৰু আমাক দেখিলেতো সহজই সন্দেহৰ ভাও ধৰিব।

: তথাপি দূৰৈৰ পৰাই আমি দেখি চাই যাওঁচোন। দৰ্কাৰ হব পাৰে আগলৈ। চন্দনৰ কথাত মনতা মনে মনে থাকিল।

: ফুলমণি—চন্দনে মাতিলে।

: চাহাব।

: সৌ ইমলি দুজোপাৰ কাষত নেকি ?

: হয় চাহাব।

: ড্ৰাইভাৰ গছ দুডালৰ আঁৰত অলপ জীপ ৰখাবা।

: জী চাহাব। বুলি ড্ৰাইভাৰে জীপৰ গতিবেগ কমাই আনিলে। ভাটিখানাৰ ওচৰ চাপি অহাত বিবিধ শব্দধ্বনি ক্ৰমে কাণত পৰিল। ৰেকৰ্ডত বাজি থকা পুৰণি গীতৰ টুকুৰা, অট্টহাঁহি, মদাহীৰ গালি-শপনি ইত্যাদি।

চাহ বাগিচাৰ সেউজী পাতৰ আঁৰৰ কাহিনী এইবোৰ। গতানুগতিকতাৰ মাজত এইবোৰলৈ সাধাৰণতে কোনেও মন নিদিয়ে। নিতৌ কেইবাৰ হইহল শুনি নিজৰ নিজৰ কামলৈ চাপলি মেলাৰ দৰে, সপ্তাহটোৰ খাটনিৰ পিছত এচাম বনুৱাই পাহৰণিৰ শান্তি বিচাৰি আহে ভাটিখানালৈ। এয়া জানো শান্তি ? পাহৰণিৰ মাজতহে জানো শান্তি থাকে ? শান্তি জানো সুৰাৰ মাজত পাব পাৰি ? অকল হাড়ভঙা পৰিশ্ৰমৰ কোনোমতে মাত্ৰ জীয়াই থকাৰ সংগ্ৰামত লিপ্ত বনুৱা-জাককেইতো নহয়, তথাকথিত চাহাব-আমোলা চামেওচোন বিলাস-ব্যসনৰ মাজতো শান্তি বিচাৰি নাপায়। তেওঁলোকেওচোন একে

অজুহাত দেখুৱাই—সুৰাৰ গিলাচ হাতত লয়। এই আত্মপ্ৰৱঞ্চনা কিয় ? আত্মবিশ্বাসহীন এটা জাতি জানো আত্মপ্ৰৱঞ্চনাৰ মাজেৰেই প্ৰকৃততে জীয়াই থাকিব পাৰে ? জীয়াই থকা উচিত ? উচিত-অনুচিতৰ বিচাৰ সুকীয়া, কিন্তু বাস্তৱৰ কাপতো এনেকুৱাই। তত্ত্বদৰ্শীয়ে কব, এয়া বাস্তৱ নহয়, এয়া লৌকিক। লৌকিক আৱৰণৰ আঁৰতহে প্ৰকৃত বাস্তৱ লুকাই থাকে। হয়তো থাকে। কিন্তু তেনে উপলব্ধিৰ বাবে যি পৰিবেশ সেয়া জানো আমাৰ আছে ? নাই। তেনেহ'লে কিয়নো লৌকিক বাস্তৱকে মানি লৈ—তাক সুস্থ সবল পৰিণত কৰাৰ প্ৰচেষ্টা মানুহে নকৰে কিয় ? অবিশ্বাসী, সন্দেহবাদীয়ে এনে আমাৰ এনে চিন্তা উৰাই দিব, কব—অসাৰ্থক, অসম্ভৱ। কিন্তু প্ৰচেষ্টাৰ শক্তি মানুহৰ আছে। যদি বিপৰীত পৰিস্থিতিৰ লগত সংগ্ৰাম কৰি মানৱ জাতি আজিও বৰ্তি থাকিব পাৰে, তেনেহ'লে লৌকিক বিপৰ্য্যয়ৰ ওচৰত মূৰ নোদোৱাই—আঘাতৰ পিছত আঘাত কৰি নথকাৰ যুক্তি ক'ত ? সাগৰৰ বিক্ষুব্ধ তৰঙ্গমালাই প'ৰত অহৰহ খুন্দিয়াই থকাৰ মাজতেইতো তৰঙ্গৰ অস্তিত্ব, তৰঙ্গৰ গৌৰৱ, তৰঙ্গৰ মহত্ব। পৃথিৱীৰ শ্ৰেষ্ঠ সৃষ্টি মানৱৰো অস্তিত্ব, গৌৰৱ, মহত্বৰ পৰিচয়—বিৰুদ্ধ পৰিস্থিতিৰ লগত অহৰহ সংগ্ৰামতেই।

চন্দনৰ মগজুত বিক্ষিপ্ত চিন্তাধাৰা ক্ষিপ্ৰভাৱে খেলি যায়। আৰু ওচৰৰ ভাটিখানাত উচ্ছৃংখল কথা-বতৰা-গীত-মাত-চিঞৰ-বাখৰে সক্ৰিয়াৰ নিস্তব্ধতাক অস্থিৰ কৰি তোলে।

'ভগৱান্‌কী বিগড়ী হ্যায়তো ভগ[illegible] বনা লে
আপনেসে ভৰোসা হ্যায়তো দাও [illegible]লে—দাও লগালে—'

—পুৰণিদিনীয়া হৰ্ণ লগোৱা গ্ৰামফোনটোত পুৰণি ৰেকৰ্ড এখনৰ চেৰাচেৰীয়া মাত ওলায়। হিন্দী চিনেমাৰ গান—'ভগৱান'ত বিশ্বাসীক আকৌ 'আপনেসে ভৰোষা'ৰ আহ্বান ! বিপৰীতমুখী কথাৰ সংযোগ। পৃথিৱীখনৰ সকলোতেইতো পৰস্পৰ বিৰোধী যুক্তি, পৰস্পৰ বিৰোধী কাজ কাজন !

ভাটিখানাত মাতাল জুৱাৰী এজনে 'দাও লগানে' গীতৰ লগে লগে বেসুৰা কণ্ঠৰে কথাফাঁকি গাই সজোৰে তাচপাত পেলাই দিলে।

ঃ লে চালা য়হ গোলামসে জুৰি।

ঃ আৰে জগুৱা, গোলামসে ক্যা হোগা? লে মেৰা বিবিকী জোৰা।

ঃ আৰে মংলা,—তোৰ তাচপাতৰ বিবি। হাঁহিৰ খলকনি তুলি এজনী তিৰোতাই মদাহীটোৰ পিঠিত ধাক্কা মাৰি ক'লে ঃ বিবিতো মায় হু! য়হা হাজিৰ। লেকিন সাহাব—চাহাব ক'হাঁৰে?

ঃ আৰে চাহাবকা ধান্দা ছোড়ো। চাৰাব কাহাঁ? জগুৱাই ধমকি মাৰি সোধে।

ককালত কোব খোৱা সাপে ফণা তুলি উঠাৰ দৰে, তিৰোতাজনীয় জিকাৰ খাইছে যেন থিয় দি চিঞৰি কয় ঃ আৰে চাৰাবকো বাচ্ছা। খালি বাকী খাবি, আৰ হাকাৰি—চাৰাব চাৰাব। দে পয়চা ফেক। কিমান খাবি বে। বেগেৰে জুপুৰীৰ ভিতৰলৈ তাই সোমাই গ'ল।

জুৱা খেলি থকা এজনে ক'লে ঃ চম্পাৰাণীক জোকাই নলবি। হা। লে চালা, গোলামকা ওপৰ বিবি, অউৰ বিবিকা ওপৰ—এই লালু ওস্তাদৰ জোড়া চাহাব। লাল চাহাব।

মদৰ হাড়ি এটা আনি, বাতি কেইটামান থেকেচা মাৰি থলে চম্পাই। মদ বাকি বাকি কৈ গ'ল ঃ হা চাহাবতো হ্যায় লালু ওস্তাদ। জগুৱা, মংলাৰ চাহাব কাহাঁ মিলবেক বে?

চম্পাৰো নিচা ধৰিছে। কথাৰ সংগতি নাই। বাতিৰপৰা মংলা, জগুৱাই মদ খাইছে। লালুৱে পইচাবোৰ গোটাইছে।

জগুৱাই কৈ যায় ঃ আৰে মিলবেক। মদ এঢোক খাই আকৌ কয় ঃ চালা চাহাবৰ 'বাবা টৈকা মিলবেক বে। দে ওস্তাদ পাত্তা দে। আচ্ছা, মংলা এক বটল চাৰাব—এক ঢোকত কোনে খাব পাৰিবি বে? মই চালা তাক পাঁচ ৰূপয়া দিম।

চম্পাই মুখতে ধৰি ক'লে, ঃ তাড়ী খাতু বলিজি বে। ৰখি। তাই এটা বটল লৈ আহিল,—মদ বাকি ললে।—এই চা জগুৱা

আউৰতেই পাবে।—কথাষাৰ কৈয়েই চোকে চোকে গোটেই বটল মদ ডাই খাই পেলালে। খাই উঠি বটলটো দলিয়াই চম্পাই কৈ উঠিল ঃ দেখিলি, জগুৱা। আবে দে ঝাপেয়া।

জগুৱাই খৰমৰাই জেপৰপৰা টকা উলিয়াই, মদৰ নিচাত চম্পাৰ ওচৰ চাপি কয় ঃ চাবাচ! তোৰ জবাব নাই বে প্যাৰী চম্পা

হঠাতে লালুৱে তাচপাত জোৰেৰে মাৰি তাক খেদি গৈ কয়, ঃ চাল্লা, মোৰ ঔৰতক তই প্যাৰী বলিবি কিয় বে ?—মাৰি লম্বা বনাই দিম।

ঃ হেয় হেয়, ছোড়। মাংলাই লালুক ধৰে। জগুৱাই হাত-যোৰ কৰি কয় ঃ মাফ কৰ ডাই লালু, মোৰ কছুৰ।

ইতিমধ্যে লালুৰ এটা ঘোচা জগুৱাৰ পেটত পৰে। সি পেটত ধৰি, পৰিবলৈ ধৰিও কোনোমতে থিয় হৈ বৈ কয় ঃ আবে চাল্লা, ফিল্মৰ মাফিক ঘোচা মাৰিছ কিয় বে ?

চম্পাই উঠি লালুক টানি ধৰে, কয় ঃ এয় ওস্তাদ, ছাড়, ছাড়, চুহা মাৰকে ক্যা তাকৎ দিখাতা ?

ঃ ঠিক চম্পা। ধুৎ চালা, এই সবৰ সাথত কোন খেলিব ? অয় জগুৱা, যা দেৰী হৈছে। কালি মাল পহচাই দিবি—ঠিক জাগাত। দাম লবি। মংলা—জগুৱাক ঘৰ পহচাই দে। মদ খাবি তো খা, বেহুচ হবি কিয় বে ?—আও চম্পা—ঘৰ চলো।

চম্পাই চলং পলংকৈ লালুৰ হাতত ধৰি আঁতৰি যায়। অলপ সেইপিনে চাই থাকি, মংলাই জগুৱাক কয় ঃ চল জগুৱা, তোক ছাড়ি আহিম।

জগুৱাৰ যেন আত্মসন্মানত লাগিল। ঃ নাই লাগেবে। এই জগুৱা, একলা যাব। মোৰভী বখত্ আহিব বে। চালা।—বেসুৰাকৈ গাই যায়—

'তগদীৰ—তগদীৰ বিগৰী হুইতো
তগদীৰ বনা লে——'

ইতিমধ্যে গ্ৰামোফোন ৰেকৰ্ডখন শেষ হৈ একে ঠাইতে ঘৰমৰাই ঘূৰি আছিল। ঝুপুৰীৰ ভিতৰৰপৰা এজনী বুঢ়ী ওলাই আহি

মুখেৰে ভেৰভেৰাই বেকৰ্ডখন থমালে। গ্ৰামোফোনটো ভিতৰলৈ দাঙি লৈ গ'ল। আকৌ আছি পৰি থকা মদৰ হাড়ি, বাতি, বটল-বোৰ সামৰি থলে। জগা মেনটো হাতত লৈ জুপুৰীটোত সোমাই বাঁহৰ দুৱাৰখন জপাই দিলে। দুৱাৰখনৰ কেৰকেৰনিৰ লগে লগে যেন পোহৰবোৰো টুকুৰা-টুকুৰ হৈ ভাগি গুৰি হৈ নাইকীয়া হৈ গ'ল।

এটা শনিবাৰ, এটা 'হপ্তা'ৰ দিন, আৰু এটা মদ জুৱাৰ আড্ডাৰ চিত্ৰ এয়া। প্ৰতি শনিবাৰে, প্ৰতিটো 'হপ্তা'ৰ দিনত এনে হেজাৰ হেজাৰ আড্ডাত চলে আত্মধ্বংসৰ অভিযান। ইয়াৰ জানো শেষ নহব? ইয়াৰ বাবে দায়ী কোন? এনেবোৰ প্ৰশ্ন হয়তো দুই-এজনৰ মনত উদয় হয়; বেছি ভাগৰে নহয়। সময় চলে। দুৰন্ত গতিৰ লগত তাল মিলাব নোৱাৰি কোনোবা উফৰি পৰে, কোনোবাই উজুটি খাইয়ো থিয় হয়। কিন্তু কিমান পৰ? কিমান দিন??

এই যে ভাটিখানাত লগ পালো জগৰাক, মংলাক, লাচুক, চম্পাক, মদ বেচা বুঢ়ীজনীক,—ইহঁতৰো জীৱনত আশা আছিল। ইহঁতেও সহস্ৰৰ দৰে দিনৰ পোহৰত বুকু ফিন্দাই ফুৰিব পৰা জীৱনৰ বাবে চেষ্টা কৰিছিল। কিন্তু নোৱাৰিলে। সেই আশা, সেই চেষ্টা সফল কৰাৰ পৰিবেশ সিহঁতৰ নিমিলিল। সেয়ে সিহঁতে কৰ্মত বিশ্বাস হেৰুৱালে, নিজৰ ওপৰত বিশ্বাস হেৰুৱালে; 'ভগৱান'ৰ ওপৰত ভৰসা থাপিলে, অপকৰ্মৰ আন্ধাৰত মুখ লুকালে। এয়াও জীয়াই থকাৰ প্ৰয়াস। কিন্তু জীয়াই থকাৰ বাবে অকল কটি, অকল মদ জুৱা, অকল যৌন সম্ভোগেই জানো সকলো। বস্তিৰ গাহৰি আৰু আৰু মানুহৰ মাজত কোনখিনিত পাৰ্থক্য তেনেহ'লে? —বহত চিন্তা। ভাবি জানো পাৰ পাব পাৰি? কিন্তু নাভাবিলেতো নহব। ভাবিলেহে সমাধানৰ গাঁঠি মুকলি হয়। আৰু হয়তো এদিন সকলোৰে কাৰণে সূৰ্য্যৰ উজ্জ্বল পোহৰত মুখ দেখুৱাই সগৌৰৱে সহাস্যবদনে আগবঢ়াৰ পৰিৱেশ গঢ়ি উঠিব।

বিক্ষিপ্ত চিন্তাধাৰা, অতীতৰ বিষণ্ণ স্মৃতি আৰু বৰ্তমানৰ অনিশ্চয়তাই যেন সেই গধূলি চন্দনক আচ্ছন্ন কৰি পেলালে। ধীৰ, শান্ত মমতাৰো যেন কথা হেৰাই গ'ল। হাস্যময়ী, লাস্যময়ী, চঞ্চলা ফুলমণিৰো মুখত অস্বাভাৱিক গম্ভীৰতা। জীপ আহি ডাক্তৰ গগৈৰ ঘৰৰ সন্মুখত ৰ'ল।

চন্দনে নামি দিলে, মমতাও নামিল।

মমতাই মাত্র ক'লে: কাইলৈ দেওবাৰৰ পুৰ'ৰ প্ৰোগ্ৰাম, মনত আছে নহয়।

: নিশ্চয়। তুমি ওলাই থাকিবা। চন্দনে পুনৰ জীপত উঠি ক'লে।

হঠাতে ফুলমণিৰ দেউতাক মংৰা মালীক দেখি, মমতাই ক'লে,

: মালীকায়ে জীয়েকক বিচাৰি আহিছে হবলা। পলম হলতো আজি।

ইতিমধ্যে মালীয়ে মমতাক এখন চিঠি দি ক'লে যে বৰা চাহাব বহুসময় বৈ আছিল। লগ নাপাই চিঠিখন দি গৈছে। চিঠিখন খুলি খুলি মমতাই পুনৰ চন্দনক ক'লে: 'কাইলৈৰ প্ৰোগ্ৰাম ঠিক আছে দেই। ফুলমণি সাজু হৈ থাকিবি। নৈৰ সিপাৰৰ টিলাটো মূৰ্তিখানি আছে যে, তালৈ যাম।

চিঠিখন পঢ়ি অটোৱালৈহে যেন বাট চাই আছিল ফুলমণিয়ে। তাই মমতাৰ কাষ চাপি আহিছিল। কিবা কোৱাৰ আগতে মমতাই চন্দনক উদ্দেশ্য কৰি ক'লে: এচিষ্টেণ্ট মেনেজাৰ বৰাৰ চিঠি। 'নিজৰ বাগান সোণাজুলিলৈ যোৱাৰ আগতে লগ পাব খুজিছিল। বৰদেউতাই নতুন মেনেজাৰৰ সৈতে কাইলৈ আবেলি পোৱাৰ কথা। এৰোভুমলৈ তেওঁ বাহিৰে বাহিৰে যাব।

ফুলমণিয়ে ক'লে: মই বাবাৰ চাথাতে মাম দিদি। এইপিনে আহা, এটা কথা আছে।

: কিনো গোপন কথা, কচোন।

: কালি পুৱা মই যাব নোৱাৰিম দিদি। তাই ফুচফুচাই কয়।

: কিয় ? মমতাই সোধে।

: নহয়, মানে----মানে----বাবাই----

হতাতে কিবা মনত পৰাৰ দৰে মমতাই হাঁহি হাঁহি কয়,

: অ' বুজিছো। তোৰ বাবাই কৈছিল অথনি। ৰতন ভাইভাবৰ মাক আহিবতো ---- ।

: হঁয় দিদি। বুলি ফুলমণিয়ে লাজ কৰি দেউতাকৰ ওচৰ চাপে।

: ঠিক আছে যা। কৰি কিন্তু কি কথা পাতিলি। মালীকাই, তুমি ফুলমণিক লৈ যোৱা। সিহঁত দুয়ো চন্দনক চালান জনাই আঁতৰি গ'ল।

মমতাই চন্দনৰ জীপৰ কাষত থিয় দি ক'লে : অলপ বহিবা নেকি?

: নালাগে মমতা। আজি এনেয়ে বৰ পলম হ'ল। কিবা ভাবিছা দেখোন ?

: নহয়। ৰবদেউতা আহি পাব বুলি ভাল লাগিছে। নতুন মোনেজাৰজন বা আকৌ কেনে হয়। ৰবাৰ দৰে নহ'লেই হয়।

মমতাৰ কথাৰ আঁত ধৰি চন্দনে ঠাট্টাৰ ছলেৰে কয় : কিয়, চিঠিখনত আৰু কিবা লিখিছেনে ? মনৰ কথা।

: কি আৰু লিখিব ? সেই একে পেনপেননি। বৈ বৈ আমনি লাগিল। বেডমিণ্টন খেলাৰ কথা আছিল। কাইলৈ নাথাকিব। পিছতো মাজে মাজেহে আহিব পাৰিব। বহুত কথা আছিল হেনো। গতিকে দুখ কৰিছে।

: দুখ নে অভিমান ? চন্দনে কয়।

: কি ক'লা ?

: নহয় মানে, দেখিছো মিণ্টাৰ ৰবাই তোমাৰ কথা ৰবকৈ ভাবে—

: ঠিক মই যেনেকৈ তোমাৰ কথা ভাবো, হয়নে ?— হাঁহিৰে প্ৰত্যুত্তৰ দি মমতাই ততালিকে কথাৰ ধৰণ সলাই কয় : আহাচোন অলপ, সৌৱা মা আগবাঢ়ি আহিছে। অলপ বহিবা। আহাচোন ! প্ৰায় হাতত ধৰি চন্দনক মমাৱ।

চন্দনে জীপৰ পৰা নামি—মমতাৰ পাছ লয়। মমতাই—না, আমি আহিছো, বুলি খৰতকীয়াকৈ আগবাঢ়ে। মুখত অস্পষ্ট সুৰ—'তুমি আহিবা' গীতটিৰ।

ইপাৰ আৰু সিপাৰ। মাজত কুলু কুলু সুৰতোলা পাহাৰীয়া নৈখন। ইপাৰত চাহবাগিচাৰ সেউজবোৰ আৰু তাৰ মাজে মাজে কৰ্মৰত বনুৱাৰ বিচিত্ৰ জীৱন যাত্ৰা। সিপাৰত ওখচাপৰ টিলা আৰু দিগন্তৰ হাতবাউল, ঃ আহা মোৰ বুকুতো আছে অন্তহীন সম্পদ,—ঐতিহ্যৰ সাক্ষী মই লুকুৱাই থৈছো তোমালোকৰ গৌৰবৰ বাবেই।

কিন্তু সেই আহ্বানলৈ সঁহাৰি জানো ঠিকমতে দিয়া হয়? এতিয়াও অসম আৰু কাষৰীয়া অঞ্চলবোৰত বহুত অনাৱিষ্কৃত অতীত মাধুৰীৰ উহ পৰি আছে। যিখিনি আৱিষ্কৃত হৈছে,—তাকো গোটাই আদৰেৰে সাঁচি ৰখাৰ প্ৰচেষ্টাও অতি সীমিত। পুৰাতত্ব আৰু সংগ্ৰহালয়ৰ দায়িত্ব পালনৰ ধৰণে জানো শেষ হব পাৰে? তাৰ বাবে নিষ্ঠাবান কৰ্মী, আৱশ্যকীয় চৰকাৰী-বেচৰকাৰী পৃষ্ঠপোষকতা আৰু সমূহ ৰাইজৰ জাতীয় চেতনাৰ বিশেষ আৱশ্যক। বিভিন্ন যুগৰ মানুহৰ মনৰ মূৰ্ত প্ৰকাশ পোৱা অতীতৰ কলা-শিল্প-ভাস্কৰ্য্যৰ সমলবোৰ গোটাইহে প্ৰকৃত সমাজৰীক্ষণ কৰিব পাৰি। বিভিন্ন যুগৰ ব্যক্তি আৰু সমষ্টিৰ মানসিকতা, গঠন আদিৰ সন্ধান এইবোৰৰ মাজেৰেহে পাব পাৰি।

সেয়ে সমাজবিজ্ঞানৰ ছাত্ৰী মমতাৰ ইমান হেপাহ পুৰণি দিনৰ ভাস্কৰ্য্য-কলা আদিৰ পৰিচয় পাবলৈ। একে হেপাহেৰে সেইদিনা দেওবাৰৰ পুৱাও চেচাপানীৰ পৰ্বতীয়া নৈখনৰ সিপাৰে ভাপলি মেলিলে। লগত চন্দন। পানীৰ অবিশ্ৰান্ত কুলুধ্বনি; প্ৰভাতী পখীৰ কণ্ঠ উজাৰি দিয়া সুৰ সমলয় ঃ উঠি অহা সূৰ্য্যৰ হিৰণ কিৰণৰ তীক্ষ্ণ-মধুৰ জাক জাক শৰ।

টুলুঙা নাওখন পাৰ পাও নৌপাওতেই, নাওৰীয়াই জপিয়াই নামি ৰছিডালেৰে ডাঙৰ গছ এজোপাৰ গুলাই ধকা এডাল শিপাত নাওখন বান্ধিলে। তাহেঁকৈ চন্দন পানীত নামি, পাৰলৈ খোজ দিলে। তৰাং পানী

ভৰি দুখন তৰিদিলে চন্দনে কয় : মমতা ৰবা—মই পাৰলৈ গৈ নাওখন টানি আনি ওচৰ চপাই দিম।

: চন্দন, এই নৈখনৰ পানী বৰ চেচা, নহয়নে ?

: এৰা মমতা, নদীখনো cold hearted মানুহৰ দৰে।

: কিয় তেনেকৈ কৈছা ? মমতাই সোধে।

পাৰত উঠি চন্দনে কথা পাতলাই কয়,

: নহয় মানে, এই নদীৰে নামনিৰ গড়াই সিদিনা পৰিয়ালৰ শেষ স্মৃতি টুকুক সাৱটি বাউল হোৱা দিপ্টাৰ জনক—

চন্দনক কথা শেষ কৰিব নিদি মমতাই নিজেও তৰাং পানীত নামি আকৌ তেওঁৰ হাঁহি কথা পাতলাই কৰিলে : তুমি সদায় বৰ 'ছিৰিয়াচ'। সেয়া আছিল এটা দুৰ্ঘটনা। আচলতে নদীখন হিমালয়ৰ নামনিৰ বৰফৰ পৰা ওলাইছে; সেয়ে পানী ইমান চেচা। চোৱা নৈৰ পাৰৰ শিলবোৰ। এইটো ইমান পিচল। ৰবা, মই পাৰলৈ জাপ মাৰিম।

চন্দনে মমতালৈ চালে। মমতাই এটা পানী মুঁৰলিত পৰি থকা ডাঙৰ শিলৰপৰা পাৰলৈ জপিয়াবলৈ, এহাতেৰে মেখেলাখন উজাই ধৰি, আনখন হাত আগুৱাই দিলে।

চাও, মোৰ হাতত ধৰা। চন্দনে ঢুকি পোৱা মমতাৰ হাতখনত ধৰি কয় : চাবা, লাহে লাহে। দিয়া জাপ মাৰা।

আবদাৰ কৰি মমতাই কয় : উঃ হঃ হঃ ভয় লাগে। যদি পৰি যাও। দুয়োখন হাত দিয়াচোন।

চন্দনে দুয়োখন হাত আগবঢ়ায়। মমতাই মেখেলাখন উজাই ধৰি থকা হাতখনো আগবঢ়াই দিলে। আৰু অলপ পিছুতে লাহেকৈ জাপ মাৰি দিলে। মেখেলাখনে জোটাপুটি দি ধৰা বাবেই হওক, বা মমতাৰ ইচ্ছাকৃত কাৰণতে হওক,—মমতাৰ দেহভাৰ চন্দনৰ গাত পৰিল। আৰু চন্দন বাগৰি পৰিল।

এটা মুহূৰ্ত। চন্দনে যেন নিজৰ কথা নাভাবি মমতাৰ দেহটোকহে আঁকোৱালি ধৰিলে। পিছ মুহূৰ্ততে সাবোট এৰি দি নিজকে চম্ভালি থিয় দিলে। দুয়োৰে এটা উজ্জ্বল হাঁহিয়ে পৰিবেশটো উজ্জ্বল কৰি তুলিলে।

গড়াৰ পৰা খহি পৰা এচেমকা মাটিয়ে পানীত কঁপনি তুলি হিৰণ কিৰণ চলা সূৰ্য্যৰ ছাঁটোকো যেন হাঁহিৰ এভাগ দিলে।

মমতাই থিয় দি হাঁহি হাঁহি মন্তব্য দিলে : ইচ্, ধৰোতাজনহে দেখো বাগৰি পৰিলা ? ধৰোতাই হ'লাগে পৰোতা—

: তুমি যি জোৰেৰে গাত পৰিলা,—লাজ লাজ ভাৱেৰে চন্দনে ক'লে।

: দুখ পালানেকি ? চাওঁ। ছাৰ্টটোত অলপ বোকা লাগিল।

: ঠিক আছে। তোমাৰহে কাপোৰ তিতিল।

: এতিয়াই শুকাই যাব। ব'লা এতিয়া।

চন্দনে নাৰৰীয়াক তাতে ৰখলে কৈ, পাৰৰ ওখ গড়ালৈ উঠি গ'ল। লগতে মমতা।

: আজি ফুলমণি থাকিলে বৰ ফুৰ্ত্তি পালেহেঁতেন। মমতাই কৈ কৈ চন্দনৰ পাছ লয়।

নৈৰ গড়া এৰি এডৰা-দুডৰা বহুডৰা কহুৱা। শুভ্ৰ কঁহুৱাৰ মাজে মাজে লুকাভাকু খেলি ফুৰিছে পুৱাৰ বতাহ এছাটিয়ে। পানীৰ ঢৌৰ দৰে কহুৱাৰ ঢৌবোৰ কিন্তু চঞ্চল নহয়, ইমান গতিশীলো নহয়। কিন্তু সেই তৰঙ্গৰ মাজতো আছে এটা মৃদু গতি,—যি গতি ধীৰ-স্থিৰ, যি গতিয়ে মনত পেলায় এৰি যোৱা মাক-দেউতাকৰ ঘৰলৈ উভতি উভতি চাই চাই গৈ থকা জীয়ৰীৰ কথা।

কহুৱাৰ মাজে মাজে আগুৱাই গ'লে পোৱা যায় ওখ-চাপৰ টিলা-বোৰ। টিলা দুটামান পাৰ হৈ এটা গুহাৰ দৰে শিলৰ বেৰ থকা এডোখৰ ঠাই। তাৰ দাঁতিতে পুৰাতত্ত্ব বিভাগে মাটি খান্দি আছে। কিছুমান পুৰণিকলীয়া ইটা পাইছে। এই ইটাবোৰ শ শ বছৰ পিছতো নিয়াৰিকৈ থুপাই থোৱা অৱস্থাতে পোৱা হৈছে। পুৰাতত্ত্ব বিশেষজ্ঞ-সকলে ভাবে কোনোবা কাহানি নিশ্চয় এই অঞ্চলত ডাঙৰ জনপদ আছিল ; সভ্যতা সংস্কৃতিৰ কেন্দ্ৰ আছিল।

মমতাই এটা ইটাৰ থুপৰ ওচৰত থিয় দি কয় : অৰণ্যৰ অন্ত-ৰালতো যে কিমান সম্পদ থাকে !

ঃ দেখিছো—অৰণ্যৰ প্ৰেমে তোমাকো চুইছে।—চন্দনৰ মন্তব্য শুনি, মমতাই খন্তেক মুখ তুলি এটা সৰু হাঁহিৰে ক'লে ঃ সংদোষ। কিন্তু হঠাতে অলপ গহীন হৈ, তলত পৰি থকা এডোখৰ ভগা ইটা তুলি লৈ কৈ গ'ল ঃ আচলতে কি জানা চন্দন। অৰণ্যৰ মাজতে জনপদ গঢ়ি উঠে আৰু নগৰ মহানগৰো কালক্ৰমত অৰণ্য হৈ পৰে। বৰ-দেউতাই কেইমাহমান আগতে আমাক অৰুণাচলৰ ছিকিয়াং জিলাৰ লিকাবালিৰ ওচৰৰ মালিনীথানলৈ নিছিল। তাত বিৰাট অৰণ্যৰ মাজত থিবোৰ পুৰণি কলীয়া মূতি, ভাস্কৰ্য্য, খটখটি আদি খানি উলি-য়াইছে,—ভাবিবই নোৱাৰি। এসময়ত নিশ্চয় সেই অৰণ্যও বিৰাট জনপদ আছিল।

চন্দন আৰু মমতা আৰু আঁতৰালৈ গৈ থাকিল। চন্দনে ক'লে যে—তেওঁ মালিনীথানৰ কথা শুনিছে। চিলা পথাৰৰ পৰা আলঙলৈ যোৱা বাটৰ সোঁপিনে সেই ঠাইডোখৰ। চোৱাৰ ইচ্ছা আছে যদিও তালৈ যোৱা হোৱা নাই খুলি চন্দনে ক'লে।

ঃ চাবা মমতা, সেইপিনে কাঁইটীয়া গছবোৰ।

চন্দনৰ কথাত সহাঁৰি দি, হাতখন আগুৱাই দিলে। চন্দনে মমতাক হাতত ধৰি এটা টিলাৰ মূৰত থিয় দি দূৰলৈ চাই ৰ'ল। টিলাৰ নামনিলৈ চাই থকা এহাল ডেকা-গাভৰুক উঠি অহা সূৰ্যৰ কিৰণমালাই যেন অন্ধকাৰ অতীতৰ বহু ৰহস্যৰ সন্ধানহে দিব খুজিছে।

টিলাটোৰ নামনিৰ সৌ ভগ্নস্তূপবোৰেও অতীতৰ জনপদৰে স্বাক্ষৰ বহন কৰে। ব্ৰহ্মপুত্ৰৰ উপনৈবোৰে ঘনাই সোঁত সলায়; ফলত বহু ঠাই নৈৰ গৰ্ভত সোমায়, আকৌ পলসুৱা মাটি ভূইকঁপত ওখ হৈ জনবসতিৰ থল হয়। পঞ্চাশৰ ভূইকঁপত তেনে কত নগৰ জনপদ নিশ্চিহ্ন হ'ল। ব্ৰহ্মপুত্ৰৰ তলভাগ ওখ হৈ বানপানী বহুনীয়াই তাণ্ডৱলীলাৰ সৃষ্টি কৰিলে। এয়াতো সিদিনাৰ কথা। যুগে যুগে এনেদৰে প্ৰকৃতিৰ বুকুত ধ্বংস আৰু সৃষ্টিৰ খেল চলে। সমাজ-বিজ্ঞানৰ দিশেৰে এইবোৰ খেলৰ পৰিণতিৰ মাজত অধ্যয়নৰ বিশাল গৱেষণাগাৰ লুকাই থাকে। সেয়েহে মমতাৰ দৰে সমাজবিজ্ঞানৰ

কৌতূহলীসকলক প্ৰাচীন ভগ্নস্তূপে বেছি আকৰ্ষণ কৰে। নৱ-নিৰ্মাণৰ চাঞ্চল্যৰ দৰে অতীত আৱিষ্কাৰৰ উত্তেজনাওতো কম নহয়।

মানুহক লৈয়ে সমাজ। ব্যক্তি আৰু সমষ্টিৰ উত্থান-পতন; বিভিন্ন পৰিৱেশত মানুহৰ সমষ্টিক জীৱনযাত্ৰাৰ অধ্যয়নেই সমাজ-বিজ্ঞান। একোটা অঞ্চলৰ জনসাধাৰণৰ বিভিন্ন কালত সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক বিৱৰ্তন; ভৌগোলিক পৰিৱেশ, ভাষা, ৰীতি নীতি, আইন-কানুন আদিৰ প্ৰভাৱ; আৰু সেইবোৰৰ লগত আন আন অঞ্চলৰ সম্বন্ধ তথা বৈপৰীত্যৰ অধ্যয়নৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। সমাজবিজ্ঞান হ'ল—মানুহৰ অধ্যয়ন। বিভিন্ন মনৰ, বিচিত্ৰ মানৱৰ অতীত, বৰ্তমানৰ কাহিনীক্ৰম কিমান চাঞ্চল্যকৰ, কিমান আকৰ্ষণীয়; তাক সহজেই অনুমান কৰিব পাৰি।

টিলাৰ চূড়াত থিয় হৈ থকা চন্দন আৰু মমতা। ডেক' আৰু গাভৰু। এয়া যেন যুগে যুগে, দেশে দেশে সৃষ্টিৰ গতিপ্ৰবাহৰ দুটা জীৱন্ত প্ৰতীক।

দূৰৰ পৰা কাৰোবাৰ বাঁহীৰ লেনিওৱা সুৰ এটা ক্ৰমে স্পষ্ট হৈ আহিছিল। সেই সুৰ—মনৰ জনক কৰ খোজা অথচ 'বুক ফাটিলেও মুখ নুফুটা' অৱস্থাৰ নোকোৱা কথাৰ ক্ষীণ প্ৰতিধ্বনি। অসমৰ গাঁও অঞ্চলৰ ডেকাৰ বিননি, গাভৰুৰ হাবিয়াস মূৰ্ত কৰি তোলা বিহুগীতৰ কলিবোৰে চিৰন্তন সৃষ্টিকামী যৌৱনৰে জয়গীত গায়।

চন্দনে সেই সুৰ শুনি কৌতূহলেৰে মমতালৈ চায়। তেওঁৰো নকৰা প্ৰশ্নটো হয়তো এনেধৰণৰ; এই হাবিৰ মাজতো, নোপোৱাৰ বিননি!

মমতাই চন্দনক কয়; হব কোনোবা মহৰখীয়া—সুৰটো মন কৰিছানে? মমতাই গুণগুণাই গালে,

"তোলেনো চাওতে ৰূপনা ডেওতে
বিজিলে অঁথেৰা হলে
তোৰে মনে প'লে—মোৰে মনে প'লে
কি কৰিব আজি, কলে।"

গীতফাঁকি শুনাই, মমতাই এক অৰ্থপূৰ্ণ দৃষ্টিৰে চন্দনলৈ চাই হাঁহিলে।

চন্দনেও অলপ হাঁহি ক'লে: কিন্তু ৰঙালী বিহুলৈতো বহুদিন বাকী! চেনাইলৈ মনত পৰিলেইনে?

: বুজিছা চন্দন। এটা বয়সত ডেকা-গাভৰুৰ বাবে ৰঙালী বিহু সদায়েই। পঞ্জিকাৰ পাত চাই তেতিয়া বিহু নাহে নহয়। মনৰ জগতত যেতিয়াই তেতিয়াই বিহু হব পাৰে।

: দেখিছোঁ, তুমি মনস্তাত্বিকো। দুয়ো হাঁহি হাঁহি হেন সুৰৰ পিনলৈ, টিলাটোৰ নামনিলৈ নামি গ'ল। শেষ কথা শুনা গ'ল,

: ব'লাচোন সেই মনৰ গৰাকীজনক লগ ধৰোগৈ।

টিলাৰ আঁৰৰপৰা তেতিয়াও সুৰৰ জাক জাক লহৰ আহি আছে। সুদূৰৰ সুৰবোৰ, আৰু সেই সুৰে মন পৰশা চন্দন-মমতাৰ হাঁহিৰ শেষ ৰেশবোৰ তেতিয়াও সজীৱ হৈ আছে। আৰু সজীৱ হৈ উঠিছে ক্ৰমে তীব্ৰ হৈ অহা সূৰ্য্যৰ জ্যোতিৰেখাবোৰ।

দেওবাৰৰ সেই পুৱা, নৈৰ পাৰৰ কঁহুৱাজাকৰ মাজে মাজে ক'ৰোবাক বিচাৰি উৰি ফুৰিছিল বাঁহীৰ সুৰ—'তোৰে মনে গ'ল, মোৰে মনে গ'লে----।' সেই সুৰৰ লহৰ বাগৰি বাগৰি নৈৰ ভটীয়নিত গা ধুই, তিতা গাৰে পানীৰ কলহ কাষত লৈ ঘৰলৈ উভতা গাভৰুজাকৰ কাৰ দেহ-মনত জুই জ্বলালে কোনে খবৰ লয়?

বাঁহীত সুৰ তোলাজন ৰামু ওৰাং। বনুৱা ডেকা। আজি তিনি-পুৰুষ হ'ল—ৰামুৰ পৰিয়াল ইয়াতে আছে। সি অসমীয়া নহৈ হব কোন? থলুৱা সংস্কৃতিৰ লগত জাহ গৈছে সিহঁতৰ পৰিয়াল আৰু বহু চাহবনুৱাৰ পৰিয়াল। ১৮৬০ চনত ৰামুৰ আজোককাক ইণ্ট ইণ্ডিয়া ষ্টীম কোম্পানীৰ জাহাজত উঠি আহিছিল। আজোককাক উভতি গৈছিল কুৰি বছৰ পিছত। পুতেক মাগনে বাগিচাৰ কামৰবে গাঁও এখনৰ অসমীয়া বিধবা ৰূপমণিক বিয়া কৰাইছিল। সিহঁতৰ পুতেক জগু বোৱেৰা। জগুৰ নুমলীয়া পুতেক ৰামু। কিন্তু পঢ়াশুনা

কৰিছে। নৈপৰীয়া অসমীয়া গাঁৱৰ গাভৰু চেনেহীৰ লগত তাৰ পৰিচয় হৈছিল—ইউনিয়নৰ নেতা শঙ্কৰৰ যোগেৰে। শঙ্কৰ শইকীয়াৰ ভনীয়েক চেনেহীৰ থামুচীয়া ককাল অৰু উঠন বুকুৰ নাচোনৰ ছেৱত সি উতলা হৈছিল। ৰামুৱে বাঁহীত ঝুমুৰৰ সুৰ তোলে; আৰু চেনেহীৰ বিহুৱলীয়া নাচোনৰ সুৰো ক্ৰমে তাৰ বাঁহীত ধৰা দিয়ে।

কিন্তু সুৰৰ পৰশেইতো সকলো নহয়। মনৰ খবৰ লৈ বা দিয়েই জানো যৌৱনৰ তৃপ্তি হয়? নিতান্ত আপোন কৰি লবলৈ এজন ডেকা আৰু এগৰাকী গাভৰুৰ মনৰ আকুতিৰ হাঁহাকাৰৰ অন্ত পেলোৱাৰ প্ৰশ্নওতো আছে।

আৰু সেই কথাকে ৰামু ওৰাওৰ পৰা সিদিনা জানিলে চন্দনে; উপলব্ধি কৰিলে মমতাই। এই সুৰক জীৱন দিবৰ সংকল্প লৈ সিদিনা মমতা উভতি আহিছিল। তেওঁ নিজেও অনুভৱ কৰিছিল যেন এই সুৰৰ বিননি অকল ৰামুৰে নহয়। এই সুৰৰ আঘাতে অকল চেনেহীকে জানো উতলা কৰে? আলিবাটলৈ চাওঁতে হাতৰ মাকো সৰি পৰা চেনেহীৰ দৰে মমতাৰ নিজৰো মনৰ এচুকত জানো কাৰোবাৰ বাবে প্ৰতীক্ষাৰ অনুভূতি এটা নাই??

●

দিন যায়। আৰু এদিন মমতাৰ মধ্যস্থতাতেই চেনেহীৰ মাক-দেউতাক ৰাজী হয় চেনেহীক ৰামুলৈ দিবলৈ। ইউনিয়নৰ নেতা ককায়েক শংকৰৰ আপত্তিতো আগৰে পৰা নাছিলেই। "তোৰে মনে গ'লে মোৰো মনে গ'লে, কি কৰিব বিজাতি কুলে"—এই প্ৰশ্নৰ সমাধান হ'ল প্ৰায় এমাহ পিছত যেতিয়া ৰামু ওৰাওৰ ঝুমুৰ গীতত দুটা সংস্কৃতিৰ সমন্বয়ৰ এনাজৰীডালি আৰু কটকটীয়া হোৱাৰ সুৰ শুনা গ'ল:

"মিলিলৰে সখি
হাৰাণ ৰতন
কাটিব দুজনে মিলি
সুখেৰ জীৱন।"

ফুলমণি, জবামণি, ৰতন, বুধুৱাহঁতে গীত-নাচেৰে বস্তি উখল-মাখল কৰি তুলিলে। চন্দন-মমতাই ৰামু ওৰাওঁৰ ঘৰৰ পৰা চেনেহী শইকীয়াৰ গাৱঁলৈও গ'ল। চেনেহীহঁতৰ চোতালত বিয়া নামৰ জাউৰি। এসময়ত দৰাঘৰীয়া আহিল। ৰামুৰ লগত চেনেহীৰ বিয়া হৈ গ'ল।......

বিয়াঘৰৰপৰা উভতি অহাৰ পৰত চন্দন আৰু মমতাই এইদৰে সমাজ জীৱনত গঢ়ি উঠা সংহতি সমন্বয়ৰ কথা পাতিলে। বহুত কথা।

চন্দনে মাজতে ক'লে ঃ এটা কথা মমতা। বাগিচাৰ বনুৱা, আৰু খেতিপথাৰেৰে ভৰা গাওঁ-বস্তিৰ মানুহবোৰক উছৱ-আনন্দই আপোন পাহৰা কৰে। কিন্তু মন কৰিছানে, সকলোৰে মনত এটা অভাৱৰ যন্ত্ৰণা।

মমতাই সহানুভূতি ভৰা কণ্ঠেৰে কৈ যায় ঃ এইসকল লোকৰ জীৱনত শিক্ষাৰ অভাৱ আৰু অভাৱ খোৱা-পিন্ধাৰ নিশ্চয়তাৰ। আত্মবিশ্বাস হেৰুৱাই, মদ-হাড়িয়াৰ মাজতে বহুতে আপোন পাহৰি থাকে। সুবিধাবাদীসকলে শোষণ চলাই যায়। এইবোৰ শোষিত জনসাধাৰণৰ শুকান ওঁঠত হাঁহি বিৰিঙাই তোলাৰ দায়িত্ব আমাৰ শিক্ষিত সমাজৰ।

ঃ কিন্তু বৰ্ত্তমানৰ সমাজ ব্যৱস্থাত সি জানো সম্ভৱ ?

ঃ সম্ভৱ কৰিব পৰাতহে আধুনিক বৈজ্ঞানিক যুগৰ কৃতিত্ব নিৰ্ভৰ কৰিছে। তাকে কৰিব নোৱাৰাত দিশহাৰা হোৱা হতাশসকলৰ উচ্ছৃংখল আচৰণো কাম্য নহয়। তেনে পৰিবেশেই এদিন তোমাকো চন্দন, মহানগৰৰ পৰা ওফৰাই পঠিয়াইছিল।

চন্দন মনে মনে থাকিল। তেওঁৰ মনৰ কথাকে যেন মমতাই কৈ গৈছে। 'এৰা ভালপোৱা পৃথিৱী :পৰা তেওঁ পলাই ফুৰিবলগীয়া হ'ল কিয় ? এটা বিৰাট সম্ভাৱনাৰ অপচয়ক তেওঁ কিয় মানি ল'লে ?

পুনৰ মমতাই কৈ গ'ল ঃ তোৱা চন্দন, পৃথিৱীখন এৰি তুমি পলাবা কলৈ? পৃথিৱীক আমি ভাল পাওঁ। পৃথিৱী মানে সৌৰজগতৰ

ভূখণ্ড নহয়। ভূগোলৰ কাল্পনিক ৰেখাৰে গঢ়া দেশ-মহাদেশ নহয়। পৃথিৱীৰ অৰ্থ পৃথিৱীৰ প্ৰাণী। তুমি সৰু থাকোতে শহা এটাক মানুহ কৰিব খুজিছিলা। বুধনকাইয়ে বান্দৰটোক চেনেহৰে আপোন কৰি ৰাখিছে। এনেস্থলত তোমাৰ মোৰ দৰে শিক্ষাদীক্ষা লাভ কৰা সকলে সমাজখনক—মানুহজাতিক আনন্দ দিবলৈ কিছু ত্যাগ স্বীকাৰ কৰিব লাগিব।

কিছুপৰ দুয়ো মৌন হৈ ৰ'ল।

জীপৰ ষ্টিয়াৰিং ঘূৰাই এটা বেঁকাপথ পাৰ হোৱাৰ লগে লগে চন্দনে মনত পেলালে সিদিনাৰ কথা। এই মনজুলি বাগিচাৰ মালিক শ্ৰীউত্তম বৰুৱাক লগ পোৱাৰ আগমুহূৰ্তত চন্দনে তিনিটা বাটৰ মূৰত থিয় হৈ সিদিনা ভাবিছিল এৰি অহা মহানগৰৰ কথা আৰু নিজে বাছি লোৱা অৰণ্যৰ কথা। তাৰ পিছত কালক্ৰমত, পৰিবেশৰ সাল-সলনি হৈ শেষলৈ এই তৃতীয় পথত যে তেওঁ ভৰি দিছিল। আৰু সেই পথেই আজি তেওঁৰ গতি সীমিত কৰিছে। এটা অজান পৰিবেশ, এটা অচিনাকী বন্ধনে ক্ৰমে যেন মেৰুৱাই ধৰিছে। এই বনুৱা, এইসকল গাওঁৰ সৰল খেতিয়ক, তেওঁলোকৰ সুখ-দুখ, আনন্দ উছৱৰ সমভাগী হৈ পৰিবলগীয়া হৈছে। সেই-সকলৰ মাজত চন্দনো এজন হৈ পৰিছে। লাহে লাহে মানুহবোৰক ভাল লাগি আহিছে—ভাল লাগি আহিছে পৃথিৱীখনক।

এইসকল খাটি খোৱা লোকৰ মঙ্গলৰ কাৰণে কাম কৰাতো এটা আনন্দ আছে ; এটা মাদকতা আছে। ইমান অস্বাস্থ্যকৰ অৱস্থাত বাগিছাৰ বনুৱাসকলে দিন নিয়ায়। কিমানে এওঁলোকক ঠগ-প্ৰবঞ্চনা কৰে। আজি তিনিমাহ হ'ল, নতুন মেনেজাৰ অহাৰ। তাৰ আগতে সহকাৰী মেনেজাৰ হিচাপে—এইসকল লোকৰ সান্নি-ধ্যলৈ চন্দন আহিছিল যদিও, ইমান ওচৰৰ পৰা বনুৱাসকলৰ সমস্যাৰ পৰিচয় পোৱা নাছিল। মিষ্টাৰ জনৰ অন্তৰ্দ্ধানৰ পিছত, তেওঁ প্ৰকৃততে এই তিনিমাহৰ অধিক কাল বাগিছাৰ কামত যোগ দিয়া নাই। মাজে-সময়ে ক্লেৰ্কীলৈ অৱশ্যে যায়। নতুন মেনেজাৰ মিষ্টাৰ সিংহে তেওঁক ভাল পায় ; কথা-বতৰা পাতে। কিন্তু

চন্দনে দেখিছে নিল্টাৰ সিঙৰ মনতো যেন এটা যন্ত্ৰণাই সততে ক্ৰিয়া কৰি থাকে। কাম-কাজত ইমান ধীৰ-স্থিৰ, অথচ কিবা যেন এটা অতৃপ্তিৰ ভাব অসতৰ্ক মুহূৰ্তত চকুৰে-মুখে বিৰিঙি ওলায়।

আনহাতে এই তিনিমাহৰ অধিক কাল প্ৰায়বোৰ বনুৱা বস্তি, ওচৰৰ খেতিখোলা আৰু গাঁও-ভূইত মমতা-ফুলমণিহঁতৰ লগত ঘূৰি-পকি চন্দনে এটা নতুন জীৱনবোধৰ তৃপ্তি পাইছে। এই তৃপ্তিৰ অনুভূতি কেনে ধৰণৰ তাক বিৱৰি বুজাই কোৱা টান; অথচ উপলব্ধি সহজে কৰিব পাৰি।

১৯৪৬ চনত শিৱসাগৰ মহকুমাৰ চল্টক বাগিছাত বনুৱাৰ আন্দোলন হৈছিল। মালিকে গুলী চলোৱাত বনুৱা বাংকু ওৰাঙৰ মৃত্যু হৈছিল। চল্টকলৈ গৈ তাৰ বুঢ়ামেথাসকলৰ মুখত চন্দনে সেই ঘটনা শুনিছিল। বনুৱা ৰাইজে এতিয়াও শ্ৰদ্ধাৰে বৃটিছ সাম্ৰাজ্য-বাদৰ প্ৰথম চাহ-বনুৱা শ্বহীদ হিচাপে বাংকু ওৰাঙক সোঁৱৰে। সেই সময়তো মনজুলি বাগিছা চাহাবৰ আছিল। সেই বছৰতে শ্ৰীউত্তম বৰুৱাই বাগিচাখন কিনে। তেওঁ আগৰ মেনেজাৰ নিল্টাৰ জনক ৰখাই থৈছিল। কাৰণ নিল্টাৰ জনেও নিজৰ পৰিয়াল নিশ্চিহ্ন হোৱা বাবে ইংলেণ্ডলৈ উভতি যাব খোজা নাছিল। তদুপৰি নিল্টাৰ জন বৰ উদাৰমনা আছিল। সেয়ে চল্টকৰ ঘটনাৰ পিছতো তেওঁ এই বাগানত বনুৱা ইউনিয়ন গঠন কৰোতে হকা-বধা কৰা নাছিল।

চন্দনে মমতাৰ মুখৰ পৰাই শুনিছে যে শ্ৰীউত্তম বৰুৱাৰো স্বাধীনতা আন্দোলনৰ প্ৰতি সহানুভূতি আছিল। বিয়াল্লিশৰ জনজাগৰণৰ সময়ত বহুতো বিপ্লৱীক তেওঁ ধনেৰে সহায় কৰিছিল। অসম চাহ শ্ৰমিক ইউনিয়নৰ শাখা ইয়াত স্থাপিত হোৱাত শ্ৰীবৰুৱাই বাধা দিয়া নাছিল। উত্তৰ অসম চাহ কৰ্মচাৰী সংঘৰ কৰ্মী আছিল শঙ্কৰ শইকীয়া। তেওঁৰ ভনীয়েক চেনেহী। আৰু এই চেনে-হীকে বিয়া কৰালে বনুৱাৰ ল'ৰা ৰামু ওৰাঙে।

সেইখন বিয়া পতাত মমতা আৰু চন্দনৰ মনে-প্ৰাণে সহযোগ আছিল। সেয়ে আজিৰ এই আনন্দ উৎসৱৰ ভাগ দুয়ো সাদৰি লৈছে।

আৰু এটা সময়ত নিশা দুয়ো উভতিছে নিজৰ নিজৰ থকা ঠাইলৈ।

দিন যায়। মনজুলি বাগিছাৰ লানি লগা শিৰীষ গছৰ ছাঁত লহপহকৈ বাঢ়ি অহা চাহগছবোৰ সেউজীয়া হৈ থাকে। কিন্তু তাৰ মাজে মাজে থকা পানী যোৱা লোৰ আৰু দোং-খালবোৰত সাপো থাকে, বেঙো থাকে। নিতৌ পুৱা আবেলি জুম পাতি ...ভক জাকে পাত তোলা চাই ভাল লাগে। চাওঁতাবহে ভাল লাগে। কিন্তু দিনটোৰ অন্তত যেতিয়া সেই পাতবোৰ ওজন কৰি সিহঁতৰ জীৱনৰ মূল্য নিৰূপিত হয়, তেতিয়া সেই জাক গাভৰুৰ মুখৰ হাঁহি নাইকিয়া হয়। চকুত জ্বলিব খোজা ক্ষোভৰ অগনিও নিস্তেজ হৈ হতাশ-মলিনহে পৰে। তাৰ পিছত থৰক-বৰক খোজেৰে ঘৰ। ঘৰত খোৱা-বোৱাৰ সমস্যা। ল'ৰা-ছোৱালীৰ কান্দোন। গিৰীয়েক বা দেউতাকে স্বাৰ্থপৰভাৱে বাগীয়াল বস্তুৰ মাজত নিজকে এৰি দি গালি-শপনি আৰু মাৰধৰ কৰি নিজৰ মনৰ ক্ষোভ পাতলায়। ফলত এইজাক গাভৰুৰে—এইজাক মাতৃয়ে নাৰীসুলভ কোমলতা অকালতে হেৰুৱাই পেলায়—

মনজুলি—ব্যতিক্ৰম নহয়। অসমৰ শ শ চাহ বাগিচাৰ আঁৰৰ এয়া গতানুগতিক কাহিনীক্ৰম। তাৰ মাজতে কিন্তু পৰিচালকসকলৰ অকৰ্মশৰীয়া জীৱন যাতে আমনিদায়ক নহয়, তাৰ ব্যৱস্থা ঠিকেই থাকে। ক্লাব, ছুইমিং পুল, পাৰ্টি, পিকনিক, সুৰা, নাৰী, কৃত্ৰিমতাৰে সৃষ্টি কৰা তথাকথিত মুক্ত জীৱন। কিন্তু এয়েই জানো মুক্ত জীৱন? জেতুকাৰ সেউজ আৱৰণ পিন্ধি-মোহাৰি চকু চমকোৱা ৰক্তিম আভা উলিওৱাৰ দৰে, পৰিবেশে বাধ্য কৰা চিন্তাহীন মগজুৰ প্ৰক্ষালনকতো মুক্ত জীৱন বুলি কব নোৱাৰি! অথচ প্ৰকৃতিৰ মাজত হেৰাই যোৱাৰ কল্পনায়ো অলস মনৰ মাজত প্ৰকৃত মুক্ত মনৰ সক্ৰিয় অনুভূতি যোগাব নোৱাৰে।

এনে বিৰুদ্ধ পৰিস্থিতিৰ মাজেদি আহিল চন্দন; আহিছে ম...। এ হিছিল বহুজন; আহিও থাকিব। তাৰ মাজত জীৱিকাৰ

হাড় চুহি জীয়াই থকা হেজাৰ হেজাৰ বনুৱা। অনাহক আড়ম্বৰ আৰু আত্মতুষ্টিৰে বাবু-কেৰাণীসকল ; আচহুৱা ভাবেৰে অহমিকা দেখুওৱা মেনেজাৰ, সহকাৰী মেনেজাৰসকল ; আৰু মাজে-মধ্যে নিজৰ শক্তিশালী স্থিতিৰ আভাস দিবলৈ অহা মালিকসকলো নিজৰ চিন্তা-ধাৰণাৰ ক্ষুদ্ৰ বৃত্ত একোটাত ঘূৰি থাকে। তাৰ মাজতো প্ৰতি-জন ব্যক্তিৰ নিজৰ সুকীয়া সমস্যা থাকে। পৰিয়ালৰ সমস্যা থাকে আৰু নিজ পৰিধিৰ চাৰিওকাষে থকা বিভিন্ন বৃত্তৰ লগত সংযোগ সমন্বয়-সংঘৰ্ষৰ প্ৰশ্নও থাকে।

এদিন এনে এটা পৰিস্থিতিত মনজুলিৰ বুকুৰপৰা মিণ্টাৰ জন আঁতৰি যাবলগীয়া হ'ল। এনে এটা পৰিস্থিতিত কিছুদিনলৈ একে মালিকৰে সোণাজুলি বাগানৰ সহকাৰী মেনেজাৰ অৰুণ বৰাও মন-জুলিত কিছুদিন থাকি গ'ল। সেই কেইদিনতে অবিবাহিত বৰাৰ আন বহু নাৰীৰ ওপৰত চকু পৰাৰ দৰে, মমতাৰ ওপৰতো কামনাৰ দৃষ্টি পৰিল। বিশেষকৈ চন্দনৰ লগতে ব্যস্ত থকা মমতাক দুদিনলৈ হ'লেও নিজৰ কাষলৈ আজুৰি আনিলেহে তেওঁৰ পৌৰুষত্বৰ গৌৰৱ বাঢ়িব, তেনে ভাব হ'ল। সেয়ে বেডমিণ্টন খেলাৰ ছলেৰে ডাক্তৰ পগেৰ ঘৰলৈ আঁহ-যাহ কৰিলে। মমতাই সময় অনুসৰি খেলত যোগ দিলে, হাঁহি-মাতি কথা-বতৰাও পাতিলে। কিন্তু যিটো অৰ্থত বৰাই সান্নিধ্য বিচাৰি আহিছিল, সেয়া সফল নহ'ল। আহত অভি-মান লৈ বৰাই চন্দনক গাঁৱলীয়া বুলি ইতিকিং কৰিছিল। মমতাই বৰাক সাৱধান কৰা সুৰত এদিন ক'লে যে, চন্দনক বাগিচাৰ মালিক শ্ৰীউত্তম বৰুৱাই আশ্ৰয় দিছে ; চন্দনৰ মনত আঘাত লাগিব পৰা কোনো কথা, কোনো কাম তেখেতে সহ্য নকৰিব।

নতুন মেনেজাৰ প্ৰতাপ সিং আহিল। লগত তেওঁৰ অতি আধু-নিকা আৰু কৃত্ৰিমতা ভাল পোৱা পত্নী—পলী সিং। ল'ৰা দুটা পঢ়ে ডুন স্কুলত। মিছেছ পলী সিঙৰ বয়স যদিও চল্লিশ, প্ৰসাধনে তেওঁক পঁচিশৰ ওচৰলৈ হোঁহকাই নিছে। লাহী কঁকাল, উন্নত পয়োধৰ, হাঁহিথকা যেন লগা ঈষৎ সজল চকুজুৰি, ওখ দেহৰ গঠন আৰু চঞ্চল গতি—পলী সিঙৰ বৈশিষ্ট্য। প্ৰথম দিনা বাংলোত সোমাই চোকা-

খনত 'ওফ্' বুলি দেহাবয়ব পেলাই দিয়াৰ সময়ত, বাগিচাৰ হেড্-ক্লাৰ্কে ভালৰি বোলাই কৈছিল, "মেম ছাহাবৰ ভাগৰ লাগিছে চাগে !"

আচৰিত ধৰণে হাঁহি, ছোফাৰ পৰা উচাং মাৰি উঠি পলী সিঙে কৈছিল, "Oh, No No, বৰবাবু, প্ৰতাপক সোধা—তেওঁৰ আপত্তি হে মই কেতিয়াও ভাগৰি নপৰো। Is it' not ?"—মেনেজাৰ প্ৰতাপ সিঙে অস্বস্তিবোধ কৰি বাংলোটো দেখুৱাই-মেলি দিবলৈ অহা বৰবাবুক বিদায় দি ক'লে যে অলপ পিছতে ফেক্টৰীলৈ তেওঁ যাব, তাতে সকলোকে লগ পাব। —পলীয়ে এনে এটা ৰসাল পৰিবেশৰ পাতনিতে সামৰণি পেলোৱা গিৰীয়েকলৈ কেৰাহিকৈ চাই সুহুৰিয়াই দ্ৰুতগতিৰে কাঠৰ চিৰিৰে বঙলাৰ ওপৰলৈ উঠি গ'ল। চঞ্চল চৰণৰ লগতে দেহৰ ভাঁজে ভাঁজে এটা তৰঙ্গায়িত গতিৰ সৃষ্টি কৰি পলীয়ে তেওঁৰ সচৰাচৰ জীৱনৰ আন এটি অধ্যায় আৰম্ভ কৰিলে।

বিচিত্ৰ জগতত বিচিত্ৰ চৰিত্ৰৰ সমাবেশ,—আৰু পলীও তেনে এটি চৰিত্ৰ মাথোন। যৌৱনৰ প্ৰতিটো মুহূৰ্তক আমোদ উত্তেজনাৰে ধৰি ৰখাৰ প্ৰচেষ্টাত ব্যস্ত পলী সিং। পলী সিং আগতে আছিল পলী চৌধুৰী। ধুবুৰীৰ মিছ পলী চৌধুৰী এদিন আছিল কলেজৰ 'বিউটী কুইন'—সৌন্দৰ্য্য ৰাণী। সি বাটেৰে মিচ পলী-চৌধুৰীয়ে খোজ কাঢ়িছিল, তাৰ দুয়োকাষে বুভুক্ষু চকুৰ শাৰী জিলিকি উঠিছিল। আৰু এই আকৰ্ষণৰ কেন্দ্ৰ হোৱা গৌৰৱতে পলীৰ মনোজগতত সততে এটা অস্থিৰ বা-মাৰলী উঠিছিল। কিন্তু সময় বৰ নিষ্ঠুৰ। সি কাৰো বাবে ৰৈ নাথাকে। প্ৰতিটো মুহূৰ্তই, প্ৰতিটো দিনে, প্ৰতিটো মাহে; প্ৰতিটো বছৰে নিষ্ঠুৰভাৱে মানুহৰ দেহত আঁচোৰৰ পিছত আঁচোৰ মাৰে। ফুলৰ দৰে অকণিৰ হাঁহি ক্ৰমে সময়ৰ আঁচোৰত কামনাৰ কাঁইটে আবৰি ধৰে। উদ্দাম কিশোৰ কিশোৰীৰ দেহত এহাতে সৌন্দৰ্য্যৰ ধূপ আৰু আনহাতে দেখা দিয়ে সঙ্গী সন্ধানৰ আকুলতা। উদণ্ড যৌৱনো স্থিৰ হৈ নাথাকে,—ক্ৰমে মধ্যাহ্নৰ পৰিবেশত জাহ গৈ থাকে। আৰু শেষত বাৰ্দ্ধক্যই এদিনৰ ফুলকলি, পিছৰ প্ৰস্ফুটিত পুষ্প আৰু ক্ৰমে হাউলি পৰা দেহাবয়বক সামৰি লৈ ছবিৰ এটি মুহূৰ্তত থমকাই দিয়ে। গতিৰ যদি যতি হয়, তেন্তে সেই মুহূৰ্ততহে ; জীৱনৰ যদি

জিৰণি হয়, তেন্তে সেইটো মুহূৰ্ততহে। তাৰ পিছত? তাৰ পিছতো অনন্ত গতি,—জ্ঞানীজনে কয়। আনসকলে কয় অনন্ত সমাধি; খেনোৱে কয় সাময়িক বিৰতি।

এয়ে যদি সকলোৰে পৰিণতি, তেনেহ'লে পাৰ্থিব সুখ-সম্ভোগেৰে যৌৱনৰ মুহূৰ্তবোৰ ভৰাই নুতুলিম কিয়? কিয় প্ৰাণৰ পিয়লা উপচাই ভালপোৱাৰ মাজেৰে জীৱন মৃত্যুৰ ভেদাভেদ নাইকীয়া কৰি নিদিম? গালিবেওতো কৈছিল:

মুহাব্বতমেঁ নহী ফৰ্ক
জীনে ঔৰ মৰণেকা—

এনেদৰেওতো যুক্তিৰ জাল গুঠিব পাৰি। হয়তো পলী চৌধুৰী আৰু পলী সিওৰ মনতো এনে ধৰণৰ চিন্তাই ঠাই পাইছিল। অথচ এই কামনাৰ অভিযানতো শেকাম নাথাকে। দুৰন্ত গতিৰ ঘোঁড়াত উঠি আনন্দ উত্তেজনা অনুভৱ হয়, কিন্তু ৰুদ্ধশ্বাস হোৱাবোতো অশাঙ্কা আছে।

হাজাৰোঁ খ্বাহিছ এয়সীকে
হৰ্ খ্বাহিছপেঁ দম্ নিক্‌লে,
বহুত নিক্‌লে মেৰে আৰমান্
লেকিন ফিৰ্‌ভী কম্ নিক্‌লে
(গালিব)

এবা, হয়তো পলীয়েও ভাবে 'হেজাৰ কামনা মোৰ এনে ধৰণৰ যে প্ৰতিটো কামনাৰ বাবে মই প্ৰাণান্ত হও হও লাগে; অনেক কামনা মোৰ পূৰণ হ'ল কিন্তু তথাপিও সেয়া যেন কম।'

পলীয়ে প্ৰথমৰেপৰা সমবয়সী আৰু পাছলৈ কমবয়সৰ ডেকা-ল'ৰাৰ সান্নিধ্য বিচাৰি আহিছে। বয়সক ধৰি ৰাখিব পৰাৰ প্ৰমাণ হিচাপে তেওঁতকৈ কম বয়সৰ দুৰন্ত যৌৱনৰ ডেকা শক্তিক বশ কৰাৰ মাজত যেন কিবা এটা মাদকতা তেওঁ পায়। এটা অদ্ভুত মানসিকতা বুলি হয়তো আনে ভাবে; বহুতে কয় এটা deceased mind ৰুগ্নমনৰ গৰাকী পলী। কিন্তু তেওঁ তেজী ঘোঁৰাত উঠি পোৱা উত্তেজিত আনন্দত

আপোন পাহৰা হয়। কোনো কথা নাই, কাইলৈ কি হব, কিন্তু আজি —ইমান মূল্যবান আজিৰ প্ৰতিটো মুহূৰ্ত কিয় উপভোগ নকৰিব !!

পলীয়ে হয়তো কোনো খেদ নেদেখুৱাই কব পাৰে —

-----আজি মোৰ পৰিচয়—মিছেছ পলী সিং। এদিন আছিলো পলী চৌধুৰী। সিং নহৈ আৰু কিবা উপাধি মোৰ নামৰ লগত সাঙোৰ খাই থাকিব পাৰিলেহেঁতেন। সেইকথা নিৰৰ্থক। কলেজৰ প্ৰথম বছৰতে মোক 'বিউটী কুইন' বুলি সকলোৱে কৈছিল। মোৰ সহপাঠী সকলৰ লুব্ধ দৃষ্টি, আৰু প্ৰফেছাৰ কেইজনমানৰ ধৰা পৰাকৈ লুকাই ৰখা কামনাৰ প্ৰকাশেও মোক আমোদ দিছিল। কিন্তু সেইসকলক লুব্ধ-ক্ষুব্ধ কৰি ৰখাতেইতো মোৰ সৌন্দৰ্য্যৰ গৌৰৱ। গতিকে মই ধৰা দিও দিও দেখুৱাই সহপাঠীসকলক উত্তেজিত কৰিছিলো আৰু শিক্ষাদাতা গুৰুসকলক কৰিছিলো উদাসীন। কিন্তু মেচ্ ফেক্টৰীৰ মিঃ ত্ৰিবেদীৰ লগত, এছ ডি.ও জাহ্নান আহমদৰ লগত, ডনপাইভৰিৰ মিণ্টাৰ ছোনীৰ লগত পাতিছিলো বন্ধুত্ব। সেই বন্ধুত্বৰ পৰিধি ক্ৰমে এটা এটা স্তৰলৈ আগবঢ়াই নিছিলো। এজনৰ লগত সিজনৰ বিদ্বেষ বিবোধৰ ভাব দেখি, মোৰ সৌন্দৰ্য্য আৰু যৌৱনে জয়ৰ উল্লাসত নাচি উঠিছিল। -----মত্ত মানুহবোৰোৱে। বান্দৰ নচুওৱাৰ দৰে লাগিছিল বহুতকে। কিন্তু কেতিয়াবা নচুওৱা মানুহজন সাপো হৈছিল। সাপ বাজীকৰকো কেতিয়াবা সাপে খোটে। তাতে মানুহবোৰতো দাঁতভঙা সাপ নহয়। তেৱেঁ মোকো যে খোটা নাছিল, সেয়া নহয়। কিন্তু তাৰ প্ৰতিকাৰৰ বাবে 'জহৰ মহৰ'ৰ ব্যৱস্থাও আছিল মোৰ। ——একেজনৰ লগতে মাথো বন্ধুত্ব কৰি bore হব নোৱাৰো মই। আমনি লাগে।-----কিন্তু পঢ়া শুনা এৰাৰ পিছত মা দেউতাই মোৰ এই অনিৰুদ্ধ যৌৱনৰ গতিৰোধ কৰিব খুজিলে। গুৱাহাটীৰ কোনোবা অধ্যাপক সেনৰ লগত বিয়া থিৰ কৰিলে। ----অসম্ভৱ, মোৰ বাবে এয়া অসম্ভৱ। এজনৰ অঙ্কশায়িনী বন্দিনী হৈ মই ৰাজকুমাৰীৰ অলস জীৱন নিবিচাৰো। মোক লাগে দুৰন্ত যৌৱনৰ তেজী অশ্বাৰোহীৰ অফুৰন্ত গতি। -----মিণ্টাৰ ছোনীক ভাল লাগিছিল— তেওঁ 'জেলাছ' নাছিল—মই আন সহস্ৰজনৰ লগতে তেওঁকো সঙ্গ দিয়াত তেওঁৰ আপত্তি নাছিল। কৈছিল জীৱনক লেকাম নধৰ' ঘোঁৰাৰ

গতি দিবা ; প্ৰেম কামনা বাসনাৰ ক্ষেত্ৰত স্বাৰ্থপৰ, আপোনপেটী নহ'বা। ভাবিলো মিণ্টাৰ ছোনীকে বিয়া কৰাই দেউতা-মাইতৰো চিন্তাৰ অন্ত পেলাও, মিছেছ ছোনী উপাধিৰ ওৰণি লৈ মোৰ অনন্ত অভিসাৰো চলাই থাকো। -----মিণ্টাৰ ছোনীক ক'লো। নচুৱাই থাকোতে বিদ্ৰোহ কৰি খুটিয়াই দিয়া সাপটোৰ দৰে একান্তভাৱে নিজক মই সপি দিয়াৰ পৰতে ওঠত ওঠ থৈ তেওঁ ক'লে----পলী, I am married অকল বিবাহিতাই নহয়, তেওঁৰ ল'ৰা এটিও আছে। গতিক বিয়া কেলৈ? জীৱনত বন্ধন কিয়? উপভোগেইতো সকলো। ------সিদিনা মোৰ এটা চমক লাগিছিল। কিন্তু প্ৰকাশ নকৰিলো। মিণ্টাৰ ছোনী মোৰ একে ধৰণৰ বন্ধু হৈ থাকিল। তেৱেঁই আকৌ তেওঁৰ বন্ধু-- প্ৰতাপক মোৰ লগ লগাই দিলে। তাতকৈ বন্ধুৱে বন্ধুৰ বাবে আৰু কি কৰিব পাৰে? ----বেচেৰা ভাগলপুৰৰ প্ৰতাপ সিং। ভুৱাৰ্হত সহকাৰী মেনেজাৰ হৈ সোমাইছিল ; নিশ্চয় মিণ্টাৰ ছোনীৰ দৰেই উদাৰ প্ৰেমৰ উপাসক হ'ব। -----কিন্তু মোৰ ভুল হ'ল। মিছেছ সিং মই নোহোৱাই ভাল আছিল। আচলতে মই পলী চৌধুৰী হৈ থাকিলেহে অনন্ত যৌৱনা হৈ থাকিলো হেতেন। -----মই প্ৰতাপক ক'লো যে মোক আন দহজনী সহধৰ্মিনীৰ দৰে যেন নাভাবে। প্ৰতাপ ইমান মৰমীয়াল, কিন্তু ভীৰু। জীৱনক উপভোগ কৰাতকৈ এটা দৰ্শনৰ মেৰপাকত নিজকে সুমুৱাই বিচাৰ বিবেচনা কৰি ভাল পোৱা মানুহ। মোক তেওঁ অভিভাৱকৰ দৰে শাসন কৰে ; মৰম কৰে ; পুতৌ কৰে। কেতিয়াবা মোৰ ওপৰত অভিমানো কৰে। মতা মানুহক এইবোৰে শোভা নাপায়। অন্ততঃ মই তেনেকৈয়ে ভাবো। -----

....তথাপি দিনবোৰ গ'ল। ভুৱাৰ্হতে প্ৰথম সন্তানৰ মাতৃ হৈ কিছুদিন যেন মোৰ গতি ৰুদ্ধ হৈ গ'ল। ...আৰু এটা। অসহ্য। কলিকতাৰ নাৰ্ছিং হোমতে শেষবাৰলৈ এনে তথাকথিত মাতৃত্বৰ বন্ধনৰ পৰা মুক্তিৰ ব্যৱস্থা কৰিলো। ল'ৰা দুটাক আইতাকৰ তাতে থৈ দিলো। সময়ত তাৰ পৰাই পাব্লিক স্কুললৈ পঠিয়ালো। আৰু মই যৌৱনৰ পিয়লাৰ শেষ টুপি লৈকে পান কৰাৰ প্ৰচেষ্টা চলাই থাকিলো।

—জীৱন মানে কি ? কিয় মই বোবা বেদনাত চিঞৰি উঠিম "উম্রে—দৰাজ মাগ্‌ কৰ লায়ে থে চাৰদিন্‌ । দো আৰ্জু মেঁ কট্‌ গয়ে, দো ইন্তজাৰ্‌ মেঁ ।"—বাহাদুৰ শ্বাহজাফৰে হাঁহাকাৰ কৰিব পাৰে—দীঘলীয়া জীৱন বিচাৰি মাথোঁ চাৰিটা দিন পালে বুলি আৰু তাৰে দুটা পাৰ কৰিলে আশাত আৰু দুটা প্ৰতীক্ষাত ! কিন্তু মই পলী। মই কেইদিন জীয়াই থাকিম তাৰ বিচাৰ নকৰো, বিচাৰ কৰিম কেইটা মুহূৰ্ত উপভোগ কৰিব পাৰিছো। মজাৰ কথা, প্ৰতাপেই মোক বহুতো উৰ্দু ছায়েৰী শিকাইছে। সেইবোৰৰ বোলে গূঢ় অৰ্থ এটা আছে। তেওঁৰ বাবে থাকক। মোৰ বাবে বাহ্যিক অৰ্থই যথেষ্ট।

—এৰা, মিষ্টাৰ প্ৰতাপ সিঙৰ লগত মই বহুবছৰ আছোঁ। কিন্তু বন্দী বিহঙ্গমৰ দৰে হাঁহাকাৰ কৰি থকা নাই। পানেৰী চাহ বাগিচাত এদিন এটা পাৰ্টিত লগ পাওঁ ৰণথলী বাগানৰ এজন সহকাৰী মেনেজাৰক। বিজয় ভাগিজ। মোতকৈ পাঁচ বছৰমানৰ সৰু। সেই ডেকাৰ লগত পাৰ হ'ল মোৰ অনিৰুদ্ধ জীৱনৰ কেইটা-মান দিন। নতুন স্বাদ বিচাৰি তাৰ পিছতেই পুনৰ ডুবাৰ্ছত পালো আৰু কম বয়সৰ উচ্ছল প্ৰাণৰ এজন যুৱকক। মোহন। তাৰ পিছত কোনোজন ভাবুক কবি, কোনোজন খেলুৱৈ, কোনোজন অভিনেতা। —কিন্তু মই যেনিবা এগৰাকী অভিনেত্ৰীয়েই প্ৰতিজন ডেকাক ৰুদ্ধশ্বাসে ঘূৰাই ফুৰালো। এয়া জানো মোৰ কম গৌৰৱ ? নতুন নতুন ছাত্ৰ পাই শিক্ষকসকল সদায় হেনো সজীৱ হৈ থাকে। ময়ো ভাল পাওঁ মোৰ আমোদৰ লগৰী নতুন নতুন কেচা ডেকাবোৰক। সিহঁতক নচুৱাব পাৰি। যৌন জীৱনৰ পৰিপক্ক অভিজ্ঞতাৰে সিহঁতৰ অনভিজ্ঞ দেহ-মনত উথল-মাথলৰ সৃষ্টি কৰিব পাৰি। আৰু এটা মুহূৰ্তত ওপৰৰপৰা তললৈ পেলাই দি ৰং চাব পাৰি। তাৰ পিছত আন এজন। আৰু এজন। এইযে মিষ্টাৰ অৰুণ বৰা, সোণাজুলিৰ এছিষ্টেন্ট মেনেজাৰ,---- এইবাৰ তেওঁক নচুৱাইছোঁ। তিৰোতা বলিয়া। মোক পাই স্বৰ্গ পাইছে। কিন্তু মোৰ আমুৱাইছে। —এতিয়া মই বিচাৰো চন্দনক। মমতাই আবৰি ৰাখে সুঠাম সেই ডেকাটোক। কিন্তু মই নেৰো। ৰবাৰ হতুৱাই চন্দনক মোৰ ওচৰ পোৱাম। ঘৰচীয়া হাতীৰে বনৰীয়া হাতী

ধৰে। ধুবুৰীত থাকোতে গৌৰীপুৰৰ ৰাজবাড়ীলৈ গৈছিলোঁ। এবাৰ ৰাজপৰিয়ালৰ লগত হাতী ধৰা চাবলৈও গৈছিলো। এটা ঘৰচীয়া হাতীয়ে বনৰীয়া পোৱালি হাতী এটাক বলাই বলাই আনিছিল আৰু আত্মগোপন কৰি থকা মাউতৰ শকত ৰছিয়ে বেচেৰাক বন্দী কৰিছিল। হাঁহি উঠে; অৰুণ বৰা—মোৰ পোহনীয়া হাতী আৰু বনৰীয়া কুমলীয়া হাতী----চন্দন। নাই, নাই, মই আৰু ধৈৰ্য্য ধৰিব নোৱাৰো---- চন্দনক মই পাবই লাগিব। চন্দনক পালেই----বৰাক 'কিক্ আউট' কৰিম। এদিন চন্দনকো আঁতৰাই দিম। তাৰ পিছত? এয়া মই একেটা গ্লাছতে ভিন ভিন সুৰা বাকি জুতি চোৱাৰ দৰে---আৰু নতুন নতুন চন্দন আহিব। আহিয়েই থাকিব। যেতিয়ালৈ মোৰ এই অতৃপ্ত যৌবনক ৰঙৰ প্ৰলেপেৰে, সুৰাৰ উত্তেজনাৰে ধৰি ৰাখিব পাৰিম—তেতিয়ালৈকে।—তেতিয়ালৈকে---

মদন [illegible] প্ৰৱেশ চাবি লৈ খোলা পলীক মিণ্টাৰ সিওঁ মাতিলে : পলী!

পলীয়ে হাঁহি মাৰি ক'লে,

: Oh, my husband, my life, welcome--

: Polly, come to sense. Don't drink more—প্ৰতাপে ক'লে।

: তুমি দেখিছো পলিটিকেল লিডাৰৰ দৰে লেকচাৰ দিছা? প্ৰহিবিচন'ৰ লেকচাৰ---ফুঃ

পলীৰ মতলীয়া অৱস্থাৰ কথাবোৰ আৰু প্ৰায় আভৰণহীন দেহৰ ভাঁজবোৰে প্ৰতাপক ক্ষুব্ধ কৰি তুলিলে।

: ননচেন্স। I can't tolerate all these.

: অলৰাইট। তুমি যোৱাগে। গুড বয়। গুড নাইট। তুমি তোমাৰ বাট লোৱা, মই মোৰ বাট লম।

হঠাতে অদ্ভুত ধৰণে হাঁহি উঠিল পলীয়ে। মুহূৰ্ত্ততে হাঁহি বন্ধ কৰি চিঞৰি উঠিল,

ঃ বেয়াৰা, এই বেয়াৰা—ড্ৰাইভাৰকো বুলাও, মায় বাহৰ যাউংগী।

খণ্ডেৰে প্ৰতাপ সিং শোৱা কোঠালৈ সোমাই গ'ল।

আৰু অলপ পিছতেই সেই মাজনিশা, সুৰাৰ বাগীত মতলীয়া, অৰ্দ্ধআভৰণা পলী গুচি গ'ল প্ৰকাণ্ড গেটেৰে ওলাই সোণাজুলি বাগানলৈ।

●

এনে গভীৰ নিশা হঠাতে পলীৰ আবিৰ্ভাৱৰ কথা অৰুণ বৰাই ভাবিবই পৰা নাছিল। আচৰিত হৈ ওলাই অহা বৰাক হাতত ধৰি শোৱনি কোঠালৈ লৈ গৈ উত্তেজিতভাৱে পলীয়ে কিবা কৰ খুজিলে।

বৰাই সুধিলে ঃ কি হ'ল মিছেছ সিং ?

পলীয়ে বৰাৰ মুখত হাত দি ক'লে ঃ নলবা সেই তোমাৰ মেনেজাৰ সিঙৰ নাম। এটা ডাঙৰ কথা আছে।

ঃ কোৱা।

ঃ কম। তুমি কিন্তু কথাটো ৰাখিব লাগিব। চাওঁ, ড্ৰিংছ আনা।

আকৌ সুৰা। অৰুণ বৰা আৰু পলী সিং। দুয়ো যেন ক্ৰমে এখন কল্পনাৰ জগতলৈ আগবাঢ়িছে।

ঃ অৰুণ।

ঃ পলী ডিয়েৰ।

ঃ জীৱনটো ভোগ কৰা।

ঃ নিশ্চয়।

ঃ কিন্তু এঁকবাৰতে ভাবে জীৱনটো অপচয় কৰাৰ কথা। জীৱন মানে কি ?

ঃ পলী, জীৱন মানে যৌৱন।

ঃ ৰাইট অৰুণ। আৰু এই যৌৱন কেইদিনৰ ?

পলীয়ে অৰুণৰ গাতে চলি পৰি ক'লে,

ঃ চাওঁ ধৰা। মই শুম। বিচনাতে শুৱাই দিয়া। ধৰা। ভালকৈ। আঃ সাৱটি ধৰা। জোৰে। পৰি যাম যে।

ঃ ৰবকৈ খাজা পলী—

ঃ নাই, নাই, অন্‌লী ফোৰ্ পেগ্ । আঃ তোমাৰ হাতখন ইমান চান। কিন্তু ইমান আৰাম।

পলীক ৰৰাই বিচনাত শুৱাই দিলে। পলীয়ে ক'লে,

ঃ আঃ চকুত লাগিছে। বৰ পোহৰ।

মাত্ৰ ডিম লাইটটো জ্বলাই, কোঠাটো প্ৰায় আন্ধাৰ কৰি দিলে ৰৰাই।

পলীয়ে ক'লে ঃ এতিয়া কথাটো শুনা। আহাঁ, বিচনাতে বহা। নহয়, তুমিও শুই লোৱা।—

এটা সময়ত পলী আৰু অৰুণ ৰৰা নিবিড়ভাৱে বিচনাখনত পৰি থাকিল। বালক্লকৰ শব্দই মাত্ৰ পৰিস্থিতিটো সজীৱ কৰি ৰ'ল।

আৰু এটা সময়ত আবেগজড়িত কণ্ঠেৰে পতা দুজনৰ কথাবোৰ বালক্লকৰ টিক্‌টিক্ শব্দৰ লগত তাল মিলাই যেন সৰি সৰি পৰিল।

ঃ জানা অৰুণ, তুমি মমতাক আৰু মৱো চন্দনক পাব লাগিব।

ঃ নো মাই ছুইট, তেওঁলোক দুজনক আঁতৰোৱা অসম্ভৱ। আচলতে প্ৰেমত পৰিছে—

ঃ ননচেন্স। প্ৰেম, লাভ, মোহব্বত, ভালপোৱা। ফুঃ, অল্ মিনিংলেছ্, অৰ্থহীন। কোনো অৰ্থ নাই।

হঠাতে পলী উঠিছিল। লাইটবাল্বৰ তীব্ৰ হৈ জ্বলিছিল। আৰু জ্বলিছিল পলীৰ চকুযোৰ।

ঃ মিঃ অৰুণ ৰৰা। তুমি পাৰিবই লাগিব। মৱো পাৰিবই লাগিব। কাইলৈ আহিবা মোৰ তালৈ। আমাৰ প্ৰোগ্ৰেম ঠিক কৰিম।

উত্তৰলৈ বাট নাচাই, শেষ নিশা পলী ওলাই গৈছিল সোণাজুলিৰ এছিষ্টেণ্ট মেনেজাৰৰ ঘৰৰ পৰা। আৰু পুৱাৰ পোহৰ হোৱাৰ আগতেই নিঃপালি দি শুই থকা বেয়াৰা, মালীইতৰ দৰে মিছেছ পলী সিওঁ শুই পৰিছিল। কেইমুহূৰ্তমানৰ পিছত, কুকুৰাৰ ডাকৰ লগে লগে উঠা মিণ্টীৰ প্ৰতাপ সিঙ ওলাই গৈছিল—মনজুলি বাগিচাৰ কামজাৰিলৈ।

এটা নিশা শেষ হৈছিল,---আন এশটা নিশাৰ দৰে। এটা দিন আৰম্ভ হৈছিল আন হেজাৰটা দিনৰ দৰে।

মেনেজাৰ প্ৰতাপ সিংক চন্দনে শ্ৰদ্ধা কৰিছিল। তেওঁৰ চিন্তা-গধুৰ কথাই, কৰ্ত্তব্যপালনৰ নিষ্ঠাই চন্দনক আকৰ্ষণ কৰিছিল। শ্ৰীউত্তম বৰুৱাই মিষ্টাৰ সিংক চন্দনৰ সকলো কথা বিবৰি কৈছিল। বাগানৰ কামত যাতে পুনৰ চন্দনে মন দিয়ে তাৰ বাবে চেষ্টা কৰিবলৈও শ্ৰীবৰুৱাই মিষ্টাৰ সিংক ইঙ্গিত দিছিল। মিষ্টাৰ সিঙে চন্দনক মাতি আনি নানান কথা পাতিছিল। চন্দনৰ মন জনসেৱাৰ প্ৰতি মমতাই চাল খুওৱা কথাৰ সম্ভেদ পাই, মিষ্টাৰ সিঙে তেওঁক বাগানৰ বনুৱাসকলৰ কল্যাণৰ দিশটোৰ দায়িত্ব লবলৈ অনুৰোধ কৰিছিল। মমতায়ো এনে প্ৰস্তাৱতে চন্দনক উদগনি দিছিল। ইতিমধ্যে বনুৱাসমাজত সৰবৰহী হৈ পৰা চন্দন ইউনিয়নৰ সদস্য সকলৰো আস্থাভাজন হৈছিল। এনেদৰে মেনেজাৰ প্ৰতাপ সিঙে পুনৰ চন্দনক বাগান পৰিচালনাৰ কামত সুমুৱাই লৈছিল।

মিষ্টাৰ সিঙৰ সহানুভূতিশীল ব্যৱহাৰে চন্দনক আকৌ সক্ৰিয় কৰি তুলিছিল। মমতায়ো বনুৱা কল্যাণৰ কামত প্ৰায়েই চন্দনৰ লগে লগে থাকিছিল। ফুলমণি, মংৰা মালী, বুধন বান্দৰৱালা, শঙ্কৰ আৰু বনুৱা কৰ্মীসকলৰ সমাজখনৰ মাজত চন্দনে এটা নতুন আকৰ্ষণ অনুভৱ কৰিলে। ছাঁৰ দৰে লাগি থকা মমতাৰ সান্নিধ্যতো জীৱনৰ এটি নতুন মোহৰ সন্ধান পালে। কব নোৱাৰাকৈ যেন দুটা মনৰ গতিধাৰা একেটা সুঁতিৰে প্ৰবাহিত হবলৈ ধৰিলে। শনিবাৰে ওচৰৰ গাওঁ-ভুই, পুৰণিদিনীয়া স্মৃতিৰ চিনবোৰ চাই ফুৰে দুয়ো। মমতাৰ খেল-ধেমালি, সঙ্গীত চৰ্চা আৰু অধ্যয়নৰ মাজত চন্দনো সোমাই পৰে অতৰ্কিতে। চন্দনৰ নিসঙ্গ জীৱনৰ বহুদিনীয়া শূন্যতাৰ হাঁহাকাৰ যেন পূৰ্ণতাৰ উজ্জ্বল আনন্দই ক্ৰমে খাঁতৰাই পেলাবলৈ ধৰে।

মেনেজাৰ মিষ্টাৰ সিঙে কিন্তু চন্দনক কোনো দিনে নিজৰ বাংলোলৈ লগ নধৰিছিল। মমতাই জানে মিষ্টাৰ সিঙৰ জীৱনৰ

শূন্যতা কোনখিনিত। ল'ৰা তিৰোতা প্ৰাক্তিও পৰিয়ালৰ পৰিবেশ নোপোৱা মিষ্টাৰ সিং। তাৰ কাৰণো মমতাই গম পাইছিল। সেয়ে মিছেছ সিঙৰ উচ্ছৃংখল জীৱনৰপৰা চন্দনক আঁতৰত ৰখাটো তেওঁ বিচাৰিছিল। তদুপৰি মমতাই চন্দনৰ ক্ষেত্ৰত এটা অভিভাৱকসুলভ দায়িত্ব মূৰপাতি লৈছিল আৰু সেই দায়িত্বৰ পৰাই কব নোৱাৰাকৈ চন্দনক সকলো সময়তে অকল নিজেহে আবৰি ৰখাৰ এটা মানসিকতাৰ অধিকাৰিণী হৈ পৰিছিল। কেতিয়াবা অকলে মমতাই ভাবে, তেনেহ'লে চন্দনৰ আহত মনত প্ৰলেপ দি থকাৰ চিৰন্তন দায়িত্ব জানো তেওঁ লৈ থাকিব লাগিব? এটা অদ্ভুত শিহৰণ অনুভৱ কৰি, তেনে চিন্তা জোৰেৰে আঁতৰাই মমতাই মনটো লৈ যায় আন কাম বা অধ্যয়নৰ মাজলৈ, নাইবা অৰ্গেণত হাত বুলাই সুৰৰ জগতলৈ।

এটা দেওবাৰ মমতাই বেডমিণ্টন মেচৰ আয়োজন কৰিছিল; খোৱা-বোৱা তাতেই হব। কিন্তু চন্দনক হঠাতে মিঃ সিঙে হীৰাজুৰি ক্লাবলৈ মাতি পঠিওৱাৰ খবৰ আহিল। শ্ৰীৰিকৰাৰ বাগানকেইখনৰ বনুৱাৰ সমস্যা আৰু উন্নয়ন সম্পৰ্কে তেনো কনফাৰেন্স পাতিছে। সোণাজুৰিৰ অৰুণ বৰাও যাব। মমতাক খবৰটো দিবলৈ আহিল চন্দন নিজে।

ঃ ইচ্, দেওবাৰটো নষ্ট কৰিলা! মমতাই বিৰক্তিৰে ক'লে।

ঃ কি কৰিবা? লেবাৰ প্ৰব্লেমৰ বিষয়ে আলাপ-আলোচনা কৰাৰ কথা ময়ে মিষ্টাৰ সিঙক এদিন কৈছিলো। অকল মনজুৰিৰ বনুৱাসকলৰ মাজতে চোৰাং মদ আৰু জুৱা বন্ধ কৰিলেতো নহব। আন দুখন বাগিচাতো একে ধৰণৰ ব্যৱস্থা লাগে।

ঃ কথাটোতো যুক্তিযুক্ত চন্দন। তথাপি আগতে খবৰ পালে বেয়া নেলাগিলহেঁতেন। আৰু মিষ্টাৰ সিঙে নিজেইচোন তোমাক লৈ যাব পাৰিলেহেঁতেন। মমতাই মন্তব্য ক'ৰে।

চন্দনে কয়ঃ জানাইচোন, তেওঁ মোক দায়িত্ব দি প্ৰায়েই মনজুৰিৰ বাহিৰত থাকে। ডিব্ৰুগড়ৰ পৰা পোনে পোনে আহিব বোলে।

: মিহেছ সিঙৰ উৎপাত কিমান সহ্য কৰিম। মমতাই আৰু কিবা কব খুজিছিল, কিন্তু দূৰত বৈ থকা জীপৰ হৰ্ণ বাজি উঠিল।

: আহো দেই মমতা। পলম হব।

: সোনকালে আহিবা কিন্তু। গধূলিৰ আগতে পালে দুগেমমান খেলিব পাৰিম।

মমতাই হাত জোকাৰিলে। চন্দন বেগাই গৈ জীপত উঠিল।

সেই এটা দিন। হীৰাজুলি ক্লাব। লগতে ছুইমিং পুল। চন্দনে গৈয়েই মিল্টাৰ সিঙক বিচাৰিলে। ক'তো মিল্টাৰ সিংতো নাই অহা। চকীদাৰ, বেয়াৰা—কেৱে বোলে তেওঁক দেখা নাই। অৱশ্যে মিহেছ সিং আহিছে। ছুইমিং পুলৰপৰা উঠি অহা মিহেছ সিঙেহে চন্দনক মাত দিলেহি। তেওঁ ক'লে মিল্টাৰ সিং হঠাৎ অসুস্থ হৈ নিজৰ বাংলোলৈ গ'ল। কনফাৰেন্স নহ'ল।

এনেতে অৰুণ বৰাও ওচৰ চাপি আহিল। মিহেছ সিঙে ক'লে,

: মিল্টাৰ বৰা মোৰ গাড়ীখনে অলপ ট্ৰাবল্ দিছে, ৱৰ্কছপত দেখুৱাই লৈ যাব। মই এওঁৰ জীপতে যাম। হবনে?

চন্দনে একো নকওঁতেই, বৰাই 'ঠিক আছে' বুলি কৈ মিহেছ সিঙৰ গাড়ীৰ কাষ পালেগৈ।

: মই এতিয়াই আহিছো। বুলি পলী সিং ড্ৰেছ সলাবলৈ গ'ল। চন্দনে তলমূৰ হৈ অলপ ভাবি, লাহে লাহে জীপৰ কাষলৈ আগবাঢ়িল।

ইতিমধ্যে বৰাই মিহেছ সিঙৰ গাড়ীখন লৈ গুচি গ'ল

অলপ পিছত সদ্যস্নাতা পলী সিং জীপৰ কাষ পালেহি। স্কাৰ্ট আৰু গাত লিপিট খোৱা পাতল কাপোৰৰ ব্লাউজ। খৰখোদকৈ যেন সাজপাৰ ঠিকমতে পিন্ধিবলৈকে অসুস্থ স্বামীৰ ওচৰ পাবলৈ লৰাধপৰা কৰি ওলাইছে। কিন্তু মিল্টাৰ সিঙৰ লগতেতো' তেওঁ

যাব লাগিছিল ; এনে ভাব চন্দনৰ মনত খেলোৱাৰ আগতেই পলীয়ে ক'লে : মই গা ধুই থাকোতেই মিষ্টাৰ সিঙৰ খবৰটো দিলে। ইপিনে তেওঁক লৈ বাংলোলৈ গাড়ী গ'লেই ; বাটতে ডাক্তৰকো লগ ধৰি যাব বুলি ক'লে।

: চিন্তা নকৰিব। ঠিক হৈ যাব। চন্দনৰ সবল বিশ্বাসৰ আশ্বাস শুনি পলী সিঙৰ এটা নিশ্বাস ওলাই গ'ল।

জীপ চলিল তীব্ৰ বেগে---চাহপাতৰ মাজে মাজে—মনজুলিৰ গিচাৰ্ বাংলোলৈ। তীব্ৰ গতিবেগত বাৰে বাৰে পলীৰ দেহভাৰ চন্দনৰ ওপৰত পৰে, আৰু চন্দনে নিজকে সামৰি লয়। পলী যেন গভীৰ চিন্তাত মগ্ন।

গাড়ী বাংলোত ৰ'ল। ক'তা তাতো কোনো গাড়ী বৈ থকা নাই। মিষ্টাৰ সিঙোতো নাই। মিছেছ সিঙে ক'লে, হয়তো ডাক্তৰৰ ওচৰতে আছে ; নাইবা হচ্পিতেল হৈয়ো আহিব পাৰে।

: মই খবৰ কৰি আহো। চন্দনে উদ্গ্ৰীৱ হৈ কয়।

: নালাগে, তেনে অসুখ নহয়। মাজে মাজে 'গেছ' হৈ তেওঁ তেনেখন কৰে। অলপ পিছতে ভাল পায়। কিজানিবা ভাল পাই—ফেক্টৰীয়ে পাইছে।' মই এতিয়াই আহিছোঁ। বেয়াৰা—চাহাব কো চৰবৎ দো।

কোনো উত্তৰলৈ বাট নাচাই পলী সিং 'কিচেন' পালেগে। বেয়াৰাক কিবা নিৰ্দেশ দিলে। চৰবৎ বনাই বেয়াৰা তাতে বৈ থাকিল। পলী সিঙে নিজে এখন ট্ৰেত দুগিলাচ চৰবৎ লৈ আহিল। এগিলাচ চন্দনৰ হাতত তুলি দিলে। নিজে আনটো গিলাচ লৈ 'এতিয়াই আহিছো' বুলি শোৱনি কোঠাত সোমাল।

ৰেকৰ্ড প্লেয়াৰত এখন ইংৰাজী সঙ্গীতৰ ৰেকৰ্ড লগাই দিগ'ল বেয়াৰাই। আমেজভৰা কোমল সুৰৰ চিম্ফনী। আৰু একে আমেজৰ মোহত আচ্ছন্ন হৈ আহিল চন্দনৰ দেহ-মন। তেওঁ যেন ভাবি গ'ল : এয়া সুৰৰ লহৰ। এয়া তন্দ্ৰাৰ আবেশ। মই ক'ত ? এয়া তন্দ্ৰা নে সপোন ? সপোন নে মোহৰ বন্ধন !

মাত্ৰ চন্দন আৰু সুৰৰ মায়াজাল। দুৱাৰবোৰ বন্ধ। ওচৰত কোনো নাই। শোৱনী কোঠাৰ পৰ্দাৰ আঁৰত এহাল তীব্ৰচকু। চিকাৰৰ অ:পেক্ষাত এন্ধাৰ নিশা জ্বলি থকা মেকুৰীৰ চকুৰ তীক্ষ্ণদৃষ্টিও সেই চকহালৰ আগত যেন হাৰ মানিব। আৰু দীঘলীয়া ছোফাত চন্দনৰ ক্ৰমে নিস্প্ৰভ হৈ অহা আনজোৰ চকু।

এটা সময়ত পৰ্দাৰ আঁৰৰপৰা তীৰৰ দৰে তীক্ষ্ণ চকুহাল আগবাঢ়ি আহিল। দেহৰ সামান্য অংশকো অতি পাতল জিলজিলীয়া কাপোৰ এডোখৰেৰে সজাই অহা সেই চকুহালৰ গৰাকীনী পলী সিং।

ছোফাত আউজি অৱশ যেন হোৱা চন্দনৰ নিস্প্ৰভ চকুহালিৰ ঘিনান ওচৰলৈ পাৰি তীব্ৰ চকুহাল আগুৱাই গৈ থাকিল।

ঃ চন্দন—মূৰ কামুৰিছে নেকি? চাও মই পিটিকি দিছো।—বুকুৰ মাজত চন্দনৰ হাউলি পৰিব ধৰা মূৰটো সুমুৱাই লৈ এটা মৃদুচাপেৰে শেহাই মাতিলে পলীয়ে ঃ চন্দন।

ঃ আঃ--চন্দনৰ কণ্ঠত দুৰ্বল স্বৰ।

ঃ চাও ৰবা, মূৰটো ছোফাত থোৱা। yes, এনেকে। চাও, বুটামবোৰ খোলা। সাজপাৰ loose কৰি দিলে ভাল পাবা। মূৰ ঘূৰাইছে নহয়—চাও।

ঃ আঃ মমতা। চন্দনৰ ক্ষীণ স্বৰ।

পলীয়ে কৈ উঠে,

ঃ মনে মনে থাকা। চন্দন----

ঃ আঃ আঃ মমতা। পুনৰ চন্দনৰ অৱশ কণ্ঠস্বৰ।

এটা ক্ৰুৰ হিংস্ৰ দৃষ্টি চমকি উঠিল পলী সিঙৰ তীব্ৰ চকুহালত,

ঃ চন্দন, মই মমতাই কৈছো..... চাও তোমাৰ ওঁঠদুটি অলপ তিয়াই দিও।

ঃ মমতা!

ঃ মই, মমতা।

ঠিক সেই মুহূৰ্ত্তত পলীৰ বুকুত মুখ গুজি থকা চন্দনৰ মগজুত এটা তীব্ৰ আঘাত দিলে দুৱাৰ ঠেলি সোমাই চিঞৰি উঠা কাঁৰোবাৰ এটা তীক্ষ্ণস্বৰে।

ঃ মমতা? কোন মমতা? ছিঃ ছিঃ ছিঃ মিছেছ সিং আপুনি এজন অসহায় ডেকাক কিবা খুৱাই প্ৰৱঞ্চনা কৰিব খুজিছে। আৰু নিজকে কৈছে মমতা বুলি?

ঃ কোন তুমি, ওলাই যোৱা।

ঃ কোন মই? মই মমতা। চন্দনক তুমি নষ্ট কৰিব নোৱাৰা। মমতাই চন্দনক গাত ধৰি জোকাৰি চিঞৰি উঠিল ঃ চন্দন, চন্দন।

এটা অট্টহাঁহিৰে মিছেছ পলী সিঙে মাত্ৰ ক'লে ঃ চন্দন বাচ্চা একো নাজানে। আৰু তুমি মমতা--তুমি চন্দনৰ কি হোৱা যে ----

সমান উত্তেজনাৰে মমতাই কৈ উঠিল ঃ মিছেছ পলী সিং এবাৰ পানীৰী বাগানৰপৰা মিষ্টাৰ সিঙৰ চাকৰী গৈছিল কিয়? তোমাৰ কাৰণে। শ্ৰীউত্তম বৰুৱাৰ স্নেহৰ চন্দনক বিপথে নিয়াৰ পৰিণাম একে হব পাৰে----জানি থবা।

ঃ ফুঃ----যোৱা। লৈ যোৱা তোমাৰ চন্দনক। সবগলৈ লৈ যোৱা। From Hell to Heaven. I say get out.

----উত্তেজনাৰে সমুখৰ টেবুলত থকা গিলাচটো এছাৰ মাৰি ভাঙি----তীব্ৰবেগেৰে বেডৰুমলৈ গুচি গ'ল পলীং সিং।

হাতত ধৰি চন্দনক লাহে লাহে লৈ ওলাই গ'ল উত্তেজনাত ক্লান্ত মমতাই। তেওঁৰ চকুত আজি দুধাৰি চকুলো। অসহায় চন্দন দোষীৰ দৰে গৈ থাকিল। মুখৰ পৰা এষাৰ কথাও নোলাল।

কিন্তু যেতিয়া মমতাৰ কাষত বহি জীপেৰে গৈ আছিল, তেতিয়া লাহে লাহে বিৰবিৰাই চন্দনে কৈ গৈছিল ঃ মমতা, তুমি মোক ভুল নুবুজিবা। এয়া অৰুণ বৰা আৰু মিছেছ সিঙৰ ষড়যন্ত্ৰ।

মমতাই ক'ব খুজিও নক'লে যে ইপিনে মিছেছ সিঙৰ গাড়ীৰে আহি অৰুণ বৰাই মমতাৰ লগত বেডমিণ্টন খেলিছিল। আৰু আনমনা হৈ পইণ্টৰ পিছত পইণ্ট হেৰোৱা মমতাক কৈ পেলাইছিল ঃ মিছাকৈ কিয় চন্দনৰ কথা ভাবি আছা। চন্দন এতিয়া পলী সিঙৰ বেডৰুমত।

আৰু সেই মুহূৰ্ততেইতো মমতাই দেউতাকৰ জীপখন লৈ মেনেজাৰ সিঙৰ বাংলো পাইছিলহি। আৰু এটা চৰম সংকটৰ মুহূৰ্তত নাটকীয়-ভাৱে চন্দনক উদ্ধাৰ কৰিলে।

নীৰৱতা ভঙ্গ কৰি চন্দনে হঠাতে মমতাক হাতেত ধৰি ক'লে,

ঃ কোৱা তুমি মোক ক্ষমা কৰিছা।

ঃ ছিঃ চন্দন, তুমি পুৰুষ। ক্ষমা খুজিছা কিয়? মাত্ৰ সাহসী হোৱা। প্ৰতিটো আঘাতৰ পিছত বুকু ডাঠকৈ প্ৰত্যাঘাতৰ সংকল্প লোৱা। মমতাই মনতেহে ভাবিলে এনেদৰে। একো নক'লে।

●

সময়ৰ লগে লগে সহজ হৈ আহিল ---চন্দন, মমতা, পলী সিং, অৰুণ বৰা---সকলোৱে মন। নিজৰ নিজৰ কক্ষপথত আকৌ আগৰ দৰে প্ৰতিজনে বিচৰণ কৰিবলৈ ধৰিলে। চন্দনে বাগিচাৰ কামৰ লগতে আজৰি পৰত মমতাৰ লগত গাঁও-ভুই, বস্তি আদিত বনুৱা কল্যাণৰ কাম কৰি ঘুৰি ফুৰে। আগৰ দৰেই সময়ে সময়ে ফুলমণি, বুধন, ৰামুহঁতৰ লগত দুৰলৈ ফুৰিবলৈ যায়। কেতিয়াবা কেতিয়াবা ডাক্তৰ গগৈৰ কম্পাউণ্ডত বেডমিণ্টন খেলাও চলে।

আনদিনে পলী সিঙে অৰুণ বৰাৰ লগত ক্লাব, পাৰ্টি আদিত ঘুৰি ফুৰে। কৰ্তব্যনিষ্ঠ মেনেজাৰ প্ৰতাপ সিঙে বাগানৰ কামতে নিজকে অধিক ব্যস্ত কৰি ৰাখে। আৰু চন্দনৰ লগত নানাধৰণৰ গভীৰ বিষয়ৰ আলাপ-আলোচনা কৰে।

এদিনা মমতাক ডাক্তৰ গগৈয়ে ক'লে যে শ্ৰীউত্তম বৰুৱাই এখন চিঠিত লিখিছে যে তেওঁ কলিকতাত হঠাতে চন্দনৰ মাকক আৱিষ্কাৰ কৰিছে।

ঃ দেউতা, চন্দনৰতো মাক নাই।

ঃ মমতা, সেইটোৱেইতো ৰহস্য। শ্ৰীবৰুৱাই কথাটো অতি গোপনভাৱে ৰাখিবলৈ লিখিছে। তেখেতে এইবিষয়ে অধিক সম্ভেদ লৈ আহিব।

ঃ চাও চিঠিখন।---মমতাই দেউতাকৰ পৰা চিঠিখন লৈ উৎকণ্ঠাৰে পঢ়ি গ'ল। মাজে মাজে এটোকা অংশ ডাঙৰকৈ পঢ়ি দেউতাকৰ মুখলৈ আচৰিত হৈ চায়। ডাক্তৰ গগৈয়ে চোফাত হেলান দি চিগাৰেট হুপি থাকে।

"......চন্দনে কিয় মাক নাই বুলি কৈছিল বাৰু ? অথচ মই নিজে দেখি আহিছো, তেওঁ সকলো কাম কাজ কৰে, অৱশ্যে কথা বেছি নকয়।" দেউতা, আচৰিত কথা---ৰহস্যটোহে নিজে লগ পাইছে ।......"চন্দন নিৰুদ্দেশ হোৱাৰ পিছত কিছুদিন বলিয়া যেন হৈছিল বুলি হাৰাণ বাবুৱে কৈছিল। কিছুদিন ৰাস্তাতো থৈছিল অহিচৰ খৰচত।" দেউতা, কিবা এটা Shock নাপালে মাকক এনে চন্দন গুচি আহিব কিয় ?

ঃ এতিয়া সেই Shock টোনো কি আৰু কেনেকৈ হবলৈ পালে—তাৰ সন্ধেদ নোপোৱালৈ এই বিষয়ে চন্দনক একো জনাব নোৱাৰি। —ডাঃ গগৈয়ে শেষ হৈ অহা চিগাৰেটটোৰ শেষখিনি এছট্ৰেত মোহাৰি মোহাৰি ক'লে ।

ঃ আৰু লিখিছে যে....."ৰাস্তাত কেইমাহমান থকাৰ পিছতে তেওঁ উন্নতি আহিছিল। চাকৰীলৈ আৰু নগ'ল। এটা চিলাই কল কিনি চুবুৰীয়াৰ কাপোৰকানি চিলাই কৰি জীৱিকাৰ বাট ল'লে। হাৰাণ বাবুৱে কৈছে যে তেওঁৰ ওচৰৰ কাৰখানাবোৰৰ বনুৱাসকলৰ চিলাই কাম কৰিবলৈ ধৰিলে। একমাত্ৰ পুতেক নিৰুদ্দেশ হোৱাৰ বাবে আৰু মৰমীয়াল মাতৃহৃদয়ৰ উমান পাই তেওঁক সকলোৱে শ্ৰদ্ধা কৰিবলৈ ধৰিলে। 'মা' বুলি সকলোৱে মাতিবলৈ ধৰিলে। প্ৰতিজন বনুৱাৰ ল'ৰা ডেকাক নিজৰ সন্তানৰ দৰে মৰম চেনেহ কৰে, বেমাৰ আজাৰত পৰ দিয়ে, ধৰ্মঘট, অনশন কৰা বনুৱাসকলক পৰিচৰ্য্যা কৰে। উমা টিমাহ যেন সকলোৰে 'মা' আৰু সকলো দুখীয়া বনুৱা বাবুহঁত তেওঁৰ ল'ৰা-ছোৱালী।" দেউতা, আচৰিত কথা নহয়নে ? নিজৰ ল'ৰাৰ বা-বাতৰি নোলৈ আনৰ ল'ৰা-ছোৱালীক নিজৰ কৰি লৈছে ।

ডাঃ গগৈ থিয় হ'ল। তেওঁ খিৰিকীৰে বাহিৰলৈ চাই ক'লে,

ঃ মমতা, চন্দনৰ পিনৰপৰাও হয়তো এনেদৰে আঁতৰি অহাৰ যুক্তি থাকিব পাৰে। কিন্তু মোৰ ধাৰণা হৈছে—আমি মাক-পুতেকৰ পুনৰ মিলন ঘটাব পাৰিম।

ঃ ৰবাদেউতায়ো তাকেই আশা কৰিছে। সেয়ে যেন হয়।

ঃ মমতা, চিঠিখন দিয়া। কথাটো কাকো নকবা। মাৰাক মই

চিঠিখন দেখুৱাইছো। তুমি মাত্ৰ চন্দনৰ লগত সদায় অতি সহানুভূতিৰে কথাবতৰা পাতিবা। মনত যাতে অকণো আঘাত নাপায়। ইতিমধ্যে মাৰাৰ লগত কথা-বতৰা পাতি আৰু তোমাৰ লগত ফুৰা-চকা কৰি, চন্দনৰ মনৰপৰা বিদ্বেষৰ ভাব ক্ৰমে নাইকীয়া হৈ আহিছে।

ঃ ময়ো মন কৰিছো দেউতা।

ঃ এইদৰেই এদিন চন্দনৰ মনৰপৰা মাকলৈ ওপজা অনাসক্তিও নাইকীয়া হ'ব পাৰে। তেনে এটা সময়ত মাকক অনাই দিব পাৰিলে চন্দনে আৰু কাহানিও মানৱ সমাজৰপৰা আঁতৰি থকাৰ কথা নাভাবিব।

ডাঃ গগৈৰ কথাবোৰ মনোযোগেৰে শুনি থকা মমতাৰ কৰ-নোৱাৰাকৈ এটা গভীৰ হুমুনিয়াহ ওলাল। পিছ মুহূৰ্ততে নিজৰ অন্তৰৰ দুৰ্বলতাখিনি ধৰা পৰা যেন অনুভৱ হোৱাত, মমতাই ক'লে ঃ দেউতা আজি আনি সন্ধিয়া ৭ নম্বৰ বস্তিলৈ যাম। গম পাইছো লালু গুণ্ডাৰ মানুহে সেই বস্তিত গণ্ডগোল লগোৱাৰ চেষ্টা কৰি আছে।

ঃ অলপ সাৱধান হবি মমতা, সেই গুণ্ডাৰ দলটোৰ দুই-এজন দালাল এই বাগানতো আছে বুলি শুনিছো।

মাক ভিতৰৰপৰা ওলাই বাৰাণ্ডাত কথা পাতি থকা মমতা আৰু ডাক্তৰ গগৈৰ আলোচনাত যোগ দিলেহি। শ্ৰীউত্তম বৰুৱাইনো কি সূত্ৰে কলিকতা মহানগৰত চন্দনৰ মাকৰ সন্ধান লব পাৰিলে, সেইটোহে আচৰিত বুলি মাকে মন্তব্য কৰিলে। ডাক্তৰে ক'লে যে বৰুৱা আহি-লেহে গম পোৱা যাব, কাৰণ সেই বিষয়ে চিঠিত একো উল্লেখ কৰা নাই।

অলপ পিছত জীপৰ হৰ্ণ শুনা গ'ল। মমতা ততাতৈয়াকৈ উঠিল,

ঃ জীপ আহিল মা। মই যাও। চন্দনক ফেক্টৰীৰ পৰা লৈ আমি যাম।

●

সিদিনা ৰাতি দোভাগ হও হও। মনজুলি বাগানৰ বাহিৰত নৈৰ সিপাৰে চম্পাৰ ঘৰত লেম্প জ্বলি আছে। ছাঁ-পোহৰত লাহুৰে বাৰে পতি বাহিৰলৈ উদ্বিগ্নভাৱে চাবলৈ অহা দেখা গৈছে। ঘৰৰ ভিতৰত এটা গ্ৰামোফনত এখন পুৰণি ৰেকৰ্ড বাজি আছে। এই ৰেকৰ্ডখন পুৰণি যদিও, তাৰ বৰ প্ৰিয়। বাৰেপতি বজাই থকাত চেৰচেৰীয়া

শব্দ ওলোৱা যেন হয়। তথাপি সি মদ খাবলৈ বহিলে, জুৱা খেলি থাকিলে—সেইখন ৰেকৰ্ডকে বজাবলৈ কয়। সিদিনাও সি মদ খাই আছিল। কিন্তু অস্থিৰতাৰ কাৰোবাৰ, বাট চাই আছিল। সন্ধিয়া ভাগিমাৰাৰ পৰাতে অহাৰ কথা; অথচ এতিয়ালৈ আমো নাই ফমু টিও নাই। ছিঃ, হাইনৰ কাষৰ 'ধাবা'ৰ পাছফালে কিজানি লৰীলৈ মনচুৰ আৰু চান্দমল্ বৈ বৈ ওচিয়েই গ'ল। সব মাটি কৰি দিলে এইজগুৱাই।

তেতিয়াও ৰেকৰ্ডখনত বাজি আছে: 'তগদীৰ, তগদীৰ বিগৰী হুইতো। তগ্দীৰ বনালে......'

: ধেৎ চাল্লা, বন্ধ কৰ ৰেকৰ্ড। লাল্লুৱে মাজতে পিন্‌টো উঠাই দিলে। খেৰেক্‌কৈ এটা শব্দ হ'ল; এনেয়ে ৰেকৰ্ডখন ঘূৰি থাকিল। সি মগ্‌টোৰে বাকীথকা মদখিনি মুখত ঢালি, একেঢোকে খাই—বাও-হাতৰ তাৰিৰে নাকমুখ মোহাৰি বহি পৰিল আৰু অনৰ্গল বকি গ'ল।

: তদ্দীৰ বিগ্‌ৰিব ক্যা'ৰ? এই লাল্লু ওস্তাদৰ? দুস্‌ৰাৰ চবৰে তগ্দীৰ মই বিগ্‌ৰাই দিম। লেকিন্ চাল্লা মোৰ মাক 'দিপু'—চাদী কৰাই তগ্‌দীৰ বিগৰাই দিছিল হাৰামী ৰঘুনাথ দালালে। মাতো আছিল দুস্‌ৰাৰ ঔৰৎ। আৰু চাল্লা সেই বাবা? ধুৎ, সিটো ভাগি গেলাক। মই নাকি মাৰ পেটত আগৰ পৰাই আছিলো। হে-হেঃ, হে-হেঃ চাল্লা এক ব্যাচ্চা দুই বাবা। লাল্লুৱে থৰকবৰকৈ আকৌ এবাৰ দুৱাৰ মুখত থিয় দি দূৰলৈ চাই পঠিয়ালে। তাৰ শুকত দেহৰ আঁৰত পৰা ৰঙা কেৰাচিনেৰে জ্বলোৱা লেম্পটোৰ পোহৰৰ ৰেখাবোৰ ছিৰাছিৰ হৈ ঘৰটোৰ বাহিৰ পাইছিল। লাল্লুবো ছিৰাছিৰ হোৱা অন্তৰৰ কোণৰ বেদনাৰ ৰেখাবোৰ তাৰ বয়সে ভাটি দিয়া ৰুক্ষ মুখমণ্ডলত ধৰা দিছিল।

নাই, অহা নাই। আকৌ সি উভতিল। ৰছিৰে বন্ধা 'চাৰপাই' খনত দীঘল দি, চকুমুদি কিয় জানো নিচাৰ মাজত সি ভোৰভোৰাই থাকিল।

: বেইমান। চাল্লা চব বেইমান। মাই মোক কান্ধত বান্ধি চাহপাত তুলি তুলি একদিন মৰি গেল।—সি চিঞৰি বহি পৰিল: মাই মৰা নাছিল। মাৰিছিল। ফেক্টৰীৰ সাদা চাহাবে মোৰ মাৰি দিছিল। আৰ চাল্লা মাইকৌ মহৰীয়ে লাছ গুম্ কৰিছিল।

চাল্লা সি মোৰ মাক বেইজ্জতী কৰিছিল। তাৰ বেটিকো মই বেইজ্জতী কৰি হোটেলত চালান কিয় এনেয়ে দিলু ?—আৰ ছৰ্দাৰ—

এইখিনিতে চম্পাই বাজনিঘৰৰপৰা ওলাই আহিছিল আৰু নিচাত হুচ হেৰোৱা গিৰীয়েকৰ মুখৰ শেষ কথাৰ 'ছৰ্দাৰ' শব্দটো শুনি ৰগৰ কৰি গাই দিলে :

"হা—হা,
ছৰ্দাৰ বলে কাম কাম
বাবু বলে কাম কাম
চাহাব বলে লিবো পিঠেৰ চাম।
ৰে বিদেশী শ্যাম
ফাঁকি দিয়া আনিল আসাম॥"

: চুপ্ চুপ্ চম্পা। সব সময়ত দিল্লগী ভাল নালাগেৰে।— খালি হাসি, খালি হাসি।—

লাল্লুৰ ধমকৰ ওপৰত কৰ্কশ স্বৰেৰে চম্পাই কৈ উঠিল,

: আৰে নাহাঁহিমতো কি কান্দি থাকিম ?

ওচৰ চাপি 'চাৰপাই'খনত পৰি থকা লাল্লুক সুধ সলাই চম্পাই সোধে : লাল্লু ওস্তাদৰ আজি মুখ গোমৰা কিয়নো ? অয়—ভইভী হাঁহ। খাও, পীও, জীও—তয়োতো কৰ।

: লেকিন, জগুৱা আহা নাই কিয় ? এডভান্স্ লৈ আজি চাল্লা ছুক্‌ৰী 'ছাপ্পাই' নহ'ল। এইৰকম হলেতো ধান্দা বৰবাদ হব ৰে।

চম্পাই ক'লে যে ছোটা মেনেজাৰ চন্দন চাহাব বৰ কড়া আৰু লগে লগে ডাক্তৰৰ ছোৱালী মমতা লাইন আৰু বস্তিত ঘূৰি ফুৰে। সেই কাৰণেই কিজানি জগুৱাই সুবিধা কৰিব পৰা নাই।

কথা কৈ থাকোতে, দুৱাৰৰ ফাঁকেৰে কাৰোবাক দেখা যেন পাই চম্পাই ক'লে : ৰচোন, কোনোবা অহা যেন পাইছোঁ।

একে সময়তে বাহিৰৰ পৰা মাত শুনা গ'ল : ওস্তাদ! একে জাপে চাৰপাইৰ পৰা উঠি লাল্লুৱে কৈ গ'ল : জগুৱা! ইতনী দেৰ্ ক্যা ৰে ?

জগুৱাই ডাগৰি-জুগৰি সোমায়েই, দুৱাৰখন [illegible] দিলে। তাৰ পিছত ওচৰ চাপি আহি কৈ গ'ল ঃ আৰে ওস্তাদ। সেই বান্দৰ-বালা আৰু ইউনিয়নৰ শঙ্কৰ, লগতে ছোটা চাচাৰ, ডাক্তৰৰ বেটী--সব ২ নম্বৰ লাইনত হাজিৰ। মই কোনোৰকমে আনাৰ দালাল পিন্টু মুণ্ডাৰ খাটিয়াৰ নীচত পৰি থাকিলোঁ। চাল্লা, ধৰা যে নপৰিলোঁ।

ঃ ৭ নম্বৰ লাইনত সব কিয় হাজিৰ হ'ব? আনাৰ মতলব কোন আদমী জানিছিল নাকি? লালুৱে সোধে। মাতত ভড়তা।

ঃ কালি চম্পা বান্দৰবালাই ফুলমণিক কৈছিল নাজানো। জগুৱাই কয়।

চম্পাই মাজতে ধৰি ক'লে ঃ দুৎ, বান্দৰবালাই সেইচব কি বুজিব?

ঃ ও চম্পা দিলৰ টান আজিতক্ আছে। চানৰা উঠাই দিম। জানা নাই। লালুৰ কথাত অগ্নিমূর্তি ধৰি, চুটি শাৰীখনৰ এটা ফাল এহাতেৰে দাঙি, আনহাতেৰে আঙুলি জোকাৰি চম্পাই এজেৰ' থুই লালুৰ সন্মুখতে পেলাই চিঞৰি উঠিল ঃ থুই তোৰ বান্দৰ-বালাক। আৰু তই মোৰ চানৰা উঠাবি—হা? দেচোন, গাত হাত—ভাৰী লড়কীৰ দালাল—।

লালুৱেও চোচা মাৰি গ'ল ঃ খাইছ কাৰ কামাইত ঐ বাণ্ডী? চুপ থাক। কিন্তু ফেৰ 'পাতি থিয় দি থকা চম্পাৰ সন্মুখলৈ গৈ উভতি আহি জগুৱালৈ চাই ক'লে ঃ জগুৱা এই ফুলমণি নাকি, তাইক উঠাব লাগে। তাই চব খবৰ দিয়ে বুজিলি?

ঃ হব সেইচব। লেকিন ওস্তাদ, মই যাম। মোক হিচাব দে।—জগুৱাৰ কথাত লালুৱে যেন সকাহহে পালে। জগুৱাক পইচা দিবলৈ, ওলোমাই থোৱা চোলাটোৰ ওচৰ পালেগৈ। ইপিনে চম্পাই ওচৰতে পোৱা খালি মগটোকে মাটিত সশব্দে দলিয়াই থৈ ভিতৰলৈ সোমাই গ'ল।

লালুৱে নোট কেইখনমান আনি জগুৱালৈ আগবঢ়াই ক'লে,

ঃ ল, এই টাকা—ছিৰ্ফ দুঠো ছুকৰী ধৰিছিলি এই মাহত। হোটেল-বালাই চব ৰূপয়া দিয়া নাই। একণ দিছে।

: ত্ৰিশ ৰূপয়া। ক্যা, কম্‌সে কম্ পঁচা'শ দে।—জগুৱাই নলয়।

: আৰে, জ্যাদা দিছু। যি ছুক্‌ৰী আনিলি না, হোটেলৱালাই কৈছে—তাৰে একটা বুড়ী আৰ দুসৰাটোই খালি হাল্লা কৰে।

লালুৰ বজনিৰ ওপৰত জগুৱাৰ মাত শুনা যায়।

: সেইচৰ মই নাজানু। তই বহি থাকিবি আৰ জ্যাদা ৰূপয়া ৰাখিবি। জানৰ খৎৰা মোৰ, আৰ হিস্সা বেছি তোৰ?—

: ঠিক আছে। লে, ধৰ ঔৰ দশ।—লালুৱে আৰু এখন দহ-টকীয়া নোট ককালৰ খোচনিৰপৰা উলিয়াই আগৰ ত্ৰিশটকাৰ লগতে আগুৱাই দিয়ে।

অসন্তুষ্টিৰে আজোৰ মাৰি নোটকেইখন লৈ জগুৱাই কৈ যায়,

: দে। এইবাৰ লম্। ইয়াৰ পাছত লেকিন সমান সমান।—হাঃ ওস্তাদ, এটা খবৰ আছে।

: কি?

: ইংৰাজী ছালগিৰা—বছৰৰ শেষ ৰাতি—শনিবাৰ, মেনেজাৰচৰৰ নাচ গান আছে। হীৰাজুলি ক্লাবত।—

: আচ্ছা!—আগ্ৰহেৰে লালু কাষ চাপি আহে।

জগুৱাই কয়: কলকাত্তাৰ নাচনেৱালী আনিব। চাৰা ৰাত নাচ গান, খানা পিনা হব।

: হীৰাজুলি? য়হাঁসেতো সড়ক মাইল দূৰ।

: হা ওস্তাদ। মৌকা লিব লাগিব। সেইৰাতি মনজুলি বাগানত ছুকিম। লেকিন্ তইভী যাব লাগিব—ওস্তাদ।

: ঠিক্ আছে। যাম। আৰ শুন জগুৱা। বাগানৰ পশ্চিমৰ বড়া নাল্লাৰ সিপাৰত লৰী ৰাখিম। দালাল পিল্টুক বলিবি। সব হুছিয়াৰ ৰাখিবি। হা?

: হব ওস্তাদ। জগুৱা বাহিৰ ওলাল।

এটা আনন্দৰ উত্তেজনাত লালুৱে কৈ—উঠিল: যা চাল্লা। উসী শনিবাৰ ৰাত হামাৰা তগদীৰ্‌কোভী ছালগিৰা হোগা। ৰে চম্পা—অভি লাগা মেৰা ৰেকৰ্ড।—

নিজেই গৈ পুনৰ পিনটো ঘূৰি থকা ৰেকৰ্ডখনত খৰমৰাই লগাই দিলে।

সেমটো লৈ—'চম্পা, কফি দেৰে'—বুলি ভিতৰলৈ সোমাই গ'ল। আন্ধাৰত একেঠাইতে ঘূৰি ঘূৰি বাজি উঠিল ৰেকৰ্ডৰ গীতটিৰ কলিটো-

"অপনেসে ভৰোসা হ্যায় তো দাও লগালে।"

●

সেই শনিবাৰটো আহিল। এটা বছৰৰ শেষ দিন আৰু আন এটা বছৰৰ আগমুহূৰ্ত। বৰদিনৰ উছৱৰ পিছতে অহা তেনে এটি দিনত পশ্চিমীয়া জগতৰ লগতে, পশ্চিমৰ প্ৰভাৱ পৰা গোটেই বিশ্বতে নতুন বছৰৰ আগমনে নতুন উছাহ-উদ্দীপনা যোগায়। যীচুখৃষ্টৰ অমৰ প্ৰেমৰ বাণীয়ে মানুহৰ প্ৰতি মানুহৰ ভালপোৱাৰ বাৰ্তা বৈ অনাৰ কথা নতুন বছৰ আৰু তাৰ আগমুহূৰ্তৰ বৰদিনৰ উখলমাখলৰ মাজত খন্তেকলৈ হ'লেও আমি চিন্তা কৰো। তেনে আদৰ্শৰে কাম কৰো-নকৰো সেয়া সুকীয়া কথা। এই মানৱপ্ৰেমৰ বাণী আৰু বহু অৱতাৰী মহাপুৰুষে যুগে যুগে পৃথিৱীক সকীয়াই আহিছে। মানুহক ভালপাবা; মানুহ সবাৰো ওপৰত। সৃষ্টিৰ সকলো জীৱই আন জীৱৰ পৰা বিচাৰে ভালপোৱা। উপনিষদত কৈছে 'আনন্দ'ৰ পৰাই সকলো প্ৰাণীৰ জন্ম 'আনন্দ'ৰ মাজেৰেই সকলো জীয়াই থাকে। 'আনন্দ'ৰ বাবে পৰস্পৰৰ মাজত লাগিব ভালপোৱা-সহানুভূতি। তাৰ অভাৱত দেখা দিয়ে হিংসা-দ্বেষ অসূয়া অশান্তি; সংঘটিত হয় সংঘৰ্ষ কিন্তু সৃষ্টি আৰু স্থিতিৰ মূলমন্ত্ৰ-প্ৰেম, সহানুভূতি; আৰু তাৰ বিপৰীতে প্ৰলয়ৰ সূচনা হয় হিংসা-দ্বেষ অসূয়াৰ মাজেৰে।

অথচ আজিৰ পৃথিৱীত হিংসা-আৰু বিদ্বেষৰ খণ্ড সংঘৰ্ষতো ঘটিয়েই আছে—প্ৰতিটো পৰিয়ালত, প্ৰতিখন সমাজত, ভূগোলৰ কৃত্ৰিম ৰেখাই জন্ম দিয়া বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰত। তথাপি সামগ্ৰিকভাৱে বিশ্বমানৱৰ চিন্তাধাৰা হ'ল—সৃষ্টি আৰু স্থিতিৰ,—প্ৰলয়ৰ নহয়। সেইকাৰণেহে ক্ষতবিক্ষত দেহেৰে হ'লেও মানৱাত্মাৰ বিনাশ হোৱা নাই, নহবও।

নতুন বছৰ। গতিশীল কালৰ চকৰিৰ যি কোনো এটা মুহূৰ্ত বা যি কোনো এটা বিন্দুৱেইতো আপেক্ষিকভাৱে নতুন। আনহাতে ক্ৰমবিৱৰ্তনৰ পথত সেয়া চিৰন্তন-সনাতন অৰ্থত পুৰণিও। নতুন-পুৰণিৰ ধাৰণাৰ ভেটিও এই পুনঃ পুনঃ বিৱৰ্তনক নতুন দৃষ্টিৰে নতুন উলাহেৰে আদৰি লোৱা বা নেওচা দিয়াৰ চিন্তাহে। প্ৰকৃতিৰ পৰিৱৰ্তনৰ লগত মানুহৰ দেহ-মনতো আবেগ-অনুভূতিৰ সালসলনি হয়। বয়স আৰু অভিজ্ঞতাৰ লগতো মানুহৰ ধ্যান ধাৰণাৰ পৰিৱৰ্তন হয়। কিন্তু মূলতঃ নিজক, পৰিয়ালক, চুবুৰীয়াক, সমাজ্জনক, দেশক, বিশ্বমানৱক আৰু সকলো জীৱক ক্ৰমে সহানুভূতি তথা ভাল-পোৱাৰে আবৰি লোৱাটোৱেই প্ৰতিজন ব্যক্তিৰ বাবে আদৰ্শ হোৱা উচিত।

তেনে মানৱপ্ৰেমৰ স্মৃতি দিৱস স্বৰূপ বৰদিনৰ পিছৰ নতুন বছৰটোৰ আগনিশা 'ৰাতিৰ তপস্যা'ৰ দৰে মানুহে প্ৰতীক্ষা কৰে আগত দিনটোৰ সূৰ্যোদয়লৈ। নিশা বাৰবজাৰ লগে লগে গীৰ্জাই গীৰ্জাই ঘণ্টাধ্বনিৰে যেন পুৰণিক বিদায় দি একেই ধ্বনিৰাজিৰে আদৰে নতুন বছৰটোকো। ধ্বনি আৰু শব্দ—এয়েইতো সজীৱতাৰ প্ৰতীক। শব্দ-ব্ৰহ্মৰ স্বৰূপো স্থিতিৰ সঙ্কেতৰ মাজত। তেনে এটি শুভমুহূৰ্তৰ মাজতো বিশ্বৰ চুকে-কোণে আনন্দৰ লগতে নিৰানন্দ, প্ৰেমৰ লগতে হিংসা, উছৱৰ লগতে উন্মত্ততাৰো অভাৱ নহয়। ধৰ্মগ্ৰন্থ বাইবেলত ক'তো সুস্থ আনন্দ-আমোদৰ বাধা নাই। ৰজা ছলোমনে কৈছিল, 'I myself commended rejoicing, because mankind have nothing better under the Sun than to eat and drink and rejoice, and their hard work for the days of their life.—কিন্তু উছৱৰ নামত অসুস্থ মত্ততা, আৰু জীৱন সংগ্ৰামৰ নামত আনৰ ওপৰত দৈহিক বা মানসিক অত্যাচাৰ কোনো ধৰ্মই কোনো সময়ত স্বীকৃতি নিদিয়ে।

অথচ সেয়ে ঘটে। আৰু মনজুলিতো সেই বছৰৰ প্ৰাক মুহূৰ্তৰ শনিবাৰৰ সেই নিশাটোৰ মাজত তেনে কেইটিমান ঘটনা ঘটিলে —যিবোৰে সৃষ্টি আৰু স্থিতিৰ আনন্দতকৈ প্ৰলয়ৰ উন্মাদনাহে পৰিচয়

দিয়ে ; যিবোৰে প্ৰেম-সহানুভূতিতকৈ বিদ্বেষহিংসাৰ ভয়াবহ প্ৰতিচ্ছবিহে দাঙি ধৰে ।

সেই শনিবাৰৰ নিশা--

●

"The Saturday Night is ours—"

পচিশীয়া চকুত সুৰঙ্গগাই পলী সিঙে হাতত ৰঙীণ সুৰাৰে ভৰা পাত্ৰ লৈ ছোফা'ত বহি থকা অৰুণ বৰাৰ কাষ চাপি আহে । ইংৰাজী গীত ফাঁকিৰ শেষৰ ফাঁকি--বৰায়ো পলী সিঙৰ লগত কণ্ঠ মিলাই গুণ্ গুণালে-- "...forever, forever"— .

সেইখিনিতে উচ্ছল হাঁহিৰ মাজত পলীক এহাতেৰে সাবটি, আনহাতেৰে সুৰাৰ পাত্ৰটি একেচোকে শেষ কৰি টেবুলত থলে বৰাই ।

ওচৰত বাজি থকা ৰেকৰ্ড প্লেয়াৰত গীতটি আৰু আনুসঙ্গিক উচ্চগ্ৰামৰ অৰ্কেষ্ট্ৰাই পৰিবেশটো উতলা কৰি তুলিছে ।

শনিবাৰৰ নিশা দুজনৰ বাবে চিৰকলীয়া হোৱাৰ অবাস্তৱ কামনা আৰু সুৰাৰ বাগীত উটুৱাই দিয়া বিগত-যৌৱনা পলীৰ নিজকে অৰুণ বৰাৰ সমানে উদ্দাম-উচ্ছৃংখল দেখুৱাৰ প্ৰয়াস,—কিমান বিসঙ্গতিপূৰ্ণ !

আবেগভৰা কণ্ঠেৰে পলী সিঙে বৰাৰ ডিঙিত দুহাতেৰে মেৰাই কৈ যায়,

ঃ ডিয়েৰ অৰুণ, সঁচাকৈ তুমি নহ'লে আজি 'নিউ ইয়াৰ্ক'ৰ 'ইভ'টো মাটি হ'লহেঁতেন ।

ঃ Really ? Oh my Polly dear ! তুমি মোৰ বাবেই ক্লাবৰ মেম্বাৰচিপ ল'লা । কলিকতাৰ ......... উচ্ছল হাঁহিৰে পলীয়ে বৰাৰ কথাৰ মাজতে কৈ উঠিল ঃ কেনেকৈ যাম ? ---কেঁকাইছে যেন ক'লে ঃ পলো খেলোতে ভৰিৰ গাঁঠিত দুখ পালো । হিঃ হিঃ হিঃ । —হাঁহি সামৰি স্বাভাৱিক হবলৈ চেষ্টা কৰি পলীয়ে কৈ গ'ল ঃ আচলতে অৰুণ বেছি দুখ পোৱা নাই । কিন্তু সেই ক্লাব, কলিকতাৰ নাচনী, মোৰে মোৰে

দেশী চাহাব-মেম—Oh Horrible, I can't stand. প্ৰদৰ্শনী পাতি প্ৰেমৰ মেলা—ফুঃ। আৰু ওচৰ চাপি পলীয়ে ক'লে ঃ মই ভাল পাও নিৰিবিলি। একোজনৰ লগত। সেয়ে তোমাক মাতিলো। তুমি বেয়া পোৱা নাইতো?—অৰুণ ৰবাই তপৰাই কয় ঃ কিয়ে কোৱা? নহ'লে আহোনে?

হঠাতে থিয় হৈ পলীয়ে উত্তেজিতভাৱে কয় ঃ কিন্তু চন্দনক মই পাহৰা নাই। আৰু মমতা—ইডিয়ট্।

গিলাচত আৰু এপেগ মদ ঢালি লয়। অৰুণৰ গিলাচতো দিয়ে।

অৰুণে হোৱা মিহলাই মিহলাই কৈ যায় ঃ চন্দনতো আজিও নিজৰ বাংলাতে। ক্লাবলৈ নাযায়। খালি পঢ়া আৰু কুলি লাইনত ঘূৰি ফুৰা। Rustic.

মদৰ গিলাচত এটোকা মাৰি অৰুণে অলপ ঠাট্টাৰ সুৰেৰে কয় ঃ চন্দনেও নিৰিবিলি ভাল পায় চাগৈ। অৱশ্যে মমতা লগত থাকিলে—

কথাৰ মাজতে পলীয়ে অলপ খঙেৰে কৈ উঠিল ঃ I will see to it. মিণ্টাৰ সিঙক কবাচোন—মালিকক জনাব—বাগানত ইউনিয়ন কৰি কেনেকৈ এছিষ্টেণ্ট মেনেজাৰ হৈ থাকিব পাৰে।

অৰুণে মিণ্টাৰ সিঙৰ বিষয়ে মন্তব্য দিয়ে ঃ তেওঁ কিজানি ক্লাবত অকলেই ড্ৰিঙ্ক কৰিছে আৰু মৌজ উৰাইছে।

ঃ মৰুক আমি ইয়াত। পলীয়ে আহি অৰুণক সাবটি ধৰি কোলাতে বহি, ওচৰৰ ছুইচ্টো অফ্' কৰি দিলে। এন্ধাৰ চিটীয়া কোঠাত দুজনৰ উচ্ছল হাঁহি আৰু ৰেডিঅ' প্লেয়াৰত উচ্চগ্ৰামত বাজি থকা অৰ্কেষ্ট্ৰাৰ লগে লগে পুনৰ দুজনে একেলগে গাই উঠিল,

ঃ "The Saturday Night is ours—Forever, Forever—"

●

হীৰাজুলি ক্লাব। শনিবাৰৰ নিশা। একোখন টেবিলত দুজন, চাৰিজন বহি কোনোৱাই ৰাম-হুইস্কী খাইছে ; দুই চাৰি মহিলাই বিয়াৰ-জিন লৈছে ; বেয়াৰাই আলপৈচান ধৰি ইটো সিটো খোৱা

বস্তু দি আছে। সমুখৰ সৰু মঞ্চৰ এদাঁতিত বিবিধ বাদ্যযন্ত্ৰ বজোৱা এটি দল : অৰ্গেন, গীটাৰ, বেঞ্জো, বঙ্গো, ভায়োলিন, ডাবল্ বাছ ইত্যাদি। অলপ আগতে এটি অৰ্কেষ্ট্ৰাৰ সামৰণি পৰিছে। হাত চাপৰিৰ মাজত পৰিচালকে মূৰ দুপিয়াই প্ৰশংসা গ্ৰহণ কৰিছে।

এদাঁতিত মিষ্টাৰ প্ৰতাপ সিঙে অকলে এখন টেবুলত বহি ড্ৰিঙ্ক কৰি আছে। অলপ এন্দ্ৰাবচিতীয়া কুৰি ৰখা এটি কোণত অকলে বহি আছে। অলপ আঁতৰত বহা দুই একৰ চকু তেওঁৰ ওপৰত নপৰাকৈ থকা নাই। ক্ৰমে নিচা ধৰি অহাৰ লগে লগে সঙ্কোচৰ বান্ধোনো শিথিল হৈ আহিছে। সেয়ে ইজনৰ সিজনৰ মনৰ ভিতৰত সাধাৰণতে লুকুৱাই থোৱা চিন্তাচৰ্চাও প্ৰকাশ নোপোৱাকৈ থকা নাই।

কোনো এজনে কৈছে : মনজুলিৰ মেনেজাৰ মিষ্টাৰ সিঙক দেখিছানে ?

আন এজনে কৈছে : কি কৰিব অকলেই বটল শেষ কৰিছে। ফাংচনলৈ চকুৱেই নাই।

: শ্ৰীমতীয়ে বোলে ভৰিত দুখ পালে।

অট্টহাঁহিৰে এজনে মন্তব্য দিলে : ভৰিত দুখ পালে ? সোণজুলিৰ অকণ বৰাওচোন নাই। আচল কথা—Frailty, thy name is woman.

পুৰুষৰ তেনে মন্তব্যৰ উত্তৰত নাৰীকণ্ঠত শুনা গ'ল : হয়, হয়, এপাত তাল বাজে ? তোমালোক মতামানুহবোৰহে ভোমাৰাৰ জাত।

: হয় নেকি—বুলি পুৰুষকণ্ঠই অট্টহাঁহিৰেই মানি ললে।

: প্ৰমাণ চাবা ? ব'বা মই মিষ্টাৰ সিঙৰ টেবুললৈ যাও। 'জেলাছ' নহবা কিন্তু। নাৰীকণ্ঠত বিদ্ৰূপৰ ভাব ফুটি উঠিল।

: বাজ যোৱা। গম পাবা।

: আচ্ছা, দেখা য'ক।

মঞ্চত তেতিয়া প্ৰধান আকৰ্ষণ—কলিকতাৰ নাচনীৰ অনুষ্ঠানৰ ঘোষণা কৰি আছে। নৰ্তকীনৰ আঁৰৰ পৰা নৃত্যৰ আনুষঙ্গিক বাদ্যযন্ত্ৰ ঠিক কৰাৰ টুং টাং শব্দধ্বনি ভাহি আহিছে। টেবুলে টেবুলে এটা উন্মাদনাৰ পৰিৱেশ।

ঃ হেল্লো, মিষ্টাৰ সিং !

ঃ হেল্লো, মিছেছ কাকতি !

ঃ May I accompny you, till Mrs Singh arrives.

ঃ Sorry, I am sick I am going.

মঞ্চত ক্ষীণ আলোকপাত হ'ল ; আন সকলো লাইট নুমাই দিয়া হ'ল ; আৰু অপৰূপ দেহ-লাৱণ্যৰ প্ৰদৰ্শন কৰি কলিকতাৰ অভ্যাগতা, নিশাৰ শ্ৰেষ্ঠা আকৰ্ষণ ক্যাবাৰে নাচনীৰ অৱয়ৱ জিলিকি উঠিল। দৰ্শকৰ হাতচাপৰিৰ লগে লগে দেহৰ ভাঁজে ভাঁজে দোলনিৰ সৃষ্টি কৰি মোহনীয় নৰ্তকীয়ে মিচিকাই হাঁহিলে। তেনে উথলমাথলৰ মাজতে মিষ্টাৰ প্ৰতাপ সিঙে অস্থিৰভাৱে গিলাচৰ গোটেইখিনি হুইস্কী একেচোকে খাই ওলাই গ'ল ।

তেওঁৰ কাণত বাজি থাকিল হাতচাপৰি আৰু হাঁহিৰ ক্ৰমে অপসৃয়মান ধ্বনিতৰঙ্গ। তাৰ বিপৰীতে এটা নতুন কৰ্কশ ধ্বনিৰ সৃষ্টি কৰি তেওঁ সশব্দে জীপত ষ্টাৰ্ট দিলে। অতি জোৰে জীপ ওলাই গ'ল ক্লাবৰ গেটেৰে—মনজুলিৰ পথেৰে।

●

শনিবাৰ। মাজনিশা।

পুৰণি বছৰ এটিয়ে বিদায় লব।

নতুন বছৰ আৰম্ভ হব।

গীৰ্জাত ঘণ্টাধ্বনি হও হও।

●

মনজুলিলৈ তীব্ৰগতিৰে আগবঢ়া জীপৰ হেডলাইট।

মনজুলিৰ মেনেজাৰৰ বাংলোত অৰুণ আৰু পলী।

হীৰাজুলি ক্লাবঘৰৰ ক্যাবাৰে নাচনীৰ অঙ্গবাস খোলো খোলো.....

●

অৰুণে পলীক ধৰি নিচাত থৰকবৰক খোজেৰে বেডৰুমত সোমাইছে। তীব্ৰ শব্দৰ এখন জীপ গাড়ী বাৰাণ্ডাত ৰৈছে।

●

হীৰাজুলি ক্লাবত নাচনীৰ তীব্ৰপদক্ষেপত হাঁহি আৰু উন্মাদনাত মত্ত নাৰী পুৰুষৰ দল।

●

মনজুলিৰ মেনেজাৰৰ বেডৰুমত সুইচ্ অফ্।

এটা গুলীৰ শব্দ।

ঃ কোন? এক্‌জাপে অৰুণ ওলাই দৌৰ মাৰে।

এটা বিকট চিঞৰৰে পলীৰ বাথৰুমৰ দুৱাৰ খুলি দৌৰে,—'বাচাও' 'বাচাও'—বুলি আৰ্ত্তস্বৰে।

পাছে পাছে উন্মাদৰ দৰে এজন মানুহ দৌৰে।

হীৰাজুলি ক্লাবত বাঁৰবজাৰ সংকেত। লগে লগে সকলো লাইট অফ্। এন্ধাৰত পুৰুষ নাৰীৰ বীভৎস ধ্বনিৰ প্ৰকাশ।

●

মনজুলিৰ মালিক উত্তম বৰুৱাৰ বাংলোৰ চিৰিৰ কাষত পলীৰ চিঞৰ—বাচাও, বাচাও।

হীৰাজুলি ক্লাবত লাইটবোৰ জ্বলিল।

●

উত্তম বৰুৱাৰ বাংলোৰ এখন দুৱাৰ মুকলি হোৱাত এক আঁজলি পোহৰ এজাক তীব্ৰ শৰৰ দৰে বাহিৰ ওলাল।

এটা গুলীৰ শব্দ।

ঘাতকৰ পশ্চাদপসৰণ।

পোহৰৰ শৰৰ মাজত দুৱাৰমুখত চন্দন।

চিৰিৰ তলত পৰি থকা এটা নাৰীদেহ। .....

গীৰ্জাত ঘণ্টাৰ অবিৰাম ধ্বনি।

হীৰাজুলি ক্লাবত আতচবাজী আৰু উন্মাদনাৰ লহৰ।

এটা নতুন বছৰ।

ঘণ্টাধ্বনিৰে বিদায় দিয়া এটি পুৰণি বছৰ।
গুলীৰ শব্দেৰে শেষ কৰা এটা প্ৰাচীন কলঙ্ক।
ঘণ্টাধ্বনিৰে আদৰি অনা এটা নতুন বছৰ।

●

ইমানবোৰ ঘটনা ঘটোতে সামৰি বছৰটো আঁতৰি গ'ল। আধা-ঘণ্টামানৰ পাছত মমতাই দেউতাকৰ সৈতে উত্তম বৰুৱাৰ বাংলো পালেহি। এটা অদ্ভুত পৰিবেশে সকলোকে নিস্তব্ধ কৰি ৰাখে বহুপৰলৈ। ফুলমণি, মংৰা মালী, ডাক্তৰ গগৈ, মমতা আৰু অচেতন চন্দন। ঘটনাৰ পিছতে মংৰামালী দৌৰিছিল ডাক্তৰৰ ঘৰলৈ। অচেতন হৈ পৰি থকা চন্দনৰ ওচৰত ফুলমণিয়ে কি কৰো কি নকৰো ভাবত থক্থকৈ কঁপিছে আৰু কান্দিছে। অলপ পিছতে তাই দৌৰি গৈ পানীৰ জগ এটা আনি, চন্দনৰ মুখত ঢালি আছিল। সেই সময়তে জীপেৰে ডাক্তৰ গগৈ, মমতা আৰু মংৰামালী পাইছিলহি।

ফুলমণিয়ে যেন মহাবিপদৰপৰা ৰক্ষা পালে, তেনেভাৱে চিঞৰি মাতিলে ঃ মমতা দিদি! জলদী আহা। চন্দন বাবু কিবকম পৰি আছে।

ডাক্তৰে আহি চন্দনৰ নাড়ী চালে। মমতাক ক'লে ঃ ভয় নাই। Shock পাই তেনে হৈছে। মংৰাক আৰু চকীদাৰক মাতিলে আৰু দুয়ো ধৰাধৰিকৈ নি চন্দনক ভিতৰত বিচনাত শুৱাই দিবলৈ ক'লে। মমতা আৰু ফুলমণি লগে লগে গ'ল। ডাক্তৰ গগৈয়ে চন্দনৰ সাজ-পাৰ ঢিলাই দিলে। মমতা আৰু ফুলমণিক মনে মনে থাকিবলৈ ইঙ্গিত দিলে। মমতাক ফুচফুচাই কিবা কৈ—কেইটামান পিল দিলে। ডিম লাইটো জ্বলাই বাকী লাইট নুমাই দিলে। মংৰামালীক হাতবাউলেৰে কোঠাটোৰ বাহিৰলৈ মাতি নি ডাক্তৰ গগৈয়ে পলী সিঙৰ নাড়ী চাই থাকোতে সুধিলে—ঘটনাটোনো কি? মিস্টাৰ সিঙক দেখিছিলি নেকি?

ঃ হা ডাক্তৰ চাহাব। মই মোৰ ঘৰৰ ভিতৰত আছিলো। মেম-চাহাব হাকি আহিছিল—'বাচাও, বাচাও, চন্দন বাচাও'। উৰ ছোটা

চাহাবে 'মালী কি হ'ল' বুলি দুৱাৰ খুলি বাহিৰ আহিছিল। মেইভো দৌৰি আহিলু। ফুলমণিও। মেৰিলিন্ মেনেজাৰ চাহাবে গুলী মাৰিছে। তেওঁৰ মেমচাহাব চিঞৰিতে পৰি গৈছে।

: ঠিক আছে। মই থানালৈ ফোন কৰিম। পলী সিঙক হচ্পিতাললৈ নিয়াৰও লাগে। পানী অলপ আনিবলৈ ক'লে। গুলী লগা ঠাই ডোখৰত টৰ্চ পেলাই চালে।

●

---এনে সময়তে এখন জীপৰ পুলিচ পালেহি। ডাক্তৰ গগৈয়ে তেতিয়াও পলী সিঙক পৰীক্ষা কৰি আছে।

এঘণ্টামানৰ ভিতৰতে কেনেকৈ পুলিচে খবৰ পালে, ডাক্তৰ আচৰিত হ'ল।

: ডাক্তৰ গগৈ --মিষ্টাৰ সিং জীয়াই আছেনে?

: Pulse beat irregular, তৎক্ষণাৎ হচপিতেললৈ নিব লাগে। ডাক্তৰে ক'লে।

ইতিমধ্যে জীপৰ শব্দ শুনি ফুলমণি, মংৰা, চকীদাৰো ওলাই আহিছিল। মমতা চন্দনৰ ওচৰতে আছিল।

পুলিচ অফিচাৰজনে ক'লে: মিষ্টাৰ সিঙে থানাত গৈ নিজে কৈছে তেওঁ গুলী কৰিছে। ক্লাবৰপৰা আহি ঘৰাৰ লগত মিছেছ সিঙক বেয়া অৱস্থাত দেখি,--খেদি আনি গুলী কৰিছে হেনো। তেওঁ ধৰা দিয়াৰ আগতে তিনিচুকীয়া হচপিতেলৰপৰা ফোনেৰে এম্বুলেঞ্চ পঠোৱাৰো ব্যৱস্থা কৰি আহিছে বুলি কৈছে।

পুলিচ কেইজনৰ হতুৱাই ঠাইডোখৰ পৰীক্ষা কৰাই, লগতিয়াল তথ্যপাতি অফিচাৰজনে টুকি ল । চকীদাৰ, মালী, ফুলমণি, ডাঃ গগৈকো কিছুমান কথা সুধিলে। চন্দন অজ্ঞান হৈ থকা বুলি জানি এবাৰ ভিতৰলৈ গৈ চাই আহিল। মমতাকো সেই বিষয়ে সুধি ল'লে।

ইতিমধ্যে এম্বুলেঞ্চ আহিল। ততাতৈয়াকৈ পলী সিঙৰ দেহটো তাত তুলি দিয়া হ'ল। ডাক্তৰ গগৈকো এম্বুলেঞ্চৰ লগতে যাবলৈ পুলিচ

অফিচাৰজনে ক'লে। মমতাক ডাক্তৰে আকৌ পিলকেইটাৰ কথা ক'লে, যেন চন্দনে জ্ঞান পালে অলপ উপত গাখীৰ খুৱায় আৰু তাৰ পিছত দুটা পিল দিয়ে। চন্দনে যিটো মানসিক শ্বক পাইছে, তাৰ বাবে কেইঘণ্টামান সম্পূৰ্ণ জিৰণিৰ আৱশ্যক। আবেলি আৰু দুটা পিল খুৱালে গিছদিনা সকলো ঠিক হৈ যাব বুলি তেওঁ ক'লে।

মমতাই তাতে থাকিম বুলি ক'লে। ফুলমণি আৰু মংৰা মালী থাকিল। পুলিচ অফিচাৰজনে এজন পুলিচক তাতে 'পোষ্ট' কৰি ঘটনাৰ ঠাইডোখৰত থাকিবলৈ আদেশ দি গ'ল।

এম্বুলেঞ্চ আৰু জীপ গুচি গ'ল। তেতিয়া নিশা দুই বাজি গৈছে। বছৰৰ শেষ দিনৰ শেষ নিশাটো যেন শেষ নহ'বই। অজ্ঞানভাৱে পৰি থকা চন্দনৰ মুখলৈ উদগ্ৰীৱভাৱে চাই থকা মমতাই ভাৱে—। ফুলমণিয়ে অলপ আঁতৰত থিয় হৈ চাই থাকে, চকুৰে মুখে এটা আতঙ্কৰ ছাঁ। মংৰামালী চিৰিৰ ওপৰত বহি মূৰত হাত থৈ বহি আছে। ডিউটিত থকা পুলিচজনে চকীদাৰক কিবা সুধি আছে।

তেতিয়াও আকাশত পোহৰে দেখা দিয়া নাই। তেতিয়াও নতুন বছৰৰ নতুন দিনৰ পুৱাই ৰাতিৰ তপস্যা সফল কৰা নাই।

●

ৰাল ক্লকত তিনি বজাৰ সঙ্কেত।

ঃ আহ্, আহ্-মা- পানী—চন্দনৰ শেহনি শুনা গ'ল।

ঃ চন্দন—আগ্ৰহেৰে মমতা চন্দনৰ কাষ পালে।

ঃ হ—কি হ'ল? মমতা—

ঃ নাই চন্দন ঠিক আছে। এই গাখীৰখিনি খোৱা।

ঃ মমতা, কি হৈছিল? তুমি কেনেকৈ এইখিনি পালা? আৰু নিছেছ সিং.....

ঃ মনে মনে থাকা চন্দন। একো হোৱা নাই। নিছেছ পৰ্নী সিঙক দেউতাই হচপিতেললৈ নিছে। তেওঁ জীয়াই আছে।

ঃ নহয় মমতা। উত্তেজিত হৈ চন্দনে ক'লে,—তেওঁ মোক মাতিছিল—বাচাও, বাচাও বুলি। কিন্তু মই বচাব নোৱাৰিলো। তাৰ আগতে—

ঃ চন্দন অস্থিৰ নহবা। কাৰো একো হোৱা নাই। পুৱা গম পাবা। চাও, নুঠিবা। তুমি নাৰ্ভাছ হৈ অজ্ঞান হৈ পৰিছিলা। দেউতাই ঔষধ দি গৈছে।

—অসহায়ভাৱে চন্দনে গাখীৰ গিলাচ খালে। ফুলমণিয়ে আগুৱাই দিয়া টাৱেলখন মমতাই লৈ চন্দনৰ মুখখন মুছি দিলে। লগতে দুটা পিল দি এগিলাচ পানীও দিলে। চন্দনে পিল দুটা মুখত লৈ অলপ পানী খাই—গিলাচটো ওচোতাই দিলে।

ঃ চন্দন, দেউতাই কৈছে তুমি শুই থাকিলে ভাল পাবা। চাও শোৱাচোন।

ঃ কিন্তু মমতা, মোৰ ভয় লাগিছে। মানুহৰ তেজ। মই চকু মুদিব নোৱাৰো।

ঃ ছিঃ তুমি মতা মানুহ। ভয় কিহৰ? চাও চকুদুটা মুদা, মই তোমাৰ মূৰটো ছুই আছো। —মমতাই চন্দনৰ চকুদুটা মুদাই দি মূৰ শিতানতে বহি মূৰটো ছুই থাকিল।

ঃ তুমি কিন্তু নাযাবা!—চন্দনে ক'লে।.....

●

সময় গৈ থাকিল। মমতাই চন্দনৰ চুলিত লাহে লাহে আঙুলি বুলাই ৰ'ল। ডিম লাইটো জ্বলি ৰ'ল। ফুলমণিয়ে হাতেৰে ইঙ্গিত দি মমতাক ক'লে—অলপ পিছতে আহিব। ফুলমণি ওলাই গ'ল। বালক্লকত ছেকেণ্ডৰ কাটা ঘূৰি থাকিল, টিক্ টিক্ শব্দৰ লগে লগে মিনিটবোৰ পাৰ হৈ থাকিল।

●

চাবি বজাৰ সঙ্কেত শুনা গ'ল। কিন্তু সেই সঙ্কেতত চন্দনৰ সঁহাৰি পোৱা নগল। স্লিপিং টেবলেটৰ প্ৰভাৱত চন্দন নিঃসাৰ হৈ পৰিছিল।

মমতাৰ চকুত টোপনিয়ে লুকাভাকু নেখেলাকৈ নাছিল। চন্দনৰ পালেঙৰ মুৰ শিতানৰ পিনে মুৰটো আওজাই, তেতিয়াও মমতাই চন্দনৰ চুলিত আলফুলে হাত বুলাই আছিল।

●

এটা সময়ত মমতাৰ তন্দ্ৰা আহিছিল।

পুৱতিৰ চেচা বতাহ এছাটি কোঠাৰ ভিতৰ পাইছিল। আৰু ঠিক চাৰে চাৰি বজাৰ সংকেতত মমতা সপোন ৰাজ্যৰ পৰাহে যেন উচপ খাই উঠিছিল। আৰু ফুলমণিক দেখি লৰালৰিকৈ নিজৰ গাৰ কানি-কাপোৰ ঠিক কৰি লৈ পালেঙত আওজি পৰা দেহটো দাঙি লৈ থিয় হৈছিল। ফুলমণিয়ে একোনাকোৰাতেই নিজে ফুচফুচাই উঠিছিল: ইচ্ মোৰ টোপনি আহিছিল! এইপিনে আহচোন। বাৰ-ভৈল ওলাই আহি ভাগৰকৈ মমতাই ফুলমণিক ক'লে,

: ছেঃ বৰ লাজ লাগিছে পাই।

: ঠিক হৈছে। ফুলমণিয়ে ঠাট্টা কৰি ক'লে, দেখিলোতো, ছোটা চাহাবৰ বুকুত মুখ থৈ--

: ফুলমণি কিযে কৰ? কাকো নকবি। বৰ টোপনি লগাত কৰই নোৱাৰিলো।

: একদিনতো সবায় সেইৰকম ঘুমাই থাকিবা।

: ধেৎ এইজনী! শুন। দেউতা আহিলে মই যাম। তই চন্দনক পৰ দিবি। মই আবেলি আহি ঔষধ খুৱাম।

: ঠিক আছে দিদি। পোহৰ হৈ আহিলেই।

এনেতে ডাক্তৰৰ জীপ পালেহি। ডাক্তৰ গগৈয়ে সুধিলে: চন্দনৰ ভালনে?

: ভাল পালে। উত্তেজিত হব খুজিছিল। পিল খুওৱাৰ পিছত শুই পৰিল। দেউতা মিছেছ সিও--

: ঢুকাল। পষ্টমৰ্টেম হব।

এটা হমুনিয়াহ ওলাল মমতাৰ। ডাক্তৰ গগৈয়ে চন্দনৰ কোঠাত সোমাই, তেওঁৰ হাত ছুই নাড়ী চালে। লাহেকৈ হাতখন থৈ হাতেৰে

ইংগিত দি মমতাক বাহিৰলৈ মাতিলে। মংৰাক ফুলমণিৰ লগতে চন্দনৰ কাষত থাকিবলৈ ক'লে। তেওঁ এঘণ্টামান পিছত আকৌ আহিব বুলি ক'লে। মমতা আৰু ডাক্তৰ গগৈ জীপত উঠিল।

●

ৰাতি পুৱাল। জীপত মমতাই সুধিলে: দেউতা, বৰদেউতাক খবৰ পঠিয়াব লাগিছিল।

ব্যৱস্থা কৰিছো। পুলিচৰ হতুৱাই ৰায়াৰলৈহে পঠিয়ালো। বিপদৰ ওপৰতে বিপদ। উভতি আহোঁতে ৭ নম্বৰ বস্তিত হাল্লা শুনিলো। দেখো ভীষণ কাণ্ড। মানুহৰ দলে দালালৰ সহায়ত, বাগানৰ নলা-পাৰ কৰি চাহপাত নিব ধৰিছিল। হাল্লা শুনি মই সেইপিনে আহিলো। লৰী চাহপাত এৰি গুণ্ডাইত পলাল।

: দেউতা গুণ্ডাহঁতেও দিন, সময় ঠিকমতে বাছি লৈছিল।

: আচলতে চন্দনক বুধন ৰান্দৰৱালাই খবৰ দিছিল। সেই কাৰণে নিউইয়াৰ্ছ ইভ'ৰ অনুষ্ঠানলৈ নগৈ, চন্দনে ৭ নম্বৰ লাইনত কৰিজন ইউনিয়নৰ ডেকা লুকাই থৈছিল বোলে। সিহঁতৰ এজনে ক'লে।

: হয়নেকি? মোকো কোৱা নাছিল। যিকি নহওক, এটা শনিলগা শনিবাৰ পাৰ হ'ল।

: এৰা পুৰণি বছৰৰ লগতে অপায়-অমংগলৰ শেষ হলে হয়।

দূৰত কুকুৰাৰ মাত শুনা গ'ল।

নতুন বছৰৰ প্ৰথম পুৱাৰ পোহৰে ক্ৰমে পৃথিৱীখনক আবৰি ললে।

স্বামী বিবেকানন্দই দেশবাসীক উদ্বুদ্ধ কৰি উদাত্ত আহ্বান জনাইছিল—আগবাঢ়া, নাথোঁ আগবাঢ়া ; কোন পৰিল—পাছলৈ নাচাবা। এয়া যেন কুৰুক্ষেত্ৰৰ অৰ্জুনলৈ শ্ৰীকৃষ্ণৰ বাণীৰ পুনৰাবৃত্তি—উত্তিষ্ঠত, জাগ্ৰত, প্ৰাপ্য বৰান্নিবোধত। এই লক্ষ্য, এই আদৰ্শ—সদায় দূৰত থাকে। আৰু ঢুকি পোৱাৰ আঁতৰত থাকে কাৰণেই ই আদৰ্শ। আৰু আদৰ্শৰ অনুসৰণত গতিৰ সেয়ে যতি নাই ; শেষ নাই। অনন্ত সন্ধান—অভিযাত্ৰীৰ ; ঠিক সূৰ্য্য পৰিক্ৰমা কৰি থকা পৃথিৱীৰ দৰে।

সময় আৰু জোৱাৰ কাৰো বাবে বৈ নাথাকে এখন্তেকো। মন-জুলি কিয় বিশ্বৰ মহত্তম লোকৰ মহত্তম কামনায়ো তাৰ গতিৰোধ কৰিব নোৱাৰে। স্বপ্নৰ দৰে প্ৰতিটো জাগৰণৰ মুহূৰ্তত তেনে অলস কামনা উৰলি যায়। আৰু প্ৰতিটো ঘাত-প্ৰতিঘাত-সংঘাতত যি উফৰি যায়, যি খোপনি পুতি ৰয়, যি আহত দেহমন লৈ চকু'লা পেলায় বা কৃত্ৰিম আনন্দ উত্তেজনাত আপোন পাহৰা হয়, তেওঁলোকৰ কোনেও ধাৱমান সময়ৰ দৃষ্টি তিলমানো আকৰ্ষণ কৰিব নোৱাৰে। এই বিশ্ব নাটৰ পটভূমি প্ৰকৃতিও যেন স্থিতপ্ৰজ্ঞ যোগীহে —কাৰো দুখ-বেজাৰ, জন্ম-মৃত্যু একোৱে প্ৰকৃতিৰ নিজস্ব গতিত প্ৰভাৱ পেলাব নোৱাৰে। আনহাতে বিশ্ব নাটৰ ভাৱৰীয়া মানৱৰ প্ৰকৃতিৰ সৈতে অক্ষয় সংগ্ৰাম চলি থাকে।

"সৃষ্টিৰ দিনাৰে পৰা নিয়তিৰ স'তে হেৰা মানুহৰ সংগ্ৰাম অক্ষয়।
আমি তাৰ স্মৃতিস্তম্ভ, সোঁৱৰাই মানুহৰ বীৰ্য্য আৰু নিয়তিৰ জয়॥"

—ভাগ্যবাদী কবিয়ে তেনেদৰে কয়। আৰু কৰ্মযোগী পুৰুষে সংগ্ৰামৰ আনন্দতে আপোন পাহৰি থাকে,—জয়-পৰাজয়ৰ প্ৰশ্ন তাত

নুঠে। আনহাতে প্ৰকৃতিয়ে মানৱক মাকৰ দৰে লালন পালন কৰাৰ কথাও ৱৰ্ডছৱৰ্থৰ দৰে কবিৰ কল্পনাত মূৰ্ত হয়; অথচ টমাছ হাডিৰ দৰে ঔপন্যাসিকে প্ৰকৃতিক সক্ৰিয়ভাৱে মানৱৰ অহিত চিন্তা কৰাৰ দৃষ্টান্ত দাঙি ধৰে। এনেবোৰ চিন্তা-চৰ্চা, তৰ্ক যুক্তিৰ অন্ত নাই। কালচক্ৰ ঘূৰি থাকে। তাৰ দুৰ্বাৰ গতিয়েই জীৱনৰ উন্মাদনাক জীয়াই ৰাখে; তাৰ হাতৰ কঠোৰ--কোমল পৰশেই মনৰ তীব্ৰতম ক্ষতো শুকুৱাই দিয়ে।

মানসিক আঘাতত অসুস্থ হৈ পৰা চন্দনা পুনৰ আগৰ অৱস্থালৈ উভতি আহিল। মমতাৰ স্নেহভৰা শুশ্ৰূষাই তেওঁক যেন পৃথিৱীৰ মোহৰ আৱেষ্টনীৰ মাজত বেছিকৈ সুমুৱাই পেলালে। দুখো যেন ক্ৰমে ওচৰ চাপি আহিল। কুমাৰণী পোকে পইতাচোৰাক নিজৰ বাহত বন্দী কৰি থয় আৰু এসময়ত পইতাচোৰাই ক্ৰমে ক্ৰমে জীৱিত অৱস্থাতে কুমাৰণীৰ দৰে এটি দেহলৈ ৰূপান্তৰিত হয়। একাগ্ৰভাৱে আন এটা জীৱৰ প্ৰভাৱৰ বশৱৰ্তী হৈ এনেদৰে দৈহিক ৰূপান্তৰ,—মানুহৰ ক্ষেত্ৰত নহয় সঁচা। কিন্তু তেনে ধৰণৰ একাগ্ৰচিত্তৰ সান্নিধ্যই এজন মানুহৰ ব্যক্তিসত্বাক আনজনৰ ব্যক্তিসত্বাৰ লগত একাত্মবোধৰ প্ৰবল অনুভূতি নজগোৱাকৈ নাথাকে। চন্দন আৰু মমতাৰো দুটা ব্যক্তিত্বৰ সঘন সংস্পৰ্শই দুয়োকো দুয়োজনৰ আগ্ৰহ অনুভূতিৰ প্ৰতি সহানুভূতিশীল কৰি তুলিলে। কব নোৱাৰাকৈয়ে যেন ইজনে সিজনৰ পৰিপূৰকৰ ঠাই ল'লে; আৰু ইজনৰ অবিহনে সিজনে অসহায় অনুভৱ কৰিবলৈ ধৰিলে। ইজনৰ প্ৰিয় কাম, ভালপোৱা কথা—সিজনৰো প্ৰিয় হৈ উঠিল। অদৃশ্য এনাজৰীয়ে দুটি মনৰ বন্ধন ঘটালে।

মন্তাগৱতত আছে দত্তাত্ৰেয় ব্ৰাহ্মণে নিজৰ অভিজ্ঞতাৰ ভেটিত লাভ কৰা জ্ঞানৰ কথা কওঁতে কৈছিল যে অতি প্ৰিয় বস্তুটো পোৱা আৰু নিজৰ কৰি লোৱাৰ মাজত অশেষ দুখ থাকে আৰু অপায়-অমঙ্গলৰ থল থাকে। কুকুৰা চৰাই এটাই মাংস কড়িয়াই উৰি থাকোতে, আন বহু শক্তিশালী চৰাইবোৰে তাক আক্ৰমণ কৰে। ছোঁ মাৰি তাৰ পৰা কাঢ়ি নিয়াৰ চেষ্টা চলায়। আৰু সি আপ্ৰাণ চেষ্টা কৰে তাৰ আহৰণকৰা প্ৰিয় খাদ্যখিনি সামৰি ৰাখিবলৈ। কিন্তু

প্ৰতিদ্বন্দ্বী জাকৰ আক্ৰমণত নিৰুপায় হৈ সি তাৰ হাতোৰাৰ মাংসখিনি পেলাই দিলে। লগে লগে প্ৰতিদ্বন্দ্বী চৰাইবোৰ আঁতৰি গ'ল। কুৰৰাই শান্তিৰ জীৱন পালে। এনেদৰে শাস্ত্ৰত বৈৰাগ্যৰ মাজেৰে শান্তিৰ কথা কয়। কিন্তু বাস্তৱ ক্ষেত্ৰত গতানুগতিক জীৱন যাত্ৰাত এনে বৈৰাগ্য সম্ভৱ জানো?

প্ৰিয়জন, প্ৰিয় সম্পদৰ মোহে মানুহক আচ্ছন্ন কৰে। 'সংসাৰ বন্ধন' বুলি মন্তব্য দিলেও, বন্ধন নহ'লে সংসাৰৰ স্থিতিয়েই বা ক'ত? গ্ৰহ-উপগ্ৰহৰ পাৰস্পৰিক আকৰ্ষণ, নক্ষত্ৰৰাজিৰ নিয়ন্ত্ৰণ—সেয়েইতো সৌৰজগতক স্থিতি দিয়ে। তেনেকৈ ব্যক্তিৰ স্থিতিও আন এক, দুই, বহু ব্যক্তিৰ লগত, সমাজ তথা বিশ্বৰ লগত সমন্বয়ৰ ওপৰতহে ৰৈ থাকে। এই যুক্তিৰেহে অৰণ্যক জীৱনৰ পৰা এদিন চন্দনক বুজাই-বঢ়াই সমাজৰ মাজলৈ অনা হৈছিল। আৰু ক্ৰমে সমাজক সাদৰি লব ধৰা তেওঁৰ মনটোক জীপ দি ৰাখিবলৈ তেনে প্ৰিয়জন, প্ৰিয়মন, প্ৰিয় পৰিবেশৰ বন্ধন লাগিবই। সংঘাতময় পৃথিৱীত সংগ্ৰামৰ আনন্দওতো কম নহয়, —যদিহে জয়-পৰাজয়ৰ বিচাৰ কৰা নহয়।

●

শ্ৰীউত্তম বৰুৱাই শেহতীয়া পৰিস্থিতিৰ বুজ লবলৈ মনজুলি পাইছিলহি। তেতিয়ালৈ চন্দনৰ মন স্থিৰ হৈছে যদিও, সম্পূৰ্ণ বিশ্ৰামত ৰখা হৈছিল। আৰু সেই বিশ্ৰামৰ দিনকেইটাৰ অলস ক্ষণবোৰ সজীৱ কৰি ৰখাৰ বাবে মমতা প্ৰায়ে কাষৰত থাকে, অধ্যয়নৰ কথা পাতে, গীত গায়। ডাক্তৰ গগৈয়েও ভাবিবলৈ আৰম্ভ কৰে যে এই আহত মনৰ ডেকাজনক সংগ্ৰামী সমাজৰ মানুহ কৰি ৰাখিবলৈ মমতাৰ দৰে সহানুভূতিশীলা সঙ্গীৰ আৱশ্যক হব। মমতাৰ দৰে আন এজনী পোৱা যাব ক'ত? মমতায়ে তেনেহ'লে চন্দনৰ জীৱন-জোৰা সঙ্গিনীৰ দায়িত্ব লোৱা উচিত হবনে? মমতাৰ মাকেও তেনে-দৰে নভবা নহয়। দুয়ো দুয়োকো এই চিন্তা ভাষাৰে প্ৰকাশ কৰি জনোৱা নাছিল যদিও, পৰস্পৰেই ভাবিছিল যে আন পৰাকীয়ো মনত নিশ্চয় এনে ভাব হৈছে।

শ্ৰীউত্তম বৰুৱাই ডাক্তৰ গগৈক এদিন ক'লে,

ঃ মমতাইহে পৰিস্থিতিটো চম্ভালি দিলে দেই।

ঃ এই কেইমাহতে চন্দনে দুটা আঘাত পালেতো! মিণ্টাৰ জনৰ দুৰ্ঘটনা আৰু মিছেছ পলী সিঙৰ মৃত্যু। ডাক্তৰ গগৈয়ে চন্দনৰ মনটো সজীৱ কৰি তুলিবলৈ অলপ চেঞ্জৰ দৰকাৰ বুলিও ক'লে।

ঃ ময়ো তাকেই ভাবিছো। মাঘী পূৰ্ণিমাও আহিছে। সেই সময়ত পৰশুকুণ্ডলৈ পঠিয়াই দিলে ভাল হব। মালিনীথানো চাই আহিব পাৰিব। এবাৰ বোলে মমতাক চন্দনে মালিনীথান চোৱাৰ ইচ্ছা থকা বুলি কৈছিল। মমতাৰ মাক আৰু মমতাকো লগতে পঠিয়াব নোৱাৰেনে? আমাৰ হেডক্লাৰ্ক নিৰঞ্জন বাবুক পঠিয়ালে, ইনাৰ লাইনৰ প্ৰবেশ ব্যৱস্থা, থকা-মেলাৰ দিহা ঠিক কৰিব পাৰিব। মংৰা মালী, ফুলমণিও যাওক। ট্ৰেলাৰ লগোৱা জীপ এখন হ'লেই হব। আপুনি কি কয় বাৰু?

শ্ৰীবৰুৱাৰ কথাত ডাক্তৰে ক'লে যে মমতাৰ মাকেতো পৰশুকুণ্ডৰ মেলা বুলিলে এতিয়াই ওলাব। শ্ৰীবৰুৱাই আৰু ক'লে যে এইবাৰ ঘূৰি পকি অহাৰ পিছত চন্দনক মনজুলিৰ মেনেজাৰ পাতি দিব খুজিছে। এনেয়েতো চন্দন অতি নিষ্ঠাবান কৰ্মী; অধিক দায়িত্বৰ মাজত হতাশ ভাব মনলৈ অহাৰ সুৰুঙা নাথাকিব।

ডাক্তৰ গগৈয়ে শ্ৰীবৰুৱাৰ কথাতে হয়ভৰ দি ক'লে ঃ ময়ো ভাবো চন্দনক সততে ব্যস্ত ৰখা ভাল হব। আনহাতে নিজাকৈ বাংলোত থাকিবলৈ দিব লাগে যাতে সকলো বিষয়ত ক্ৰমে আত্মনিৰ্ভৰশীল হব পাৰে।

ঃ কিন্তু মেনেজাৰৰ পুৰণি বাংলোত থাকিবলৈ দিলে মিণ্টাৰ জন বা মিছেছ পলী সিঙৰ কথা মনলৈ আহিব পাৰে। গতিকে ফেক্টৰী মেনেজাৰক তালৈ নি, চন্দনক বনুৱা লাইনৰ দাঁতিৰ ইটো বাংলোতে ৰাখিলে ভাল হব। —শ্ৰীবৰুৱাই কথাৰ মাজতে কৈছিল।

ডাক্তৰ গগৈ আৰু শ্ৰীবৰুৱাই চন্দনৰ মাকৰ বিষয়েও বহু কথা পাতিছিল। চন্দনে, কিয় মাক নাই বুলি কৈছিল সেই বিষয়ে দুয়ো

কোনো কাৰণ বিচাৰি পোৱা নাছিল। শ্ৰীবৰুৱাই ডাক্তৰ গগৈক ক'লে যে পৰশু মেলাৰ লৈ যাওঁতে মমতা আৰু মনভাৰ নাকে পাকে-প্ৰকাৰে কথাটো উলিয়াবও পাৰিব। লাহে লাহে পৰিবেশ উপযোগী হ'লে, চন্দনৰ মাকক কিবা প্ৰকাৰে মনজুলিলৈ অনাৰ ব্যৱস্থা কৰিব বুলিও শ্ৰীবৰুৱাই ক'লে।

: মাক পিছে আহিবনে ?

: মাকৰ মনতো ? বিশ্বাস ওপজাব পাৰিলেই আহিব। এইবাৰেই ভাবিছিলো—লৈ আহিম। আপোনাৰ 'মেছেজ' পাই লবালৰিকৈ গুচি আহিলো। —শ্ৰীবৰুৱাই ক'লে।

: আপুনি বাৰু তেওঁক লগ পালে কেনেকৈ ?

: চন্দনৰ নোটবুক এটাত কলিকতাৰ পৰীয়া অঞ্চলৰ ঠিকনা এটা দেখিছিলো। আৰু সিদিনা সেই চাইতেনো গাড়ীখনে 'ট্ৰাবল্' দিব লাগেনে ? খুড়াক হাৰাণ বাবুকো তাতে লগ পালো।

: যি দেখিছো, মাক-পুতেকৰ পুনৰ মিলন হোৱাটো কিজানি ভগবানৰে ইচ্ছা। ডাক্তৰ গগৈয়ে ক'লে।

এইদৰে আৰু কেবাদিন শ্ৰীউত্তম বৰুৱাই ডাক্তৰ গগৈৰ লগত চন্দনৰ ভৱিষ্যতৰ কথা পাতিছিল।

●

মকৰ সংক্ৰান্তিৰ দিনা পৰশুকুণ্ডত ডাঙৰ মেলা বহে। কিছুদিন আগৰে পৰা দোকান-পোহাৰ, হোটেল-ধৰমশালা আদিত দূৰ দূৰণিৰ তীৰ্থযাত্ৰী আৰু ভ্ৰমণকাৰীৰ ভিৰ হয়। পৰশুকুণ্ড অৰুণাচলৰ লোহিত জিলাৰ পূবকোণত। ১৯৫০ চনৰ ডাঙৰ ভুঁইকঁপৰ সময়ত ব্ৰহ্মপুত্ৰৰ তলি ওফন্দি উঠাত, প্ৰবল বানপানী আৰু গড়াখহনীয়া হৈছিল। সেই দুৰ্যোগত কুণ্ডৰ মাজভাগত থকা প্ৰকাণ্ড শিলটোৰ কিছু অংশ নষ্ট হয়। এই শিলটো কুঠাৰেৰে ফালি লুইতৰ জলধাৰা বোৱাই অনাৰ কাহিনী অতীতৰপৰা মানুহৰ মুখে মুখে চলি আহিছে। এনেহেন কুণ্ডৰ স্মৃতিচিন অটুট ৰখাৰ মানসেৰে লোৰ বেৰদি তীৰ্থযাত্ৰীৰ বাবে স্নানৰ সুবিধা কৰি দিয়া হৈছে।

চন্দন, মমতা, মমতাৰ মাক, ফুলমণি, মংবা মালী, ড্ৰাইভাৰ, নিৰঞ্জন বাবুহঁত পৰশুকুণ্ড পালেগৈ সংক্ৰান্তিৰ আগদিনা। তিনি-চুকীয়া হৈ ছৈখোৱাঘাটলৈ গৈ, তেওঁলোকে ফেৰীৰে শদিয়া পাইছিল। তাৰপৰা জীপেৰে গৈ চুণপোৰাৰ চেক্‌পোষ্টত বৈ প্ৰতিষেধক বেজি লৈ আহাৰ প্ৰমাণ পত্ৰ দেখুৱাইছিল আৰু অৰুণাচলত সোমোৱাৰ বাবে আৱশ্যকীয় পাছ সংগ্ৰহ কৰিছিল। এই চুণপোৰাতে হেনো আহোমৰ ৰাজত্বকালত শদিয়াখোৱাই শামুক আৰু শিল পুৰি চুণ তৈয়াৰ কৰিছিল। সেয়ে ঠাইডোখৰৰ নাম হ'ল চুণপোৰা। চুণপোৰাৰ পৰা তেজুলৈ আৰু টিংগাইঘাটলৈ যাব পাৰি। পায়া, ডিগাৰু আদি খৰস্ৰোতা পৰ্বতীয়া নৈয়ে অঞ্চলটোৰ সৌন্দৰ্যত বৰ্ণ সানিছে। শিলৰ মাজে মাজে বাগৰি যোৱা নৈৰ চঞ্চল দুবন্ত গতিয়ে অপূৰ্ব এক ধ্বনিতৰঙ্গৰ সৃষ্টি কৰে। তাৰ লগতে অলেখ চৰাই চিৰিকতিৰ কাকলী কণ্ঠ আৰু তীৰ্থযাত্ৰীৰ কোলাহল। শদিয়াৰ পৰা তেৰাম্ন মাইল আঁতৰত তেজু আৰু তেজুৰ পৰা উনৈশ মাইল আঁতৰত পৰশুকুণ্ড। এই গোটেই বাটছোৱা তীৰ্থযাত্ৰীৰ উখল-মাখলত চঞ্চল হৈ উঠিছিল। এইসকলৰ মাজতে আছিল চন্দন আৰু তেওঁৰ লগৰীয়াসকলো। সিদিনা পৰশুকুণ্ডৰ ওচৰ পায়েই নিৰঞ্জন বাবুৰ তৎপৰতাত থকা ঠাইৰ দিহা সহজেই হ'ল। আবেলিলৈ খোৱা-দিনা আদিৰ সকলো ব্যৱস্থা কৰাৰ পিছত--মমতা আৰু চন্দন এটা জুবিৰ পাৰ পালেগৈ। মমতাৰ মাক, ফুলমণি আৰু মংবা অলপ আঁতৰত আছিল। জাৰকালিৰ আবেলিৰ নিস্তেজ ৰ'দৰ শেতা পোহৰৰ মাজতো প্ৰত্যেকৰে মুখত এটা যেন উজ্জ্বল ৰেঙনি। প্ৰকৃতিৰ কোলাত মানুহ কিমান সহজ হৈ পাৰে। এনে একোটি মুহূৰ্তত দৈনন্দিন জীৱনৰ যোগ-বিয়োগৰ কথা মনলৈ নাহে ; অনাবিল আনন্দৰ বুজাব নোৱাৰা অনুভূতি এটাই মনপ্ৰাণ আবৰি ৰাখে।

চন্দন আৰু মমতায়ো এনে এটি অনাবিল আনন্দৰ মুহূৰ্তৰ মাজত শিলনিৰ মাজে মাজে, বোৱতি সুঁতিৰ কলকল ধ্বনিৰ ওপৰেদি দেওদি দেওদি ফুৰিছিল। এটা সময়ত মমতাই এটা ওখ শিলৰ ওপৰত বহিছিল আৰু চন্দনে তাৰেই অলপ নামনিত বহি গতিশীল পানীত এডাল সৰু বাঁহেৰে যেন খেলিছে আছিল। মমতাই এবাৰ কৈ

উঠিল : চন্দন, তুমি মেনেজাৰ হ'লে মনজুলিৰ বাবু-বনুৱা আটায়ে ভাল পাব।

হঠাতে এনে এটা পৰিবেশত, মমতাই ইচ্ছা কৰিয়েই চন্দনৰ মনটো জোকাৰি চাবলৈ কথাষাৰ কৈছিল।

বাঁহডাল সোঁতত এৰি দি, চন্দন উঠি আহিছিল মমতাৰ কাষলৈ।

: কিন্তু মমতা, মই পাৰিম জানো? ইমান দায়িত্ব—

: কিয় নোৱাৰিবা? ইমানদিনে বাগানৰ কাম শিকিলা। আচলতে মিষ্টাৰ সিংতো শেষলৈ তোমাৰ ওপৰতে প্ৰায়বোৰ দায়িত্ব দিছিলেই। মেনেজাৰ হ'লে তুমি বনুৱা-বাবু সকলোৰে কল্যাণৰ কাম কৰিবলৈ অধিক সুচল পাবা। চোৰাংকাৰবাৰী, গুণ্ডাহঁতৰো দৈমান কৰিব পাৰিবা।

: মই অকলে?

: কিয়, মই আছো।

: তুমি থাকিলে অৱশ্যে।

এনেতে দূৰৈৰপৰা ফুলমণিয়ে চিঞৰি মতা শুনা গ'ল : মমতা দিদি, মাই মাতিছে। সাঁজৰ বেলা নদী কিনাৰত বহি থাকিলে ভূতে ধৰিবৰে।—হা—! কৈ কৈ তাই ওচৰ চাপি আহি আছিল।

মমতাই হাঁহি হাঁহি অলপ চিঞৰি উত্তৰ দিছিল : আৰে তই ভূতুনী আছ যেতিয়া, দোচোৰা ভূত নাহে নহয়।—এইবুলি কোবাৰ লগতে উঠি চন্দনক ব'লে : ব'লা চন্দন। মাই মাতিছে।

চন্দন আৰু মমতা আগবাঢ়িল। সেইটো শিলৰপৰা পাৰৰ আনটোলৈ আহিবলৈ চন্দনে মমতাক সহায় কৰি দিলে।

আকাশেদি উৰি যোৱা চৰাই এজাকলৈ আঙুলীয়াই চন্দনে ক'লে,

: চোৱা মমতা, কিমান ধুনীয়া লাগিছে।

মমতাই সেইদিনা তাই মাথোঁ এটি বঙালী গীতৰ কলি গুণগুণালে :

'নিঝুম সন্ধ্যায় পান্থপাখীরা—
বুঝিবা পথ ভুলে যায়—

আমি পথ ভুলিলেই বঙ্ক'। চন্দনে সঁহাৰি দি কয়।

দুহপৰতাৰ মমতাই কৈ উঠে ভয় নাই---যেতিয়ালৈ মই আছো। হঠাতে কথাৰ গতি সলাই ক'লে : ব'লা মাই বেয়া পাব। জানা চন্দন, মোৰ মনত দুখ দিবলৈ বৰ বেয়া লাগে।

: এৰা না---। উজুতি খাই যোৱাৰ দৰে চন্দনৰ কথাষাৰ আধাতে বৈ যায়।

: মাই তোমাক বৰ ভাল পায়। তোমাৰ মাক পালে আৰু কিমান বং পালেহেঁতেন।

চন্দনে একো উত্তৰ 'নিদিলে।

মমতাই ক'লে : আজি সোনকালে খাই বৈ শুই থাকিব লাগিব। কাইলৈ মাঘী সংক্ৰান্তি--দোকমোকালিতে পৰশু কুণ্ডত স্নান কৰিব লাগিব।

●

শেষ নিশাৰ পৰা শ শ তীৰ্থযাত্ৰীয়ে, কুণ্ডত স্নানৰ বাবে সাজু হ'ল। ক'ৰবাৰ পৰা হয়তো এজনে লগাই দিয়ে---'ব্ৰহ্মপুত্ৰ বাবাকী' সকলোৱে চিঞৰি উঠে 'জয়'। চন্দনহঁতৰ বাহৰতো ফুলমণিয়ে শেষ নিশাতে উঠি হুলস্থূল লগাই, সকলোকে জগাই দিলে। লাহে লাহে নিশাৰ জড়তা ভেদ কৰি কুঁৱলীয়ে ভৰা আকাশৰ মাজেৰে দোকমোকালিৰ পোহৰৰ আভাস ফুটি উঠিল।

থৰথৰকৈ ব্ৰহ্মমুহূৰ্ততে তেওঁলোক ওলাল কুণ্ডৰ ওচৰলৈ। ফুলমণিয়ে আগবাঢ়ি মমতা আৰু চন্দনৰ ওচৰ পালেগৈ। ইতিমধ্যে সাধু-সন্ন্যাসী এদলে উচ্চকণ্ঠে স্তুতি কৰা শুনা গ'ল:

'ব্ৰহ্মপুত্ৰ মহাবাহো শান্তনোঃ কুলনন্দন।
অমোঘা গৰ্ভসম্ভূত পাপং লৌহিত্য মে হৰ।'

ফুলমণিয়ে বিৰবিৰাই কৈ যায়: মমতা দিদি কালি মাই কৈছে ইয়াত গাধোৱাত পৰশুৰামৰ নাকি মাকক মৰা পাপ কটা গ'ল। তাৰ আগত কুঠাৰটো নাকি হাততে লাগি আছিল। হয় নাকি?

মমতাই ফুলমণিক কাহিনীটো চমুৱাই কয়: ফুলমণি এসময়ত এজন মুনি আছিল। নাম জমদগ্নি। পৰশুৰামৰ দেউতাক। ঘৈণীয়েক

বেণুকাক এদিন পানী আনিবলৈ পঠিয়াইছিল। গা-পা ধুই মুনিয়ে পূজা-অৰ্চনা কৰিব। মুনি বৈ আছে, বৈ আছে। ঘৈণীয়েক নাহেহে নাহে। ধ্যানত দেখিলে ঘৈণীয়েকে গঙ্গাত জলকেলি চাই সকলো পাহৰি আছে।

ফুলমণিয়ে মাজতে ক'লে : হয় মাই সব কৈছে। কিবকম মুনিয়ে খাগত শাপ দিছিল। কুণ্ডৰ ওচৰ পাই ফুলমণিয়ে—'মই পহিলে গা ধুই লম' বুলি বেগাই আঁতৰাই গ'ল।

চন্দনে কিবা এটা ভাবি মমতাক ক'লে,

: তেতিয়াৰ দিনতো Sex perversion—যৌন বিকৃতিৰ কথা আছিল। নহ'লে মুনিপত্নী বেণুকাই গঙ্গানদীত চিত্ৰৰথ আৰু গান্ধৰ্ব-হঁতৰ জলকেলি চাই গিৰীয়েকৰ কথা পাহৰিলে কিয় ?

মমতাই মাত দিলে : যুগে যুগে মানুহ মানুহেই। ত্ৰুটি-বিচ্যুতি, ভুল-শুধৰণি অকল আজিৰে নহয়। মুনি পত্নী বেণুকাৰ পৰা পত্নী সিওঁলৈ একে কথা।

: পৰশুৰামে পিতৃৰ আদেশত মাকক কাটিলে, কিন্তু অনুতপ্ত হৈ ঘূৰি ফুৰিবলগীয়া হ'ল।

: চোৱা চন্দন, পৰশুৰামে মাকৰ কথা ভবা উচিত আছিল। ভুল-ভ্ৰান্তি মানুহৰ হয়; বেণুকাও মানুহহে আৰু তদুপৰি নিজৰ মাক—

চন্দনে যেন মাক-পুতেকৰ বিষয়ে আলোচনা কৰি থকাটো নিবিচাৰিলে। নিজৰ মাকৰ কথাই হয়তো চন্দনৰ মনত ভুমুকি মাৰিছিল। মাকৰ স্মৃতি আজি প্ৰায় তিনিবছৰ জোৰকৈ মনৰ পৰা আঁতৰাই ৰখাৰ চেষ্টা তেওঁ কৰি আহিছে। কিন্তু পাৰিছে জানো ?

চন্দনে দুবলৈ আঙুলিয়াই ক'লে : চোৱা মমতা, মানুহৰ কিমান ভিৰ হৈছে।

মমতাই কিন্তু আগৰ আলোচনাৰ জেৰ টানিয়েই কৈ গ'ল,

: এই জনস্ৰোতৰ কোনে যে কতনা কামনা মনত লৈ আহিছে। আচল কথা কি জানা চন্দন। এইসকলৰ মাধ্যিকেই হতাশাৰ মাজত

বিবুধি হৈ নেদেখাজনৰ কৰুণাকে ধিয়াই এইদৰে তীৰ্থই তীৰ্থই ঘূৰি ফুৰে। এইসকল জনসাধাৰণৰ কল্যাণৰ প্ৰচেষ্টাৰ মাজতহে তোমাৰ-আমাৰ দৰে শিক্ষিতসকলে আনন্দ পোৱা উচিত।

চন্দন মনে মনে আগবাঢ়ি থাকিল। উছাহেৰে মনতেই কৈ গ'ল: আৰু চোৱা চন্দন, পৰশুৰামেও হঠাতে কৰা পাপৰ খণ্ডন হ'ল জনকল্যাণৰ মাজেৰেহে। ব্ৰহ্মকুণ্ডত বন্ধ হৈ থকা জলৰাশিক পাৰৰ শিল কাটি মানৱজাতিৰ কল্যাণৰ কাৰণে তেওঁ বোৱাই দিলে। তাক সেয়ে ব্ৰহ্মপুত্ৰৰূপে ভৈয়ামৰ লাখ লাখ জনসাধাৰণৰ মঙ্গলৰ বাবে অনন্ত গতি ললে। সেই পুণ্যৰ ফলতে পৰশুৰামৰ হাতৰ কুঠাৰ খহি পৰিল।

: এৰা, কাহিনীটোৰ মাজত জনসেৱাই যে শ্ৰেষ্ঠ পুণ্য তাৰ আভাস আছে। —চন্দনে সহাঁৰি জনালে।

: আৰু চন্দন, মাতৃ আৰু পুত্ৰৰ এৰাব নোৱাৰা সম্বন্ধৰ কথাও আছে। হেজাৰ ত্ৰুটি-বিচ্যুতি ঘটিলেও, ৰেণুকা পৰশুৰামৰ মাতৃ আছিল,—যাৰ গৰ্ভত তেওঁৰ জন্ম—যাৰ স্নেহৰ দ্বাৰা লালিত পালিত। গতিকে সেই মাতৃৰ প্ৰতি সহানুভূতিশীল নোহোৱাটো ডাঙৰ পাপ হৈছে। নহ'লে অনুতাপ হব কিয়? না—সন্দেহ নাই—

কথা সিমানতে সামৰিবলৈ চন্দনে ক'লে: আহা আমি স্নান কৰো।

তেতিয়াও যেন আগৰ সংলাপৰ সানৰণিখিনিকে মমতাই কৈ আছিল: সঁচাকৈ মাতৃৰ মৰম পৱিত্ৰ। সেই মৰমে প্ৰতিদান নিবিচাৰে। কিন্তু পুত্ৰৰো কৰ্তব্য থাকে।

ইতিমধ্যে চন্দনে আগুৱাই পৈ কুণ্ডত সাবধানে গা ধুবলৈ সাজি দিয়া লোৰ বেৰত ধৰি পানীত নামিছিল। ফুলমণিয়ে পানীত বুৰ মাৰি মাৰি চিঞৰিছিল: মমতা দিদি! আহা!—খুব ঠাণ্ডা পানী।—

যাত্ৰীসকলৰ কোলাহল, পানীৰ খলকনি, হাঁহি-ধেমালি, কথা বতৰা আৰু গভীৰ মন্ত্ৰধ্বনিৰ মাজত এটা মধুৰ পৰিবেশে গঢ় ললে। কুঁৱলীৰ জাল ফালি ফালি পূব আকাশত অৰুণৰ কিৰণমালাই ৰচি দিলে এটি বাট, যি বাটেদি ক্ৰমে দৃশ্যমান হৈছে জ্যোতিপিণ্ড—সূৰ্য্য।

আৰু শুনা গ'ল গা ধুই—পানীৰ আঁজলিভৰা হাতেৰে জ্যোতিদিশলৈ শ্ৰদ্ধা আগবঢ়োৱা যাত্ৰীদলৰ কণ্ঠস্বৰ ঃ

'জবাকুসুম সঙ্কাশং কাশ্যপেয়ং মহাদ্যুতিং
ধ্বান্তাৰিং সৰ্বপাপঘ্নং প্ৰণতোঽস্মি দিৱাকৰম্ ।'

●

পিছদিনা চন্দন-মমতাহঁতৰ দলটোৱে পৰশুকুণ্ডৰ বাহৰ এৰিবলৈ সাজু হ'ল। ফুলমণিয়ে কৈছিল—ইমান সুন্দৰ ঠাই, আৰু কেইদিনমান থাকিলে ভাল হয়। মমতাই বুজাই ক'লে যে নিয়ম নাই, কাৰণ দহদিনৰ কাৰণেহে মেলাৰ আহিবলৈ 'পাছ' দিয়ে। শদিয়াৰ পৰা মাহেতেই লাগে ৪ দিন, উভতি যাওঁতে লাগিব ৪ দিন; গতিকে দুদিনৰ বেছি থকাৰ উপায় নাই।

ফুলমণিয়ে কৈ উঠিছিল ঃ কি এইচব নিয়ম দিদি? ভাল লাগা ঠাইত থাকিবও নিদিয়া নিয়ম মই বুজি নাপাওঁ।—তো কি কৰিবি, চল। যাও, গুঠৰী-চুঠৰী ঠিক কৰিম।—মুখ ওফোন্দাই ফুলমণিয়ে কয়।

এয়া তাহাৰ ফুলমণিৰ সৰল সহজ মনৰে প্ৰশ্ন নহয়। ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ অন্যতম কেন্দ্ৰস্থল এইবোৰ অঞ্চল, অকল ৰাজনীতিৰ নেৰগাকত কৃত্ৰিম এডোখৰ ভূগোলৰ মেপৰ সীমাৰেখাৰে বেৰলগাই ৰখা হৈছ। প্ৰকৃতিৰ হাবিবন, নৈ, নিজৰাৰ বাবে তেনে কৃত্ৰিম সীমাৰেখা নাথাকে। সেয়ে প্ৰকৃতি মুক্ত আৰু মানুহ পদে পদে শৃংখলিত। শৃংখল-শৃংখলেই,—সেয়া সোণৰ শিকলিয়েই হওক বা লোৰ শিকলিয়েই হওক। প্ৰকৃতিৰ দৰে মুক্তভাৱে গঢ়ি উঠা ফুলমণিহঁতৰ বাবে এনে কৃত্ৰিম সীমাৰেখাৰ বন্ধন অবোধ্য।

মমতাই ফুলমণিৰ সৰলতাৰ প্ৰতি সহানুভূতি জনাই ক'লে, ঃ ব'ল চোন ফুলমণি। ইয়াৰ পাছত আৰু এখন ধুনীয়া ঠাইলৈ যাম। মালিনীথান। দেৱীৰ মন্দিৰ আছে আৰু আছে বহুতো চাবলগীয়া বস্তু।

সৰল ফুলমণিৰ ওফোন্দা মুখত এজোলোকা হাঁহি বিৰিঙি উঠিল,

ঃ হয় দিদি? তো ভাবী মজা হব। মাক ক'ম। হা-মা-মা-

চকিতা হৰিণীজনীৰ দৰে ধপলিয়াই ফুলমণি মমতাৰ মাকৰ ওচৰ পালেগৈ। তাইৰ এনে আনন্দৰ ভাগ লৈ চন্দন আৰু মমতায়ো—দুয়ো দুজনলৈ চাই মিচিকিয়াই হাঁহিলে। আৰু যেন আকাশত এতিয়া কুঁৱলি ফালি ওলোৱা সূৰ্য্যটোৰ মুখত এই হাঁহিবোৰ প্ৰতিবিম্বিত হৈ উঠিল।

●

অৰুণাচলৰ ছিয়াং জিলাৰ নামনি অঞ্চলত পবিত্ৰ পীঠ মালিনীথান। লিকাবালিৰ পৰা মাত্ৰ এক কিলোমিটাৰ পূবৰ এই ঠাইডোখৰত পুৰা-তত্ত্ব বিভাগে খনন কাৰ্য্য চলাই বহুতো ঐতিহাসিক বৈশিষ্ট্য থকা ভগ্নাৱশেষ আৱিষ্কাৰ কৰিছে। প্ৰায় দুশ ফুট ওখত মালিনীথান। তাৰ পৰা ক্ৰমে এচলীয়া হৈ অহা নামনিৰ সমতল অঞ্চলত বহুতো পুৰণি মূৰ্তি, শিলত খোদিত স্তম্ভ আদি পোৱা গৈছে। থানলৈ উঠা ভগা চিৰিবোৰ ঠিকঠাক্‌কৈ সজাই দিয়া হৈছে। মূৰ্তিবোৰৰ মাজত নৰ-নাৰীৰ বিভিন্ন ভঙ্গিমা, দুটা সিংহই মঙ্গলঘট পৰ দি থকা চানেকি এন্দুৰ বাহন গণেশ আৰু থানৰ ভিতৰৰ দশভূজাৰ নিৰ্মাণ কৌশলে নিৰ্মাতাসকলৰ সূক্ষ্ম, কলাসুলভ পটুতাৰ পৰিচয় দি আছে। এই ঠাইডোখৰৰ বগা মাটিবোৰ কাহানিবা হয়তো নদীৰ বুকুৰ পলস আছিল। আজি সেই নদী নাই। ব্ৰহ্মপুত্ৰৰে হয়তো কোনোবা সুঁতিয়ে এই অঞ্চলটো এসময়ত চুৱাই আছিল। প্ৰাচীন সভ্যতা সদায় নদী-উপনদীৰ পাৰতে গঢ়লৈ উঠে। মালিনীথানৰ নদীমাতৃক অতীত সভ্য-তাৰো সাক্ষীস্বৰূপ এই বগা পলসুৱা মাটিবোৰ।

মালিনীথানৰ বৈশিষ্ট্য এয়ে যে ইয়াৰ মন্দিৰ, চিৰি, মূৰ্তি—সকলো শিলৰ। অৰুণাচলৰ আন ঠাইৰ ভগ্নাৱশেষবোৰত কিন্তু ইটাও পোৱা গৈছে। প্ৰাচীন সংস্কৃত গ্ৰন্থত দুইধৰণৰ ভাস্কৰ্য্যৰ উল্লেখ আছে—এবিধ শিলত কটা, আনবিধ নোপোৱা ইটাৰ। তেজপুৰৰ ওচৰৰ দ-পৰ্বতীয়াৰ ভগ্নাৱশেষৰ লগত এই ক্ষেত্ৰত মালিনীথানৰ ভাস্কৰ্য্যৰ মিল আছে। তাৰপৰা অনুমান কৰিব পাৰি যে এইবোৰ ষষ্ঠ শতিকা-মানৰ।

আনহাতে নানাধৰণৰ মিথুনভঙ্গীৰ মূৰ্তিয়ে এইটোকে সকিয়ায় যে অতীজৰ জনজাতীয় সমাজত তান্ত্ৰিকতাৰ প্ৰভাৱ পৰিছিল। তদুপৰি শৈৱ আৰু শাক্ত মন্দিৰৰ ভাস্কৰ্য্যৰ লগতো ইয়াৰ সাদৃশ্য বিচাৰি পোৱা যায়। এই অঞ্চলত পোৱা হাতীৰ পিঠিত সিংহৰ মূৰ্তিৰ দৰে ডিমাপুৰ আৰু উৰিষ্যাৰো ঠাইবিশেষত একে কল্পনাৰ নিৰ্মাণকাৰ্য্যৰ ভগ্নাৱশেষ পোৱা গৈছে। মালিনীথানৰ নাৰীমূৰ্তিৰ কেশসজ্জাৰ লগতো উৰিষ্যাৰ ভাস্কৰ্যাৰ মিল থকা বুলি বিশেষজ্ঞসকলে কয়। অৱশ্যে মিথুন মূৰ্তিৰ ক্ষেত্ৰত—উৰিষ্যাৰ কোণাৰ্কৰ দৰে উগ্ৰ-যৌনভাৱৰ প্ৰতীক মালিনীথানত নাই। এইবোৰ মিল আৰু অমিলৰ মাজতে এৰোখন ঠাইৰ সমসাময়িক যুগৰ অধিবাসীসকলৰ মানসিকতাৰ পৰিচয় পোৱা যায়। খাজুৰাহো বা কোণাৰ্কৰ দৰে অনেকি কামৰূপৰ গুৱাহাটীৰ ১৪ মাইলমান আঁতৰত পোৱা কামদেৱ থানৰ মিথুন মূৰ্তিও সিমান উগ্ৰ নহয়। অথচ ওচৰতে যে পীঠ কামাখ্যা।

মালিনীথানৰ কাহিনীও প্ৰেমৰ কাহিনীয়েই। কিছুমানে কয় যে মূৰ নোহোৱা মূৰ্তিটো এজনী মালিনীৰ। সদাশিৱৰ প্ৰেম কামনা কৰি অহা মালিনীয়ে পাৰ্বতীৰ কোপদৃষ্টিত মূৰ হেৰুৱাইছিল হেনো। আনহাতে কালিকাপুৰাণত উল্লেখ থকামতে দক্ষযজ্ঞত প্ৰাণত্যাগ কৰা সতীৰ শিৰ অংশ ইয়াতে পৰাৰ প্ৰবাদো শুনা যায়। আন এটা আখ্যানমতে শ্ৰীকৃষ্ণই কুণ্ডিল নগৰৰপৰা ৰুক্মিণীক লৈ যাওঁতে, এইখিনিত মালিনীবেশত দুৰ্গাদেৱীয়ে নতুন দৰা কইনাক বিবিধ ফুলেৰে আদৰিছিল।

এইবোৰ কথা আলোচনা কৰাৰ সময়ত নতুন দৰা কইনাক আদৰা বোলা কাহিনীৰ আঁত ধৰি চন্দনে হাঁহি কৈছিল : ৰামু ওৱাং আৰু চেনেহীকো লৈ অহাহে কথা আছিল দেখিছো! নতুন দৰা-কইনাতো!

মমতায়ো ধেমালিকৈ হাঁহি হাঁহি কৈছিল,

: তুমিয়ে আছিবা বাৰু দৰা হোৱাৰ পিছত।

: বাট দেখুৱাবলৈ পিছে তোমাকো লাগিব।

: হব বাৰু।—মমতাই হাঁহিৰে সমিধান দিলে।

দূৰৰপৰা ফুলমণিৰ মাত শুনা গ'ল,

ঃ মমতা দিদি, জলদি কৰা। ইয়াত নাকি গধূলি বাঘ ভালুক আছে। মাই কৈছে।

ঃ দেখিছা চন্দন, মাকবোৰ কিমান দুখিয়াৰ। —মমতাই অলপ ৰৈ আকৌ কয়—

ঃ মা, মাটি আৰু মানুহ—এই তিনিটা শব্দ মোৰ বৰ ভাল লাগে। মাৰ মৰমে সততে আবৰি থাকে, উপজা মাটি ভবাৰ মোহে কৰ্মৰ প্ৰেৰণা যোগায়, আৰু 'মানুহ'ৰ মাজত এজন হৈ কাম কৰি আনন্দ অনুভৱ হয়। নহয়নে চন্দন ?

ঃ মানুহ মাটি—

ঠিক তেনে সময়তে মাকৰ অহা দেখি মমতাই বিৰিঙাই কলে,

ঃ মা, গৈছো ববা। তুমি আহিব নালাগে।—হৰ পিচল।—

চন্দনলৈ উভতি চালে মমতাই। চন্দনে মমতাক অনুসৰণ কৰিলে। এনেদৰে পৰশুৰাকুণ্ডৰ মাঘী সংক্ৰান্তিত স্নান কৰি অহাৰ পিছত মালিনী থানো চাই-চিতি চন্দন-মমতাহঁত মনজুলি বাগিচালৈ একোটা সজীৱ মন লৈ উভতি আহিল।

পৰশুকুণ্ডৰ মেলা আৰু তাৰ পিছত মালিনীথানৰ ভগ্নাবশেষ চাইমেলি চন্দন, মমতা আৰু তেওঁলোকৰ সহযাত্ৰীসকল উভতিল মনজুলিলৈ। কৰ্মব্যস্ত জীৱনৰ গতানুগতিক পৰিবেশৰপৰা আঁতৰি কিছুদিনলৈ এনেদৰে প্ৰকৃতিৰ মাজত জিৰণি ললে দেহমন সজীৱ হয়, অধিক কাৰ্য্যক্ষম হয়। মনজুলিৰ সেউজৰ মাজতো গতানুগতিকতাৰ আমনি আৰু অভাৱনীয় উত্তেজনাৰপৰা কিছুদিনলৈ আঁতৰি গৈ— চন্দনৰ মনৰ ক্ষত বহু পৰিমাণে নিৰাময় হ'ল। তদুপৰি মমতাৰ সান্নিধ্য আৰু সহানুভূতিয়ে চন্দনৰ আত্মবিশ্বাস দৃঢ় কৰিলে। সেয়ে মনজুলিলৈ আহি তেওঁ মেনেজাৰৰ দায়িত্ব লবলৈ সহজেই সন্মতি জনালে।

এই সিদ্ধান্তই শ্ৰীউত্তম বৰুৱাক আনন্দিত কৰিলে। লগতে বাগিচাৰ সকলো কৰ্মচাৰী-বনুৱাও সুখী হ'ল,--কাৰণ চন্দনৰ আদৰ্শবাদী সজ মনৰ আৰু কল্যাণকামী প্ৰচেষ্টাৰ কথা ইতিমধ্যে সকলোৱে বুজি পাইছে।

নতুন মেনেজাৰৰ বাবে আয়োজন কৰা আদৰণি সভাত শ্ৰীচন্দন টমাছে সকলোকে সহকৰ্মীৰ অভিনন্দন জনালে। ভাষণ প্ৰসঙ্গত তেওঁ কৈছিল : আপোনালোক এই ফেক্টৰীৰ প্ৰাণ। বিশেষকৈ হেজাৰ হেজাৰ চাহ বনুৱাই এই বাগিচাবোৰ সেউজীয়া কৰি ৰাখিছে। 'দুটি পাত এটি কলি'ৰ বিশ্বজোৰা বিজয় অভিযানৰ আঁৰত আছে আপোনালোকৰ দৰে শ শ কৰ্মচাৰী আৰু হেজাৰ-বিজাৰ বনুৱাৰ অপৰিসীম পৰিশ্ৰম আৰু নীৰৱ আত্মত্যাগ। এই সকলৰ নিজৰ আৰু পৰিয়ালৰ বাবে ঘৰবাৰী, শিক্ষা-দীক্ষা, চিকিৎসা, আমোদ-প্ৰমোদ খেল-ধেমালি আদি বিষয়ত কৰিবলগীয়া বহু কাম আছে। আপোনালোকৰ সহায়-সহযোগ পালে, বাগিচাৰ উন্নতিৰ লগতে বাগিচাখনক জীয়াই ৰখা সকলোখিনিৰো উন্নতিৰ হকে--মই আপ্ৰাণ চেষ্টা কৰিম।-----

সিদিনা চন্দনে সমুখত বহি থকা শ শ চাহবনুৱাৰ চকু-মুখে আশাৰ সেউতি জিলিকি উঠা দেখি অনুপ্ৰাণিত হৈছিল। আদৰ্শবাদী মনৰ চন্দনে, এইসকল মূক মানুহজনৰ মনত চিৰদিনলৈ, আশাৰ বেঙুনি জীয়াই ৰাখিব পাৰিব বুলি প্ৰত্যয় গৈ কৈছিল,

: আপোনালোকৰ দৰে মায়ো এজন বনুৱা। আপোনালোকৰ দৰে মায়ো-'পৰিশ্ৰমৰ' সলনি বানচ পাম। আনহাতে এই বাগানৰ আয় বাঢ়িলে, আপোনালোকেও অধিক বানচ পোৱা উচিত বুলি মই ভাবো। এই বাগান আৰু ফেক্টৰীৰ যেনিবা ন্যাসৰক্ষী হ'ল—মালিক। আৰু সেই ন্যাসৰ উন্নত পৰিচালনাৰ বাবে আমি প্ৰত্যেকে যত্ন কৰি যাম। অধিক মুনাফাৰপৰা কৰ্মী-বনুৱাৰ অধিক সা-সুবিধা আনি আদায় কৰিম। আনহাতে আপোনালোকেও নিজৰ মঙ্গলৰ বাবে,--আপোনালোকৰ পৰিয়াল-পৰিজনৰ মঙ্গলৰ বাবে-বাগিচাবোৰত চলি থকা আফিং-মদ-জুৱা আৰু চোৰাং বেপাৰীৰ ষড়যন্ত্ৰ আঁতৰাব লাগিব। মই তাকেই আশা কৰো। মই আগৰ দৰে এতিয়াও অৱসৰ সময়ত আপোনালোকৰ মাজত এজন সহকৰ্মীৰ দৰেই বনুৱা-কল্যাণৰ কাম কৰি যাম।—

সিদিনা চন্দনৰ বক্তৃতা শুনি কৰ্মচাৰী আৰু বনুৱাসকলে নতুন উৎসাহ পাইছিল। মমতাৰ চকুৱে-মুখে তাৰে প্ৰতিবিম্ব যেন উজ্বলি উঠিছিল। ডাঃ গগৈ আৰু শ্ৰীউত্তম বৰুৱায়ো আনন্দ প্ৰকাশ কৰিছিল। তেওঁলোকৰ ভাব হৈছিল যে অৱশেষত চন্দনে অলসমনৰ্ব হীনমন্যতাৰ ভাব মোহাৰি পেলাবলৈ সক্ষম হৈছে আৰু মানুহৰ সমাজখনৰ প্ৰতি থকা দায়বদ্ধতা উপলব্ধি কৰিছে।-----

অকল উপলব্ধিয়েই নহয়, চন্দনে মেনেজাৰৰ দায়িত্ব লৈ মনজুলিত এটা নতুন কৰ্মপ্ৰেৰণাৰ সঞ্চাৰ কৰিবলৈ সক্ষম হ'ল। তেওঁ সকলো কামতে সকলো ধৰণৰ কৰ্মীৰ লগত নিজে অংশভাগ লয়। সেয়ে কৰ্মীসকলেও নিজৰ নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰিবলৈ ধৰিলে। আনহাতে ইউনিয়নৰ কৰ্মী শঙ্কৰ শইকীয়া, ৰামু ওৰাং আদিৰ লগত অৱসৰৰ সময়ত বনুৱা লাইন, চুবুৰীয়া বস্তি আদিলৈ আগৰ দৰে চন্দন যায়। মমতাই এনেবোৰ কামৰ সময়ত চন্দনৰ লগে লগে থাকে।

●

চন্দন মেনেজাৰ হোৱা দুমাহ হ'ল। বনুৱাসকলৰ সমস্যা আগৰ দৰে আছে যদিও, সেইবোৰ সমাধান কৰিবলৈ আগ্ৰহ দেখুওৱা বাবে সকলো শ্ৰেণীৰ লোকৰে সহযোগ তেওঁ পাইছে। আনহাতে চাহপাত চুৰি বন্ধ হৈছে। জুৱা-আফিং-মদৰ মাত্ৰাও কমি অহাত, বনুৱা বস্তি-বোৰত হাই-কাজিয়া মাৰ-পিট কমিছে।

শ্ৰীউত্তম বৰুৱাই চন্দনক মনজুলিৰ মেনেজাৰৰ পদত বহুৱাই, নিজেও দুমাহে থাকি—বাগিচাখনৰ পৰিচালনা নিৰীক্ষণ কৰিছিল। তেওঁ চন্দনৰ পটুতা আৰু একাগ্ৰতাত বৰ সুখী হ'ল। ডাক্তৰ গগৈৰ লগত আলোচনা কৰোঁতে শ্ৰীবৰুৱাই কৈছিল,

ঃ সঁচাকৈ ডাঃ গগৈ, আপোনাৰ ছোৱালী মমতাই 'মিৰাকল্' দেখুৱালে। চন্দনৰ দৰে সমাজক ঘিণোৱা ডেকা এজনক পুনৰ সমাজ-মুখী কৰাটো কম কথা নহয়।

ঃ ক্ৰেডিত কিন্তু আপোনাৰহে। এনে এটি প্ৰতিভা অৰণ্যৰ অন্তৰালৰপৰা বুটলি আনিলে। —ডাক্তৰ গগৈয়ে শ্ৰীবৰুৱাক কৈছিল।

চন্দনৰ নাৰী বিৰোধী মনটো মমতাই যাদুৰ দৰে কোমলাই

আনিছিল। আচলতে দেহ আৰু মনৰ দিশৰ পৰা আহতসকলৰ লগত নাৰীমনে আত্মীয়তাবোধ সহজে গঢ়ি তুলিব পাৰে। যি কাম কোনো ধৰণৰ যুক্তি-তৰ্ক, ক্ৰোধ-ভীতি প্ৰদৰ্শনেৰে কৰিব নোৱাৰি, সেয়া মাতৃসুলভ মৰম-চেনেহ আৰু সহানুভূতিৰে সম্ভৱ হয়। নাৰী-সকল এনেবোৰ গুণেৰে বিভূষিত কাৰণে কগ্ন দেহ আৰু কগ্ন মনৰ ওপৰত তেওঁলোকৰ সঞ্জীৱনী শক্তিৰ প্ৰভাৱ বিশেষভাৱে পৰে।

ডাক্তৰ গগৈয়ে আৰু কৈছিল, ঃ কালি মমতাৰ মাকে কথাটো চন্দনক কাণ ছুৱাইছে।

ঃ কি কথা ? মমতাৰ লগত—

ঃ নহয়, নহয়। সেইটো পিছৰ কথা। আৰু সেইটো সিহঁতৰ নিজৰ কথাও। মই কৈছো--চন্দনৰ মাকৰ কথা।

চন্দনৰ প্ৰতিক্ৰিয়া কেনে হৈছিল--শ্ৰীবৰুৱাই সুধিছিল।

ডাক্তৰ গগৈয়ে কৈছিল যে চন্দনে কথাটো শুনি অলপ অস্বস্তিবোধ কৰিছিল। সেয়ে মমতাৰ মাকে কথাটো এবাৰ উলিয়ায়ে কথাটোত গুৰুত্ব নিদিয়া যেন দেখুৱাই ঘৰৰ ভিতৰলৈ গৈছিল। পিছত মমতাক পঠিয়াই দিছিল। মমতা বেডমিণ্টন খেলিবলৈ চন্দনৰ লগত ওলাই গৈছিল। মমতাই পিছত কৈছিলহি যে চন্দনে সেই বিষয়ে একো উলিওৱা নাছিল।

ঃ মইতো কাইলৈ কলিকতালৈ যাম। এইবাৰ চন্দনৰ মাকক লৈ আহিম। আদৰণি সভাত তোলা চন্দনৰ ফটোখন মাকক দেখুৱাম। মোৰ বিশ্বাস তেওঁ আহিব। শ্ৰীবৰুৱাৰ কথাত ডাক্তৰে সঁহাৰি জনাই কৈছিল যে সকলো সুকলমে হৈ আহিছে যেতিয়া মাক-পুতেকৰ মিলনো হ'ব। এইদৰে নানান আলাপ-আলোচনা কৰি শ্ৰীবৰুৱা পিছদিনা কলিকতা বুলি ৰাওনা হৈছিল।

●

মনজুলি বাগিচাত চন্দন,মেনেজাৰ হবৰে পৰা চাহপাত চুৰ কৰা, চোৰাং আফিং অনা, জুৱা-মদৰ মুকলি 'আড্ডা চেলাৰ' আদি সমাজ বিৰোধী কাম কৰি আছিল। বনুৱাসকলৰ যেছিড়াপেই ক্ৰমে আদা-

বাদী হব ধৰিলে। হতাশাই মানুহক উচ্ছৃংখল কৰে, আশাই সংযত কৰে। আশাৰ পৰিবেশ কিন্তু দুষ্কৃতিকাৰীয়ে নিবিচাৰে। ব্যক্তি আৰু সমাজ—উভয় ক্ষেত্ৰতে হতাশা আৰু উচ্ছৃংখলতাৰ পোহাৰ মেলি দুৰ্জনলোকে নিজৰ সুবিধা কৰি লয়। সুবিধা মানে আনক শোষণ কৰি জীয়াই থকাৰ হেঁপা। কিন্তু তেনে জীৱনত জানো শান্তি আছে? এটা অস্বাভাৱিক উত্তেজনাৰ মাজত নিজকে যি কোনো উপায়ে জীয়াই ৰখাৰ পৰিণতি সদায় ভয়াবহ হয়।

মংলুহঁতৰ পাৰ্টিতো এটা অনিশ্চয়তাই দেখা দিছিল। লগতে চন্দনৰ ওপৰতে এটা প্ৰতিহিংসাৰ ভাৱো সিহঁতৰ হৈছিল। দুমাহ হৈ গ'ল, সিহঁতৰ এসং ব্যৱসায় মন্দা হৈ আহিছে। এই কথাত লাম্বুৰ ভীষণ খং; তাতে চম্পাই সুবিধা পালেই কথাৰে খুঁচি থাকে।

সিদিনা গধূলিও মদ খাই থকা অৱস্থাত লাম্বুৱে চম্পাৰ লগত কথা কটাকটি কৰি আছিল।

: আৰে দেখিম, দেখিম। কিমান দিন টানিম? তোঁহঁতে চব এই লাম্বু ওস্তাদৰ চামনত হাত দাঙি দিব বে।

: লেকিন নয়া মেনেজাৰ দুছৰা আদমী আছে। আজি দুই মাহিনা তোৰ জগুৱা, মংলুহঁতে মনজুলিত সোমাবই পৰা নাইচোন।

: দেখনা চম্পা, অউৰ কুছদিন। চব চিধা হৈ যাব। চালা, পহিলে মেনেজাৰৰ দালালকেইটাক হটাব লাগিব।

: তোৰ দালালচব ক'ত মৰিল?—চম্পাই কঠুৱাভাৱে কথাষাৰ কৈ ভিতৰলৈ সোমাই গ'ল। লাম্বুৱে কৈ থাকিল: মেনেজাৰৰ দালাল চব কাবু হ'লে, মোৰ দালালৰ কাম ফিৰ চালু হব। চালা, এই শঙ্কৰ, বামু, কুলমণি—এই চবক হাত কৰিব নোৱাৰ?

: সকলো আদমী এক নহয় বে। ভিতৰৰ পৰাই চম্পাই মাত লগায়।

: এই চম্পা, চব আদমী সমান। আবে তই ভি কি আছিলি, চালা তোৰ বাপৰজালা—

লাল্লুৰ কথাৰ মাজতে উগ্ৰমূৰ্তি ধৰি চম্পা ওলাই আহে আৰু এটা বটল জোৰে দলিয়াই ভাঙি চিঞৰি উঠে ঃ চুপ থাকিবি ।

ঃ চাল্লা বটল ভাঙিবি কিয় বে ?

ঃ বটল কি বে মাথাতো ভাঙিম । বেছি বকিবি তো, তোৰ চব গুনৰ ফাক কৰি দিম । হা—?

লাল্লুৱে খিয় হৈ চম্পাক ডিঙিত ধৰিবলৈ গৈ চিঞৰি কয়,

তাৰ আগতে তোৰ গৰ্দান—এই ৰকম ।

হাত আঙুলি চম্পাই সমান জোৰেৰে চিঞৰি কয়,

ঃ ছাড়ু বলিছো । ছাড়ু !

ঠিক তেনে সময়তে জগুৱা সোমাই আহি লাল্লুক টানি আনে আৰু কয় ঃ আৰে ওস্তাদ ছাড়ু । কি হাল্লা লগাইছু ?

চম্পাই আৰু উগ্ৰমূৰ্তি ধৰি, শৰীৰ ভাঁচৰ কঁকালত লৈহে, হাত জোকাৰি জোকাৰি কৈ যায় ঃ জগুৱা দেখনা । তোৰ লাল্লু ওস্তাদ খালি মোৰ চামৰত ভাৰী মস্তান । নতুন মেনেজাৰৰ চামচাত যাবৰ মুৰদ নাই । ভাৰী মৰদ । চাল্লা, কথাই কথাই মোৰ গাত হাত দিব । আৰে,—চুড়ী-মেখলা পিন্ধাই দে না তাক ।

ঃ আৰে বেটি, ইনান সাহস । লাল্লুৱে চোচা লোৱাৰ আগতে বেগেৰে চম্পা ভিতৰলৈ সোমাই যায় ।

জগুৱাই বুজাই কয় ঃ আহ্ ওস্তাদ । ঔৰতৰ সাথত হাঙ্গামা কৰি ফয়দা নাই । কাজৰ কথাত আহ ।

ঃ নাইবে জগুৱা, চাল্লা মনটো খাৰাপ । আৰ ইয়াকি কৰিথাকে । —লাল্লুৱে এঢোক মদ খাই সুস্থিৰ হৈ বহে । জগুৱাও বহে ।

ঃ ক । কিবা খবৰ আছে ? লাল্লুৱে সোধে ।

জগুৱাই ওচৰৰ মূঢ়া এটাতে বহি কৈ গ'ল যে মনজুলি বাগিচাত সোমোৱাই টান হৈ পৰিছে । তথাপি শনিবাৰৰ সপ্তাহৰ হাটলৈ সি গৈছিল । কিন্তু যতে যায়, হাট-বস্তি-লাইন—সকলো ঠাইতে নতুন মেনেজাৰ নাথাকিলেও—শঙ্কৰ, বাবু, ফুলমণিহঁতৰ কোনোবা থাকিবই ।

ঃ আৰু সেই বান্দৰবালা ? হঠাতে লালুৱে সোধে ?

ঃ বুধন, সিতো বান্দৰ নাচ দিখাই ফুৰে।

ঃ আৰে জগুৱা, সি বান্দৰ নাচ দিখায় হা ?—চাল্লা মই মানুষ নাচ দিখাম। মংলু কাহাৰে ? চাল্লা—লড়কীভি যোগাৰ নাই—হোটেলত চালান দিম কি ?

জগুৱাই কয় ঃ দুচৰা ধান্দা দেখিব লাগিব ওস্তাদ। দুচ্‌ৰা জাগাত যাবাই ঠিক হব। এই আস্তানা ছাড়ি দিয়া ভাল হব।

ঃ লেকিন জগুৱা' চাল্লাসবে হাসিব। উৰ বেটি চম্পাভী হাসিব।

হঠাতে আকৌ চম্পাৰ নাম কৈ লালুৱ খং উঠা যেন দেখি, জগুৱাই কথা পাতলাবলৈকে ভিতৰলৈ চিঞৰি চম্পাক মাতিলে,

ঃ আৰে চম্পা দিদি ; মেহ্‌মান বসি থাকিব নাকি ? চবাব-তৰাব কুছ।

চম্পাই যেন তাকেই বাট চাই আছিল। উগ্ৰমূৰ্তিৰে এটা ডাঙৰ বটল আনি জগুৱাৰ সমুখত থৈ কঠুৱা সুৰত ক'লে ঃ লে—খা। চবাব খা আৰু ঘুমাই থাক। আৰু তোৰ ওস্তাদক ক'—মই কামাই কৰি আনিম। থুই, চাল্লা—খিলাব-পিল্লাব নোৱাৰতো ৰাখিছ কিয়বে? ভাৰী মৰদ্।—কৈ কৈ আকৌ ভিতৰলৈ সোমাই গ'ল।

ঃ দেখ জগুৱা, বেটিৰ হিম্মত। চাল্লা—খতম্ কৰি দিম নাকি ?

ঃ আৰে ছাড় ওস্তাদ। লে—ধৰ।—জগুৱাই লালুকো মদ বাকি দিলে, নিজেও ললে।

অলপ পিছত মংলুও আহিল। কেৰাচিনৰ লণ্ঠন এটাৰ পোহৰত বহু নিশালৈ সিহঁতে মদ খালে ; মদৰ ৰাগীৰ মাজতে সিহঁতৰ নতুন নতুন ফন্দীৰ কথা পাতিলে। ৰাতিৰ ঘন হৈ অহা অন্ধকাৰৰ দৰেই সিহঁতৰ মন। দূৰত তেতিয়া শিয়ালৰ ৰাও শুনা গৈছিল।

●

সেওবাৰৰ আবেলি। পৰ্বতীয়া উপ-নৈখন। শিলনিৰ মাজে মাজে পানীৰ লহৰ তুলি, ঢৌও ধৰি ধৰি বৈ যায়। মনজুলি বাগানৰ

পৰা কেইবা মাইলমান দূৰৰ নৈখনৰ পাৰত জীপ থৈ চন্দনে দেও দি দেও দি শিলনিৰে পাৰ হৈ আনটো পাৰত এটা ডাঙৰ শিলত বহিছিল। অস্তগামী সূৰ্যৰ হিৰণ কিৰণমালাই বতাহত গছ-বিৰিখৰ লবি থকা ডালপাতৰ মাজেৰে বাৰে বাৰে ভুমুকি মাৰিছিল। জুৰিটিৰ সৰু সৰু একাবেঁকা সোঁতবোৰৰ লগত লুকাভাকু খেলা এই বেঙনিবোৰ চাই চাই চন্দনে তাৰ ভায়োলিনখনত সুৰ তুলিছিল এটা জ্যোতিসঙ্গীতৰ —"জানো জানো—বিফলে নেযায় মোৰ গানো----" অলপ আঁতৰত মমতা আন এটা শিলত বহি আছিল। নৈখনৰে নামনিৰ এটা দ ঘূলিত—দুটা চেমনীয়াই বৰশীৰ চিপ পেলাই মাছৰ আশাত বহি আছিল। মমতাই সিহঁতক কি মাছ পায় সুধিছিল। হঠাতে এডাল বৰশীত মাছে খুটিওৱা যেন লগাত, চেমনীয়া এটাই হাতেৰে মমতাক মনে মনে থাকিবলৈ ইঙ্গিত দি আগ্ৰহেৰে পুঙাটোলৈ চাই ৰ'ল। মাছটোও সিয়ান বোধহয়; নিজকে বচাই, অলপ অলপকৈহে খুটিওৱা যেন কৰিছে। আৰু চেমনীয়াটোৱে অধীৰ আগ্ৰহেৰে, একেথিৰে চাই থাকি,—এটা সময়ত চিপডাল টান মাৰিলে। মাছটো পানীৰ অলপ ওপৰ পাই, পুনৰ পুলকি পানীতে পৰিল। কৰ নোৱাৰাকৈ মমতাই হাতচাপৰি হাঁহি দিলে। চেমনীয়া দুটাই খঙেৰে মমতালৈ চালে। মমতা অপ্ৰস্তুত হৈ গুচি আহিল।

তেতিয়াও চন্দনৰ ভায়োলিনৰ সুৰ উটি আহি আছিল। মমতা লাহে লাহে পাছফালেৰে আহি চন্দনৰ কাষত থিয় দিলে। চন্দনে উমানতে মমতাৰ উপস্থিতিৰ গম পাই উভতি চাই মিচিকিয়াই হাঁহিলে।

: তুমি ইমান ধুনীয়া বজোৱা। অথচ ভায়োলিনখন কিমান-দিনলৈ পেলাই থৈছিলা। —মমতাই কথাষাৰ কৈ চন্দনৰ ওচৰতে বহিল।

চন্দনে ভায়োলিনখন কোঁচতে থৈ ক'লে: সেইতাই ভায়োলিন বজাই বৰ ভাল পাইছিল।

: কি সুৰটো বজাইছিলা?—মমতাই গুণগুণাই সুৰটো গালে-- 'জানো, জানো—বিফলে নেযায় মোৰ গানো--'

ঃ জ্যোতিপ্ৰসাদৰ গীত-কবিতা দেউতাৰ বৰ প্ৰিয় আছিল। বিশেষকৈ এই গীতটো। চন্দনে ভায়োলিনত তুলিলে 'সেউজী, সেউজী, সেউজী অ'—সেউজী ধৰণী ধুনীয়া—' গীতৰ সুৰটো। আৰু বজাই থাকোতেই ক'লে ঃ দেউতাই এই সুৰটো প্ৰায়েই বজাইছিল।

ঃ মাৰাই চাগে সুৰটো ভাল পাইছিল।—মমতাৰ কথাষাৰ কাণ নিদিয়া যেন কৰি চন্দনে হঠাতেই যেন উত্তৰ দিছিল ঃ সেউজী ধৰণী আৰু কুলু কুলু নিজৰাৰ জলধাৰা সদায় নতুন। সেয়ে সদায় ভাল লাগে।

মমতাই বুজিলে, চন্দনে পুৰণি দিনৰ মধুৰ যৌৱনৰ মাজেৰে মাকৰ স্মৃতি আৰু আলোচন হেৰাইছে নিবিচাৰে। তেতিয়াও চন্দনে সেই গীতৰ সুৰটো বজাই আছিল। মমতাই নিবৰে শুনি আছিল। ভুৰিটোৰ সোঁতত উটি গৈ থকা খেৰ-কুটা, পাত-ফুলাৰ পাকঘূৰণি খাই খাই গৈ থকা চাই চাই মমতাও যেন আপোন পাহৰা হৈছিল।

এটা সময়ত চন্দনে ভায়োলিনখন হাতৰ পৰা এৰি, মমতালৈ চাই হাঁহি দিছিল। তাৰ ৰ'জ্ঞাত উটি ফুৰা মনটো সামৰি অনাৰ আশাত চন্দনে সুধিছিল ঃ কি ভাবিছা?

অপ্ৰস্তুত হৈ মমতাই কৈ পেলাইছিল,

ঃ চোৱাচোন চন্দন, পানি বাধা নামানিলেও নৈখন আনন্দত কেনে আপোনপাহৰা!

ঃ হয়। নৈখন নৈয়ে বান্ধি পাৰ ভাঙি হাহাকাৰৰ সৃষ্টি কৰে। তেতিয়া সেই নৈৰ মনমা মাতালৰ ৰূপ লয়।—চন্দনে উত্তৰ দিলে।

মমতাই ইতিমধ্যে নিজকে সামৰি লৈছে। চন্দনে সকলো কথাকে গভীৰ চিন্তা কৰে। মমতাই সেয়ে চন্দনৰ মন্তব্যৰ প্ৰতিধ্বনি ক'লে,

ঃ সেয়া সাময়িক। পৰিস্থিতিৰ হেঁচাত বাধ্য হোৱা তাৰ ৰূপ। কিন্তু নিয়মৰ মাজতহে প্ৰকৃত আনন্দ, নিজৰ মাজেও আৰু আনৰ মাজেও। যেনে ধৰা, নৈখনৰ স্বাভাৱিক চঞ্চল অথচ পাৰৰ বাধা মনা স্বাভাৱিক গতিৰ মাজত আমিও আনন্দ বিচাৰি পাইছোঁ, আৰু নৈখনেও আপোন পাহৰা ভাৱৰে বৈ আছে। মানৱৰ সমাজ জীৱনতো ব্যক্তিৰ

আনন্দ সমষ্টিৰ আনন্দৰ সহযোগী হোৱা উচিত। কৰ্মৰ মাজত মুক্তি আৰু নিয়মৰ মাজত আনন্দ ---এয়ে মানৱসভ্যতাৰ পৰম্পৰা।

মমতাৰ কথাত সঁহাৰি জনাই চন্দনে ক'লে : সেইটোতো হয়েই। এই ভায়োলিনখনৰ তাঁৰ কেইডালো সুৰত বান্ধি লোৱাতহে তাৰ মাজেৰে সুৰীয়া সংগীতৰ সৃষ্টি হৈছে। অধে মাধে থোৱা' তাঁৰ আৰু উচ্ছৃংখল জীৱন একে কথা।

: সেই কাৰণেই পৰিয়াল, সমাজ, দেশ---এইবোৰৰ পাৰম্পৰিক বন্ধনৰ কথা উঠে। পৰিয়ালতো আকৌ দেউতাক, মাক, সন্তানৰ এৰাব নোৱাৰা সম্বন্ধ।

চন্দন হঠাতে উঠিল। মমতাক ক'লে : যাওঁ বলা, সন্ধিয়া হ'ল।

মমতাই ক'লে : ভায়োলিনৰ সুৰটো শেষ নকৰিলাচোন। আৰু এবাৰ বজোৱাচোন---এটা সন্ধিয়াৰ সুৰ। হাঁহি হাঁহি মমতাও উঠিল।

: নহয় মমতা, এতিয়া তোমাৰ পাল। গীত এটি গোৱা। শুনি শুনি ঘৰলৈ ওভতোঁ।

: ইচ্, বা'ল, মানুহে বলিয়া বুলিবচোন। বৰং সদাই মমতাই ক'লে---কুনমণি থাকিলে বৰ ভাল পালেহেঁতেন।

: সঁচাই ইমান বাংচালী ছোৱালীজনী। নৈখনৰ দৰেই উচ্ছল। কেইদিনো হ'ল, তাই অহাই নাই চোন?

: পুৰণা বস্তিৰ বৰদেউতাকৰ ঘৰত আছে। বস্তিত পূজা পাতিছে। দুই এদিনতে আহিব বুলি দেউতাকে কৈছে। বঙালী বিহু পালে দেখিবা তাইৰ নাচ। ঝুমুৰ, বিহু দুইটোতে সমান। দুয়ো শিলবোৰ সাৱধানে দেও দি পাৰহৈ নামনিৰ পিনে আগবাঢ়িছে। ইপাৰত থৈ যোৱা জীপখনৰ ওচৰলৈ তেওঁলোক উভতিছে। ক্ৰমে সন্ধিয়াৰ পোহৰ ম্লান হৈ আহিছে। দুই এটা তৰাও আকাশত দেখা দিয়া নিদিয়া যেন লাগিছে।

ইপাৰত ভৰি দিয়াৰ লগতে চন্দনে ক'লে : পিছে এইবাৰেতো কুনমণিৰ বিয়া হ'ব। তেতিয়া আৰু এই উচ্ছল প্ৰাণ ক'ত থাকিব। হেজাৰ হওক এটা বন্ধন আৰু বন্ধনৰ মাজত।

চন্দনৰ কথাষাৰ শেষ নৌহওতে মমতাই পাৰলৈ লাহেকৈ জাপ মাৰি কৈ উঠিল : সেই বন্ধন, এই নৈখনৰ দুপাৰৰ বন্ধনৰ দৰেহে। পাৰৰ বন্ধন আছে বুলিয়েই নৈৰ সৌন্দৰ্য্য আৰু স্থিতিও। প্ৰিয়জনৰ বাহুৰ বন্ধন জানো তোমাৰ ভায়োলিনৰ তাঁৰ বন্ধাৰ দৰেই নহয়? তেতিয়াহে সুৰীয়া গীতৰ জন্ম হয়।

: বৈত কণ্ঠত?—ধেমালিকৈ চন্দনে ক'লে, লগতে গড়ীৰ পৰা ওপৰলৈ উঠাত সহায় কৰিবলৈ মমতালৈ হাত এখন আগবঢ়াই দিলে।

চন্দনৰ প্ৰসাৰিত হাতখনত ধৰি মমতা ওপৰলৈ উঠিল। জীপৰ কাষ পালে। জীপত ষ্টাৰ্ট দি চন্দনে ক'লে : এতিয়া তোমাৰ গীতটো।

: হয়নেকি? হিন্দী চিনেমাৰ নায়ক-নায়িকাৰ দৰে?—হাঁহি মাৰি মমতাই সোধে।

: সেইবোৰ যুক্তি নানানো। তোমাকতো চিএৰি পাৰলৈ কোৰা নাই। মই ভায়োলিনৰ সুৰ শুনালো, তুমি গীত শুনোৱা—

: বেসুৰা কণ্ঠেৰে? চন্দনৰ কথাৰ ওপৰতে মমতাই মাত দিলে।

: ঠিক আছে বাৰু। আৰু মই কেতিয়াও ভায়োলিন নবজাওঁ।
---মুখ ওফন্দাই চন্দনে কয়। গাড়ীৰ গতি তীব্ৰ হয়।

: ৰবা চন্দন। এক্সিডেণ্ট কৰিবা। গাড়ীৰ স্পীড কমোৱা, আৰু মোৰ গীত শুনা।

চন্দনে গাড়ীৰ স্পীড কমালে। তুখিৰ হাঁহি এটা বিৰিঙি উঠিল। মমতায়ো গাতে গা লগাই হাঁহিৰে উত্তৰ দিলে। ক্ৰমে পোহৰ নাইকীয়া হৈ আহিল। কিন্তু আকাশত লুকাভাকু খেলি থকা তৰাবোৰ উজ্জ্বল হৈ উঠিল।

গাড়ীৰ গতিৰ লগত তাল মিলাই প্ৰথমে সুৰটো গুণগুণাই, তাৰ পিছত কথাবোৰ স্পষ্টকৈ মমতাই গীতটো গাই গ'ল।

আকাশ, অ' আকাশ—
এমুঠি আকাশ দিয়া
মাটিৰ বুকুত উচুপে মোৰ
আকাশ-পিয়াসী হিয়া ।
দিয়া দিয়া এমুঠি আকাশ দিয়া ॥

মাটিৰ মৰম লৈ আকাশ ধিয়াই
কমোৱা তুলাৰ দৰে মন উৰি যায় ।
আকাশ ধিয়াই ॥

এবুকু চেনেহ লৈ হে আকাশ
পৃথিৱীকো ৰঙেৰে বোলাই দিয়া—
আকাশ, অ' আকাশ,—এমুঠি আকাশ দিয়া ॥

দিনৰ পোহৰ ক্ৰমে তীব্ৰৰপৰা তীব্ৰতৰ হয়, আৰু এটা শীৰ্ষবিন্দুৰ পিছত ক্ৰমে ক্ষীণৰপৰা ক্ষীণতৰ হয়। সন্ধিয়াবোৰ আহে ৰাতিৰ জাননী লৈ আৰু তৰাবোৰ জ্বলে নিশাৰ পোহৰ হৈ। নিশাৰ তপস্যাই ক্ৰমে গভীৰৰপৰা গভীৰতৰ স্তৰ পায়, আৰু এটা মুহূৰ্তত লীন যায় পুৱতিৰ পোহৰত। এয়েতো পৃথিৱীৰ আৱৰ্তন। আৰু জীৱনবো। পোহৰৰ তাত শেষ নাই। আৱৰ্তনৰ গতিপথত গ্ৰীষ্মৰ উত্তাপ, বৰ্ষাৰ বাৰিধাৰা, শৰতৰ শুভ্ৰমেঘ, হেমন্তৰ কুঁৱলী, শীতৰ জড়তা আৰু বসন্তৰ পুষ্পৰ সম্ভাৰ--বাৰে বাৰে আহে, বাৰে বাৰে যায়। বিৱৰ্তনৰ মাজেৰে সময়ৰ লগতে ঘূৰে প্ৰতিজন মানুহৰো জীৱনৰ ৰথচক্ৰ।

মনজুলিৰ মাজত, বাহিৰত আৰু দূৰ-বিদূৰত গঢ়ি উঠা ঐক্য-কেন্দ্ৰিক বৃত্তবোৰৰ পৰিধি বাঢ়ি থাকিলেও, প্ৰতিটো ক্ষুদ্ৰবৃত্তৰ একোটা কেন্দ্ৰত সংঘটিত প্ৰতিটো ঘটনাৰ কঁপনিয়ে ক্ষীণভাৱেৰে হ'লেও বৃহত্তৰ বৃত্তসমূহতো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ নাথাকে। অৱশ্যে সেই ক্ৰিয়া-প্ৰতিক্ৰিয়া অনুভৱতকৈ উপলব্ধিহে কৰিব পাৰি। 'গোষ্পদে নভোমণ্ডলম্'—যদি বাস্তৱ হয়, এনুঠি আকাশ বিচৰা কল্পনাই বা সম্ভৱ নহব কিয়? সেই উপলব্ধি লৈয়েই আমি বসন্তৰ আগজাননী লৈ অহা বিহুৰ বতৰত টকা-পেপা-গগনাৰ মাজত এধানি মৰম আৰু এমুঠি আকাশ বিচৰা হৃদয়ৰ প্ৰতি সহানুভূতি জনাওঁ। বনুৱা ডেকা-গাভৰুৰ মাদল আৰু ঝুমুৰ নাচৰ ছেওতো উপলব্ধি হয় ব্যক্তিৰ, সমাজৰ, পৃথিৱীৰ আৰু সৌৰজগতৰ পাৰস্পৰিক আকৰ্ষণ-বিকৰ্ষণ। এই আকৰ্ষণ-বিকৰ্ষণেই হ'ল প্ৰেম আৰু ঘৃণা, হিংসা আৰু অহিংসাৰ

সমন্বয়। প্ৰেম আৰু অহিংসাই দিয়ে শান্তি, স্থিতি। ঘৃণা আৰু হিংসাই আনে অশান্তি আৰু ধ্বংস। দুয়োটাই বাস্তৱ কিন্তু সত্য নহয়। সত্য যি—সি চিৰন্তন। চিৰন্তন হোৱাৰ মূলতে শান্তি আৰু প্ৰেম। এই উপলব্ধিয়েই হেজাৰ বিপৰ্য্যয়ৰ মাজতো মানুহক জীয়াই থকাৰ শক্তি দিয়ে।

●

ৰঙালী বিহু পাবহি। কপৌফুল গুজি গাভৰুজাকে নাচিব। ঢেকাৰ ঢোলৰ ছেৱত যৌৱন উতলা হ'ব। এদিন চম্পাৰ মনতো বিহুৰ বতৰাই উখল-মাখল লগাইছিল। বুধনৰ যৌৱনেও সঁহাৰি দিছিল। সেইবোৰ পুৰণি, বহু পুৰণি কথা। কিন্তু তথাপিও দেখোন এইটো বতৰত বুধনৰ বুকুখনত এটা উৰুঙা ভাবে উখল-মাখল লগায়। আৰু চম্পা? চম্পায়ো যেন বেছিকৈ মদ খাই হেৰোৱা দিনৰ সোঁৱৰণীবোৰ মোহাৰি পেলায়। সেয়ে হয়তো সিদিনা সান্ধ্যা বেলাগোতেই চম্পাই অকলে তাইৰ ঘৰত মদ খাই আছিল। আৰু বুধনে সেই বাটেৰে অনাহকতে ডমৰুটো খৰকৈ বজাই বজাই গৈ আছিল। মনজুলি বাগিচাৰপৰা কিছু দূৰত নৈ এখনৰ পাৰত সৰু টিলা এটাৰ এচলীয়া ঠাইত চম্পাহঁতৰ খেৰৰ সৰু ঘৰটো। লাম্ফ নাই। সন্ধিয়াও লগা নাই যে—জগুৱাহঁত কোনোবা মদ খাবলৈ আহিব।

চম্পাই ডমৰুৰ মাত শুনিয়ে বুজিছিল,—বুধন বান্দৰৱালাই তাইক শুনাবলৈ জোৰে জোৰে ডমৰু বজাইছে। দুৱাৰখন আঁতৰাই, চম্পাই মদৰ বাগীত খৰক-বৰককৈ ওলাই আহি চিঞৰি কৈছিল,

: আৰে বান্দৰৱালা বুধন নাকি ৰে?

: বুধনে অলপ শিৰভিংৰে উত্তৰ দিছিল হা। মৌজ উৰাইছ চম্পা?

: নুবাম কিয় ৰে?—হাতত থকা মদৰ গিলাচটো শেষ কৰি চম্পাই কৈছিল: মই কি তোৰ মতন বন্ধু? জিন্দগী ক্যা হ্যায়?—খাও, পীও, জীও।

অলপ ওচৰ চাপি অ' বুধনে কোমলভাৱে কৈছিল: আজি ইমান চাৰাপ খাইছ

ঃ হয় বুধন …। মই চাৰাপ খাইছো। মৌজ কৰিছো। কিন্তু মই কি মৌজ কৰিম বে? কৰিছে' মোৰ লাল্লু ওস্তাদে। বোজ বে'… নতুন ছুকৰী টাউনৰ হোটেল… হোটেলত দিব। চাল্লা, মৌজভী লুটে … পয়চা…! … লড়কী হাৰামী।—পবিৰ খুজি তাই … মুঠা এটা'ত …।

বুধনে … দিয়ে ঃ চন … হবেক বে?

ঃ … বুধন।—… চম্পাই কৈ যায় ঃ তই একদম্ …।—চব্ এক… দেখা নাই—… পলী মেনচাহাব্, তোৰ …মনি, আওন … মনি—

ঃ কাৰ কথা কলি … 'নি?

ঃ হা হা, তোৰ … বেটীৰে—ফুলমণি।

ঃ নাই নাই, ফু… …চী নেহী।

ঃ কভী নহী ?—… হোঃ হোঃকৈ হাঁহি, খুটাডালতে ধৰি মাটিতে বহিল আৰু কৈ গ'ল ঃ আবে বুধন, মোৰ লাল্লু ওস্তাদে কালি ৰাতি তাইক ধৰি আনিছে। পুৰণা বস্তিত তাইৰ খুড়াৰ গাৰ্ডত পুজাৰ নাচৰ পৰা। বুজিলি? হিঃ হিঃ হিঃ—টাউনৰ হোটেলত চালান দিছে। শুনিলি' বুদ্ধু—

ঃ জুঠ্ চম্পা, জুঠ।

ঃ জুঠতো জুঠাঁ …যানা—পাত্তা কবি …ল। আবে বান্দৰৱালা,—মোৰ হাতত এই চাৰাবৰ বটলটো দেখিছ ?—এইটো যিমান সচ্, মোৰ বাতো সিমান সচ্। হিঃ হিঃ হিঃ।

বুধনৰ বুকুখন যেন কঁপি উঠিল। তেনেহ'লে সঁচাকৈয়ে ফুলমণিৰ কিবা অঘটন ঘটিছে নেকি? সে মদৰ নিচাত চম্পাই যিহকে পায় বলকিছে? লাল্লুহঁতৰ কাৰণে একো কামেইতো অসম্ভৱ নহয়। যদি চম্পাৰ কথা সঁচা, তেনেহলে মংৰা মাঝীৰ কি হব?

চম্পাৰ কৰ্কশ মাতত বুধনৰ চমক ভাগিল ঃ আবে কি ভাবিছ? যা, নিজে পাত্তা কৰি লয়, যা

ঃ ঠিক আছে। মই যাওঁ।—বুধনে লৰালৰিকৈ বান্দৰটোক

মাষ্টিৰপৰা দাঙি লৈ বেগাই খোজ ললে। কাণত পবিত্ৰ-প্ৰেমে অস্পষ্ট হৈ অহা চম্পাৰ বিদ্ৰূপৰ হাঁহি আৰু কথাবোৰ—

ঃ যা যা, মেৰে ভাগ্‌নেবালা আশীক্‌----হিঃ হিঃ হিঃ —জল্‌দী যা ৰে, কুদ্‌--কুদ্‌--হিঃ হিঃ হিঃ—

অপৰাধ আৰু অপৰাধী। পৃথিৱীৰ চিৰন্তন সমস্যা। ব্যক্তিৰ যি আচৰণে গোষ্ঠীৰ সমৰ্থন নাপায় তাকে বোলা হয় অপৰাধ। সমাজে মানি নোলোৱা ব্যক্তিৰ আচৰণ বা কাৰ্য্যই অপৰাধ। কিন্তু সকলো সমাজৰ ভাল-বেয়াৰ বিচাৰৰ মান একে নহয়; একেখন সমাজৰে একে বিচাৰধাৰা সময়ৰ লগত সলনি হয়। অনেকস্থলত অপৰাধ নিৰ্ণয়ৰ লগত সময়, পৰিৱেশ, সমাজ সকলোৰে সম্বন্ধ থাকে।

কোনো সমস্যাৰ সৃষ্টি এটা মাত্ৰ কাৰণত হোৱা বুলিও কব নোৱাৰি। যুদ্ধ-বিগ্ৰহ, দাৰিদ্ৰ, আত্মহত্যা অপৰাধ—সকলোৰে উৎস এটা কাৰণত কেন্দ্ৰীভূত হব নোৱাৰে। ব্যক্তিগত, সমাজ সম্বন্ধীয়, ভৌগোলিক, দেশৰ শাসনব্যৱস্থা ইত্যাদি একাধিক বিভিন্ন প্ৰভাৱত টনা-আজোৰাৰ মাজত মানুহৰ আচৰণ আৰু কাৰ্য্যক্ৰমে গঢ় লয়। তেনে অৱস্থিতিত সমাজে যুটীয়াভাৱে সমৰ্থন নজনোৱা ইতিবাচক বা নেতিবাচক কৰ্মকে 'অপৰাধ' বুলি ধৰা হয়। ব্যক্তিগত দিশেৰে মনৰ দুৰ্বলতা আৰু দেহৰ অসমৰ্থতাই অপৰাধৰ ইন্ধন যোগায়। আনহাতে সামাজিক দিশেৰে দুৰ্বল সমাজব্যৱস্থা, পৰস্পৰ বিৰোধী আদৰ্শৰ প্ৰচাৰ, অৰ্থনৈতিক অসমতা, উদ্যোগীকৰণ, সহজ সৰল গতানুগতিক জীৱনযাত্ৰাৰপৰা উচ্ছেদকৰণ, আদিৰ মাজত সমাজ-বিৰোধী চিন্তা আৰু কামে দেখা দিয়ে।

অপৰাধী বুলি বহল অৰ্থত ললে যদি 'সমাজে বিচৰা কাম নকৰা', আৰু 'নিবিচৰা কাম কৰাকে' বুজোৱা বুলি ধৰা হয়; তেতিয়াহ'লে অকল চুৰি-ডকাইতি-ধৰ্ষণ-হত্যাৰ দৰে কামেই জানো অপৰাধ? সমাজৰ বৰমূৰীয়াসকলৰ ভদ্ৰভাৱে কৰি থকা অসামাজিক কামবোৰ, ৰাইজৰ ধনেৰেই পুষ্ট আমোলা-বিষয়াৰ দুৰ্নীতিবোৰ, সমাজসেৱাৰ

নামত ভণ্ডামীৰে স্বাৰ্থপূৰণৰ চেষ্টাবোৰ—অপৰাধৰ ভিতৰত কিয় নপৰিব? কিন্তু সাধাৰণতে সেইবোৰৰ বিচাৰ নহয়, তাৰবাবে শাস্তি দিয়া নহয়; কাৰণ তেনেবোৰ ক্ষেত্ৰত ৰক্ষকেই ভক্ষক হয়। শাসনৰ বাঘজৰী লৈ শোষণ-নিৰ্য্যাতন চলোৱাসকল অপৰাধী হৈও সমাজৰ বৰপীৰাত বহি থাকে! সেয়ে সহজ-সৰল প্ৰাণত হতাশাৰ সৃষ্টি কৰে। ফলত তেওঁৰ মনত ভণ্ডাৰ হুঁপাহে বাহ লয় নাইবা উদাসীন হৈ পৰোক্ষভাৱে অপৰাধক অধিক প্ৰশ্ৰয় দিয়া দেখা যায়।

গৃহদাহকাৰী, বিহ প্ৰয়োগকাৰী, নাৰী-ধন-সম্পদ-মাটি অপহৰণকাৰী, অস্ত্ৰৰে হত্যাকাৰীসকলক আততায়ী বোলা হয়। গুৰুতৰ অপৰাধ এইবোৰ। অথচ যদি দেশৰ নামত এইবোৰ কৰা হয়,—সেয়েই হয় দেশপ্ৰেম। আৰু তেনে কাম কৰাত কৃতিত্বৰ ওপৰত দেশপ্ৰেমৰ জোখ হয়, আৰু কৃতীজনৰ স্মৃতিস্তম্ভ সেই অনুপাতে বৃহৎ হয়, সংখ্যাতো অনেক হয়। এনে অৱস্থাত অপৰাধ আঁতৰোৱা সমস্যাৰ বাবে কোনো এটা বিশ্বজনীন নীতি নিৰ্দেশ কৰা যায় কেনেকৈ?

সমাজৰ ওপৰমহলাৰ দৈনন্দিন জীৱনযাত্ৰাত চোৰাং ব্যৱসায়, খাদ্য ভেজালকৰণ, উৎকোচ দান আৰু গ্ৰহণ, বুধিৰে ৰাজঘৰীয়া কৰ-কাটল নিদিয়া, সুৰা-ধন-নাৰীদেহৰ বিনিময়ত বিষয়া-আমোলাৰ কৃপা বিতৰণ আদি অপৰাধৰ বিষয়ে আমাৰ সমাজে জানিও নজনাৰ দৰে সহ্য কৰে। অথচ তলৰ মহলাৰ ক্ষেত্ৰত আপেক্ষিকভাৱে কম ক্ষতিকৰা কিছু লোকক শাস্তি দি আমি আমাৰ নিজে কৰা সমাজ ব্যৱস্থাক লৈ গৌৰৱ অনুভৱ কৰো;—সভ্যতাৰ গৰ্ব কৰো।

ধৰক, আমাৰ এই আততায়ী মানুহ কথাকে। সি নকৰা কাম নাই। নাৰীধৰ্ষণ, হত্যা, পৰস্বাপহৰণ, চোৰাং কাৰবাৰ আৰু বহুতো অপৰাধ। আনহাতে কেতিয়াবা কেতিয়াবা তাৰ প্ৰাণেও হাঁহাকাৰ কৰি উঠে,—এটা সুস্থ জীৱনৰ অভাৱত। তাৰ জন্ম হৈছিল, কিন্তু তাৰ পিতৃপৰিচয় নাই। জন্ম লোৱাটো তাৰ হাতৰ মুঠিত নাছিল। কাৰো নাথাকে। অথচ এদিন চাহ বাগিচাৰ বনুৱা সংগ্ৰহ কৰা কোনোবা দালালে ফুচুলাই তাৰ মাতৃকো আনিছিল শ শ নাৰী-পুৰুষৰ দৰে। আৰু এই বনুৱাসকলে অসমত সোণ বুটলিব পাৰিব বুলি দালালৰ

আশ্বাসত বিশ্বাস থাপি আছিছিল। স্বপ্নভঙ্গ হৈ বহুতে পলাইছিল, বহুতে ইয়াতে দেহ পেলাইছিল। বনুৱাইঁত পলোৱা বন্ধ কৰিবলৈ তেতিয়াৰ চতুৰ ইংৰাজ মালিকসকলে অসমৰ ভিন ভিন ঠাইত বনুৱা আনি থুপ খুওৱা 'ডিপো' বোৰত পুৰুষ-মহিলা কিছুমানক একেলগে ৰাখি যৌনসম্ভোগৰ মোহেৰে বান্ধি ৰখাৰ বুধি পাতিছিল। এনেদৰে গুৱাহাটী, তেজপুৰ, শিলচৰ আদি ঠাইত 'ডিপো'বোৰত একোহাল মতা-মাইকীক লগ লগাই দিয়াকে 'ডিপুচাদী' বুলিছিল। এনে এটা 'ডিপুচাদীৰ' ফলত ফুচুলাই অনা মাতৃৰ গৰ্ভত আগতেই থিত লোৱা এটা ভ্ৰূণ, সেয়ে বাপ নৈছিল আন হেজাৰটা শিশুৰ দৰে নিষ্প্ৰাণ এটা 'ধূলিৰ ফুল'ৰ। 'লালু'—মৰমত মাকে মতা নাম। যিজনৰ লগত ডিপুত জুটি দিয়া হৈছিল, সিও গা এৰা দিছিল। আৰু অনাদৃত এই 'ধূলিৰ ফুল'টো ক্ৰমে বাকৰিৰ কাঁইট হৈ ডাঙৰ হবলৈ ধৰিলে। যেতিয়া চেমনীয়া লালুৱে দেখিলে তাৰ মাতৃক চাহপাত তুলি লোৱাৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে এচাম ক্ৰমে ওপৰমহলাৰ চিৰিত থকা মহৰি, বাবু আনকি মেনেজাৰেও ঠগায়, দেহৰ ওপৰত অত্যাচাৰ কৰে আৰু এদিন তেনে অত্যাচাৰত মৃত মাকৰ 'লাছো' গুম কৰা হ'ল, তেতিয়াৰপৰা আৰু মাকৰ মৰমত ডাঙৰ হোৱা লালু শান্ত-শিষ্ট হৈ বহি নাথাকিল। ক্ৰমে লালু সকলোৰে চকুত বদমাইচ গুণ্ডা হ'ল আৰু শেষত চুৰি-ডকাইতি, চোৰাং চিকাৰী-মদাহী-নাৰীধৰ্ষণকাৰী আৰু নৰহন্তা লালু ওস্তাদত পৰিণত হ'ল।

দলপতি লালুৰ নিৰ্দেশত সমাজৰ কৰ্ণধাৰসকলৰ নিৰাপত্তা নাশ হোৱা বিভিন্ন অপৰাধৰ সৃষ্টি হ'ল। সেই হিংসা আৰু প্ৰতিশোধৰ অভিযানত বহুতো নিৰীহ, নিৰ্দ্দুষ জনৰো ক্ষতি হ'ল, মৃত্যুও ঘটিল। বয়স বাঢ়ি অহা লালু ওস্তাদে পিছলৈ চোৰাং আফিং, মদ আৰু নাৰীদেহৰ ব্যৱসায়ত হাত দিলে। জীয়াই থকাৰ তাড়ণাত চম্পাও তাৰ লগৰী হ'ল। আৰু হয়তো জগুৱা, মংলু, পিন্টু দালাল-ইতো। এনেদৰেই একো একোজন অপৰাধীৰ সৃষ্টি হয়; আৰু শতেক অপৰাধৰ চাকনৈয়াত দোষী-নিৰ্দোষী নিৰ্বিশেষে বহুজন পীড়িত হয়।

লাহু ওস্তাদৰ দলবপৰাও তেনে এটি পৰিস্থিতিৰে উদ্ভৱ হৈছিল— যাৰ বাবে মোহিতৰ, উমাৰ, চন্দনৰ, চম্পাৰ, বুধনৰ আৰু এতিয়া ফুলমণিৰ জীৱনৰ গতিত আউল লাগিল।

●

মংৰা মালীয়ে কান্দি কান্দি ডাক্তৰৰ ওচৰ পাইছিল ঃ মোৰ কি হ'বেক ডাক্তৰ বাবু! ফুলমণি বেটি হাৰাই গেল। -তাই না থাকিলে মই বাচি থাকিম কি ৰকম?

শ্ৰীউত্তম বৰুৱা তেতিয়া কলিকতাত। মেনেজাৰ চন্দন টমাচৰ ওচৰলৈ ডাক্তৰে নিজে মংৰাক লৈ গ'ল। মমতা আৰু চন্দনে তাইৰ কথাকে পাতি আছিল। চন্দনে কৈছিল,

ঃ তাইতো পলাই যোৱা ছোৱালী নহয়।

ঃ কিয় পলাব? ৰতনতো ইয়াতে আছে। আৰু বিয়াৰ ঠিকঠাক হোৱা পৰত--মমতাৰ কথাৰ মাজতে, ডাক্তৰৰ লগত অহা মংৰাই—চন্দনৰ ভৰিত গৰামাৰি ধৰি হুৰাওৰাৱে কান্দিছিল।

ঃ মেনেজাৰ চাহাব। মোৰ ফুলমণিক আনি দিয়ক। নহ'লে মই মৰি যাম।

চন্দনে মংৰাক হাতত ধৰি উঠাই ক'লে ঃ

ঃ অস্থিৰ নহ'বা। থানালৈ মানুহ পঠিয়াইছো।

ঃ মেনেজাৰ চাহাব। আপনাকে আমাৰ মজদুৰ চব দেৱতা মাফিক মানে। আপনি মনজুলি বাগানত চবকে ভাল কৰিছে। মোৰ ফুলমণিক আনি দি মোক বচাওক। মংৰা মালীয়ে চকুপানী মচি মচি, ফেকুৰি ফেকুৰি কৈ আছিল।

এনে সময়তে ফোপাই ফোপাই দৌৰি বুধন সেইখিনি পাইছিলহি। লগে লগে উত্তেজিতভাৱে কৈছিল ঃ বৰ সাংঘাতিক খবৰ।

ঃ কি খবৰ? মমতাই আগ্ৰহেৰে সোধে।

ঃ ফুলমণিৰ—বুধনৰ মুখত ফুলমণিৰ নাম শুনি মংৰাই— কি হ'ল ফুলমণি বেটিৰ? বুলি বুধনৰ ওচৰ চাপিল।

বুধন মনে মনে থকাত, মমতাই ক'লে : বধন ককাই, কোৱা ফুলমণিৰ কি খবৰ ?

: ফুলমণিক নাকি লালু গুণ্ডাই বাতি ধৰি নি টাউনৰ হোটেলত দিছে।--বুধনৰ কথা শেষ হোৱাৰ আগতে মংৰা মালীয়ে ধাকুৰি কান্দি--'মেনেজাৰ চাহাব' বুলি আকৌ চন্দনৰ ভৰিৰ তলতে বাগৰি পৰিল।

: কেনেকৈ জানিলা ?--মমতাই সুধিলে।

: লালুৰ মাইকী চম্পাই মদৰ বাগীচাত ম্যাট্ৰা কৰি মোক কৈছে। বুধনৰ কথাৰ লগতে মংৰা মালীয়ে কান্দি কান্দি কৈছিল : ঠিকেই বলিছে। চম্পা মোৰ কিয় ভাগি যাব ? তাই মোক ইমান ভালপায়, আৰু মমতা দিদি মেনেজাৰ চাহাবকো। কান্দোনত মংৰাৰ মাত লাগি ধৰে। সি মুখত ভুকুৱাই অস্থিৰ হৈ পৰে।

এনে এটা পৰিবেশত কোনে কাক বুজনি দিব। খন্তেকপৰ মংৰা মালীৰ বাহিৰে সকলো নিস্তব্ধ হৈ ৰ'ল।

হঠাতে শিল যেন হৈ ৰৈ থকা চন্দনে একো নোকোৱাকৈ-মংৰাৰ ভৰি ছুই থকা হাত এৰুৱাই--গাড়ী বাৰাণ্ডাত থকা জীপখনৰ ওচৰলৈ গ'ল।

: ড্ৰাইভাৰ। জীপ লোৱা। বেয়াৰা--চাবুক ডাল দিয়া।--চন্দনে গম্ভীৰভাৱে ক'লে।

: কলৈ যাবা ?--মমতাই সুধিলে।

: লালুৰ আড্ডালৈ।

: ময়ো যাম। চকীদাৰ তুমিও আহা।

চন্দনে একো নক'লে। চাবুকডাল বেয়াৰাৰপৰা চন্দনে ললে। ড্ৰাইভাৰৰ ওচৰত মমতা আৰু দাঁতিত চন্দন। পাছফালে জপিয়াই উঠিল চকীদাৰ, মংৰা আৰু বুধন। ভাৰ্কৰে পিছতেই বহি ললে।

তীব্ৰগতিত জীপ চলিল। মনজুলিৰ মেনেজাৰৰ বাংলোৰপৰা চাহবাগিচা পাৰ হৈ বস্তিৰ দাঁতিৰ নিজৰাটোৰ সিপাৰৰ লালু-চম্পাৰ আস্তানালৈ। কাৰো মুখত মাত নাই।

জীপৰ সমুখেৰে বাধা দিবলৈ আহি আহি যেন কালৰি কাটি বাট দিছে সৰুবৰ বিবিধ বৃক্ষবাজিয়ে। দূৰত নিজবাৰ সিপাৰত দেখা গৈছে এডাল অকলশৰীয়া বুঢ়া গছ—বহুতো ঠাল-ঠেঙুলি আৰু শুকান তেজৰ দৰে ৰঙা ফুলপাহবোৰ। ফুলপাহবোৰ ধৰি থকা অংশ ক'লা—তেজৰ চেকুৰা গোট নাৰি নাৰি ক'লা হোৱা দৰে। গছডালত পাত হেন এটাও নাই। সেইডাল শিমলু। সেই শুকান তেজৰ দৰে ফুল-পাহিবোৰ খুটিয়াই এটা দুটাকৈ সবাই থকা চৰাইবোৰ তেনেই সৰু অথচ ধুনীয়া আৰু একাগ্ৰভাৱে সিহঁত নিজৰ কামত ব্যস্ত। সেই গছডাল ক্ৰমে ওচৰ চাপি আহিছে। আৰু একেবাৰে ওচৰ চাপি যেতিয়া জীপখন গছডালৰ তল পালেহি, তেতিয়া দেখা গ'ল—সমুখত এটা সাধাৰণ ভঙা-কাঠ-বাঁহ আৰু কেৰাচিনৰ টিনকাটি কৰা চালৰ ঘৰটো। লালু ওস্তাদৰ এতিয়াৰ আস্তানা,—অপৰাধী এসলৰ আড্ডা।

ঘৰটোৰ ভিতৰত লালু ওস্তাদে জগুৱা আৰু মংলাৰ লগত মদ খাই কথা পাতি আছিল। সিহঁতে গম পাইছিল যে ওচৰৰ বাগান আৰু বস্তিবোৰত আৰু বেছিদিন থাকিব নোৱাৰিব। আনকি লালু ওস্তাদৰ মুখতে ওলাইছিল ঃ এই আস্তানা ছাড়ি দিম।—কথাষাৰ কৈ মুঢ়া এটাত বহি পৰিছিল।

ঃ জল্‌দি ছাড়াই ভাল হব। ইউনিয়নৰ আদমী আৰ চাল্লা মনভুলিব মেনেজাৰ বড়া কড়া।—জগুৱাই কয়।

ঃ চাল্লাহঁতৰ এক দালালৰ বেটি ফুলমণিকতো ধৰিলু।

ঃ সেই কাৰণে ওস্তাদ ; আমি ইয়াৰপৰা তুৰন্ত ভাগিব লাগিব। পুলিচ-তুলিচ লগাৱ।—জগুৱাৰ কথাত লালুৱে খং কৰি কয় ঃ ধুৎ পুলিচ ? থোৱাই পৰোৱা কৰে লালু ওস্তাদে।—এইবাৰ উবহৰ খং ভগাচাৰিত দেখুওৱাৰ দৰে আনটো কোঠাত থকা চম্পাক চিঞৰি কয় ঃ এই নবাবৰ বেটি চম্পা কাহাৰে—লাও অউৰ চৰাপ।

একে উপগ্ৰামত চিঞৰি চম্পা সোমাই আহে ঃ লে চৰাপ। খাই ঘুমাই থাক।—মদৰ বটলটো সমুখত থৈ জগুৱাক কয়,

: ঐ জগুৱা—দূৰত এটা জীপ আহিছে। বুঢ়া শিমলু গাছটোৰ নীচতে বৈছিল।—এবাৰ দুৱাৰমুখলৈ গৈ বাহিৰলৈ চাই আকৌ ঘূৰি আহি ক'লে,

: জীপটো কিজানি আমাৰ ঘৰৰ ফালে আহি আছে। চোচোন মংলা—।

: কোন আহিল চম্পা—মংলাই কয়।

এনে সময়ত ঠিক ঘৰটোৰ আগত থকা মুকলি ঠাইত আহি জীপ এখন ৰোৱাৰ শব্দ হ'ল। হৰ্ণ বাজিল।

লাল্লু, জগুৱা, মংলা চলং পলংকৈ ওলাই আহিল।

লগে লগে চন্দনে অতি দৃঢ়ভাৱে প্ৰশ্ন কৰিলে : লাল্লু ক'ত ?

: লাল্লু নহয়, বোলো লাল্লু ওস্তাদ। আগবাঢ়ি আহি লাল্লুৱে কয়।

: হয় ওস্তাদ বোলো।—জগুৱাই সঁহাৰি দিলে।

জগুৱা আৰু মংলায়ো লাল্লুৰ পাছে পাছে ঘৰটোৰ পিৰালিৰ তললৈ নামে। চম্পাই দুৱাৰমুখৰ খুটা এটাত ধৰি আতঙ্কেৰে চাই থাকে।

: হাম্, হাম হয় লাল্লু ওস্তাদ। বুকুত থপৰিয়াই লাল্লুৱে কয়।

চন্দনে জীপৰপৰা নামি দৃঢ়তাৰে সুধিলে : ফুলমণি ক'ত ?

প্ৰশ্নটো শুনি যেন মজাৰ পাই লাল্লুৱে হো-হোৱাই হাঁহিলে। ওস্তাদক হঁহা দেখি ফেলা জগুৱা আৰু মংলায়ো মদৰ নিচাতে হাঁহিবলৈ ধৰিলে। অলপ পিছত হাঁহি থমাই লাল্লুৱে ঠাট্টাৰ সুৰেৰে কৈ গ'ল,

: ফুলমণি ? সুন্দৰী লড়কী না ? তুমভী ফুলমণিকো মাংতা ? ঘণ্টাভৰ না চাৰাৰাত ?

জগুৱা আৰু মংলাই হাঁহি দিলে।

: চুপ কৰ। বজ্ৰকণ্ঠেৰে চন্দনে ক'লে।—তহঁতে ফুলমণিক ক'ত ৰাখিছ ?

: অ' সেই কথা।—লাল্লুৱে মুখখন হাতৰ তলুৱাৰে মোহাৰি ললে। তাৰ পিছত এটা এটাকৈ কৈ গ'ল : ফুলমণি তিনচুকীয়াৰ হোটেলত আছে। বিচাৰি যা।—হঠাতে লাল্লু আগবাঢ়ি চন্দনৰ ওচৰ পালে আৰু বুকু ফিন্দাই এহাতেৰে নিজৰ বুকুত থপৰিয়াই চিঞৰি ক'লে : মই তাইক বিক্ৰী কৰিছোঁ। কি কৰিবি ? মই লাল্লু ওস্তাদ—

ঠিক সেই মুহূৰ্ততে প্ৰচণ্ড জোৰে মৰা চন্দনৰ চৰ এটা লালুৰ মুখত পৰিল। তাৰ কথাষাৰ মাজতে বৈ যোৱাই নহয়, নিচাত ধৰক-বৰক কৰি থকা দেহাটোও বাগৰি পৰিল।

চম্পাই এক জাঁপে পিৰালিৰপৰা চিঞৰি নামি আহিল: অয়, মোৰ নৰদক কিয় মাৰিবি?—তাই লালুক ধৰিছিলহি। লালুৱে তাইক হাতেৰে আঁতৰাই ক'লে: গুচ তই। মই দেখি লওঁ।

: ড্ৰাইভাৰ, চাবুক।—এক মুহূৰ্ততে শান্ত, ধীৰ, গম্ভীৰ চন্দনে ৰুদ্ৰমূৰ্তি ধৰি চাবুকেৰে উশাহ নোপোৱাকৈ যেন কোবাই থাকিল। ইমান ঘনাই পৰা চাবুকৰ আঘাত চম্ভালি লবলৈ লালুৱে সুবিধা কৰিব পৰা নাছিল। চম্পাই নিৰুপায়ভাৱে কৈছিল: আৰু নামাৰিবি, নামাৰিবি। ওস্তাদ মৰি যাব। মমতাৰ পিনে চাই কান্দি কান্দি হাতযোৰ কৰি চন্দনক থমাবলৈও কৈছিল।

মমতাই চন্দনক কৈছিল: চন্দন, ৰবা আৰু নামাৰিবা। ব'লা আমি থানালৈ যাওঁ।

ডাক্তৰেও জীয়েকৰ কথাতে সঁহাৰি দি চন্দনক বুজালে: পুলিচ আনি ইহঁতক ধৰাই দিয়াহে ঠিক হব।

চন্দনে 'ঠিক আছে' বুলি ক'লে। চাবুকডাল জীপৰ ভিতৰলৈ দলিয়াই দি ক'লে: ড্ৰাইভাৰ, ব'লা থানালৈ।

মুহূৰ্তৰ ভিতৰতে জীপত সকলোটি উঠিল। ড্ৰাইভাৰে জীপ ঘূৰাই চলাই দিলে তীব্ৰ গতিৰে।

●

আৰু পৰাজিত নায়কৰ দৰে লালুৱে কিছুপৰ এহাতেৰে ভৰ দি মাটিতে পৰি তডক মাৰিলে। শিল পৰা কপৌৰ দৰে জগুৱা আৰু লালু নিথৰ হৈ আছিল। চম্পাই চকুপানী মচি, ফেকুৰি ফেকুৰি লালুৰ ওচৰলৈ আহিছিল। চাবুকৰ দাগ পৰা লালুৰ পিঠিত হাত দি কৈছিল: উঠ ওস্তাদ। পিঠিত ইমান দাগ বহিল। উঠ।

হঠাতে মূৰ তুলি জগুৱা আৰু মংলাক নিথৰ হৈ থকা দেখি চম্পাই কান্দোন এৰি ক্ৰোধমূৰ্তিৰে সিহঁতক গালি-শপনি পাৰিলে: জগুৱা,

মা তইঁতে কি ৰকম কাঁপি থাকিছিলি হে? হাহা, কিহৰ সাথী? মিছাকৈ সাজাহে এই ৰকম?

আকৌ লাল্লুৱে চাই কেনো নাছিল চম্পাই কৈছিল : ইচ্ ওস্তাদ। খুব লাগিছে। উঁহঁ।

: হাত ছাড় চম্পা। নাকান্দিবি। চব ঠিক হৈ যাব। মই আছি ভাই। যা, পুলিচ আহাৰ আগতে। জগুৱা ওচৰতে আছে। মংলা তই ওচৰতে লুকাই থাকিবি—লাল্লু ফেঁকুৰিকৈ উঠিল।

: মই একলা কি ৰকম—চম্পাই নহ'ত মংলাদি লাল্লুৰে গাৰ ধূলি-বালি জোকাৰি, কাপোৰ ঠিক কৰি দি ক'ৰ যায় : পাৰিবি। বেছিদিন নহয়। বদলা মই লম। আজি লাগে লাল্লু ওস্তাদৰ গাত হাত দি কোনো বাচি নাথাকে। তাৰ বাপৰ থিয়াই, বেটাবো হব। আহ, মোৰ কামিজটো দিবি।

পঁজা ঘৰটোৰ ভিতৰলৈ লাল্লু সোমাই যায় পাছে পাছে চম্পা। অলপ পিছতে কামিজ এটা গাত সুমুৱাই সুমুৱাই লাল্লু ওলাই আহে।

: আহ জগুৱা। মংলা তয়ো যা।

চম্পাই - এৱাই আছি কৰুণভাৱে কয় : খবৰ ৰাখিবি।

: মংলা অ হি থাকি । জগুৱা ব'ল। সিহঁত নিজৰ নিজ-পথত আগবাঢ়িল। চম্পাই কিছুদূৰলৈ চাই ৰ'ল। বুঢ়া শিমলুডালৰ তলত এটা বাটেৰে গুচি গ'ল—মংলা। আনটোৱে দূৰত দেখা হাবি-তলীয়া ঠাইডোখৰৰ পিনে খোজ ল'লে—লাল্লু আৰু জগুৱাই।

আকাশত গাজি থকা এচপৰা মেঘৰ আঁৰৰ এটা বিজুলীৰ চমকনিত চকু নিয়াত চম্পাই দেখিলে—পাত নোহোৱা বিৰাট শিমলুডালত ইমান ফুল। ৰঙা ৰঙা ফুল। গুকান তেজৰ ৰঙৰ দৰে নে শনিবৰীয়া হাটৰপৰা কিনি আনি পানীৰে গুলি পিন্ধা তাইৰ শিৰৰ বহল সেন্দুৰৰ ৰেখাটোৰ দৰে, তাইৰ মনত ছাৎ কৰে এনে কিবা এটা খেলিমেলি চিন্তাৰ ঢৌ আহিছিল চাগে। তাই উভতি গৈ ঘৰটোত সোমাই দুৱাৰ-খন জপাই দিলে।

১৯৭৫ চনৰ কলিকতা তিনি বছৰ আগৰ কলিকতাতকৈ ড. হতাশাগ্ৰস্ত, অধিক উচ্ছৃংখল। বহুৰি বৰ্দ্ধিত জনসংখ্যাৰ বাবে আৰু সেই অনুপাতে গতিশীল পৰিকল্পনাৰ অভাৱত অকল কলিকতাই নহয়, সমগ্ৰ দেশতে এটা অস্থিৰ পৰিস্থিতি বিয়পি পৰিছে। নিবনুৱা সকলৰ জীয়াই থকাৰ বাবে হাহাকাৰ, বনুৱা চামৰো মূল্যবৃদ্ধিৰ ফলত অৰ্দ্ধভুক্ত অৱস্থা, মধ্যবিত্তসকলৰ অভাৱ-অনাটনত দৈহিক আৰু মানসিক অপমৃত্যু, ছাত্ৰ-ছাত্ৰীসকলৰ মনত সাময়িক শিক্ষা তথা ডিগ্ৰী বিতৰণৰ অসাৰ্থকতাৰ প্ৰবল অনুভূতি—এই সকলোবোৰ সমস্যাই জুমুৰি দি ধৰি ভাৰতৰ সমগ্ৰ আকাশ প্ৰবল ধুমুহাৰ সঙ্কেত দিয়া ঘন ক'লা মেঘেৰে ঢাকি পেলাবৰ উপক্ৰম হৈছে।

তিনি বছৰ আগতে ক্ৰমে ঘন হৈ অহা এনে ধৰণৰ ক'লা মেঘৰ পৰা উত্তৰ হোৱা বিজুলীৰ সংঘৰ্ষণৰ এটা তীক্ষ্ণ আঘাতত চন্দন ছাত্ৰ-জীৱনৰপৰা উফৰি পৰিছিল। অৱশ্যে সহজ-সৰল জীৱন যাত্ৰাত ল'ৰালিৰ স্বপ্নৰচা আৰু মহানগৰতো তেনে জীৱনবোধকে সামৰি-সুতৰি একান্তমনে অধ্যয়নতে মন পুতি দিয়া চন্দনৰ বাবে সেই বিদ্যুৎ আঘাত আছিল অসহনীয়। আৰু যেতিয়া আহত মন লৈ সিদিনা মাকৰ ওচৰলৈ আহিছিল, তেতিয়া বাটত অফিচ ছুপাৰিণ্টেণ্ডেণ্ট বিজয় পাণ্ডেৰ লগত মাকক চিনেমা হলত সোমোৱা দেখিছিল। আচম্ভিত কৰা যেন অনুভৱ হৈছিল—চন্দনৰ। যন্ত্ৰচালিতৰ দৰে আহি কোঠালীত সোমাই,—দেউতাকৰ ভায়োলিনখন, আৰু অলপ কাপোৰৰ লগতে কিতাপ কিছুমান ততাতৈয়াকৈ ছুটকেছতে ভৰাই ওলাই গৈছিল।

আজি তিনি বছৰ পিছতো,—একেদৰে কলেজে-কলেজে, বিশ্ব-বিদ্যালয়ে-বিশ্ববিদ্যালয়ে পৰীক্ষা বৰ্জন, হৰতাল, বয়কট, মাৰপিট। অলিয়ে গলিয়ে, বাটে-পথে দিশহাৰাসকলৰ চিঞৰ-বাখৰ, আঘাত-প্ৰত্যাঘাত। দেৱালে দেৱালে অস্থিৰ ক্ৰুদ্ধ মনৰ বিভিন্ন প্ৰকাশ শ্লোগান, সমদল, লাঠিচাৰ্জ, কন্দুৱাগেছ, গুলি চালনা, হত্যাকাণ্ড। অথচ নামত শাসনব্যৱস্থা আছে, নিৰ্বাচিত বিধায়কসকল আছে, মন্ত্ৰীসভা আছে। ওপৰ-গধূৰ শাসন ব্যৱস্থাত হেজাৰ হেজাৰ আমেলা-বিষয়াৰ মাজতো শৃংখলা স্থাপনৰ প্ৰচেষ্টাতকৈ—হেগ চাই কঠিয়া পানি দুনীতিৰে নিজৰ নিজৰ ধন-সম্পদ বৃদ্ধিৰহে অভিযান। সুৰা-নাৰীদেহ আৰু উৎকোচ—তাৰ বিনিময়ত নিবনুৱাৰ চাকৰি, কৰ্মচাৰীৰ পদোন্নতি, ওপৰৱালাৰ সমৃদ্ধি —এয়ে যেন যুগধৰ্ম হৈছে।

এই কাহিনী অকল কলিকতাৰ নহয়; ভাৰতৰ বিভিন্ন ৰাজ্য—আনকি ৰাজধানী দিল্লীৰো কাহিনী। এপিনে এনেদৰে শাসনহীনতা আৰু আনপিনে ব্যক্তি তথা দলৰ নামত বাটে-ঘাটে বিশৃংখল অভিযান। কোনে কিহৰ বাবে, কি কৰিছে—সেয়া সাধাৰণভাৱে বোধগম্য নহয়। একেটা কথাৰে সকলোৰে মন, কেনেকৈ দল আৰু দেশৰ দোহাই দি ব্যক্তিস্বাৰ্থ পূৰণ হয়। ক্ষমতালাভৰ যুঁজত বিভিন্ন ৰাজনৈতিক দল ব্যস্ত;—এই যুঁজত আহুতি দিয়া হয় সহজ সৰল জনসাধাৰণক, আবেগপ্ৰৱণ ডেকা-গাভৰুৰ, আদৰ্শ উতলা ছাত্ৰ-ছাত্ৰীক। লাভ কিন্তু কোনো বিশেষ ব্যক্তি বা গোষ্ঠীৰহে হয়। অথচ পুলিচৰ লাঠি-গুলীৰ সমুখত তেওঁলোক নাথাকে। থাকে ছাত্ৰ-ছাত্ৰী, ডেকা-গাভৰু আৰু সাধাৰণ জনতা। এনে এটা পৰিস্থিতিত সেই বছৰৰ প্ৰথম তিনিমাহ দিল্লী, উত্তৰ প্ৰদেশ, পঞ্জাব, হাৰিয়ানা, বিহাৰ আৰু পশ্চিম বঙ্গত প্ৰায় অচল অৱস্থা হ'ল। অসমতো তাৰ প্ৰতিক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছিল। বিশেষকৈ কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰসমাজক অনিশ্চিত ভৱিষ্যতৰ ভয়াবহতাই চঞ্চল কৰি তুলিছিল। চৰকাৰৰ দূৰদৃষ্টি-হীনতাই এই আন্দোলন ব্যাপক কৰিছিল; শিক্ষাকেন্দ্ৰত পুলিচৰ প্ৰৱেশ আৰু লাঠিচালনাৰ দৰে বিক্ষিপ্ত ঘটনাই ক্ষিপ্ত কৰি তুলিছিল ছাত্ৰ-ছাত্ৰীসকলক; এচাম শিক্ষক অভিভাৱককো। শাসকসকলে সমস্যা-বোৰৰ মূললৈ দৃষ্টি নিদি, সাময়িকভাৱে কেনেকৈ আন্দোলনত লিপ্ত-

সকলৰ মাজত মতাদৰ্শৰ সৃষ্টি কৰিব পাৰি—তালৈহে অধিক মনোযোগ দিছিল। সেই সুবিধা লাগে কিছুমান সুবিধাবাদীয়। আৰু তেনে সুবিধা লব নোখোজা কিছুমান অনাচকাত ন'নাধৰণে নিৰ্য্যাতিত হ'ল।

বিহাৰ, উত্তৰ প্ৰদেশ আৰু [illegible] জনবিক্ষোভে [illegible] সীমা পালে। ভাৰতৰ শাসন [illegible] সৃষ্টি হোৱা [illegible] বিশৃঙ্খ তৰঙ্গই বিশেষকৈ উত্তৰ ভাৰত বুৰি এটা বিপ্লৱৰ মুহূৰ্তৰ জাগজাননী দিলে। এটা বিপ্লৱ এটা পৰিবৰ্তন [illegible] বিচাৰিলে। সেই পৰিবৰ্তন খিৰাই নহ'লে [illegible] [illegible] অপ-শাসনৰ অন্ত পেলাওক। সমাজ, অৰ্থ-[illegible] ৰাজনীতি-সকলো [illegible] সকলো চিন্তা যেন মানুহৰ মনৰ পৰা [illegible]। [illegible] পৰিকল্পনাৰ আদৰ্শসমূহ দেখি-শুনি যি [illegible] আনন্দত উৎফুল্ল হৈছিল, তেনে আদৰ্শসমূহৰ কাৰ্য্য-[illegible] বিসঙ্গতি দেখি—সেই জনসাধাৰণেই হৈ উঠিল অতি ক্ষুব্ধ। [illegible] [illegible] ক্ষোভৰ অগনি জ্বলে। হয়তো সেই অগনি নিৰ্বাপিত [illegible] পিছত পৰি থাকে ছাই। হয়তো সেই অগনিয়ে যিবোৰ [illegible]-অনীতি পুৰি শেষ কৰে, সেইবোৰেই অন্যৰূপত পুনৰ পিছলৈ [illegible] কৰি উঠে। তেতিয়া কিছুদিনলৈ জনসাধাৰণে অনুতাপ কৰে, [illegible] হয়, প্ৰতি-বিপ্লৱৰ চেপাত ক্ষতিগ্ৰস্তও হয়;—কিন্তু পুনৰ জাগৰণ আহে—পুনৰ নতুন অগ্নিকাণ্ডৰ পাতনি মেলে নিষ্পেষিত সেই জন-সাধাৰণেই। এয়া যেন জনদেৱতাৰ অৱতাৰ যুগে যুগে; জনগণৰ সমষ্টিগত আত্মাক নিজেই জনগণে সৃষ্টি কৰে। গীতাৰ শ্ৰীকৃষ্ণই—'যদাযদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত—অভ্যুত্থানমধৰ্মস্য তদাত্মনং সৃজাম্যহম্' বুলি কৈছিল। জনগন হ'ল সেই 'আত্মন' সৃজন কৰা আজিৰ শ্ৰীকৃষ্ণ। সেয়ে বিপ্লৱৰ [illegible] জনগণে অৱতাৰ লয়,—যেতিয়াই সমাজত [illegible] দুৰ্নীতি-নিষ্পেষণৰ অভ্যুত্থানে দেখা দি[illegible]

●

কলিকতা মহানগৰৰ উপকণ্ঠৰ গৰীয়াৰ কোঠাটোত বহি [illegible] শ্ৰীমতী উমা টমাহে চিলাইকল চলায়; বস্তিৰ আৰু বনুৱা কি[illegible] কাপোৰ-কানি চিলায়। সকলো নিম্নবিত্ত ডেকা-গাভৰু আৰু "মা"

সম্বোধনৰ মাজ  উমাই এক নতুন তৃপ্তি লাভ কৰি আহিছে আজি দুবছৰে। তাৰ আগতে চন্দন হঠাতে নিৰুদ্দেশ হোৱাৰ পিছত সাময়িকভাৱে তেওঁ মগজুৰ ভাৰসাম্য হেৰুৱাই পেলাইছিল। তেওঁ জানিছিল চন্দনে কিবা অভিমান কৰিয়েই ইচ্ছাকৃতভাৱে আঁতৰি গৈছে আনকি উমাৰ অতি আদৰৰ স্বামীৰ স্মৃতি বিজড়িত ভায়োলিন-খনো লৈ গৈছে। যিটো অফিচত উমাই কাম কৰিছিল, তাৰে বনুৱা আৰু বাবু কিছুমানে পইচা-পাতিৰ যোগান ধৰি—হাৰাণৰ হতুৱাই উমাক ৰাঁচীৰ মানসিক স্বাস্থ্য চিকিৎসালয়লৈ পঠিয়াইছিল। তাত থকাৰ পিছত উমাই বহুখিনি মানসিক ভাৰসাম্য ওভতাই পাইছিল। এটা নতুন সঙ্কল্প লৈ এদিন তেওঁ আকৌ কলিকতাৰ সেই কোঠালী-টোলৈ আহিছিল। কিন্তু কিয় জানো, তেওঁ আৰু অফিচৰ চাকৰিত নগ'ল। হাৰাণ বাবুক কৈ-মেলি, এটা পুৰণি চিলাই ক'ল কিনাই ললে। সেই চিলাই কলতে তেওঁ প্ৰথমে চুবুৰীৰ ল'ৰা-ছোৱালীৰ সাজপাৰ আৰু পিছলৈ দুখীয়া-নিমুবিত্ত বনুৱা-বাবুসকলৰ ইটো-সিটো চিলাবলৈ ললে। আগতে কাম কৰা অফিচৰ বহুতো বনুৱা আৰু কিছুমান কৰ্মচাৰীয়েও উমাক কামৰ যোগান ধৰিলে।

আনহাতে উমাই অৱসৰ উলিয়াই কল-কাৰখানাৰ বনুৱাহঁতৰ ঘৰলৈ যায় আৰু সিহঁতৰ ল'ৰা-ছোৱালীবোৰক মৰম-চেনেহ কৰে। সেইসকল পৰিয়ালৰ সৰু-বৰ সকলোৱে তেওঁক 'মা' বুলি মাতে। আৰু এক অদ্ভুত মাতৃসুলভ অনুভূতিৰে উমাই সকলোকে নিজৰ সন্তানৰ দৰে ব্যৱহাৰ কৰে। উমাৰ ঈষৎ-সজল চকুযুৰিত সেই সকলোৰে মঙ্গল কামনা কৰাৰ এটা তৃপ্তিবোধ সততে উজলি থাকে। এজন পুত্ৰ চন্দনৰ ঠাইত উমাৰ যেন আজি জাক জাক সন্তান। আৰু চন্দনৰতো কোনো অঘটন ঘটা নাই। চন্দন আঁতৰি গৈছে মাত্ৰ। প্ৰতিদান বিচাৰিছো মাকে সন্তানক মৰম নকৰে, তুলিতালি ডাঙৰ নকৰে।

এনেদৰে অভ্যস্ত জীৱনযাত্ৰাত হঠাতে এটা জোকাৰণি তুলিছিল—শ্ৰীউত্তম বৰুৱাই। কিছুদিন আগতে শ্ৰীবৰুৱাই চন্দনৰ নোটবুকত পোৱা ঠিকনা এটাৰ পম খেদি উমাক আৱিষ্কাৰ কৰিছিল। উমাই তেওঁৰ পৰাই জানিছিল চন্দনৰ সকলো কথা। চন্দনৰ মৰম, বাঁহীৰ ধ্বনি উমাৰ চকুৰে সৰসৰকৈ আনন্দৰ চকুলো বৈছিল। কিন্তু এনে এটা

ৰাতৰি নাপালেই হয়তো দুবছৰৰ অভ্যস্ত জীৱনযাত্ৰাত উমাৰ বাবে পুনৰ এটা মানসিক দ্বন্দ্বৰ উৎপত্তি নহ'লহেঁতেন। উমায়ো যদি মুহূৰ্তৰ বাবেও তেনেদৰে ভাবিছিল, আচৰি এৰোঁ কিটো আছে ? কিন্তু মাতৃৰ অন্তৰে জানো তিনি বছৰে এ নোপোৱা একমাত্ৰ গৰ্ভজাত সন্তানৰ বাতৰি পোৱাত আনন্দ-উতলা নহৈ পাৰে ?

চন্দনৰ মঙ্গল বাতৰি পোৱা পৰিস্থিতিয়ে উমাক উদ্বেলিত কৰিলে। চিলাই কলত বহি, মাজে মাজে হাত বৈ যায়। পুনৰ মনৰপৰা চিন্তা আঁতৰাই কল চলায়। কিবা আনন্দত, কিবা বিষাদত ঘনেপতি উমাৰ চকু সেমেকি উঠে। কিয় চন্দনে ইমান দিনে তেওঁৰ খবৰকে কৰা নাই ? দেউতাকৰ স্মৃতিলৈ অৰণ্যৰ মাজত বাঘ-ভালুকৰ মাজত দিন কটোৱা হ'লেও সুকীয়া কথা। তাৰপৰা ওলাই আহি, বাগিচাৰ সকলো ধৰণৰ সুখ-স্বাচ্ছন্দ্যৰ মাজত দিন কটাই—এবেলিও ভাবি নাচালেনে অভাগিনী মাকৰ মনৰ কথা। দেউতাক ঢুকোৱাৰ পিছতো বাৰ বছৰে বুকুত সাবটি—অলপো অভাৱ-অনাটনৰ চিন্তা কৰিবৰ চেলু নিদি,—ডাঙৰ-দীঘল কৰা মাকক কেনেকৈ বাৰু পাহৰি পেলালে ? আৰু নতুন পৰিবেশত গাভৰু মমতাৰ চেনেহেই সৰ্বস্ব হ'ল ! —অন্তৰৰ কোনোবাখিনিত যেন মোচৰ খাই উঠে উমাৰ ; —এগৰাকী মাতৃৰ পৰাজিত মনে যেন ৰুব নোৱাৰাকৈয়ে একমাত্ৰ পুত্ৰৰ পৰম হিতাকাঙ্ক্ষিনী মমতাৰ প্ৰতিও ঈৰ্ষাপৰায়ণ হৈ উঠে। তাতকৈ চন্দন যদি অৰণ্যতে অকলে থাকিলেহেঁতেন,— নাইবা যদি চন্দনৰ বাতৰি কোনো-দিনে নাপালেহেঁতেন—তেনেহ'লে উমা অধিক সুখী হ'লহেঁতেন নেকি ? কিন্তু তেতিয়া এই বিজনিৰে বা পৰিবেশ হ'লহেঁতেন কেনেকৈ ?? -

●

শ্ৰীউত্তম বৰুৱা বহুদিন মনজুলিত থকাৰ পিছত পুনৰ কলিকতালৈ আহিল আৰু উমাৰ ওচৰ পালেগৈ। চন্দন যে মেনেজাৰ হ'ল সেই কথা কোৱাৰ লগতে মেনেজাৰৰূপে অভ্যৰ্থনা দিয়াৰ সময়ত তোলা ফটো এখন উমাৰ হাতত দিলে। উমাই ফটোখনলৈ এবাৰ চকু ফুৰালেই কেঁকুৰি উঠিল, আৰু নিজৰ অনুভূতি লুকাই ৰাখিব নোৱাৰা

বাবে—উচাহ মাৰি কোঠাটো দুভাগ কৰি ওলোমাই থোৱা পৰ্দাখনৰ আঁৰলৈ আঁতৰি গ'ল। সিদিনা কোনোমতে উমা আৰু নোলাল। পৰ্দাৰ আঁৰত থকা উমাক শুনাবলৈকে শ্ৰীবৰুৱাই হাৰাণ বাবুক উদ্দেশ্য কৰি কৈছিল: মোহিত মোৰ বাল্যবন্ধু। চন্দনৰ মনৰ দ্বিধাভাব আঁতৰাই আনিছোঁ। এতিয়া মাক ওচৰ চাপিলে—চন্দন এজন সম্পূৰ্ণ সম্ভাৱনাপূৰ্ণ মানুহ হৈ উঠিব।

সেইদিনা হাৰাণ বাবুৰ লগতে কিছুসময় কথা পাতি শ্ৰীবৰুৱা উভতি গৈছিল। যোৱাৰ সময়ত কৈ গৈছিল যে তেওঁ পুনৰ আহিব। আনহাতে সেই নিশা উমাৰ চকুৰ টোপনি হেৰাই গৈছিল। নিজৰ দুৰ্বলতা লুকাই থবলৈকে দিনটো কৰ্মব্যস্ততাৰ মাজত থকা উমাই নিশা বিচনাত পৰি চন্দনৰ ফটোখন একান্তমনে চাইছিল। তেওঁৰ মৰমৰ চানু, এতিয়া চাহ বাগিচাৰ গুৰু দায়িত্বত বনুৱা-বাবু সকলোৰে প্ৰিয় মেনেজাৰ শ্ৰীচন্দন টমাছ। ফুলৰ মালাৰে ওপচাই দিয়া চন্দনে হাতযোৰকৈ সম্বৰ্দ্ধনা গ্ৰহণ কৰি আছে। মুখত এটা মৃদু হাঁহি। উমাৰ বাবে কিমান পৰিচিত সেই মুখখন, সেই হাঁহিটো। উমাই লেম্পটো নুমুৱাই দিলে; বহপৰলৈ ফটোখন বুকুতে লৈ পৰি থাকিল।

·····এন্ধাৰ কোঠাত ক'ৰপৰা বাৰু ইমানে মানুহৰ, ইমান কাহিনীৰ ভিৰ হ'ল!—চকু মুদি থকা উমাৰ দুগালেদি বৈ থকা দুসোঁতা চকুলো। আৰু সেই চকুলোৰ সোঁতাৰ লগতে যেন অন্তঃসলিলা ফল্গুৰ দৰে উমাৰ মনৰ চকুলৈ ভাহি আহে স্মৃতিৰ সৰুবৰ ছাঁ-চেলেকনিবোৰ। তাহানিৰ অবিভক্ত ভাৰতৰ পূৰবঙ্গৰ গাঁৱত কটোৱা আনন্দ-উতলা উমাৰ শৈশৱ আৰু কৈশোৰ, দুৰ্যোগৰ ধুমুহাত উৎক্ষিপ্ত খৰকুটৰ আশ্ৰয়ৰপৰা উফৰি ধূলিত বাগৰি ফুৰা সৰাপাতৰ দৰে প্ৰথম যৌৱন, শিয়ালদহৰ আশ্ৰয়প্ৰাৰ্থীজাকৰ মাজত অনাদৃত ফুলপাহৰ দৰে পাৰ হব খোজা অৱদমিত যৌৱনৰ হাঁহাকাৰ জীৱন মঞ্চত এছাটি মলয়াৰ বা লৈ মোহিতৰ প্ৰৱেশ, এটা উজ্জ্বল সপোনৰ দৰে সঙ্গীসহবাসৰ উত্তেজনা, দুটা মনৰ সম্মিলিত সপোনৰ মূৰ্ত প্ৰতীক চানুৰ আৱিৰ্ভাৱ, এটা আনন্দমুখৰ পৰিয়ালৰ কল্পনাৰ মুহূৰ্তবোৰ, আৰু তাৰ পিছত এটা দৈত্যৰ কৰাল গ্ৰাসত মোহিতৰ অন্তৰ্দ্ধান, তাৰ পিছত? তাৰ

পিছত ??—এটা সময়ত উমাৰ চিন্তাৰ সোঁত হেৰাই গ'ল--আবেগত উথলি উঠা মনৰ দুপাৰ ভঙা জোঁৱাৰৰ যেন সশব্দ তৰংগত ।----

এবাৰ হাৰাণ বাবুৱে পৰ্দাৰে ভুমুকি দিয়া একেটা কোঠাৰ আন কোণৰ পৰা উমাক চিঞৰি সুধিছিল--কি হ'ল, কিয় কেঁকুৰিছে ? হঠাতে টোপনিৰপৰা সাৰ পোৱা যেন ভাও কৰি উমাই নিদ্ৰাজড়িত কণ্ঠেৰে যেন কৈছিল যে এটা দুঃস্বপ্ন দেখিছিল ।

কিন্তু এয়া জানো দুঃস্বপ্ন ? নে এটা কঠোৰ বাস্তৱ,—যিটো নঘটিলে আজি এনেদৰে নিদ্ৰাহীন নিশা উমাই কটাব লগা নহ'লহেঁতেন ! উমাই এবাৰ তেনেদৰে ভাবি সচকিত হৈ চিন্তাধাৰা ঘূৰাই নিজকে কৈছিল : নাই, নাই ই যে বাস্তৱ--এটা মধুৰ বাস্তৱ ;--তেওঁৰ অতি আপোন চন্দনৰ জীৱনৰ ভৱিষ্যৎ বাচি কাঢ়িবলৈ এটা অভাৱনীয় মধুৰ সংযোগ । পুত্ৰৰ বিজয় উৎসৱত তেওঁ উপস্থিত থাকি গৌৰৱৰ ভাগ লব নোৱাৰাত কব নোৱাৰাকৈ উমাৰ মন ক্ষুণ্ণ হয় । আৰু ভাবে, কোন সেইজনী মমতা--এবছৰৰ চিনাকি, অথচ তাই চন্দনক আৱৰিলে চন্দনৰ জয়-পৰাজয়ৰ সমভাগী হ'ল ; অথচ জন্ম দিয়াৰ পৰা কুৰি বছৰৰো অধিক কাল ইমান কষ্ট, উদ্বেগ, ত্যাগৰ মাজেৰে ডাঙৰ-দীঘল কৰা মাতৃ হৈও--উমা ইমান ---------

●

পিছদিনা গধূলি শ্ৰীউত্তম বৰুৱা আকৌ আহিছিল । সেইদিনা উমাই ধীৰস্থিৰভাৱে শ্ৰীবৰুৱাৰ লগত কথা পাতিছিল । এবাৰ উমাই কৈছিল : আপোনালোকে চন্দনৰ কাৰণে ইমানখিনি কৰিছে । এতিয়া জানো মোৰ প্ৰয়োজন আছে ?

: আপুনি কৈছে কি মিছেচ চৌধুৰী ? সন্তানৰ কাৰণে মাকৰ প্ৰয়োজনীয়তাৰ জানো শেষ হয় ?--শ্ৰীবৰুৱাই ততালিকে মন্তব্য দিয়ে ।

অলপ অপ্ৰস্তুতভাৱে, ইতস্ততঃ কৰি উমাই ক'লে : নহয়, মানে-- আজি তিনিবছৰে সি এটা নতুন পৰিৱেশত অভ্যস্ত হৈ পৰিছে । অৱশ্য আৰু বন্য জীৱজন্তু ভাল পোৱা তাৰ মনটো । মহানগৰৰ উখল-মাখলত সি সদায় অসন্তুষ্ট আছিল । সেয়ে হয়তো সি আহি গৈছিল সেউজীয়াকে

ভাঙোনপৰা সংসাৰৰ মাজৰ। আৰু আপুনি তাৰ মঙ্গলৰ কাৰণে এখন সৰু, ব্যস্ত সমাজলৈ তুলি আনিলে। পঢ়াশুনা, কাম-কাজৰ প্ৰেৰণা যোগালে। মমতাৰ দৰে নাৰীৰে সৈতে বন্ধুত্ব-কল্যাণতো লাগিছে। এতিয়া সি তাৰ জীৱনৰ গতি নিজেই পোনাই লব পাৰিব।--

উমাৰ মাহে মাহে কোৱা কথাখিনিলৈ মন কৰাৰ লগতে--তেওঁৰ চকু-মুখে উজলি উঠা নোকোৱা বহুকথাৰ প্ৰকাশো যেন শ্ৰীবৰুৱাই অধ্যয়ন কৰিছিল। মমতাৰ নাম লোৱাৰ লগে লগে, এটা অভিমানী আহত মনেৰে থোকাথুকি হোৱা কথাও শ্ৰীবৰুৱাৰ দৃষ্টিত নপৰাকৈ নাথাকিল।--তেন্তে উমাৰ মনত ঈৰ্ষাৰ ভাব হৈছিল নেকি? সাধাৰণতে পুত্ৰৰ বিবাহৰ পিছত মাতৃয়ে বোৱাৰীৰ প্ৰতি কম নোহোৱাকৈ ঈৰ্ষান্বিত হোৱাৰ দৰেই, মমতাৰ ক্ষেত্ৰত উমাও তেনে এটি ভাবৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল নেকি? কিন্তু মমতায়োতো তেওঁৰ অৱশেষত হেৰাই যাব ধৰা একমাত্ৰ পুত্ৰক অতি যতনেৰে, অতি চেনেহেৰে সমাজৰ দহজনৰ এজন কৰি তোলাত বিশেষ অৰিহণা যোগাইছে। তথাপি কিছুমান কথা যুক্তিৰে জুখিব নোৱাৰি;--মাত্ৰ 'বাস্তৱ' কাৰণেই মানি লবহে লাগে।

শ্ৰীউত্তম বৰুৱাই সহানুভূতিৰে উমাক বুজাইছিল,

ঃ মিছেহে উমা! আপুনি কৈছে চন্দনে এতিয়া তাৰ নিজৰ জীৱনৰ গতি নিজেই পোনাই লব পাৰিব। কিন্তু সেয়া সঁচা নহয়। চন্দনৰ অৱচেতন মনত সদায় সকলো পায়ো কিবা এটা নথকাৰ হাঁহাকাৰ আমি লক্ষ্য কৰি আহিছো। আপোনাৰ উপস্থিতি নহলে চন্দনৰ জীৱনৰ গতিপথত সদায় পিছল খোৱাৰ সম্ভাৱনা থাকিব। পৰিয়াল-পৰিজনৰপৰা সম্পূৰ্ণভাৱে ছিন্নমূল হোৱাৰ বিষণ্ণ বেদনাই চন্দনৰ মনত ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰাৰ চেগ বিচাৰি থাকে। সেয়েই হয়তো এতিয়াও দেউতাকৰ স্মৃতিবিজড়িত ডায়েৰিখন আৰু আপুনি অসীম ত্যাগেৰে তাক শিক্ষাদান কৰাৰ চিন হিচাপে দৰ্শন-বুৰঞ্জীৰ পুথি-কেইখন চন্দনে সযতনে লগত ৰাখে। আপোনাৰ ওচৰৰপৰা আঁতৰি যাওঁতেও সেইবোৰ লৈ যোৱাৰ কথা পাহৰা নাছিল।

এইখিনিতে উমাই থোকাথুকি মাতেৰে মন্তব্য দিছিল: তাৰ প্ৰয়োজনখিনি সি লৈ গৈছে। মই যে তাৰ প্ৰয়োজনৰ অতীত।

ঃ মিছেছ টমাছ, আপুনি অভিমান নকৰিব। নিশ্চয় চন্দনৰ কুৰিবছৰীয়া জীৱনৰ হঠাতে উত্তেজিত হ'ব পৰা হৃদয়ৰ কোনোবাখিনিত কিবা এটাই আঘাত কৰিছিল।

ঃ কিন্তু তাকতো মই কোনোদিনে আওঁহেলা কৰা নাছিলো। দেউতাক নিৰুদ্দেশ হোৱাৰ পিছৰপৰা তাক মই এষাৰ টান কথাও কোৱা নাছিলো। সি যাতে দেউতাকৰ অভাৱ অনুভৱ কৰিব নোৱাৰে, তাৰ বাবে কলিকতালৈ আনি তাক পঢ়াইছো, নগৰীয়া-সমনীয়াৰ দৰে পিন্ধাইছো' বাৰ বছৰে নিজে কিমান লঘু-লাঞ্ছনা সহিও তাক কলেজলৈ পঢ়ালো,—অথচ—

উমাৰ কথা হেৰাই গ'ল। অলপ পৰ দুয়ো নিৰৱে থকাৰ পিছত—পৰিৱেশটো সহজ কৰিবলৈকে শ্ৰীবৰুৱাই বুজালে যে মাকৰ ইমান কষ্ট স্বীকাৰৰ পিছতো চন্দনে পৰীক্ষা দিব নোৱাৰি চাগে অপৰাধী অনুভৱ কৰিছিল।

ঃ কিন্তু মই কি কৰিলো যে মোক মাত এষাৰ দিবলৈকো তাৰ মত নগ'ল ?—উমাই কথাষাৰ কওঁতে আৰু এসোঁতা তপত চকুলো গাল তিয়াই বৈ গ'ল।

শ্ৰীবৰুৱাই কথাপ্ৰসঙ্গত ক'লে যে মমতাৰ মাকে চন্দনৰ মনৰ দুখ বুজিব পাৰিছে। চন্দনে সকলো সময়তে নিষ্ঠাৰে কাম কৰি, মমতাহঁতৰ লগত ফুৰি-চাকি থকাৰ মাজতো সময়ে সময়ে উদাস হৈ পৰে। মমতাৰ মাকৰ মাজত নিজৰ মাকক বিচাৰি চন্দনৰ মন উদাস হৈ পৰাৰ কথাকে শ্ৰীবৰুৱাই পাকে-প্ৰকাৰে ক'লে।

ঃ তদুপৰি চন্দনে হয়তো আপোনাক হঠাতে এৰি থৈ যোৱাটো ভুল বুলি বুজি পাইছে, অথচ মুখ ফুটাই কবলৈও সাহস গোটোৱা নাই, মোৰ কিন্তু তেনে অনুমান হয়।

শ্ৰীবৰুৱাৰ কথাত উমাই ধীৰ ভাবেৰে ক'লে ঃ কিন্তু সিতো মোৰ কোনো খবৰ নকৰিলে ?

ঃ মিছেছ টমাছ, আপুনি মাক। মাতৃৰ ওচৰত পুত্ৰৰ দোষ সদায় ক্ষমণীয়। মই তাৰ হৈ ক্ষমা খুজিছো। অন্ততঃ এবাৰ আপুনি মোৰ লগত গৈ চন্দনক দেখা দি আহক। হাৰাণ বাবুকো লৈ যাম। তাৰ

পিছত, যি সিদ্ধান্ত লয়, লব। মাত্ৰ এবাৰ। মই সকলো পিছা কৰিম। কওক মিছেই উমাই—আপুনি যাব ?

ঃ লাভ জানো হব ?

ঃ লাভ লোকচানৰ কথা এৰক। আন নহলেও এবাৰ আপুনি চাই আহককৈ আপোনাৰ পুৰণি মাপ্ৰী চক্ৰীদাৰহঁতক, আপোনাৰ স্নেহৰ অতি মৰমৰ বাপাই হঁতক আৰু আপোনাৰ মৰমৰ স্মৃ----

এইখিনিতে উমাৰ চেপি ৰখা দুখ-বেদনা-মান-অভিমান সকলোখিনি যেন পাৰভাঙি উপচি পৰিল। তেওঁ কান্দি কান্দি ততালিকে শ্ৰীবৰুৱাক বাধা দি কৈ উঠিল ঃ আৰু নকব। মই যাম, মোৰ মান-অভিমানৰ কি দাম আছে ? মই যে মাক। মই যাম।

আঁচলেৰে চকু-মুখ ঢাকি, উমা কোঠাটোক দুভাগ কৰি আঁৰি থোৱা পৰ্দাখনৰ আঁৰলৈ আঁতৰি গ'ল।

হাৰাণ বাবুৰ লগত কথা পাতি পাতি শ্ৰীবৰুৱা কোঠাটোৰপৰা ওলাই আহিছিল। হাৰাণ বাবুৱে কৈছিল যে তেৰো উমাক বুজাই-বৰাই সংমত কৰাব। যোৱাৰ দিন-সময় ঠিক কৰি, এৰোপ্লেনৰ টিকট বুক্ কৰাৰ পিছত শ্ৰীবৰুৱাই খবৰ দি যাব বুলি ক'লে। হাৰাণ বাবুৱে কৈছিল যে সেই অঞ্চলৰ দুখীয়া আৰু নিম্নমধ্যবিত্তসকলৰ মনত উমা এগৰাকী দেৱীৰ দৰে। সিদিনা পুৱাও ওচৰৰ 'ময়দা কল'টোৰ শ্ৰমিকৰ অনশনৰ সামৰণি পেলোৱাৰ পৰতো অনশনকাৰী ইয়াছিন, ডেভিদ, ৰামস্বামী, গণেশহঁতক প্ৰথমতে কমলাৰ ৰস খুৱাবলৈ মাতি নিছিল উমাকেই। উমায়ো সকলোকে তেওঁৰ মগুহৰ সম্বন্ধ থকা পৰিয়ালৰ দৰে ব্যৱহাৰ কৰে, মৰম-চেনেহ-ভক্তি-শ্ৰদ্ধা যাক যেনেদৰে কৰা উচিত তাকেই কৰে। এইসকল লোকক একেবাৰে এৰি যোৱাটোও তেওঁৰ কাৰণে অতিশয় বেদনাদায়ক হব। এইসকলৰ বুজিও কব পাৰি। সেয়ে চন্দনক লগত লৈ আহিব পাৰিলেহে উমাৰ শান্তি হব বুলি হাৰাণে কৈছিল।

শ্ৰীবৰুৱাই কৈছিল যে চন্দনৰ মনত থকা দুখ-বিষাদ বা অনুতাপ আদি মাক ওচৰ চাপিলে নাইকিয়া হব। চন্দনেও তাত বনুৱা আৰু বাবুসকলৰ কল্যাণৰ কামত লাগিছে। মাকেও ইয়াত থাকি থোৱা

সৰু সৰু মানুহৰ আপোন হৈ পৰিছে। দুঠাইত মাতৃ-পুত্ৰ দুয়ো একে লক্ষ্য লৈ কৰ্ম কৰাৰ মাজতো নিশ্চয় আনন্দ আছে। তদুপৰি উমাই জীৱনত অতি মৰমৰ স্বামীক হেৰুৱায়ো আৰু একমাত্ৰ পুত্ৰধনৰ ও বহুদিনলৈ আঁতৰত থকাৰ পিছতো পৃথিৱীত মৰম-চেনেহ আৰু সেৱা বিলায়ে জীৱন চলাব পৰা মানসিক প্ৰস্তুতি লাভ কৰিছে। গতিকে, এতিয়া নিকদ্দিষ্ট গৰ্ভজ এসময় পুত্ৰৰ শুভবাৰ্তাই তেওঁক জনসেৱাৰ কামত অধিক নিষ্ঠাৰে লগাত সহায়হে কৰিব।' আনহাতে চন্দনেও পৃথিৱীক ভালপাবলৈ অধিক উৎসাহ পাব।

সিদিনা এইবোৰ আলাপ-আলোচনাৰ অন্তত, শ্ৰীবৰুৱাই তেওঁ থকা স্কুটলৈ আহি ডঃ গগৈলৈ এখন দীঘলীয়া চিঠিত সকলো কথা বিবৰি লিখিছিল।

●

হচপিতেলত শ্ৰীবৰুৱাৰ চিঠিখন পাই, ডাঃ গগৈ আনন্দত আত্মহাৰা হৈছিল। চন্দনৰ মাক আহিব বুলি জানি তেওঁ শুভসংবাদটো ঘৰত জনাবলৈ নিজে ওচি আহিছিল। তেতিয়া মমতাহে ঘৰত আছিল। মাক ওচৰৰ এঘৰলৈ গৈছিল। ডাক্তৰে মমতাক থোৰতে কথাখিনি কৈ চিঠিখন দি যাবলৈ ওলাল। মমতাই উৎফুল্ল মনেৰে চিঠিখন পঢ়িবলৈ ললে।

ডাক্তৰ গগৈয়ে যাবৰ সময়ত ক'লে : মমতা, মই যাওঁ। বহুতো ৰোগী আছে। আৰু এটা কথা—পুলিচে ফুলমণিক পাইছে।

: পাইছে ? ক'ত ?—চিঠি পঢ়িবলৈ এৰি মমতা কাষ চাপি আহিল।

: এটা হোটেলত। তিনিচুকীয়াত। তাৰ হচপিতেললৈ নিছে। পাৰিলে আজিয়েই অনাব। আমাৰ ইয়াতেই চোৱা-চিতা কৰিম। ডাঃ গগৈ জীপত উঠিল।

: তাই ভালে আছেতো দেউতা ?

: আছে। তথাপি কিছুদিন সাৱধানে ৰাখিব লাগিব। মাৰক কৰি—

ঃ ফুলমণিক আনিলেই নোক খবৰ দিবা কিন্তু।—মমতাই চিঞৰি ক'লে। চলি থকা জীপৰ পৰা—'বাক' বুলি হাত জোকাৰি ডাঃ গগৈ গুচি গ'ল।

অলপ পৰ সেইদিনে মমতাই কিবা ভাবি থৰ হৈ ৰ'ল। তাৰ পিছত মনৰ কোণত দেখা দিয়া ফুলমণিৰ চিন্তা আঁতৰাই, এটা হুমুনিয়াহ কাঢ়িলে। লাহে লাহে আহি বাৰাণ্ডাৰ এখন চকীত দেহৰ ভাৰটো যেন এৰি দিলে। হাতত থকা দীঘলীয়া চিঠিখন মনোযোগেৰে পঢ়িবলৈ ধৰিলে। তেওঁৰ চকু-মুখে উজলি উঠা বিভিন্ন অভিব্যক্তিবোৰ চিঠিখনত উল্লেখ কৰা বিভিন্ন কথাবোৰে যেন দাপোণৰ প্ৰতিফলন হৈ উঠিল। শেষৰ শাৰী দুটি—দুবাৰ পঢ়িলে ঃ

"----ডাঃ গগৈ, যিমানদূৰ সম্ভৱ বহাগ বিহুৰ আগতে পাম গৈ। ঈশ্বৰে কৰিলে নতুন বছৰটো সকলোৰে কাৰণে শুভ হব।

প্ৰীতি আৰু শুভেচ্ছাৰে,
আপোনাৰ—
উত্তম বৰুৱা।"

মাক আহি পোৱাৰ পিছত মমতাই চিঠিখন তেওঁকো পঢ়িবলৈ দিলে। মাক বহা চকীখনৰে হেণ্ডেলত বহি মমতায়ো আকৌ এবাৰ মাকৰ লগে লগে চিঠিখনত চকু ফুৰাই গ'ল। শেষৰ শাৰীটোলৈ আঙুলিয়াই মমতাই কৈ উঠিল ঃ

ঃ মা, বহাগ বিহুলৈতো বেছি দিন নায়েই।

মাকে মমতালৈ চালে। দুয়ো যেন মুখেৰে ফুটাই নোকোৱা বহু কথা এক মুহূৰ্তৰ চকুৰ চাৱনিৰে কোৱাকুই কৰিলে।

চতে চতে গৈ বহাগে পাবহি
ফুলিব জেৰেলী লতা
কেনো থাকোঁমানে ওৰকে নপৰে
আমাৰে বিয়াহিৰ কথা—

মমতাই চকী মূঢ়াবোৰ থানথিত লগাই, টেবুলকথখন সলাই, বিহুগীত এফাঁকি গুণগুণাই আছিল। সময়ৰ লগত মিলাই গীত-ফাঁকিৰ দুই এটা শব্দ সলনি কৰি যেন বঙালী বিহুকে আমন্ত্ৰণ জনাইছিল। অসমীয়াৰ বাপতিসাহোন এই বিহুৱে প্ৰকৃতিৰ দেহ ফুলে-পাতে জাতিষ্কাৰ কৰাৰ লগতে, প্ৰতিগৰাকী ডেকা-গাভৰুৰ মনকো ভাৱাবেগ বুজাব নোৱাৰা পুলকৰ শিহৰণেৰে আবেগ-উতলা কৰি তোলে। শীতৰ থেটুৰে লগা জাৰত সৰাপাতৰ খৰমৰণি তোলা গছ-বিৰিখৰ উকা ডালবোৰত এটা কোমল সেউজীয়া প্ৰলেপ পৰে। প্ৰকৃতিৰ এই নবজন্মত উৎফুল্লিত হয় কুলি-কেতেকী আৰু নাম জনা-নজনা অলেখ চৰাই। পূৰণি পৃথিৱীক নকৈ চাই লোৱাৰ কৌটিকলীয়া হেঁপাহেৰে সকলোৰে বাট চায় এনে এটা সময়লৈ। সেয়ে বহাগ আমাৰ ইমান হেঁপাহৰ, বঙালী বিহু আমাৰ ইমান আদৰৰ। অসমীয়াৰ প্ৰকৃতিপ্ৰেমী মনৰ পৰিচয় দিয়া অলেখ বিহুগীতৰ মাজতো এনে আকুতিৰ সন্ধান পোৱা যায়।

বহাগ বিহু পাবহি। চন্দনৰ মাকো আহিব। চন্দনৰ মনৰ দ্বিধাগ্ৰস্ততাৰ শেষ বেশকণো নাইকিয়া হব। আৰু চন্দনৰ লগতে মমতাৰ বাবেও আহিব ধৰা নতুন বছৰটো কিমান মধুৰ হব। এনে ধৰণৰ ভাবনাৰ টুকুৰাবোৰেই হয়তো মমতাৰ অবচেতন মনত তোলপাৰ লগাইছিল; আৰু তাৰেই আংশিক প্ৰকাশ হয়তো গুণগুণাই থকা গীতফাঁকিৰ মাজতে আছিল।

এনে সময়তে জীপ এখন আহিল। ড্ৰাইভাৰে মমতাক কলেহি যে ডাঃ গগৈয়ে পঠিয়াইছে। জীয়েকক লৈ যাবৰ আহিছে। মমতাই গৈ ফুলমণিক মাত দিবৰ লাগে।

: ফুলমণি ক'ত আছে?—মমতাই সুধিলে

হঠাৎ পিছত বহাৰ কাৰণে দেউতাকে ফুলমণিক ঘৰলৈ নিছে বুলি ড্ৰাইভাৰে ক'লে।

মমতাই ভিতৰলৈ গৈ মাকক খবৰটো দিলে। অলপ পিছতে ওলাই আহি ফুলমণিয়ে ড্ৰাইভাৰক সুধিলে,

: মেনেজাৰ চাহাবক খবৰ দিছেনে?

ড্ৰাইভাৰে নজনা বুলি কোৱাত মমতাই ক'লে : বলা চোন, মেনেজাৰক আগতে লগ পাই যাওঁ।

●

মেনেজাৰ শ্ৰীচন্দন টমাছে ইতিমধ্যে খবৰ পাইছিল। মমতা অহাত তেওঁ যে যাবলৈ ওলাইছিল সেই কথা ক'লে। ফুলমণি হেনো কান্দিকাটি অস্থিৰ হৈ পৰিছে। পুলিচে দুদিন দূৰত থকা হিচাৰি বিচাৰি তিনিচুকীয়াৰ এটি হোটেলত ফুলমণিক পাইছিল। তাই মানুহটোৰ কথাকে কৈছে। ইপিনে থানাত খবৰ দিয়াৰ পিছতেই পুলিচে গৈ লাছু, জগুৱা, মংৰা—কাকো পোৱা নাছিল। চম্পাক জেৰা কৰিও কোনো সংসূত্ৰ উলিয়াব পৰা নাছিল। হোটেলৰ এটা গোপন কোঠাত মুখ-হাত-ভৰি বান্ধি থোৱা অৱস্থাত ফুলমণিক পোৱা গৈছিল। পুলিচে হোটেলৱালাক গ্ৰেপ্তাৰ কৰিছে। তিনিচুকীয়াৰ হস্পিতেলত দুদিন চিকিৎসা কৰোৱাৰ পিছতহে ফুলমণি এতিয়া অলপ সুস্থ হৈছে। সেয়ে মংৰা মামীয়ে জীয়েৰক মনজুলিলৈ লৈ আহিছে। ফুলমণিয়ে কোনোমতে মনজুলিলৈ আহিব খোজা নাছিল, তাই হৰাওৰাকৈ কান্দিছিল আৰু দেউতাকক খাটিছিল তাইক মাৰি পেলাবলৈ। চিনাকি-সকলৰ মাজত কলঙ্কিত মুখ দেখুৱাব কেনেকৈ,— তাকে তাই বাৰে বাৰে কৈছিল। মংৰা মামীয়ে বতনা ড্ৰাইভাৰক লগত লৈ, বহুত বুজাই-বঢ়াই আনিছে। হস্পিতেলত ডাক্তৰ নাৰ্চৰ আগত ফুলমণিয়ে এষাৰো কথা ক'ব পৰা নাছিল। মাত্ৰ কান্দিছিল।

জীপত গৈ থাকোঁতে মমতাই কৈছিল—

: ইমান বাংচালী ফুলমণিজনী। তাই যে কান্দিব পাৰে, ভাবিবই নোৱাৰো।

: এৰা, এটা ফুল যেন ভৰিৰ গচকত মোহাৰ খাই গ'ল।

চন্দনৰ মুখত মাত্ৰ এইষাৰ কথা ওলাল। তাৰ পিছত গোটেই পথ জুৰি কাৰো মুখত মাত-বোল নাই।

চন্দনৰ চিন্তাশীল মনত কিন্তু জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন উঠিল : কিয় এনে হয়? মানুহে মানুহক আঘাত কৰে কিয়? দৈহিক আঘাত, মানসিক আঘাত—দুয়োটাই কিমান কঠোৰ। অথচ এজনে

জীয়াই থকাৰ বাবে আন এজনক হত্যা কৰে। তাক আনজনেও জীয়াই থকাৰ তাড়নাতে আঘাত কৰিবলগীয়া হয়। এইদৰে ইজনক যদি সিজনৰ জীয়াই থকা সপৰ অন্ত ক'ত? একনী ফুলমণি, এটা বুধানইতো সমাজ নহয়। এটা মানু, এটা জগুৰায়ো নহয়। এক-দৰে এজন নিৰ্মলৰ জন বা এজন মোহিত উমাছেই সমস্যাৰ কেন্দ্ৰ নহয়। একনী চম্পা বা একনী পদ্মীও নহয়। তেন্তে এটা এটাকৈ এনেবোৰ অব্যৱস্থা, এনেবোৰ আঘাত-প্ৰত্যাঘাত খুচৰি খুচৰি আনো সমাজ নিকা হব পাৰে? পৃথিৱী সুন্দৰ হব পাৰে?? সমাজৰ শুকান বালিত এটুপি কিয়, হোৱাহে'লে চকুলোৰ নিজৰা বোৱাই, ঘামেপানীৰ তেজ ঢালি আনো—তাক তিয়াব পাৰি?? সেইবোৰ পাৰি সচা। তাকো কিমান পৰলৈ? তেনেহ'লে এই শুকান বালি শস্যভৰা কৰাৰ বাবে সম্পূৰ্ণ সমাজ ব্যৱস্থাৰ সলনি হব লাগিবই। তাৰ বাবে গণজীৱনৰো সামগ্ৰিক প্ৰচেষ্টা লাগিব। একক বিচ্ছিন্ন সজইচ্ছা বা আনবণ প্ৰচেষ্টাৰ মূল্য কি?

—হঠাতে জীপৰ ব্ৰেক ধৰাত চন্দনৰ চিন্তাৰ সূঁত হেৰাল। অপ্ৰতিভ হৈ'ৰা চন্দনক মমতাই ক'লে: নামা চন্দন, সৌৱা মংৰা মামীচোন।

জীপৰ শব্দ শুনিয়েই মংৰা মামী দৌৰি আহিছিল। চন্দন আৰু মমতা জীপৰপৰা নমাৰ প্ৰায় লগে লগে উধাতু খাই অহা মংৰা মামীয়ে অতি দুখেৰে কৈছিল: মমতা দিদি, মেনেজাৰ চাহাব। মোৰ কপাল ভাঙি গল। এক লাড়ুলীকে লৈ আছিলু, ভগৱানৰ সহ্য নহ'ল। —এইখিনি কৈ সি কান্দোন চেপি ৰাখিব নোৱাৰিলে। আকুলভাৱে চন্দনৰ ওচৰ'ল আগবাঢ়ি কান্দি কান্দি ক'লে: মোৰ ফুলমণিৰ কি হৈছে?

: বৰা, অস্থিৰ নহবা। ফুলমণি ক'ত? চন্দনে ক'লে।

: এই ইয়াতে আছিল। বলিছিল—মমতা দিদি যখন আহিব পাৰে। আপনাৰ গাড়ীৰ আৱাজ শুনি ভাগি গেলাক। চাহ গছৰ লাইনৰ সেই নৰ্দমাত লুকাইছে। মোৰ বেটি ফুলমণি কিছুদিন পাগলা হৈছে মমতা দিদি।

মমতাই মংৰা মামীৰ গাত থপৰিয়াই সান্ত্বনা দি ক'লে : মই যাওঁ ৰবা। মামীকাই তুমি নাহিবা। চন্দনো ইয়াতে থাকা। মই ফুলমণিক বুজাম।

মংৰাই চকুপানী মচি স্থিৰ হৈ ৰ'ল। চন্দনে জীপৰ সন্মুখৰ ছিটটোতে একটীয়াকৈ বহি কিবা ভাবি আছিল। তেওঁলৈকো মমতা মংৰাই আঙুলিয়াই দেখুওৱা চাহপাতৰ শাৰীৰ মাজৰ পানী যোৱা নৰ্দমা এটাৰ পিনলৈ আগবাঢ়ি গ'ল।

খাৰৈটোৰ ওচৰ পাই মমতাই জুমি চালে। দেখিলে কুচিমুচি বহি আছে ফুলমণি। জপৰা চুলি। ৰঙা চকু। বিবৰ্ণ মুখ।

: আৰে ফুলমণি। নৰ্দমাত কিয় বহি আছ? উঠি আহ!

তাই মাত্ৰ ফেঁকুৰি উঠিছিল।

মমতাই আকৌ মাতিছিল : আহচোন, আহ। নকান্দিবি। তোৰতো একো দোষ নাই। আহ, তই নথকাত মই আৰু চন্দনে কিমান বেয়া পাইছিলো।

: তুমি যোৱা মমতা দিদি। মোৰ সব হাৰাই গেল।

: দুৎ, ফুলমণি। তোৰ একো হেৰোৱা নাই। ফুলমণি, এটা অধম্মৰেই সমগ্ৰ জীৱন নষ্ট কৰিব নোৱাৰে। এটা বেয়া সপোনৰ দৰে সেই দিনকেইটাৰ কথা পাহৰি যা। আহ। উঠি আহ।

তেতিয়াও ফুলমণিয়ে ফেঁকুৰি আছিল।

: ফুলমণি, নাহিলে কিন্তু মই নামি গৈ তোক উঠাই আনিম। আহচোন, অবুজ নহ'বি। আহ ফুলমণি—আহ।

মমতাৰ ইমান মৰম-কোমল মাতত ফুলমণিয়ে বহি থাকিব নোৱাৰিলে।

: মমতা দিদি সমাজে মোক থুই দিব। মোক কোনে মৰম কৰিব?

: ধেৎ পাগলী! মই নাই? আৰু চন্দন? তোৰ বাবা? আহ ফুলমণি।

লাহে লাহে ফুলমণি খাৰৈটোৰপৰা উঠি আহিল। জপৰা চুলিবোৰ, ধূলি-বালি আৰু বোকা সনা আঁধাকটা শাৰীখনেৰে, ফুলমণিয়ে

তলমূৰকৈ থাকি, দুখৰূপবাইঁ আকুলভাৱে সুধিলে ঃ মমতা দিদি, এইৰকম কিয় হ'ল দিদি ? মইতো কিছু দোষ কৰা নাই ?

এৰা কিয় হয় ? দোষ নকৰা সহজ-সৰল নিৰপৰাধী বহুতৰে জীৱনত কিয় দুৰ্ভোগ হয় ? আৰু কিয়নো অপৰাধীচাম বেছিভাগ ক্ষেত্ৰত সাৰি যায় ? আনকি সমাজৰ মুখচত কিবিলি পাৰি থকাৰহে সুবিধা পাই থাকে। কিয় ? এই প্ৰশ্নৰ উত্তৰ আজিৰ সমাজে দিব নোৱাৰে। মমতায়ে বা দিব কেনেকৈ ? হঠাৎ কৰি যেন এটা চিন্তাৰ বিজুলীয়ে মমতাৰ মগজু চমকাই গ'ল। পিছ মুহূৰ্তত নিজকে সামৰি লৈ নিজে আগবাঢ়ি গৈ, ফুলমণিক ক'লে,—

ঃ ইচ। নৰ্দমাৰ বোকা লাগি তেনেই লুতুৰি-পুতুৰি হলি।

ঃ মমতা দিদি। এই কাঁদাতো জল ঢালি দিলেই চাফ হব। কিন্তু মোৰ দেহাটো একদম খাৰাপ হৈ গ'ল যে—। এইখিনি কৈয়েই যেন এক অসহায় আৰ্তনাদ তাইৰ ভিতিৰত ফুটি উঠিল,

ঃ বাবা।

ঃ বেটি ফুলমণি। মংৰা মালী নৰি আহিল। ফুলমণিয়ে দৌৰি আগবাঢ়ি দেউতাকক সাৱটি ধৰি হুকহুকাই কান্দিলে। এটা অস্বাভাৱিক পৰিস্থিতিত মমতাৰ চকুও সেমেকি আহিল। মংৰা মালীয়ে জীয়েকক সাৱটি ধৰি, এহাতেৰে বাধা নমনা চকুপানী দুধাৰি মচি মচি কলে ঃ বেটি ফুলমণি। চা—মেনেজাৰ চাহাব তোৰ কাৰণ আহিছে।

ইতিমধ্যে চন্দনো আগবাঢ়ি আহিছিল। লাহেকৈ মাতিছিল,

ঃ ফুলমণি—

ফুলমণিয়ে অলপ প্ৰকৃতিস্থ হৈ, দেউতাকৰ কান্ধৰপৰা মুৰ তুলি চন্দনলৈ চাই আকুলভাৱে কৈছিল,

ঃ মই বাচি থাকি কি হব মেনেজাৰ চাহাব ?

ঃ ফুলমণি। নাকান্দিবি। তই আকৌ আগৰ দৰে হবি। হাঁহিবি, নাচিবি, ফুৰিবি। আহ, জীৱনত উঠ। মৰলৈ যাবি।

চন্দনৰ কথা শুনি ফুলমণিৰ কান্দোন যেন চৰিজহে। দেউতাকে

ধৰি ধৰি জীপখনৰ ওচৰৰ পোৱালে। মমতাও নিৰৱে সৈ থাকিল। চন্দনো।

চন্দনে ভাবিলে—অকল ফুলমণিয়েইতো নহয়। দিনে-নিশাই হেজাৰ হেজাৰ অসহায় দুৰ্বলীয়ে বলীৰ হাতত আঘাত পাই আছিছে। তথাপি সকলোৱে জীয়াই থাকিব লাগিব। ফুলমণিও সেই সকলৰে এজনী। তায়ো আকৌ মূৰ তুলি উঠিব। এইবাৰ অকল হাঁহি-নাচেৰে নহয়, সমগ্ৰ শক্তিৰে অত্যাচাৰত ভোগাসকলৰ অন্যায়-বিৰোধী মিছিলত মিলি—তায়ো আগবাঢ়িব লাগিব।

মমতাই ফুলমণিক ক'লে : জীপত উঠা। দেউতাৰাক কষ্ট দিছা কেলেই? ঘৰলৈ ব'লা ফুলমণি।

প্ৰকৃতিস্থ হৈ ফুলমণিয়ে মাথোঁ ক'লে,

: মোক নুচুবা দিদি।

: আঃ ফুলমণি, কথা শুনা। ধৰমৰ ধমকিৰে মমতাই নিজে তাইক ধৰি জীপৰ ভিতৰৰ ছিটত পোনতে উঠাই দিলে। নিজেও তাইৰ কাষতে উঠি বহিল। মংৰা মালী আনটো ফালে বহিল। চন্দন আগৰ ছিটত উঠিল।

তেতিয়াও ফুলমণিয়ে বাউলীৰ দৰে কৈ আছিল : মমতা দিদি, মোক চুইছা কিয়? মই পাপীনী।

: তই নিষ্পাপ ফুল। চন্দনে ভাবিলেহে, নকলে।

মই পাপীনী—কিমানে যে এনেদৰে আনৰ অত্যাচাৰ সহি নিজৰ ভাগ্যকে দুষি লঘু-লাঞ্চনা, শোষণ-নিপীড়ণ মানি লয়। সমাজৰ ৰথচক্ৰৰ তলত পিষ্ট এইসকলৰ সহজ-সৰল জীৱনৰ এই পৰিস্থিতিয়েই জানো চলি থাকিব চিৰকালে?

: ফুলমণি, তই পাপীনী নহয়। পাপ-পুণ্যৰ তুলাচনী লৈ থকা সমাজৰ মহাজনহঁতহে পাপী। মমতায়ো মনতেহে ভাবিছিল, মুখ ফুটাই কৈ বুজাব পৰাৰ মানসিক প্ৰস্তুতি তেওঁৰো হেৰাই গৈছিল। আৰু তেনে বুজনিৰে ফুলমণিৰ দৰে এজনী সহজ-সৰল গাভৰুক তত্‌কালিকে আগৰ অৱস্থালৈ অনাৰো পৰ সেয়া নাছিল। গভীৰতম

কতো সময়ে নিৰাময় কৰে, এনেই আছে দেহৰে হওক বা মনৰে হওক। ফুলমণিৰ ক্ষেত্ৰতো সময়কে এই দায়িত্ব দিয়া উচিত হব। চন্দন-মনহঁ দুয়ো ভাবিছিল। তথাপি চলি থকা জীৱনৰ ঘৰ্ঘৰণিৰ মাজত সেয়ে যেন ফুলমণিৰ এটা কথাই আৰোহীকেইজনৰ মনত ধ্বনিত-প্ৰতিধ্বনিত হৈ আছিল ঃ মই 'পাপীনী।

ঃ পাপিনী ? পাপ ? পাপ কাক বোলে ? আবে বুদ্ধু, তোৰ নৰকক থোৱাই মই পৰোৱা কৰো।

কেইদিনমানৰ পিছৰ কথা। কলতুলি বাগিচাৰেপৰা অহাইন্দুস্থানী কুলিবোৰ বস্তি এখনৰ দাঁতিৰ হাটত এখনত বুধন আৰু চম্পা মুখামুখি হৈছিল। লাল্লুৰ অ'জ্ডালৈ চন্দনৰ লগত হোৱা দিনাৰে পৰা চম্পাই বুধনক ঘিণ কৰে। তাৰ পিছত পুলিচেও চম্পাক লাল্লুহঁতৰ কথা সুধি কম জুলুম কৰা নাই। আগৰ 'আস্তানা' এৰি চম্পা এতিয়া এই বস্তিৰ কাষতে ক'ৰবাত থাকে।

সিদিনা হাট ভঙাৰ পিছত সন্ধিয়া বাহৰলৈ ওভতা চম্পাক বুধনে লগ পাইছিল। বুধনক দেখি চম্পাৰ খঙে চুলিৰ আগ পাইছিল। ফুলমনিৰ কথা কৈ বুধনক বিদ্রূপ কৰিছিল। বুধনে খঙেৰে কৈছিল,

ঃ লাল্লুৰ সাথত থাকি তয়ো পাপত ডুবিছ। তই পাপিনী।

কঁকালত কোব খোৱা সাপৰ দৰে ফেৰ পাতি চম্পাই চিঞৰি কৈছিল ঃ পাপিনী ? পাপ ? পাপ কাক বোলে ? আবে বুদ্ধু, তোৰ নৰকক থোৱাই মই পৰোৱা কৰে।

ঃ একদিন পস্তাবিবে চম্পা—

ঃ চুপ্ চুপ্ বান্দৰহ্বালা, তোক মই হুছিয়াৰ কৰি দিছো। ফিৰ মোৰ পাছ নলবি। নেকেৰেৰ দাজ্জাল। মোৰ লাল্লু ওস্তাদৰ খিলাফত লাগি থাকিবিতো তোৰ জান যাব। হা—

চম্পাৰ খঙ বেছিকৈ তোলাবলৈকে বুধনে হাঁহি হাঁহি কৈছিল ঃ বাগ কৰিছ কেনে ? তোৰ লাল্লু ওস্তাদ কবুতৰক পলাই থাকিব ?

ঃ যবৃতক্ তোৰ মেনেজাৰৰ ভুল ভিৰ নোৱাৰে। তই কি ভাবিছা'ৰে, লাম্বু ওস্তাদ কি তোৰ মতন? পি সাচ্চা বাহাদুৰ— চম্পা বেগাই অ'ৰ্ড়িছিল।

বুধনে হোঃ হোঃকৈ হাঁহি ডম্বৰুটো বজাই কৈছিল ঃ দেখিছ চম্পা, তোৰ বাত শুনি মোৰ বুঢ়া বান্দৰে হাঁহিছে।

চম্পাই উভতি বুধনক ধমকি দি কৈছিল ঃ ফিছলী ছোড়্! অৰে বুদ্ধু, তোৰ মেনেজাৰে কি ভাবিছে বে? মোৰ ওস্তাদক খাপপৰ মাৰি, চাবুকেৰে পিটিছিল। সিদিনা ... দয়া কৰি গ'ল। নহ'লে সিদিনাই খতম্ হৱা হয়—

বুধনে যেন চম্পা'ৰ কথালৈ কাণ নিদি ডুগ ডুগ বজাই বান্দৰটোকহে তুলাই গাই দিলে—

ঃ দিখাও ক্যোয়সে গুৰুৎ গোস্‌সা হো'তী
উৰ সাজনকো লিয়ে হাল্লা মচাতী
নাচ, নাচৰে মেৰা বান্দৰ নাচ।

বান্দৰটোৱে টুপি লৈ ৰাস্তাৰ পৰা নামি এটা লুংলুঙীয়া বাটেৰে বুধনৰ খোজ ল'লে।

চম্পাই বান্দৰবালাই চিঞৰি বুধনক গালি-শপনি পাৰি ক'লে,

ঃ অৰা, মোৰে তত্ত্বা কৰি ভাগি গেলি না? আচ্ছা, হৰ্ অ'চল বাত শুন। মই চাব'ৰ খাইছো বুলি হুছ হবোৰা নাইবে?

বুধনে বৈ উভতি চাই সুধিলে, ঃ ক, কি অচল বাত?

ঃ আচমানত সেই সাঁঝৰ তৰাটো দেখিছ?—চম্পাৰ চিটা লাগি আহিছিল।

ঃ আজিকালি তৰা গিণতিত লাগিছ নাকি বে চম্পা?

ঃ ঐ বান্দৰৱালা শুন। ... বাগীত চম্পাৰ কথাবোৰ অস্পষ্ট যেন হৈছিল। তাই হাত জোকাৰি জোকাৰি কৈ গ'ল—বুদ্ধু কালি ফজিৰৰ আমজাৰিত যাব নহয় তোৰ মেনেজাৰ চাহাব,—জানিবি সেইটো তাৰ শেষ কামজাৰী। আৰ ঘুৰি নাহে। আৰ সৌ তৰা না দেখিব বে—হা!

বুধনে চিঞৰি উত্তৰ দিছিল ঃ আৰে চম্পা, তোৰ অভিশাপ ফুল হওক।

ঃ কি বলিছ ? ফুল ?--হা, ফুল হবতো, তোৰ চন্দন মেনেজাৰৰ নামৰ ওপৰত তৰি থাকিব। এই বুধন্ মোৰ লাল্লু ওস্তাদ এক কথাৰ মানুহ। সি কৈছে--বদলা লবই। আৰ কালিয়ে--

চম্পাৰ কথাৰ ওপৰতে বুধনে--'বাছ বাছ দেখা যাব' বুলি কৈ তাৰ জোৰে ডম্বৰু বজাই আঁতৰি গ'ল।

চনংপনংকৈ চম্পাও নিজৰ বাটেৰে গৈ থাকিল।

●

ডম্বৰুৰ শব্দ এতিয়াহে বন্ধ হ'ল। কিন্তু বুধনৰ মনত এটা অহেতুক আশংকা হ'ল। চন্দনতো অকল মনজুলিৰ মেনেজাৰেই নহয়। চন্দন যে তাৰ সৰুতে তুলি-তালি ডাঙৰ কৰা চানুবাবা। এদিন তাৰেই অন্ধ-প্ৰেমৰ মোহত চানুবাবাৰ দেউতাক নাইকিয়া হ'ল। ইমান আদৰ-সাদৰ কৰা চানুৰ মাকৰ সংসাৰ ছাৰখাৰ হ'ল। এতিয়া যদি চানুৰো কিবা হয়। নাই, নাই চন্দনৰ কোনো ক্ষতি হবলৈ সি দিব নোৱাৰে। চন্দনৰ অমঙ্গলৰ কথা যে সি ভাবিবই নোৱাৰে। চানুবাবা তাৰ অতি মৰমৰ। কিন্তু মৰমৰজনৰ ক্ষেত্ৰত সততে অমঙ্গলৰ আশঙ্কাই মানুহক আকুল কৰে। সেয়ে পিছ মুহূৰ্ত্ততে বুধনৰো ভাব হয় ঃ কি ঠিক, বদমাইচ-গুণ্ডাৰ কথা। কিন্তু আজিতো গধূলি হ'ল। মনজুলি পাওঁতে নিশা হব। বাগানৰ গেট বন্ধ হব।—— সি ভাবিলে খুব পুৱাতেই চন্দনৰ ওচৰ পাবগৈ ; হুছিয়াৰ কৰি দিব। মনক প্ৰবোধ দি সি নিজকেই বুজালে ঃ ভগবান আছে। আমাৰ চানুবাবাক ৰক্ষা কৰিব। তথাপি সি যিমানখিনি পাৰে সেই নিশাই আগুৱাই যোৱাটো থিৰ কৰিলে। যতে বেছি ৰাতি হয়, তাতে ৰৈ যাব। তাবনো থকাৰ সমস্যা কি ?--সেয়ে পুনৰ লুঙলুঙীয়া বাটটোৰে উভতি আহি ডাঙৰ ৰাস্তাত উঠি--চম্পা যোৱাৰ বিপৰীত পিনেৰে ডম্বৰুটোক কোলাত তুলি লৈ, বুধনে বেগাই খোজ ললে।

সেই সন্ধিয়াৰ কথা। মনচুনি বাগিচাত লাম্বুৱে গোপনে নিজে সোমোৱাৰ দিহা কৰিছে। [illegible] বাবে নহয়, চাহপাত চুৰিৰ বাবেও নহয়, [illegible] বাবেও নহয়, আজি তাৰ এই অভিমান প্ৰদৰ্শনৰ [illegible]। চন্দন মেনেজাৰ হোৱাৰ পিছত বাগানৰ [illegible] পৰিছিল। ইউনিয়নৰ ডেকা কৰ্মীসকল [illegible] তাপ কৰিছিল। লাম্বুৱে কিন্তু তেতিয়াও পিণ্টু [illegible] হাতত ৰাখিছিল। বাগিচাৰ বাহিৰত সংবাদ [illegible] ৰাখিছিল। এনেদৰে মহদিনৰ ছল-চক্ৰ [illegible] লাম্বুৱে [illegible] পিণ্টুৰ সহায়ত সেইদিনা সন্ধিয়া মনচুনি বাগিচাত সোমোৱাৰ ষড়যন্ত্ৰ কৰিছিল।

ঃ জগুৱা ;

ঃ ওস্তাদ।

ঃ মই চাহপাতৰ টুকুৰী [illegible] লৰীত লুকাই যাম। এই জাগাত পিণ্টুৱে লৰীৰ ইঞ্জিন খাৰাপ হোৱা বুলি লৰী ৰাখিব। সেই সময়তে মই উঠি টুকুৰীৰ ফাঁকত লুকাই থাকিম।—লাম্বুৱে জগুৱাক কয়।

ঃ ৰাতি কি ৰকম কাটিব ?—জগুৱাই সোধে।

ঃ ৰাতি চুপচাপ চাহ গছৰ মাজৰ নৰ্দমাতে পৰি থাকিম। কালি ৰুজিবাৰে মেনেজাৰ কোনকালে কামজাৰীত যাব, পিণ্টু দালালে চৰ খবৰ দিছে। পুৱৰ নাল্লাটোৰ ধাৰত।—

ঃ ঠিক আছে ওস্তাদ। মই নাল্লাৰ উত্তৰ দিকৰ তাঁৰৰ বেৰাৰ ওপৰত কলাগাছ দুটা ৰাখি দিম গণপতক কৈ দুটা চাইকেল ৰাখিছো। পাৰ হৈ আহিলে দুয়ো ভাগিম।

ঃ যদি কাম হাচিল হয়, আহিম। জগুৱা বদলা লৈছে মই মনচুনি ছাৰিম।—হঠাতে লাম্বুৱে গম্ভীৰ হৈ, এটা হুমুনিয়াহ এৰিলে আৰু কলে ঃ জগুৱা, মোৰ যদি কিবা হয়, চম্পাক দেখিবি।

ঃ ওস্তাদ, কিকিৰ্ মত্ কৰো। কাম হাচিল হ'ব।

এনেতে চাহপাত টনা লৰীৰ শব্দ শুনা গ'ল।

লাল্লুৱে জগুৱাক ফুচ্‌ফুচাই ক'লে,

ঃ জগুৱা তই ভাগ। তোৰ কামত লাগি যা। পিণ্টু লৰী চলাই আহিছে। যা--

ঃ আচ্ছা ওস্তাদ। --জগুৱাই বাটৰ দাঁতিৰ জাৰ্মানী বনৰ জোপোহাৰ মাজত সোমাই পৰিল।

লৰী আহিল। ঠিক লাল্লুৱে চোপ্ লৈ থকা ঠাইত হঠাতে লৰীখন ৰ'ল। পিণ্টুৱে ইঞ্জিন খাৰাপ হোৱা দেখুৱাই লৰীখনকে অশ্লীল গালি-শপনি পাৰি নামিল। সন্মুখৰ হুডখন দাঙি, কিবা ইটো-সিটো কৰিলে। লগতে থকা অহাজনক ষ্টিয়াৰিং ধৰি থাকিবলৈ ক'লে।

কেইমিনিটমানৰ ভিতৰতে যেন লৰীৰ ইঞ্জিন ঠিক হ'ল। পিণ্টুৱে সগৰ্বে আহি লগৰজনক ক'লে যে লৰীৰ কামত সি ওস্তাদ।

এইখিনি সময়ৰ ভিতৰতে লৰীৰ পিছফালে লগাই অনা টুকুৰী বোকাই ট্ৰেলৰৰ ওপৰত লাল্লু উঠিল। টুকুৰীবোৰৰ ফাঁকৰ মাজত সোমাই পৰা লাল্লুক লৈ লৰী মনজুলি বাগিচাৰ গেটেৰে আহি ফেক্টৰীৰ ওচৰৰ পাতঘৰৰ ওচৰ পালেগৈ।

সন্ধিয়াৰ আন্ধাৰৰ মাজত লাল্লু, পিণ্টু, জগুৱা--সকলো নিজ নিজ কামৰ বাবে দিহাদিহি গ'ল। এটা আশঙ্কাৰ, এটা উত্তেজনাৰ, এটা উৎকণ্ঠাৰ, এটা অনিশ্চয়তাৰ নিশা ক্ৰমে আগবাঢ়ি আহিব লগা হৈ আছিল।

●

সেই নিশা। ডাক্তৰ গগৈৰ ঘৰত চন্দনৰ খাবলৈ মাতিছিল। খোৱা-বোৱা হ'ল। বহু কথাও পতা হ'ল। ফুলমণিৰ কথা, [illegible] মুণ্ডাৰ লগত তাইৰ হব লগা বিয়াৰ কথা, বাগিচাত ঘটি থকা [illegible] ডকাইতি মাৰপিট কৰি অহাৰ কথা। খোৱা-বোৱাৰ পিছত [illegible] মাক শ্ৰীউত্তম বৰুৱাৰপৰা পোৱা চিঠিখনৰ কথা উলিয়ালে। [illegible]

চিঠিখন দি বহা কোঠাৰপৰা মাক ওলাই গৈছিল। কেইবাপৰো মমতাই বিভ্ৰান্ত মাকক চাইছিল। ডাঃ গগৈয়ে চন্দনৰ ওচৰত বহি এখন পুৰণি আলোচনীৰ পাত লুটিয়াই আছিল। চন্দনে চিঠিখন পঢ়ি থকা যেন লাগিছিল।

ৰামকৃষ্ণকাউণ্টত দহ বজা'ৰ সংকেতধ্বনি বাজি উঠিছিল। চন্দনে হঠাতে থিয় হৈ ক'লে: নিশা বহু হ'ল। মই যাওঁ।

ডাঃ গগৈয়ে আলোচনীখন থৈ মমতাক মাতিলে: মমতা, মাৰ ক'লৈ গ'ল? চন্দন যাব খুজিছে।

ততালিকে ভিতৰৰ হাত আঁচলেৰে মচি মচি যেন মমতাৰ মাক ওলাই আহিল। পাছে পাছে মমতাও।

: যোৱাই নেকি?—মমতা'ৰ মাকে সুধিলে।

মমতাই একো নক'লে। চন্দনৰ সন্মুখৰ টেবুলখনত পৰি থকা চিনাকি সেই চিঠিখনলৈ চাই, হঠাতে হঠাতে চকু ঘূৰাই চন্দনৰ মুখলৈ চাই ৰ'ল।

ডাঃ গগৈয়ে বুজিলে যে চন্দনৰ এতিয়া অকলে চিন্তা কৰাৰ প্ৰয়োজন। শ্ৰীউত্তম বৰুৱাৰ চিঠিত থকা কথাবোৰে নিশ্চয় চন্দনৰ মনত উথল-পাথল লগাইছে। লগ্নোৱাৰ কথাও। তেওঁ উঠি আহি ক'লে: যাওক দিয়া, নিশা দহ বাজিল। দোকানবোৰ লিতে আকৌ কামজাৰীৰ যাব লাগিব।

: মমতা আহো। চন্দনে ক'লে।

মূৰ জোকাৰি মমতাই সঁহাৰি জনালে।

বাৰাণ্ডাৰ বেলিঙত ধৰি মমতা আৰু মমতাৰ মাকে চাই ৰ'ল। জীপৰ ওচৰলৈ আগবাঢ়ি গৈ ডাক্তৰ গগৈয়ে চন্দনক বিদায় দিয়াৰ পৰত ক'লে:

: বৰুৱাৰ চিঠিতে সকলো জানিছাই। তোমাৰ মা আহিলে আমি সকলোৱে সুখী হম। লিখামতে কোনোবাদিনা ওলাবহিয়েই। বিয়াতো আহিলেই।

চন্দনে একো মন্তব্য নিদি জীপত উঠি বহিল আৰু 'আহোঁ বাৰু' বুলি কৈ জীপ চলাবলৈ ড্ৰাইভাৰক নিৰ্দেশ দিলে।

সেই উৎকণ্ঠাৰ নিশা। চন্দনৰ চকুৰ টোপনি যেন হেৰাই গ'ল। বিক্ষিপ্ত চিন্তাৰ টুকুৰাই ব্যতিব্যস্ত কৰি তুলিলে ঃ যি কোনো মুহূৰ্ততে মা আহিব। ---মাক মই বৰ আঘাত দিলোঁ।---তিনিবছৰ আগতে সিদিনা বহু আশা বুকুত বান্ধি লৈ ফাইনেল পৰীক্ষা দিবলৈ গৈছিলোঁ। ---ভাৰতীয় দৰ্শনৰ কিতাপখন গছকি মোৰ অসন্তুষ্ট ডেকাজাকৰ কামে মোৰ মন ভাঙি দিছিল।---আৰু ভঙা মনলৈ গৈ দেখিছিলোঁ অফিচৰ ছুপাৰিণ্টেণ্ডেণ্টে মাক লৈ গৈছে—অসময়ত---সিদিনা দুয়োৰ ভবাৰ কথা মনত নেখেলালে কিয় নাই মোৰ শিক্ষাৰ বাবেই ওপৰ-ৱালাক অভিনয় কৰি তেওঁলোক সন্তুষ্ট কৰিছিল।-----সিদিন তেৱাঁ নহ'ল, তেনেধৰণৰ অৰ্থহীন শিক্ষা লাভ ডিগ্ৰী হিতহঠাৎ বিৰুদ্ধেই সেই ডেকাজাকৰ বিদ্ৰোহ। ---এই সমাজব্যৱস্থা আৰু লোকৰ শোষিত-জাকৰ দুৰৱস্থা আৰু কোনোদিনে নাথাকিব।---

নিশা আগবাঢ়িছিল তাৰ চৰম মুহূৰ্তলৈ। আৰু এটা সময়ত পৃথিৱীৰ সকলোৰে দৰে সেই নিশাটোও শেষ হৈ আহিছিল।

শেষ নিশা চিৰদিনীয়া টোপনিজাকত চন্দনে কি সপোন দেখিছিল সেইটো ভাবৰ কথা নহয়। উত্তেজনাৰ চৰম মুহূৰ্তৰ পিছত টিংলি মোৰা খেলুৱৈ একজনৰ দৰে গভীৰ সুষুপ্তিৰ বুকুত চন্দন সোমাই পৰিছিল. সেয়ে পিছদিনা আগৰদৰে দোকানে কালিতে চন্দনে সাৰ পোৱা নাছিল। পুৱা পাঁচ বজাতে উঠি চাহ এটুপি খাই কামজাৰীলৈ তেওঁ যায়। সিদিনা কিন্তু ছয়বজা নাগতাই চন্দন উঠিল। ততাতৈয়াকৈ তেওঁ কাম-জাৰীলৈ ওলাই গৈছিল। এটা উৎকণ্ঠাৰ নিশাৰ পিছত, এটা দিনে দেখা দিলে--যিটো দিনো কম উৎকণ্ঠাৰ নাছিল। বৰং অধিক ঘটনা প্ৰবাহৰ তৰঙ্গত হাঁহাকাৰ-অস্থিৰতাৰ দিন আছিল সেইটো।

●

বাস্তিপুৰাৰ আকাশখন গোমাই আছে। নিশা বৰষুণ হৈছিল। এতিয়াও আকাশত চপৰা-চপৰ মেঘ ওলমি আছে। গছপাত ধৰ হৈ আছে, বতাহ নাই। তেনে সময়তে বুধনে উধাতু খাই মেনেজাৰ চন্দন চৌধুৰীৰ বাংলো পাইছিলহি। কাজত ভুলোমাই মোৰা মেনেজাৰৰ

আছিল বাঙ্গলাটো। মালী, চকীদাৰ, বেয়াৰা, বাবুৰ্চি সকলোৱে তাক চিনি পায়। বাংলোৰ সন্মুখত মালীয়ে ফুলদানীত সজাবলৈ ফুলপাত গোটাই আছিল। বুধনক চেনেদাৰ ফোপাই জোপাই অহা দেখি সুধিলে,

: আৰে বুধন, আজি ফজিৰ ফজিৰ ক্যা ৰে ?

: মেনেজাৰ চাহাবক লাগে। জৰুৰী বাত আছে। —বুধনে ক'লে।

: চাহাব কামজাৰী মেঁ নিকল্ গিয়া।

: ইত্না জলদী ?

: জলদী কাহাঁ? অজাতো দেৰ হোৱা।

: কিধৰ গিয়া? অস্থিৰতাৰে বুধনে সোধাত, মালীয়ে আগবাঢ়ি আহি সুধিলে তাৰ কিবা বিপদ হৈছে নেকি ?

বুধনে এনে উশাহে কৈ গ'ল যে তাৰ নিজৰ এনে বিপদ হোৱা নাই। কিন্তু লাল্লু গুণ্ডাই অনন্তৰায়ীন সময়ত মেনেজাৰৰ ওপৰত হামলা কৰাৰ মতলব কৰিছে। লাল্লুৰ ঘৈণীয়েক চম্পাই মদৰ বাগীত কোৱা কথাষাৰ সেইদিনা সি বিশ্বাস কৰা নাছিল। তথাপি সন্দেহ কৰি কালি গধূলিৰেই মনতুলিলে আহি আছিল। বাটত চিনাকি এটা ল'ৰাই কৈছিল যে লাল্লু গুণ্ডা আৰু তাৰ সংগত দুটা মানুহক বাগিচাৰ ৰাস্তাৰে কিবা ফুচফুচাই কথা পাতি থকা দেখিছিল। সেয়ে বুধনে ৰাতি হ'লেও বাগিচা পাবলৈ চেষ্টা কৰিছিল। কিন্তু বৰষুণ পৰিবলৈ ধৰাত ৰাতিৰ হাটখোলাৰ ঘৰ এটাত ৰৈ গ'ল। সেই কাৰণেই আহি পোহাত পলম হৈছে। চাহাবক সাৱধান কৰি দিব লাগিছিল।

মালীয়ে চকীদাৰ, বেয়াৰা, জমাদাৰ সকলোকে চিঞৰি মাতি বুধনে কোৱা কথাখিনি ক'লে।

: হা ভাইসব। ঠিকতো নহী। কোন জানে আজুহী লাল্লু গুণ্ডা হামলা নহী কৰেগা ?

মালীয়ে ক'লে, মেনেজাৰ চাহাবক ঘৈ খবৰ দিবলৈ বোৱা'ক্ষি পেৰিছিল।

বুধনে সকলোকে উত্তেজিত কৰি ক'লে ঃ সবলোক লাঠি লেকে চলো। কুদাল--উধাৰ। চাহবকো ভগা মাৰনে আয়া। আও হামাৰা সাথ।

আটায়ে মুহূৰ্ততে লাঠি-টাঙোন যি পালে লৈ পুবৰপিনৰ ৰাস্তাৰে দৌৰিলে।

●

প্ৰায় এক ফাৰ্লং আঁতৰত, এটা ডোবাৰ কাষৰ চাহ গছজাৰ চাই ফুৰিছে চন্দনে। চাইকেলখন আলিৰ দাঁতিৰ শিৰীষ গছ এজোপাত আওজাই থৈ, হাতত চুটি লাঠি এডাল লৈ চাহৰ জোপোহা কিছুমান নিৰীক্ষণ কৰিছে।

ডোবাটোৰ সিপাৰত বাগিচাৰ সীমাৰ কাঁটা-তাঁৰৰ বেৰ দেখা গৈছে। ৰাতি বৰষুণৰ পানীয়ে চাহগছৰ জোপোহাবোৰৰ ধুলি-মাকতি উটুৱাই নিছে। গোমাই থকা আকাশত সূৰ্য্য দেখা নিদিলেও, পুৱাৰ পোহৰত চাহপাতৰ আগবোৰ সদ্যস্নাত গাভৰুৰ কেশৰাজিৰ পানীটোপালবোৰৰ দৰে জিলমিলাই আছে। চাহ গছৰ শাৰীৰ মাজৰ খাৱৈবোৰত দুটা এটা ভেকুলীয়ে টোৰটোৰাই আছে। তেনে এটা খাৱৈৰ কাষে কাষে থকা চাহগছ কেইজোপা তালপ অস্বাভাৱিকভাৱে লৰি লৰি উঠিছে। নিশা কেতিয়াবা শিয়াল বা কুকুৰনেচীয়া বাঘ ওলায়, কিন্তু দিনৰ পোহৰত সিহঁত আঁতৰি যায় ওচৰৰ হাবিলৈ। তেনেহ'লে ?

●

বুধনৰ লগে লগে মেনেজাৰৰ চকীদাৰ, বেহেৰা, মালী, ড্ৰাইভাৰ প্ৰভৃতিবোৰে সেইপিনে আহি চাইকেলখন দেখি ৰৈ গৈছিল। মালীয়ে চিঞৰি কৈছিল ঃ

ঃ য়হ হ্যায় চাহাবকা চাইকেল্।

আহাইকাউন্টন, [illegible]

অন্ধাৰতে দূৰত লেনেতাৰক দেখি চিঞৰি উঠিল: বুধন ভাই, সোঁৱা—ৱহা। চাহাবজনে দিখাই দেতা।

ঃ হাঁ, হাঁ—চাহাবকো বাকী কেইজনেও সমস্বৰে কৈ উঠিল।

বুধন কিছুদূৰ আগবাঢ়ি গ'ল। হঠাতে উভতি চাই বাকী কেইজনক বিভিন্ন ইংগিত কৰিলে: দেখো দেখো, ন'ম্বাকে নীচেসে এক আদমী চাহাবকো পিছা কৰতা।

ঃ কাহাঁ? আটাইকেইজনে একেলগে সুধিলে।

ঃ উহ দেখো।

ঃ হাঁ—হাথমে ছুৰি হৈ।

এক মুহূৰ্ত্তও পলম নকৰাকৈ বুধনে হাতৰ টৰ্চটোৰে সৈতে লাঠিটো লগিবাই লৈ, একেচাপ ধৰি এটা পাৰ হৈ চন্দনৰ ওচৰলৈ দৌৰিলে। লগে লগে হাত দাঙি উচ্চস্বৰে চিঞৰি গ'ল: মোহনতাং চাহাব, উহ মাৰ—পিছে দুষমন্।

ৰচি-টাকুৰান দাঙি নাকী, ৰেম্বাৰ, বাবুচি, জমাদাৰেও—'হুচিয়াৰ—হুচিয়াৰ'—বুলি চিঞৰাই দৌৰি চন্দনৰ পিনে আগবাঢ়িল।

মুহূৰ্ত্তত চন্দনেও পিছ আশঙ্কাত—কোন? কাহাঁ? বুলি কাষৰ এটাম হুঁ দিয়া শিৰীষগছৰ আঁৰ ললে। এটা মুহূৰ্ত্ত। আৰু সেই মুহূৰ্ত্তত আত্মৰক্ষাৰ স্বাভাৱিক সচেতনতাৰ বাবে আঁতৰি দিয়াত, ভুজালিৰ ঘাপটো চন্দনৰ গাত নপৰি পৰিল শিৰীষ ডালত।

ঃ তেৰা যম। লম্বু ওস্তাদ।—বুলি শৰীৰৰ সৰ্বশক্তিৰে নবা সেই ঘাপটো শিৰীষ ডালৰ গাত বহু দূৰ সোমাই পৰিল।

লগালগে হৈ পুনৰ চন্দনক আক্ৰমণ কৰিবলৈকে লাম্বুৱে গছডালৰ পৰা ভুজালিখন টানি একৰালে। সেইক্ষণ সময়তে বুধনে জাপ মাৰি—'হুচিয়াৰ' বুলি লাম্বু আৰু চন্দনৰ মাজত থিয় দিলে।

ল'ম্বুৰে ভুজালিখন লৈ—'লে বদ্লা'—বুলি চন্দনক আৰু এঘাপ মৰাৰ আগতে চন্দনে হাতৰ লাঠি ডালেৰে বাধা দি একাষৰীয়া হৈ থিয় দিলে।

আৰু বুধনে জাপ মাৰি লাম্বুক সাৱটি ধৰিলে।

গছডালৰ শিপাত এখন ভৰি উজুটি খোৱাত লালু বাগৰি পৰিল।

: কোন চলা, মেনেজাৰক বাচালি? ছাড়। নহীতো।—লালুৱে বুধনক আঁতৰাই দিবলৈ চেষ্টা কৰিলে।

ইতিমধ্যে—'মাৰ, মাৰ' বুলি বাকী কেইজন আহি পৰাত, লালুৱে পলাবলৈ বুলি ভুৰুকিয়াওঁতে বুধনৰ পেটত এটা খোচ মাৰি দিলে।

: অঃ,—বুলি বুধনে চিঞৰি লালুক এৰি দিলে।

কিন্তু লছমন জমাদাৰে লাঠিৰে লালুৰ সোঁহাতত এক কোব মাৰিলে। লালুৰ হাতৰ ছুৰীখন উফৰি পৰিল।

গোটেই কেইজনে লালুক ধৰা-ধৰি কৰি বান্ধি পেলাইছে।

চন্দনে গোটেই ঘটনাটো চকুৰ আগতে দেখিছে বহুত ক্ষণ ধৰি। বুধনে চুপ্ কৰি চন্দনক শেহাই শেহাই কৈছে:

: চানু বাবা। ভাগি যা।

: তুমি বুধন! ইমান তেজ! চন্দনে দেখিলে বান্দৰটো জপিয়াই আহি বুধনৰ মুখৰ ওপৰত ফোঁ-ফোঁৱাই আছে। এক হাতেৰে ছুৰীৰ ঘা পেটত ধৰি, আনখন হাতেৰে বান্দৰটোক মৰম কৰি আছে বুধনে। তাৰ মাজতে বুধনে শেহাই শেহাই কলে: চানু বাবা, ইয়াক চাবা। মই নাবাচিম।—বান্দৰটোক মৰম কৰা হাতখন এবাৰ বাগৰি পৰিল।

ইপিনে মালী, জমাদাৰহঁতে লালুক ঘৃচিয়াই লৈ গৈছে। লালুৱে শেহাই শেহাই কৈ আছে: চালা এক আদমীকো ইতনা আদমী মাৰতা? বেইমান চব।—এবাৰ আজোৰ মাৰি ডোবাটোৰ কাষেৰে তাঁবৰ বেৰৰ পিনলৈ প্ৰাণটাকি দি লৰ মাৰিলে। ঠিক বেৰৰ ওচৰ পোৱাৰ আগতে পিছে পিছে খেদি যোৱা লছমন জমাদাৰ একে জাপে লালুৰ ওপৰত পৰিল। অসহায়ভাৱে লালু বাগৰি পৰিল। কাঁটা বেৰৰ এঠাইত দুডাল কলগছ পৰি আছিল,—আগতে দিহা কৰা মতে লালু পলাবলৈ। শেষলৈ সেয়া নহ'ল। চিঞৰ-বাখৰত বাগিচাৰ কামলা অহা আৰু বহু বনুৱাই দৌৰি আহি মাৰধৰ কৰি লালুক বান্ধি পেলালে। নিঃসাৰ হৈ পৰি থকা বুধনৰ গাত হাত দি চন্দন অস্থিৰ হৈ

পৰিল। ধাৰ'সাৰে তেজ ওলোৱা ঠাই চোখৰত ধৰি পৰি থকা বুধনৰ ওচৰলৈও কিছুমান বনুৱা আহিল। চন্দনে কিবা কোৱাৰ আগতে সিহঁতে—হস্পিতেললৈ নিব লাগে বুলি কোৱাকুই কৰি বুধনৰ নিঃসাৰ দেহটো দাঙি লৈ গ'ল। পিছে পিছে বান্দৰটোও গৈ থাকিল।

মন্ত্ৰচালিতৰ দৰে চন্দনে আহি বাটৰ ওপৰত থৈ যোৱা চাইকেলখনত উঠিল।

•

ইতিমধ্যে ডাঃ গগৈক খবৰ দিয়াত, জীপ এখন লৈ তেওঁ সেই-পিনে আহিল। বাটত বুধনক কঢ়িয়াই অনা দেখি, জীপত তোলাই ল'লে।

: কোনজনৰ চাহাব ক'ত?—ডাক্তৰে সুধিলে।

এজনে ক'লে যে চাইকেলেৰে নিজৰ বাংলোৰ পিনে গৈছে।

জীপেৰে বুধনক হস্পিতেললৈ নি, ডাক্তৰ তাৰ পৰিচৰ্য্যাত ব্যস্ত হৈ পৰিল।

মূৰটো খুব ফাটিছিল, হাতো ভাঙিছিল। তাকো বৰ্কি-বুকি, টানি-আঁজুৰি এদল বনুৱাই হস্পিতেললৈ লৈ গৈছিল।

হস্পিতেল পাই, ডাঃ গগৈয়ে জীপখন ঘৰলৈ পঠিয়াই দিলে আৰু ড্ৰাইভাৰৰ হাতত মমতালৈ চিঠি এখন দিলে। চিঠিত চন্দনৰ খবৰ কৰিবলৈ মমতাক যাবলৈ ক'লে।

•

•

চন্দন বাংলালৈ আহিছিল। চকীদাৰ, মালী, বেহাৰা, বাবুৰ্চি কোনো উভতি অহা নাই।

নিৰ্জন বাংলোত সোমাই, চন্দনৰ মনত এটা অস্থিৰতাই, এটা অসহ্য ভাৱে জুমুৰি দি ধৰিলে।

আকাশত মেঘৰ গাজনি। চন্দনৰ মনৰ মাজতো এটা চিঞৰ। কি হ'ল এইবোৰ? কিয় হ'ল? কিয় হয়?

বাতি ৰবষুণ দিয়াত, কোঠালীৰ ফায়াৰ-প্লেচত জ্বলোৱা কয়লাৰ টুকুৰা দুই-এটাত তেতিয়াও জুই আছিল। কাম কৰা মানুহবোৰে জুই-ছাই ঠিক কৰাৰ আগতে, বুধনৰ মুখে মেনেজাৰৰ আগন্তুক বিপদৰ বতৰা পাই, যাৰ যি কাম মাজতে এৰি থৈ দৌৰি গৈছিল।

ফায়াৰ-প্লেচৰ কাষত থাক-থাককৈ সজাই থোৱা কিছুমান কিতাপ। কিয় জানো চন্দনে জুইৰ অঙঠাবোৰ লোৰ ৰ'দভাঁজেৰে খুচৰি দিলে। জ্বলি থকা অঙঠা কেইটামান ওপৰ উঠিল।

চন্দনে কাকত কিছুমান টানি দলিয়াই দিলে। জুই জ্বলিল। নুমাল। আকৌ কাগজ দলিয়ালে। পুনৰ জুই জ্বলিল। চন্দনৰ চকু দুটাও যেন দুটা জ্বলন্ত স্ফুলিঙ্গৰ দৰে জ্বলি উঠিছিল। হাতত তেতিয়াও বুধনৰ তেজৰ চেকা।

কিহ'ৰ চিন্তা যে চন্দনৰ মগজুত মুহূৰ্ততে খেলাই গ'ল :

···নাই, নাই, সকলো মিছা। কাৰ কাৰণে এই যুঁজ? কিয় এই খোৱা-কামোৰা? ইজনে সিজনক, এটা দলে আনটো দলক, এটা জাতিয়ে আনটো জাতিক, এখন দেশে আনখন দেশক,—মাত্ৰ আঘাত কৰে। আঘাত কৰি প্ৰত্যাঘাত লয়। বিজ্ঞানৰ শ্ৰেষ্ঠতম আৱিষ্কাৰৰ গৌৰৱ কৰা মানৱজাতিৰ সমাজ-জীৱনত কিয় অবৈজ্ঞানিক চিন্তাধাৰা—বৰ্ণ-বৈষম্যৰ, জাতি-বিজাতিৰ, শ্ৰেণী-সংঘাতৰ, সৰু-বৰ, ধনী-দুখীৰ? মানৱীয়তাৰ ঠাইত হিংস্ৰতা, কৰুণাৰ ঠাইত প্ৰতিহিংসা। সন্মুখৰ ফায়াৰ-প্লেচৰ জুইৰ অঙঠাবোৰ জ্বলি থকাৰ দৰে মানুহৰ মনৰ ভিতৰত হিংসাৰ জুইহে সদায় জ্বলি থাকে কিয়? এটা সুস্থ, বিজ্ঞানসন্মত সমাজ-ব্যৱস্থা মানুহে কিয় গঢ়ি তুলিব পৰা নাই? ধৰ্মৰ নামত মানুহে মানুহক মাৰে। আচৰিত, সদায় দেখি থকা ভাই-বন্ধুক ভাল পাব নোৱাৰা মানুহে আকৌ নেদেখা ভগৱানক ভালপোৱা বুলি গৌৰৱ কৰে !!

চন্দনে কিতাপৰ থাকৰপৰা তেওঁৰ অতি মৰমৰ কিতাপ এখন এখনকৈ সন্মুখৰ জ্বলি থকা অঙঠাৰ মাজলৈ দলিয়াই দিবলৈ ধৰিলে।

···"মৰ্ড্যাৰ্ণ ৰেকৰ্ড? জ্বলক। বৈটুপাতৰ মাজতহে সোমাই থকা তথা-কথিত 'মৰ্ড্যাৰ্ণ ৰেকৰ্ড' পুৰি ছাই হওক।"

…এইখন 'ছায়েন্স এণ্ড হিউমেনিটি'—বিজ্ঞান আৰু মানবীয়তা। হঃ মানবীয়তা। বিজ্ঞানৰ উৎকৰ্ষতাই মানুহক চন্দ্ৰলোকলৈ ভীহাণ্ডে যাব পৰা কৰিছে,---কিন্তু মানবীয়তাৰ লেশমান গুণো সমাজে আজিও আহৰণ কৰা নাই কিয়? বিজ্ঞানৰ প্ৰগতি দ্ৰুত বুলি সমাজৰ গতি মন্থৰ আনকি স্থবিৰ হোৱাৰ এনে দায়ী কোন?

…আৰু এইখন 'বেট্ৰাণ্ড ৰাছেল' ভাৰতীয় দৰ্শন। এই দৰ্শনৰ পুথিখনেই এটাই যোৱা ক্ৰমে তিনিবছৰ আগতে মোৰ মন বিষাদে উতলা কৰিছিল। কি হব এই মৃত দৰ্শনৰ। পৰিৱৰ্তনহে জগতৰ একমাত্ৰ সত্য। একমাত্ৰ দৰ্শন আৰু পৰিবৰ্ত্তন মানে চিৰন্তন সংঘাত সংঘৰ্ষ।

আধুনিক জগতত যোগ সংঘৰ্ষৰ অগ্নি অবিৰাম জ্বলে। এয়া হোমাগ্নি নহয়, নহয়, হুতাশনৰ পূজা। চোকা ধাৰৰ তৰোৱালৰ ওপৰেৰে খোজ কঢ়া বুদ্ধিজীৱিৰ অৰ্থহীন কছৰতৰ এয়া। মেষদাহ।-----

…মই চন্দন---নহয়, মইয়ো এজন Tight Rope-Walker দুইমূৰৰ বান্ধি ওলোমাই থোৱা ৰচিৰ ওপৰেৰে খোজকঢ়া খেলোৱাৰ। এজনৰ ভৰি পিছলিব পাৰে—সমতা হেৰাই তলৰ চোকা তৰোৱালত বাগৰি পৰিব পাৰে---কিন্তু the Show must go on---খেলা চলি থাকিব। এজনৰ পিছত এজন--আৰু এজন---আৰু এজন। মইয়ো তাৰে এজন।

…চন্দন আজি তোৰ সমতা হেৰাল—তোৰ ভৰি পিছলিল। ----সকলো শেষ। ----আৰু এই পৃথিৱী। মাকবোৰৰ মমতা, প্ৰেয়সীৰ প্ৰেম, মিছিলৰ হাঁহাকাৰ। ----তাৰ মাজত মই এটা ক্ষুদ্ৰকণা।

---নাই, ইমানতে শেষ। হে পৃথিৱী, ---বিদায়, বিদায়। মই উভতিম আজি এৰি অহা পথেৰে।

এটা মুহূৰ্তত অঙঠাবোৰৰ মাজলৈ দলিয়াই দিয়া কিতাপবোৰ ধোঁৱাই উঠিল। গোটেই কোঠাটো ধোঁৱাময় হ'ল। উশাহ লব নোৱাৰা যেন হৈ উৰ্দ্ধশ্বাসে চন্দন ওলাই গ'ল বাহিৰলৈ।

তাৰ পিছত যেতিয়া জীপৰ পৰা মমতা নামি আহি চন্দনক মাতি মাতি কোঠাটোত সোমাল, তেতিয়াও কাগজৰ দলিচত আধাপোৰা

কিতাপ কিছুমানৰপৰা ধোঁৱা ওলাই আছে। ইতিমধ্যে উভতি অহা বোহৰা আৰু বাবুচিয়ে মেনেজাৰক কোঁতো দেখা নেপাই বিবুধিত পৰিছে। মমতাক দেখি সিহঁতে লৰি আহি কৈছে যে মেনেজাৰ চাহাব নাই; কুইত কিতাপবোৰ পুৰি থকাৰে সিহঁতে পাইছে।

চন্দনৰ চাইকেলখনো নাছিল। মমতাই ভাবিলে চন্দন হচপিতেললৈ গৈছে কিজানি। তেওঁ পুনৰ জীপত উঠি হচপিতেললৈ গ'ল। কিন্তু তাতো চন্দন নাই। ডাক্তৰ গগৈ তেতিয়াও অহা নাই বুধনৰ ওচৰত। বুধনৰ সংজ্ঞা অহা নাই। দেউতাকক খবৰটো দি মমতা ফেক্টৰীৰ ওচৰলৈ গ'ল। তুমুল হুলস্থূল হৈ আছে তাত বনুৱা, বাবুসকলে কথা পাতিছে। ফেক্টৰী চলি আছে। তাতো চন্দন নাই।

মমতাই বুজিলে, চন্দনে মানসিক সমতা হেৰুৱাই পেলাইছে। নহ'লে তেওঁৰ ইমান দিনৰ দৰ্শন-বুৰঞ্জীৰ পুথিবোৰ জুইত জাপি দিলে কিয়? হয়তো আকৌ তেওঁ অৰণ্যলৈ উভতিছে। এই ভাব খেলোৱাৰ লগে লগে তেওঁ বামু, শঙ্কৰহঁতৰ কেইজনমানক মাতি জীপত তুলি ললে আৰু মনজুলি বাগিচাৰ বাহিৰলৈ গাড়ী চলাবলৈ ড্ৰাইভাৰক নিৰ্দেশ দিলে।

●

এটা অস্থিৰ উত্তেজনাই মমতাৰ কণ্ঠৰোধ কৰিছিল। বামু, শঙ্কৰহঁতো তেওঁলোকৰ প্ৰিয় মেনেজাৰ চন্দন চমাহবৰ বাবে উদ্বিগ্ন হৈ পৰিছিল। এইমাত্ৰ এটা নৃশংস আক্ৰমণৰপৰা তেওঁ ৰক্ষা পৰিছে। এতিয়া যদি তেওঁক বাটত গুণ্ডাদলৰ কোনোবাই আক্ৰমণ কৰে;—এই চিন্তা হৈছিল বামু, শঙ্কৰহঁতৰ। মমতাই কিন্তু তেনেকৈ ভবাতকৈ চন্দনে মনৰ সমতা হেৰুওৱা বুলিহে আশঙ্কা কৰিছিল।

জীপ চলিছিল তীব্ৰ বেগে;—সেই পথেৰে, যি পথেৰে তিনিবছৰ আগতে প্ৰথমবাৰলৈ চন্দনক শ্ৰীউত্তম বৰুৱা আৰু ডাক্তৰ গগৈয়ে মনজুলিলৈ লৈ আহিছিল।

●

এবা, সেই পথেৰেই কিছু সময় আগতে তীব্ৰ বেগেৰে চাইকেল চলাই গৈছিল বিভ্ৰান্ত মনেৰে এজন ডেকা। তেওঁ চন্দন। মন-

তুলি বাগিচাৰ মেনেজাৰ চন্দন ক্ৰমাৎ। দুকাষৰ চাহগছৰ শাৰীবোৰ ক্ৰমে আঁতৰি গৈছিল। আঁতৰে আঁতৰে থকা শিৰীষ গছবোৰে নিজকে সামাৰ পৰন বাট এৰি দিছিল। এসময়ত বাগিচাৰ শেষ হৈছিল। আৰু পথটো আহিবাতিত অন্যমনস্কভাৱে চন্দনৰ ভৰি দুখন চাইকেলৰ পেডেলত সমান গতিৰে ঘূৰি আছিল।

সৌৱা তিনিআলিৰ মূৰ,—আৰু সেইডাল বহুৎ গছ।

গছডালৰ দাঁতিয়েদি আহি চন্দন তিনিআলিৰ মূৰত বৈ গ'ল। চাইকেলখন তাতে এজোপা বৰগছৰ গাত থৈ দিলে।

এয়া তাৰ পৰিচিত তিনিআলিৰ মূৰ। বাওঁফালে আলিয়েদি গলে ডাঙৰ নগৰৰ প্ৰধান আকাশী বন্দৰটো—য'ৰপৰা উৰা মাৰি পাৰ পোৱা এখন মহানগৰ। চন্দনে উভতি চালে—সি এইমাত্ৰ চাইকেল চলাই অহা দ্বিতীয় পথটোলৈ। বহুসংখ্যক চাহ বাগিচাৰ মাজেৰে আৰু বাগিচাৰ সেই পথ—য'ত হেজাৰ হেজাৰ বনুৱাই মূৰৰ ঘাম মাটিত পেলাই, এমুঠি লোকক আৰাম কৰাৰ সুযোগ দি আহিছে—যুগ যুগ ধৰি।

চন্দনে চালে তৃতীয় পথটোলৈ—এটা সৰু বাট। অৰণ্যৰ অন্তৰালৰ তাহানিৰ চন্দনৰ আশ্ৰয় গৃহৰ দিশলৈ একাবেঁকা গতিৰে আগবঢ়া সেই পথ।

আকাশত তেতিয়াও চপৰা চপৰে মেঘ। সূৰ্য্য তেতিয়াও ডাৱৰৰ কাৰাগাৰত বন্দী।

কিন্তু, অলপ বতাহ বলিছে। গছৰ ডালবোৰ লৰিছে। বসন্তৰ আগমনী দিয়া কোমল কুঁহিপাতবোৰে, চঞ্চল সৰু ল'ৰা-ছোৱালী জাকৰ দৰে হালি-জালি কোমল শব্দ এটিৰ সৃষ্টি কৰিছে। চৰাই জাকে কোলাহল নলগালেও, মাজে সময়ে চি-চিয়াই এটা জনহীন পৰিস্থিতিত প্ৰাণৰ সঞ্চাৰ কৰিছে।

বতাহ ক্ৰমে বাঢ়িছে। ওলমি থকা মেঘবোৰো লৰচৰ কৰিছে। চোপ পাতি বৈ থকা সৈন্যবাহিনীক যেন অদেখা কোনো দলপতিৰ ইংগিতত নিজৰ নিজৰ ঠাই এৰি নতুনকৈ সুবিন্যস্তভাৱে শাৰী পাতিবলৈ লৈছে। দূৰত এটা ধাৰাসাৰ জমা গ'ল; আৰু তেওঁ

কাউৰী কেইটামানে একেলগে ৰমলিয়াই গছজোপাৰ ডাল এটাৰ ওপৰত খন্তেক ঘূৰিলে। আকৌ ডালটোতে পৰিলহি।

চন্দনে এবাৰ আকাশলৈ চালে। এবাৰ বৃহৎ গছজোপালৈ। তাৰ পিছত ধীৰভাৱে খোজ পেলালে অৰণ্যপথত।

এখোজ, দুখোজ। হঠাতে এটা শহাপহু ভয়ৰে কাষৰ জোপোহাৰ পৰা ওলাই বেঁকা বাটটোৰে লৰ মাৰিলে।

: সেয়া নিজৰ্জন শহাটোৱে মোৰ পথাৰ কৈ লৈছে। কিয়? নই জানো শহাটোৰ দৰেই ভীৰু? পলাতক??—এনে এটা চিন্তাত চন্দন ভৈৰ গ'ল।----

তাত থিয় হৈ চন্দনে উভতি চালে—তৎপৰ আগতে এৰি অহা বাটটোলৈ। চন্দনে যেন শুনিবলৈ পালে মমতাৰ আৰ্তস্বৰ: চন্দন—তুমি নাযাবা। মোৰ কাৰণে তুমি নাযাবা।

তেওঁ চকু ওভতাই আনিলে। চিন্তাৰ ঢৌ খেলি গ'ল মনৰ মাজত: কাৰ বাবে? মমতাৰ বাবে? এমিলিয়াৰ বাবে মিষ্টাৰ জন, ফুলমণিৰ বাবে ৰতন, চম্পাৰ বাবে বুধন, চোনহীৰ বাবে ৰামু ওৰাং, পদ্মী সিঙৰ বাবে প্ৰতাপ, মাৰ বাবে দেউতা আৰু মমতাৰ বাবে চন্দন—এয়া জানো যুঁজি জীয়াই থকাৰ যুক্তি হ'ব পাৰে?—কিয়? মমতাৰ চেনেহে, মমতাৰ সাহচৰ্য্যই, মমতাৰ প্ৰেৰণাই জানো মোৰ পৃথিৱীখন প্ৰেমময় কৰি তুলিব পাৰিলে?? নে পাৰিব?

তেনে সময়তে তীব্ৰবেগে আহি থকা জীপ এখনৰ পৰা শুনা গ'ল—নাৰীকণ্ঠৰ আহ্বান: 'চন্দন'।

আকাশৰ সূৰ্য্যটোক তেতিয়াও ডাৱৰবোৰে চাৰিওপিনৰ পৰা আবৰি আছে। চন্দনৰো চকুৰ আশাৰ কিৰণমালা ঢাক খাই আছিছে। ডাৱৰবোৰৰ আঁৰৰ সূৰ্য্যটোৰ তীব্ৰ জ্যোতি কিন্তু পৃথিৱীৰ গতি কৰি আছে তেতিয়াও। আৰু চন্দনৰো বিভ্ৰান্ত, আশাহত, মনৰ কুঁৱলী ফালি এটা আহ্বানৰ ধ্বনি আহি আছে। সেয়া মমতাৰ কণ্ঠস্বৰ—'চন্দন'। আৰু বহুতৰ কণ্ঠত—বামু-শঙ্কৰহঁতৰ আকুল আহ্বান—'মেমেজাৰ চাহাব।'—উত্তম বৰুৱাই তাহানি কৈছিল—তুমি পুৰুষ,

মুখ তুলি যুঁজিব লাগিব। অ'নকো জীয়াই থকাত সহায় কৰিব লাগিব।---কিন্তু মুখ তুলি যুঁজি কি পালো? আজি এবছৰে মনজুলি বাগিছাৰ ক্ষুদ্ৰ পৰিবেশতে ইমান সংঘাত! বহল পৃথিৱীৰ আকৰ্ষণটোক বিকৰ্ষণৰ সন্মানইতো হব অপৰিসীম।---ফুলমণি, ৰামু, শঙ্কৰহঁতক বা সুস্থভাৱে জীয়াই থাকিবলে মই কি দিব পাৰিলো? আৰু কিনো দিব পাৰিম??

আকাশলৈ চালে চন্দনে। ডাৱৰৰ আৱেষ্টনীত সংগ্ৰামী সূৰ্য তেতিয়াও বন্দী।--নাই, চন্দনৰ আৰু দ্বিধা নাই। তেওঁ বিচাৰে শান্তি—সেই শান্তি অৱশ্যে নাজৰ একক অস্তিত্বৰ শান্তি।

ইতিমধ্যে এটা বেঁকা কেকুৰী পাৰ হৈ চন্দনে ওখ টিপ এটাৰ ওপৰ পাইছে।----

আৰু জীপখন আহি তিনিআলিৰ মূৰত ৰৈ গৈছে।

: চন্দন। তুমি ওচি নাযাবা।--মমতাই মাতিছে। চন্দনে উভতি চোৱা নাই। কিন্তু থমকি ৰৈছে।

: মেনেজাৰ চাহাব। আমাক ছাৰি নাযাব।--ৰামু, শঙ্কৰহঁতে একেলগে চিঞৰিছে।

আকাশত মেঘৰ আৱেষ্টনী ভেদ কৰি এজোলোকা পোহৰ চন্দনৰ গাত পৰিছেহি।

বতাহ বাঢ়িছে। মেঘবোৰ গতিশীল হৈছে।

চন্দন স্থিৰ। অৰণ্যপথৰ কেকুৰীটোৰ টিপটোত মমতা স্থিৰ। তিনিআলিৰ মূৰত, জীপৰ দাঁতিত। ৰামু, শঙ্কৰহঁত স্থিৰ। অধীৰ উৎকণ্ঠাত।

সময় গতিশীল।

গতিশীল বতাহজাক।

গতিশীল ক্ৰমে ডাৱৰ ফালি ওলাই অহা সূৰ্য্যৰ কিৰণমালা।

●

কিমান সময় ভেদে এটা অনিশ্চিত পৰিস্থিতিয়ে সামৰি ল'লে কাৰো খেয়াল নহ'ল।

কিন্তু যেতিয়া আকাশী বন্দৰৰ পিনৰপৰা বহল পিচ দিয়া আলি-বাটটোৰ এখন টেক্সী আহি, বাট বিচাৰি ৰৰকৈ হৰ্ণ দিছিল ; তিনি-আলিৰ মূৰত থুপ খাই উৎকণ্ঠাৰে অৰণ্য পথলৈ চাই থকা মমতা, ৰামু, শঙ্কৰ আটায়ে সচকিত হৈ উঠিছিল।

গাড়ীখনৰপৰা মুখ উলিয়াই চোৱা মানুহজন—শ্ৰীউত্তম বৰুৱা। মমতাই শ্ৰীবৰুৱাক দেখি পানীত পৰা মানুহে কিবা এটা অৱলম্বন পোৱাৰ দৰে উৎসাহিত হৈ উঠিল। পোনেই লৰি গৈ মাতিলে,

ঃ বৰদেউতা !

ঃ কি হ'ল মমতা ?

ঃ চন্দনৰ মাক আহিছেনে ?

ঃ এয়া গাড়ীৰ ভিতৰত।—বুলি কৈ শ্ৰীবৰুৱা নামিল।

ঃ মা, মা—মই মমতা। আপুনি নামি আহক।—চন্দনৰ মাকক যেন টানিহে নমাব—তেনেদৰে মমতাই অধীৰভাৱে কৈ গ'ল ঃ মা, মা, সৌৱা আপোনাৰ ল'ৰা চন্দনে আকৌ অৰণ্যপথত ভৰি দিছে। আহক, আপুনি মাতি আনক।

উমাই হেহো-নেহোকৈ কৈছিল ঃ মই, মই কিয় ? তুমি মাতা। মই তাৰ অচিনাকি। তোমালোকে মাতিলেই আহিব।

ঃ নহয় মা, পলম নকৰিব। আহক।—উমাক নমাই অলপ আগুৱাই আনিলে মমতাই। শ্ৰীবৰুৱাও আগবাঢ়ি আহিল। হাৰাণ বাবুও গাড়ীৰপৰা নামিল।

ৰামু, শঙ্কৰহঁতে নমস্কাৰ জনাই একাষৰীয়া হৈ থিয় দিলে।

আকাশলৈ চাই চকু মুদি, চন্দনে কি জানো ভাবি আছিল। এটা প্ৰবল মানসিক দ্বন্দ্বত যেন কৰ নোৱাৰাকৈ বহু সময় পাৰ কৰি দিছিল।

ঃ মা, মাতক। আপুনি নামাতিলে নাহিব। ইমান দিনে আমি ৰখালো। এতিয়া আপোনাৰ পাল।

মমতাৰ কথাৰ ভগনতে শ্ৰীবৰুৱাও যোগ দিলে—'হয়, মাকহে উমাই, এতিয়া আপোনাৰ পাল। মাকৰ পাল।

উমাৰ চকুত এধাৰি চকুলো। বিজুলী বেগেৰে তেওঁৰ মনত যেন নোকোৱা কথা কিছুমানে—আকাশত ভৰ দি ওলমি থকা মেঘৰ টুকুৰা-বোৰৰ দৰে ভিৰ কৰিছিল ঃ

—এতিয়া মোৰ পাল। মাকৰ পাল। কিন্তু—মোৰ তাহানিৰ চানু আৰু শহা পোৱালিটো ; বুধন মালী আৰু তাৰ বান্দৰটো, মোৰ চেনেহৰ বাপাই ফৰেণ্ট আৰু চানুৰ দেউতাক ঃ কাক কোনে ধৰি ৰাখিব পাৰিলে? সকলো আছে, সকলো যায়।

"পৃথিৱীৰ সবচেয়ে পুৰাতন কথা, গভীৰ ক্ৰন্দন যেতে নাহি দিব হায়, তবু যেতে দিতে হয়, তবু চলে যায়।"-----

ঃ নিছেছ উমাছ।--বৰুৱাৰ মাতত সপ্ৰতিভ হয় উমা।

চকুলো দুধাৰ মচি, সোধে ঃ মই কি কৰো ?

ঃ চন্দনক মাতক। বৰুৱাই কয়।

ঃ এবাৰ মাতক মা।--মমতাই কয়।

উমাই আগুৱাই গৈ থাকে আৰু মাতে--চানু--চানু---

সেই মাত শুনি চন্দনে সচকিত হৈ উভতি চায়।

হাত দুখন আগুৱাই এগৰাকী মাতৃয়ে সন্তানক মাতিছে বুকুৰ মাজলৈ। উমা তেতিয়া স্থিৰ। চকুত পানী নাই।

ঃ তুমি পুৰুষ। তুমি কিয় পলৰীয়া শহাৰ দৰে ভীৰু হবা। উভতি আহা।—বৰুৱাই চিঞৰি কলে।

মমতাই চিঞৰিলে ঃ চন্দন, উভতি আহা--তোমাৰ মা আহিছে। অন্ততঃ মাৰ বাবে আহা-- ।

আকাশত তেতিয়া ডাৱৰ ফালি সূৰ্য্য ওলাইছে। বতাহত মেঘবোৰ হেঁদেলি-ভেদেলি হৈছে। তীব্ৰ কিৰণমালাই অৰণ্য পথকে ধৰি গোটেই পৰিবেশটো উজ্জ্বল কৰি তুলিছে।

ঃ আকাশৰ সৌ ঘন মেঘ ফালি অহা সূৰ্য্যৰ পথ লোৱা চন্দন।— কোনোবাই যেন চন্দনক কাণে কাণে কৈ গ'ল।

সূৰ্য্যৰ পথ ? কি সেই পথ ? সংগ্ৰামৰ আৰু আলোক বিতৰণৰ। সূৰ্য্যৰ কিৰণে জীৱন দিয়ে সহস্ৰ জনক, সমগ্ৰ পৃথিৱীক। কাৰো বাবে-

'গুটীয়া স্বাৰ্থৰ বাবে নহয়—সকলোৰে কাৰণে সূৰ্য্যই নিজকে নিঃশেষ কৰি জীৱনী শক্তি দি আহিছে। চন্দনেও সেই পথ লব লাগে? প্ৰতি-জন লোকে সেই পথ ললেহে পৃথিৱী মঙ্গলময়, প্ৰেমময় হব। কিন্তু সেয়া জানো সম্ভৱ!—মমতাই এদিন কৈছিল : চন্দন এজনৰ বাবে সকলোজন, আৰু সকলোৰে বাবে এজন—এই দৃষ্টিৰে কাম কৰি যাব লাগে। এৰা, মমতাৰ বাবে নহলেও, মাৰ বাবে নহলেও, কুলমণি ৰাম্-শঙ্কৰহঁতৰ সকলোৰে বাবেতো মোৰ কৰিবলগীয়া বহু কাম আছে। কৰা উচিত।—উচিত বুলিয়েই জানো সকলো কাম কৰা হয়? পৰিবৰ্তনেই জগতৰ একমাত্ৰ সত্য; আৰু পৰিবৰ্তন মানেইতো স্থিতাৱস্থা আঁতৰাই থকাৰ চিৰন্তন সংগ্ৰাম। সেই সংগ্ৰামৰ অন্ত নাই, সূৰ্য্যৰ মেঘমুক্তিৰ সংগ্ৰামৰ দৰে। বাৰে বাৰে মেঘমালা আহিব, বাৰে বাৰে সূৰ্য্যই বেহ ভেদ কৰিব। পোহৰৰ বাধাৰ মেঘকো বৰ্ষণ-মুখৰ কৰি পৃথিৱীক গৰ্ভৱতী কৰাব। এয়েতো সৃষ্টিৰ ক্ৰমগতি-স্থিতিৰ নীতি—। সৃষ্টি-স্থিতি-প্ৰলয়, প্ৰলয়-সৃষ্টি-স্থিতি—এনেদৰে চলে কালৰ ৰথচক্ৰ। চক্ৰযানৰ ৰথী মানৱ আৰু সাৰথি অজেয় মন। সেয়েই সূৰ্য্যৰ পথ।

এইবাৰ কোমল কণ্ঠস্বৰৰ ঠাইত কঠোৰভাৱে ধ্বনিত হ'ল উমাৰ আহ্বান—

: চন্দন, উভতি আহ।

এয়া মাতৃৰ আকুল মিনতি নহয়, সৰ্বংসহা ধৰিত্ৰীৰ যেন আদেশ।

মুহূৰ্ততে চন্দনে চিপটোৰপৰা নামি, একা-বেঁকা বাটটোৰে উভতি আহি—তিনিআলিৰ মূৰত হাত আগবঢ়াই থকা মাকৰ বুকুত সোমাই পৰিল।

মমতা, উত্তম বৰুৱাই—ইজনে সিজনলৈ চালে। উত্তমৰ চকুৰ কোণ সজল। ৰাম্-শঙ্কৰহঁতে মুখ ঘূৰাই চকুপানী মচিলে।

: মা, মা—তুমি মোক ক্ষমা কৰা—তাহানিৰ আঁঠু বহুৱীয়া অকণমানি চানুটোৰ দৰে উমাৰ বুকুৰ মাজত, মুখ গুজি ক'লে চন্দন।

উমাই কৈ গ'ল অশ্ৰু-বিজড়িত কণ্ঠেৰে : চানু। মাকৰ ওচৰত জানো সন্তানে দোষ কৰিব পাৰে? তই—তই একেবাৰে 'মহান কামত

ওমলা তাহানিৰ চানুটো হৈয়ে আছ। ক'ল, উত্তৰি ক'ল। মোৰ বাবে নহয় চানু, তোৰ প্ৰয়োজন আছে পৃথিৱীৰ বহুজনৰ বাবে। আহ।

লাহে লাহে এটা চৰম উত্তেজনাৰ মুহূৰ্ত পাৰ হৈ গ'ল।

মনজুলি বাগিচা অভিমুখে দুখন গাড়ী চলিল। জীপখনত ৰামু-শঙ্কৰহঁত। হাৰাণ বাবুও জীপত উঠিল। আৰু টেক্সীখনত উমা, মমতা, বকৰা, চন্দন।

সকলো নিৰৱ। অথচ প্ৰতিজনৰ মনতে এটা নিজে নিজেহে শুনা সৰব কলৰব।

চন্দনৰ মনতো সেই কলৰব: মই আকৌ আহিছো। কোন পথেৰে? সূৰ্য্যৰ পথ। সৌৰা ডাৱৰ ফালি সূৰ্য্য মুকলি হ'ল। সূৰ্য্যৰ অ:লেখ ৰশ্মিয়ে পৃথিৱীক আলিঙ্গন কৰিছে। আৰু পৃথিৱীয়েও ঘূৰি ঘূৰি সূৰ্য্যক প্ৰদক্ষিণ কৰি আছে। নিতৌ--অবিৰাম। অন্তহীন এই আকৰ্ষণ। আকৌ ডাৱৰ আহিব। আকৌ সংগ্ৰাম হব। পুনৰ সূৰ্য্যৰ কিৰণে পৃথিৱীক পৰশ কৰিব। অন্তহীন এই পৰিক্ৰমা। পৰ্বতৰ শৃঙ্গই ভৈয়ামৰ অলিয়ে-গলিয়ে টোপনি মেলে সূৰ্য্যৰ কিৰণে—জনপথৰ মিছিলৰ দৰে। সূৰ্য্যৰ কিৰণৰ লক্ষ লক্ষ কণিকা। প্ৰতিটো একক অথচ বিচ্ছিন্ন কৰিব নোৱাৰা ধৰণে সামগ্ৰিক। জনপথৰ মিছিলৰ মাজতো ব্যক্তি একক, অথচ সমষ্টিৰ মাজত বিলীন। সমষ্টিৰ ভিতৰত কোনো একক নহয়। সমগ্ৰৰ অবিচ্ছেদ্য অঙ্গৰূপেহে ব্যক্তিৰ স্থিতি। এই মা, মমতা, ফুলমণি, বকৰা, ডাক্তৰ, বুধন, ৰামু, শঙ্কৰ, মই—সকলো পৃথিৱীৰ নায়ক-নায়িকা। কিন্তু নায়ক-নায়িকা হোৱাৰ পৰিবেশ তথা পৃষ্ঠভূমি সহস্ৰজনৰ সমন্বয়তহে গঢ়ি উঠে। পৃথিৱী ইমান ধুনীয়া। মানুহ ইমান মহৎ। মানুহৰ প্ৰেমৰ দুৰ্বাৰ আকৰ্ষণ মই অনুভৱ কৰিছো। পৃথিৱীৰ প্ৰেমৰ আকৰ্ষণ মই উলংঘন কৰিম কেনেকৈ? মাধ্যাকৰ্ষণ শক্তিয়ে পৃথিৱীৰ বুকুলৈ সকলোকে টানি আনে। মাতৃৰ মৰমেৰে, প্ৰিয়াৰ আকোৱালেৰে, সহকৰ্মী বন্ধুৰ প্ৰেম-

প্ৰীতিয়ে মোকো পৃথিৱীয়ে টানি আনিছে। এই আকৰ্ষণেইতো ব্যক্তিক জীয়াই ৰাখে, সমাজক জীয়াই ৰাখে, পৃথিৱীক জীয়াই ৰাখে। আৰু জীৱনত প্ৰেম থাকে মানে বিশ্বাসো থাকে। বিশ্বাসে দিয়ে আশা। আশা থাকে কাৰণে মানুহে জীয়াই থকাৰ যুঁজ কৰে। এই যুঁজ, এই সংগ্ৰাম চিৰন্তন। সেই সংগ্ৰামৰ মাজতো থাকে এক আনন্দ। জীৱশ্ৰেষ্ঠ মানুহৰ আনন্দ। এই আনন্দৰ মাজেৰে চলোৱা নিৰন্তৰ সংগ্ৰামে আনে পৰিবৰ্তন। আৰু পৰিবৰ্তনেই পৃথিৱীক ইমান আকৰ্ষণীয় কৰে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে কৈছিল 'ৰূপান্তৰেহে মাটি জগত ধুনীয়া কৰে, এয়ে গায়ত্ৰী মন্ত্ৰ।' কিন্তু ৰূপান্তৰৰ বাবে অকল অলস চিন্তাই অৰিহণা যোগাব নোৱাৰে। তাৰ বাবে লাগে সীমিত বৃত্তত হলেও প্ৰতিজন ব্যক্তিৰ, প্ৰতিটো সমষ্টিৰ নিয়ত সক্ৰিয় প্ৰচেষ্টা। ঠিক বতাহে আন্দোলিত কৰি সূৰ্য্যৰ কিৰণমালাক গতিপথ ৰুদ্ধ কৰা মেঘৰ চপৰাবোৰ আঁতৰাই থকাৰ দৰে, প্ৰতি গৰাকী ব্যক্তি আৰু প্ৰতিটো সমষ্টিয়ে ৰূপান্তৰৰ অভিযানৰ পথ মুকলি কৰি থাকিব লাগিব। অনিৰুদ্ধ ৰূপান্তৰৰ মাজতে বিচাৰি পোৱা যাব পৃথিৱী আৰু মানৱৰ মাজৰ প্ৰেমৰ অন্তহীন আকৰ্ষণৰ উৎস। আৰু এই দুৰ্বাৰ আকৰ্ষণেই—পৃথিৱীৰ প্ৰেম।

# সামৰণি ?…এটা অধ্যায়ৰ—

ধুমুহা যিমান প্ৰচণ্ড গতিৰে নহওক কিয়, তাৰ অন্তত আছে এটা প্ৰশান্তি। ঘৰ্ষণৰ স্ফুলিঙ্গই আনে এটা দীপ্তি। ঘাত-প্ৰতিঘাতত জৰ্জৰিত বন-বিহঙ্গমৰ দৰে উমা আৰু চন্দনৰ জীৱনলৈও নামি আহিল স্থিতিৰ সংগ্ৰামৰ এটা অধ্যায় সামৰাৰ বেদনা-বিধুৰ তৃপ্তি।

প্ৰায় এমাহ পাৰ হ'ল।

ইতিমধ্যে উমাই চন্দন-মমতাহঁতৰ সৈতে অতীতৰ শত স্মৃতি বিজড়িত ৰূপাই ফৰেষ্টলৈও গৈছিল। সেই অঞ্চলত নানান পৰিৱৰ্তন ঘটিছে; নতুন নতুন ঘৰ সজা হৈছে, বিষয়া-কৰ্মচাৰীৰ সংখ্যা বাঢ়িছে। কিন্তু কাঠৰ চাংবঙলাটোৰপৰা তাহানি উমাই দেখি থকা পৰ্বতীয়া নৈখন একেদৰে বৈ আছে। বহাগৰ শেষত আগৰ দৰেই নৈখনত পানী বাঢ়িছে। দুপাৰৰ হাবি-বন, গছ-বিৰিখত ন-ন পাতফুল ভৰি পৰিছে। উমাৰ মনত পৰিছিল—মোহিতৰ লগত কটোৱা নানা ৰঙৰ দিনবোৰৰ কথা। হাবি-বন গোটাই ঘৰ-দুৱাৰ লেতেৰা কৰা অকণি চানুটো, ভায়োলিন বজাই আপোন পাহৰা হোৱা মোহিত, আৰু সৰু সংসাৰখনৰ মাজত সদাব্যস্ত থকা উমা—অতীতৰ স্মৃতিৰ টুকুৰাবোৰে আমনি কৰিছিল অলেখ পৰলৈ। সপোনৰ দৰে এদিন:

সেই সুখৰ সৰু নীড় এটা দুৰ্ঘটনাৰ ধুমুহাই ভাঙিছিল। নীড়হাৰা প্ৰাণীকেইটা কেউপিনে উফৰি পৰিল।

●

বাৰ বছৰ অপেক্ষা কৰিও মোহিতৰ সন্ধান পোৱা নগ'ল। বৰং সেই দুৰ্যোগৰ যুগটোৰ অন্তত আন এটা ধুমুহাত বাকী দুটি প্ৰাণীও বিচ্ছিন্ন হৈ পৰিল।

পুনৰ দুটি প্ৰাণী লগ হৈ প্ৰথমজনৰ স্মৃতিকে বুটলি শান্তি পোৱাৰ আশাত হয়তো কাপাই পাইছিল। কিন্তু কাপায়ে কি দিয়ে? দিব পাৰেই বা কি? এটা শূন্য হুমুনিয়াহ। তাকে লৈ উভতিছিল উমা, চন্দন।

●

ৰঙালী বিহুৰ উখল-মাখলেৰে বহাগ মাহটো শেষ হ'ল। নৃত্য-গীত-বাদ্যৰ পয়োভৰৰ মাজত প্ৰাণচঞ্চল অসমৰ ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া- বুঢ়ী—সকলো আপোন-পাহৰা হৈ থাকে বছৰৰ আৰম্ভণিৰ প্ৰথম মাহটো। বহাগৰ বিদায় মুহূৰ্তই আৰু এক বহাগৰ আগমনৰ আশাকে দি যায়, লগতে দিয়ে বছৰটোলৈ কৰ্মপ্ৰেৰণা।

উমাৰ উপস্থিতিত চন্দন-মমতাৰ লগতে মনজুলিৰ সৰু পৰিয়াল যেন মানুহখিনিৰ মনলৈও এই বহাগে আনিলে কৰ্মপ্ৰেৰণাৰ লগতে এটা প্ৰশান্তি। চন্দন আৰু মমতাৰ মনত সকলো পোৱাৰ মাজতো কিবা এটা নাম-নজনা অভাৱৰ অনুভূতি আঁতৰি যোৱাৰ পৰিবেশো ক্ৰমে গঢ়ি উঠিল।

●

এদিন বহাগ গ'ল। আৰু উমা?—একমাত্ৰ গৰ্ভজাত সন্তান চন্দনক ইমান ওচৰত পায়ো তেওঁ পাহৰি যাব নোৱাৰিলে কলিকতাৰ উপকণ্ঠৰ ইছমাইল, ডেভিড, ৰামস্বামী, গণেশহঁতক। সিহঁতৰো যে তেওঁ মাক। সিহঁতৰ ৰং-ধেমালি উছৱ-পৰবত, ল'ৰা-ছোৱালীৰ জন্মৰ সময়ত, বিয়া-বাৰুত উমা যে থাকিবই লাগে। সিহঁতৰ দুখ-শোক, আন্দোলন-অনশনতো উমাৰ উপস্থিতি অপৰিহাৰ্য্য। আনকি সিহঁতে অনশন

কৰিলেও উমাইহে কমলাৰ ৰস খুৱাই অনশন ভঙ্গ কৰাব লাগে। আজি দুবছৰে উমাই সেইসকল সন্তানৰ মাজত নিজকে বিলাই দি আছিছে। নতুন পৰিয়াল এটা যেন উমাক কেন্দ্ৰ কৰি গঢ়ি উঠিছে, য'ত কোনো ধৰণৰ সংকীৰ্ণ স্বাৰ্থ-চিন্তা নাই, আছে মাথো মানৱ সেৱাৰ অপূৰ্ব আনন্দ।

●

মনজুলিলৈ অহাৰ আগতো, এই আকৰ্ষণৰ বাবেই, উমাই শ্ৰীউত্তম বৰুৱাক কৈছিল যে তেওঁ আকৌ উভতি যাব তেওঁৰ বৰ্তমানৰ কৰ্ম-স্থলীলৈ। শ্ৰীবৰুৱায়ো সেয়ে তেওঁলোকক অনাৰ সময়ত প্লেনৰ দুটা ৰিটাৰ্ণ টিকট উমাৰ হাতত দিছিল। উভতি যোৱা তাৰিখটো অ-নিৰ্দ্ধাৰিত কৰি ৰখাইছিল।

●

চন্দন-মমতাই মনজুলিক কেন্দ্ৰ কৰি জনকল্যাণকে জীৱনৰ লক্ষ্য কৰি কাম কৰিবলৈ লৈছে। একে লক্ষ্য লৈয়েই কলিকতাৰ উপ-কণ্ঠৰ এটা বস্তিক কেন্দ্ৰ কৰি উমায়ো যথাসাধ্যে মানৱসেৱাত ব্ৰতী হৈছে। লক্ষ্য একে, কৰ্মক্ষেত্ৰহে বেলেগ। সেয়েহে একে লক্ষ্যত খোজ লোৱা মাক উমা আৰু পুতেক চন্দনৰ পাৰস্পৰিক উপলব্ধিয়ে তেওঁলোকৰ মাজত স্নেহৰ বন্ধন অধিক কটকটীয়া কৰি তুলিলে। এনে একাত্মবোধৰ বন্ধনস্থান-কালৰ দূৰত্বই শিথিল কৰিব নোৱাৰে। মাজে-সময়ে, আৱশ্যক ক্ষেত্ৰত উমা চন্দনৰ কাষ পাব; চন্দনো উমাৰ ওচৰলৈ যাব। কিন্তু কাৰো গতিপথত কোনো প্ৰতিবন্ধক নহয়। আজি আৰু দুটা প্ৰাণৰ মাজত কোনো দ্বিধা-দ্বন্দ্বৰ অৱকাশ নাই।

●

এনে এটা পৰিবেশতে উমা কলিকতালৈ যাবলৈ ওলাল। চন্দন আৰু মমতাই উমা আৰু হাৰাণ বাবুক লৈ এৰোড্ৰমলৈ গৈছে। শ্ৰীউত্তম বৰুৱাই তেওঁৰ নিজা ধুনীয়া গাড়ীখনত তেওঁলোকক

পঠিয়াই দিছে। আজি প্ৰীৰকন্যা আৰু ডাঃ শৰ্মাৰ মনতো এটা অভাৱনীয় তৃপ্তি।

●

কলিকতা অভিমুখে বিমানৰ চিৰিৰে উমা উঠি গৈছে। এগৰাকী মাতৃ,—অকল চন্দনৰে নহয়, সকলো দৰিদ্ৰ-দুখী, অনাথ-অসহায়ৰ মাতৃ। শেষবাৰ উভতি চাইছে আঁতৰত হাত জোকাৰি বিদায় দি থকা চন্দন আৰু মমতাক। উমায়ো হাত দাঙিছে। আজিৰ এই বিদায়ত যেন কোনো বেদনাৰ অনুভূতি নাই। উমাৰ চকুয়ে-মুখে এটা নিৰ্ভৰ মনৰ মাতৃসুলভ হাঁহি। আত্মবিশ্বাস লাভ কৰা মৰমৰ পুত্ৰ চন্দনে নিজে নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰিব পাৰিব বুলিয়েই উমাৰ বিশ্বাস উপজিছে। সেয়ে এই নিৰ্ভৰতা। তদুপৰি চন্দন আজি আৰু অকলশৰীয়া নহয়, লগত আছে বহু একনিষ্ঠ সহকৰ্মী আৰু শুভাকাংক্ষী।

●

এটা সময়ত বিৰাট গৰ্জন কৰি আকাশ পথত বিমান উৰিল— এখন মাতৃহৃদয় লৈ।

●

চন্দন আৰু মমতা মনজুলিলৈ উভতিবলৈ গাড়ীৰ কাষ পালেহি। ড্ৰাইভাৰে গাড়ীত লগোৱা ৰেডিঅ'ৰ গীত শুনি আছিল। চন্দন আৰু উমা কাষ চপা পৰ পাই বন্ধ কৰিব খুজিছিল। উমাই ক'লে—বাজিবলৈ দিয়া।

ৰেডিঅ'ত গীত আহি থাকিল। গাড়ী চলিল।

●

গাড়ী উভতিছে পিচ্ দিয়া বহল পথেৰে। ৰেডিঅ'ত এটাৰ পিছত এটা গীত বাজি আছে। এটা সময়ত চন্দন-মমতা সকলোৱে পৰিচিত সেই তিনিআলিৰ সমীপ পালেহি, য'ৰপৰা অৰণ্যৰ একাবেঁকা পথৰ আৰম্ভণি হৈছে আৰু য'ত লগ লাগিছেহি মনজুলি যাবলৈ যোৱা চাহপাতৰ বাগিছৰ মাজত ৰঙচুৱা আলিবাটটো।

●

চন্দনৰ মনত ভাবৰ তোলপাৰ। ------মায়ে মোৰ জ্ঞান চকু মুকলি কৰি গ'ল। এদিন বুকুৰ উমেৰে মৰম-চেনেহৰে মোক তুলি-তালি ডাঙৰ কৰিলে। আজি পুনৰ এক ত্যাগৰ আদৰ্শৰে শ শ আশাহত জনক মাতৃস্বৰ উমেৰে আবৰি ৰখা মাই মোক মানৱসেৱাৰ ব্ৰতৰ সন্ধান দিলে। এই ব্ৰত মযো লম—একনিষ্ঠভাৱে। সেয়ে মই উভতিছো মানুহৰ পৃথিৱীলৈ। যি কোনো ধৰণে অসহায় মানৱতাৰ কল্যাণৰ প্ৰচেষ্টাই হব মোৰ জীৱনৰ লক্ষ্য। মই পৃথিৱীক ভাল পাম। পৃথিৱীয়েও মোক ভাল পাব।

●

আকাশত তেতিয়া উজ্জ্বল ভাস্কৰৰ তীব্ৰ-কোমল ৰ'দজাক। গাড়ী চলিছে এটা নিৰ্দিষ্ট গতিবেগত। তিনিআলিৰ মূৰ এৰি মনজুলিৰ পথত। কাৰো মুখত মাত নাই। মাজে মাজে 'গিয়াৰ' সলনি কৰা শব্দ নাইবা এটা-দুটা হৰ্ণৰ ধ্বনি। আৰু ৰেডিঅ'ত উটি অহা গীতটোৰ কথাবোৰ।------

আহ ঐ আহ
জীৱন মানেই সাহ----
গছে-পাতে আজি
নতুন পুৰাৰ লাহ॥

জয়-পৰাজয় হওক যি হয়
গতিৰ ধৰাই মাথোঁ সক্ৰিয়ায়—
জীৱন মানেই সংগ্ৰাম,

পোৱা নোপোৱাৰ হিচাপ মিছা—
আছে কিনো তাৰ দাম ?
জীৱন মানেই সংগ্ৰাম—

● ● ●